# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী


সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ **দীপিকা কচচল**
জ্যেষ্ঠ সম্পাদক ঃ **অনুপমা দাস**

**PAYOBHARA**
**VOL. - 47 No. 12**
**সপ্তচত্বাৰিংশ বৰ্ষ ঃ দ্বাদশ সংখ্যা**
**ফেব্ৰুৱাৰী ঃ ২০১৭**

শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা
প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
গজানন পি ধোপে


## এই সংখ্যাত


| | | |
|---|---|---|
| ❐ বি-বিমুদ্ৰাকৰণ ঃ বিগত দুটা মাহৰ সোঁৱৰণ | ✍ অৰুণ জেইট্‌লি | ৩ |
| ❐ নগদ অৰ্থনীতিৰ পৰা কম নগদ অৰ্থনীতিলৈ | ✍ প্ৰভাকৰ চাহু<br>✍ আমোঘ আৰোৰা | ৫ |
| ❐ বি-মুদ্ৰাকৰণ ঃ নিৰ্বাচনত ক'লা ধন নিয়ন্ত্ৰণৰ সম্ভাৱনা | ✍ এছ ৱাই কুৰেইশ্বি | ১১ |
| ❐ নগদ ধনৰ ব্যৱহাৰ হ্ৰাস কৰা অৰ্থনীতি ঃ ক'লা ধনৰ প্ৰচলনৰ ওপৰত মাধমাৰ | ✍ টিম্‌ছী জয়পুৰীয়া | ১৪ |
| ❐ নগদবিহীন অৰ্থনীতি ঃ ছাইবাৰ নিৰাপত্তাৰ বিষয়সমূহ আৰু আগলৈ যোৱৰ পথ | ✍ বি এম মেহট্ৰে | ১৬ |
| ❐ কম নগদ অৰ্থনীতি ঃ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ভাৰতৰ অৱস্থান | ✍ অৰ্পিতা মুখাৰ্জী<br>✍ তনু এম গোৱেল | ২০ |
| ❐ নগদবিহীন গ্ৰাম্য অৰ্থনীতি লাভ কৰাৰ প্ৰয়াস | ✍ সমীৰা সৌৰভ | ২৪ |
| ❐ ডিজিটেল অৰ্থনীতিৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতিৰ উন্নয়ন সাধন | ✍ সন্দীপ দাস | ২৯ |
| ❐ বি-মুদ্ৰাকৰণ ঃ কম নগদ ধনৰ অৰ্থনীতিৰ দিশৰ পিনে এটা পদক্ষেপ | ✍ ডি এছ মালিক | ৩৩ |
| ❐ বি-মুদ্ৰাকৰণ, নগদবিহীন অৰ্থনীতি আৰু বিকাশ | ✍ বি কে পাটনায়ক | ৩৮ |
| ❐ চতুৰ্দশ বিত্ত আয়োগ আৰু উত্তৰ পূৰ্বাঞ্চল | ✍ মীৰা বালা বৰা | ৪৬ |
| ❐ কৃষিজত সামগ্ৰীৰ বজাৰ আৰু গ্ৰাম্য বুনিয়াদী ব্যৱস্থাৰ ভূমিকা ঃ জিলাভিত্তিক পৰ্যালোচনা | ✍ ৰূপজ্যোতি বৰদলৈ | ৪৯ |
| ❐ বৌদ্ধিক সম্পদৰ অধিকাৰ | ✍ অৰূপ কুমাৰ শৰ্মা | ৫৩ |
| ❐ আপুনি জানেনে? | | ৫৫ |
| ❐ প্ৰকাশন বিভাগৰদ্বাৰা ভাৰতৰ আদালতসমূহৰ ঐতিহাসিক ক্ৰমবিৱৰ্তনমূলক গ্ৰন্থ প্ৰকাশ | | ৫৬ |
| ❐ স্বচ্ছ স্বস্থ সৰ্বত্ৰ প্ৰৱৰ্তন | | ৫৬ |


পয়োভৰাত প্ৰকাশিত
প্ৰবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব


পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ২৩০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ৪৩০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ৬১০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় পেন্সনপাৰা পথ, গৃহ নং ৪, গুৱাহাটী
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ ডি কে গ্ৰাফিকচ্, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প
য়ো
ভ
ৰা

# এই সংখ্যাৰ প্ৰসংগত

২০১৬ চনৰ ৮ ডিছেম্বৰৰ নিশা প্ৰধান মন্ত্ৰীয়ে যেতিয়া ৫০০ আৰু ১০০০ টকীয়া নোটৰ বি-মুদ্ৰাকৰণ ঘোষণা কৰিছিল, সমগ্ৰ দেশৰ বাবে প্ৰথম প্ৰতিক্ৰিয়া আছিল বিশ্বাস কৰিব নোৱাৰা ঘটনা। এই ব্যৱস্থাৰ প্ৰধান উদ্দেশ্য আছিল ক'লা ধন, দুৰ্নীতি আৰু জাল নোটৰ ভাবুকি প্ৰতিহত কৰা। প্ৰতিদিনেই উপভোগ্য সামগ্ৰীৰ মূল্য বৃদ্ধি আৰু মুদ্ৰাস্ফীতিৰ বাবে ১০০ টকা আৰু ৫০ টকীয়া নোট ক্ৰয়ৰ ক্ষেত্ৰত কাৰ্যত অদৃশ্য হৈ পৰিল আৰু দহটকীয়া নোটৰ ক্ষেত্ৰতো এটা কৌতুক প্ৰচলন হ'ল— দেৱতা আৰু ভিক্ষাৰীৰ বাদে কোনেও দহটকীয়া নোট গ্ৰহণ নকৰে।

ভাৰতত অতীতত দুবাৰ বি-মুদ্ৰাকৰণ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। এবাৰ ১৯৪৬ চনত আৰু দ্বিতীয়বাৰ কৰা হৈছিল ১৯৭৮ চনত। কিন্তু সি যি কি নহওক, সেই সময়ত ভাৰতৰ অৰ্থনীতি সিমান শিহৰণকাৰী নাছিল। বি-মুদ্ৰাকৰণ কৰা উচ্চ মূল্যৰ নোটবোৰ অতি কম মানুহৰ হাতত আছিল আৰু সেই বাবে সাধাৰণ মানুহে বেছি অসুবিধাৰ সন্মুখীন হ'ব লগা নহ'ল। সি যি কি নহওক, বৰ্তমানৰ বি-মুদ্ৰাকৰণ ঘোষণাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। ৫০০ আৰু ১০০০ টকীয়া নোটৰ ব্যাপক প্ৰচলনৰ হেতু এই বি-মুদ্ৰাকৰণৰ ফলত ৰুটী, গাখীৰ, কণী, শাক-পাচলি আৰু ফল-মূলৰ দৰে দৈনন্দিন অত্যাৱশ্যকীয় ব্যৱহাৰ্য সামগ্ৰী ক্ৰয় কৰাৰ বাবেও হাতত নগদ ধনৰ অভাৱ ঘটিল। কেনেকৈ মাচুল জমা কৰিব, দৰ্মহা দিব আদি বিষয়বোৰ সাধাৰণ মানুহৰ বাবেও দৈনন্দিন উদ্বেগৰ বিষয় হৈ পৰিল। বেংকত নগদ ধনৰ প্ৰশ্ন আৰু এ টি এম-সমূহে জনসাধাৰণৰ সন্তাপ বৃদ্ধি কৰিলে। বেংক একাউণ্টত নগদ ধন জমা, পুৰণি নোট সলনি কৰা আৰু এ টি এমৰ পৰা সামান্য পৰিমাণৰ ধন উলিয়াই অনাৰ ক্ষেত্ৰত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হ'ল।

ক'লা ধন উন্মোচন কৰা আৰু সন্ত্ৰাসবাদক পুঁজি যোগান ধৰা আদি কাৰ্য কৰা প্ৰতিহত কৰাৰ উদ্দেশ্যেৰেই বি-মুদ্ৰাকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ল বুলিয়েই সাধাৰণ জনতাৰ বাবে সান্ত্বনাৰ স্থল আছিল। প্ৰধান মন্ত্ৰীয়ে তেওঁৰ ভাষণত দুৰ্নীতি, ক'লা ধন আৰু জাল নোট আদিৰ বিৰুদ্ধে যুঁজাৰ বাবে সাধাৰণ লোকৰ হাত শক্তিশালী কৰিবৰ বাবেই এই ব্যৱস্থা গ্ৰহণ কৰিব লগা হ'ল বুলি ঘোষণা কৰে। ক'লা ধন অৰ্থনীতি, ক'লা ধনেৰে সন্ত্ৰাসবাদক যোগান ধৰা আদি কাৰ্যই সৃষ্টি কৰা সমস্যাৰ বাবে হতাশ হৈ পৰা সাধাৰণ লোক এনে ধৰণৰ কাৰ্যাৱলীৰ অৱসান ঘটাবৰ বাবে কঠোৰ সিদ্ধান্ত লোৱা হৈছে বুলি আনন্দিত হ'ল।

বি-মুদ্ৰাকৰণৰ ক্ষেত্ৰত চৰকাৰৰ আন এটা উদ্দেশ্য হ'ল— নগদহীন অৰ্থনীতিৰ সৃষ্টি কৰা। নগদহীন লেনদেনৰ স্বচ্ছতাৰ ক্ষেত্ৰত লাভ আছে। এই ব্যৱস্থাই সন্ত্ৰাসবাদী সংগঠন আৰু আন ৰাষ্ট্ৰদ্ৰোহী কাম-কাজৰ বাবে পুঁজি যোগান ধৰা কাৰ্যৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাত সহায় কৰিছে। একে সময়তে, জনসাধাৰণৰ বগা ধন বেংকত আছে আৰু চৰকাৰ অৱগত হোৱাৰ বাবে যাৰ প্ৰয়োজন তেওঁলোকলৈ ঋণ যোগান ধৰা আৰু উন্নয়নমূলক কামৰ বাবে পুনৰ চক্ৰীকৰণ কৰা সহজসাধ্য হৈ পৰিল।

সি যি কি নহওক, দেশৰ জনসংখ্যাৰ এটা বৃহৎ অনুপাত নিৰক্ষৰ আৰু গ্ৰামাঞ্চলত ডিজিটেল লেনদেনৰ বাবে আন্তঃগাঁথনি পৰ্যাপ্ত নোহোৱাৰ বাবে সম্পূৰ্ণ নগদহীন অৰ্থনীতি গঢ়ি তোলাটো সম্ভৱ নহ'ব। সেয়েহে, এতিয়া কম-নগদ অৰ্থনীতি অৰ্থাৎ এটা অংশ নগদ ধনেৰে লেনদেন আৰু বাকীখিনি ডিজিটেল পৰিশোধৰ মিশ্ৰণৰ এটা অৰ্থনীতি সৃষ্টি কৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছে। ইয়াৰ বাবে ডিজিটেল পৰিশোধ কৰা সকললৈ আৰু ডিজিটেল পদ্ধতিৰে পৰিশোধ গ্ৰহণ কৰা সকললৈ উদগনি আগবঢ়োৱা হৈছে।

কম নগদ অৰ্থনীতিৰ এটা উদ্বেগৰ বিষয় হ'ল ছাইবাৰ অপৰাধৰ বিপদ। ডিজিটেল ব্যৱস্থাই নগদ ধন লগত লৈ ফুৰা বিপদশংকা হ্ৰাস কৰাৰ বিপৰীতে ছাইবাৰ সুৰক্ষা বিপদশংকাত ভুগিবলগীয়া হয়। একে সময়তে ছাইবাৰ অপৰাধৰ মোকাবিলা কৰাৰ বাবে নিৰ্দিষ্ট সমাধানো আছে। এইটো প্ৰায়ে প্ৰযুক্তি বিজ্ঞানৰ বাবে নঘটে, ব্যৱহাৰকাৰীৰ অসাৱধানতাৰ বাবে ছাইবাৰ সুৰক্ষা সমস্যাৰ সন্মুখীন হ'ব লগা হয়। সেইবাবে, উচ্চখাপৰ ছাইবাৰ সুৰক্ষা মান নিশ্চিত কৰিবৰ বাবে কঠোৰ নীতি গ্ৰহণ কৰা প্ৰয়োজন আৰু স্পৰ্শকাতৰতা হ্ৰাস কৰাৰ বাবে সাৱধান হ'বলৈ লোকসকলক শিক্ষিত কৰি তুলিব লাগিব।

অৰ্থনীতিত ডিজিটেল পদ্ধতি ভালেমান দেশত গ্ৰহণ কৰা হৈছে। ইয়াৰ কিছুমান সফল হৈছে আৰু কিছুমান বৰ সফল হোৱা নাই। ছুইডেনেই সবাতোকৈ বেছি সফল হৈছে। ভাৰতত কিমান সফল হ'ব সেইটো নিৰ্ভৰ কৰিব ভাৰতৰ বৃহৎ সংখ্যক নিৰক্ষৰ আৰু অৰ্দ্ধ শিক্ষিত লোকক বিশেষকৈ গ্ৰামাঞ্চলৰ লোকৰ মাজত সচেতনতা গঢ়ি তোলাৰ ওপৰত, কাৰণ এই সকল লোক ইণ্টাৰনেট ব্যৱস্থাৰ কাৰ্যত প্ৰৱেশ কৰা নাই বা অতি কম লোকেহে প্ৰৱেশ কৰিছে। ছাইবাৰ নিৰাপত্তা বিষয়সমূহৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত ব্যাপক হাৰত সচেতনতা সৃষ্টি কৰাত চৰকাৰী নীতি সফল হ'লে ডিজিটেল অৰ্থনীতিৰ জগতত ভাৰত গোলকীয় অংশীদাৰ হ'ব বুলি আশা কৰিব পাৰি।

# বি-মুদ্ৰাকৰণ আৰু ইয়াৰ প্ৰভাৱ

**অৰুণ জেইট্‌লী***

অধিক মূল্যৰ নোট আইনগতভাৱে অচল হৈ পৰিব বুলি প্ৰধান মন্ত্ৰীয়ে কৰা ঘোষণাৰ পাছত দুমাহৰো অধিক কাল অতিবাহিত হ'ল। ইয়াৰ পাছত এই নোটসমূহৰ বি-মুদ্ৰাকৰণ হ'ল। যেতিয়া দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ ১২ শতাংশ গঠন কৰা ন'টৰ ৮৬ শতাংশ বজাৰৰ পৰা আঁতৰাই দিয়া হ'ল আৰু এই নোটসমূহ নতুন ন'টেৰে সলাবলৈ বিচৰা হ'ল, তেনে ক্ষেত্ৰত সেই সিদ্ধান্তৰ উল্লেখনীয় পৰিণাম থকাটো নিশ্চিত। সম্প্ৰতি পুনৰমুদ্ৰাকৰণ পূৰ্ণগতিত আগবাঢ়িছে। সেই সিদ্ধান্তৰ আঁৰত থকা যুক্তি আৰু ইয়াৰ প্ৰভাৱ সম্পৰ্কে ফঁহিয়াই চোৱাটো বাঞ্চনীয়।

**১। ক'লা ধনৰ বিৰুদ্ধে পদক্ষেপ ঃ**

সাম্প্ৰতিক চৰকাৰে শাসনভাৰ গ্ৰহণ কৰা দিনৰ পৰাই স্পষ্ট কৰি দিছে যে ছায়া অৰ্থনীতি আৰু ক'লা ধনৰ বিৰুদ্ধে আগবাঢ়ি যাব। চৰকাৰখনৰ প্ৰথমটো সিদ্ধান্ত আছিল উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে বিশেষ অনুসন্ধানকাৰী দল গঠন কৰা। ব্ৰিছবেনত অনুষ্ঠিত জি-২০ সন্মিলনত প্ৰধান মন্ত্ৰীয়ে দেশৰ ক'লা ধন স্থানান্তৰ সন্দৰ্ভত তথ্য আদান-প্ৰদানত আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ বাবে প্ৰস্তাৱ দাঙি ধৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে এই সন্দৰ্ভত কৰা ব্যৱস্থাই বিষয়টো আগুৱাই নিব। ছুইজাৰলেণ্ডৰ সৈতে ২০১৯ চনৰ পৰা কাৰ্যকৰী হ'বলগীয়া আৰু ইতিমধ্যে সম্পন্ন চুক্তি অনুসৰি দেশখনত ভাৰতীয় নাগৰিকে জমা থোৱা ধন-সম্পদৰ আৰু ইয়াৰ বিপৰীত তথ্যও উভয়ে উভয়ক প্ৰদান কৰিব। ১৯৯৬ চনৰ পৰা 'দ্বৈত কৰ আৰোপ পৰিত্যাগ চুক্তি' মৰিচাছৰ সৈতে পুনৰ সম্পাদন কৰা হৈছে। ছাইপ্ৰাছ আৰু ছিংগাপুৰৰ সৈতেও একে চুক্তি সম্পন্ন হৈছে। ভাৰতৰ বাহিৰত থকা অবৈধ সম্পত্তি বিষয়ক ক'লা ধন আইন অনুসৰি ঘোষিত ধনৰ ৬০ শতাংশ কৰ দিব লাগে আৰু ১০ বছৰীয়া কাৰাদণ্ডৰ ব্যৱস্থাও আছে।

'উপাৰ্জন ঘোষণা আঁচনি' (আই ডি এছ) ২০১৬ অনুসৰি ৪৫ শতাংশ কৰ আদায় দিব লাগে আৰু ই যথেষ্ট সফলো হৈছিল। ২ লক্ষাধিক টকাৰ লেনদেনত পান কাৰ্ড আৱশ্যকীয় হোৱাৰ ফলত ক'লা ধন ব্যয় কৰাত বাধা আহি পৰে।

১৯৮৮ চনত প্ৰণয়ন হোৱা বেনামী আইন কেতিয়াও বলৱৎ নহ'ল। ইয়াক সংশোধিত ৰূপত আগবঢ়োৱা হৈছে। চলিত বৰ্ষত ৰূপায়িত হ'বলগীয়া জি এছ টিত উন্নততৰ পৰোক্ষ কৰ প্ৰশাসন থাকিব আৰু ই অধিক কাৰ্যকৰী আইন হোৱা বাবে কৰ ফাকি ৰোধ কৰিব। এই দিশত উচ্চ মূল্যৰ ন'টৰ বি-মুদ্ৰাকৰণ বৃহৎ পদক্ষেপ।

**২। নতুন প্ৰচলন**

২০১৫-১৬ বৰ্ষত দেশৰ ১২৫ কোটিৰো অধিক জনসংখ্যাৰ ভিতৰত ৩.৭ কোটি লোকে আয় কৰৰ হিচাপ দাখিল কৰিছে। এইসকলৰ ভিতৰত ৯৯ লাখ লোকে নিজৰ উপাৰ্জন ২.৫ লাখৰ তলত বুলি ঘোষণা কৰিছে আৰু কোনো কৰ দিবলগীয়া হোৱা নাই। ১.৯৫ লোকে ৫ লাখতকৈ কম টকাৰ উপাৰ্জন দেখুৱাইছে; ৫২ লাখ লোকে ৫-১০ লাখ টকাৰ আৰু কেৱল ২৪ লাখ লোকেহে ১০ লাখতকৈ অধিক টকাৰ উপাৰ্জন ঘোষণা কৰিছে। ভাৰত যে এখন বিশাল কৰ আদায় নিদিয়া সমাজ সেই কথা বুজাবলৈ ইয়াতকৈ আৰু অধিক তথ্যৰ প্ৰয়োজন নাই। প্ৰত্যক্ষ আৰু পৰোক্ষ উভয় কৰৰ ক্ষেত্ৰতে এয়া প্ৰযোজ্য।

দাৰিদ্ৰ্য দূৰীকৰণ, ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু অৰ্থনৈতিক উন্নয়নৰ বাবে প্ৰয়োজনীয় ব্যয় কৰ আদায় নোহোৱা বাবে পৰ্যাপ্ত হোৱা নাই। ৭ দশক জুৰি ভাৰতৰ লেনদেন আংশিকভাৱে ক্ৰমে নগদ আৰু চেকযোগে চলি আহিছে। ব্যৱসায়িক ভাষাত 'পকা' (পাক্কা) বা 'কেঁচা' (কচ্ছা) একাউণ্ট থাকে। কৰ ফাঁকি দিয়াটো অনৈতিক বা দুৰ্নীতি বুলি গণ্য কৰা নহয়। এয়া জীৱনৰে অংশৰূপে স্বীকৃত হৈ আহিছে। প্ৰধান মন্ত্ৰীৰ সিদ্ধান্ত অনুসৰি এটা নতুন প্ৰচলন সৃষ্টিৰ পৰিকল্পনা কৰা হৈছে। এই অনুসৰি ভাৰতীয়সকলৰ ব্যয়ৰ ধৰণ সলাবলৈ বিচৰা হৈছে। এয়া স্পষ্টতঃ বিভাজনমুখী। সকলো সংস্কাৰেই বিভাজনমুখী। ই পশ্চাদগামিতাৰ

*লিখক ভাৰত চৰকাৰৰ বিত্ত আৰু ক'ৰ্পৰেট পৰিক্ৰমা মন্ত্ৰী

পৰিৱৰ্তন কৰে। বি-মুদ্ৰাকৰণে সততাক পুৰস্কৃত কৰাৰ বিপৰীতে শঠতাৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰে।

৩। **নগদ ধনৰ বিৰূপ পৰিণাম ঃ**

কাগজী মুদ্ৰা হ'ল শূন্য সূতৰ অনামী বাহক দলিল। ইয়াত কোনো নাম বা ইতিহাস জড়িত হৈ নাথাকে। অপৰাধ নগদ ধন বা ইয়াৰ অবিহনেও ঘটিব পাৰে কিন্তু অত্যধিক নগদ ধন বিনিময়ৰ এটা মাধ্যমৰূপে অপৰাধ জগতত প্ৰচলিত হৈ আহিছে। ইয়াৰ ফলত কৰ আদায়ৰ ক্ষেত্ৰত নিয়ম মানি চলা নহয় আৰু ই দুখীয়া বা বঞ্চিত লোকৰ বিপৰীতে কৰ ফাকি দিয়াজনক অন্যায়ভাৱে ধনী হোৱাত সহায় কৰে। প্ৰকৃত কাগজী মুদ্ৰাৰ পৰা হাৱালাযোগে পৰ্বতসম নগদ ধন নিৰাপদ ঠাইলৈ স্থানান্তৰিত হয়। নগদ ধনে বাস্তৱিকতে ধৰিব নোৱাৰাকৈ লেনদেনত সহায় কৰে। উৎকোচ, দুৰ্নীতি, জাল ন'ট আৰু সন্ত্ৰাসবাদৰ পুঁজিৰ মাধ্যম নগদ ধন। নীতিনিষ্ঠ আৰু উন্নত সমাজে, যি প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰশীল, অত্যধিক নগদ ধনৰ ব্যৱহাৰৰ বিপৰীতে বেংকিং আৰু ডিজিটেল লেনদেনৰ দিশত আগবাঢ়ে। কাগজী মুদ্ৰাই বহু অন্যায় কামৰ দুৱাৰ মুকলি কৰে। কৰ ফাকি দিওঁতাৰ পৰা চৰকাৰে যদি অধিক কৰ সংগ্ৰহ কৰিবলৈ সমৰ্থ হয় তেন্তে আন নাগৰিকসকলৰ পৰা কম কৰ আদায় কৰাৰ স্থিতিলৈ আহিব পাৰে। নগদ ধনৰ প্ৰচলন কম কৰিলে, অপৰাধ আৰু সন্ত্ৰাসবাদ সম্পূৰ্ণৰূপে নিৰ্মূল কৰিব নোৱাৰিলেও বহু পৰিমাণে প্ৰতিহত কৰিব পাৰে। নগদ ধনৰ ভাণ্ডাৰ নিজে নিজে নাহোৱা হৈ নাযায়। চৰকাৰে কাগজী মুদ্ৰাৰ মুঠ পৰিমাণ হ্ৰাস কৰিবলৈ সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰিলেও এই দিশত কাৰ্যকাৰিতা আশা কৰিব পাৰি।

৪। **এই সিদ্ধান্তৰ প্ৰাবল্য ঃ**

অধিক মূল্যৰ কাগজী মুদ্ৰা সলনি কৰা আৰু পৰ্যায়ক্ৰমে ইয়াক বি-মুদ্ৰাকৰণৰ বাবে প্ৰধান মন্ত্ৰীয়ে গ্ৰহণ কৰা সিদ্ধান্তৰ বাবে প্ৰয়োজন আছিল সাহস আৰু দৃঢ়তা। এই সিদ্ধান্ত কাৰ্যকৰী হোৱাৰ ফলত জনসাধাৰণে কষ্ট ভোগ কৰিলে। ই হ্ৰস্বম্যাদী সমালোচনা আৰু অসুবিধাৰ বাট মুকলি কৰিব পাৰে। পুনৰ মুদ্ৰাকৰণৰ কালছোৱাত কাগজী মুদ্ৰা সংকোচনৰ ফলত অৰ্থনৈতিক ক্ৰিয়া-কলাপ হ্ৰাস হোৱাত অৰ্থনীতিত ক্ষণস্থায়ী প্ৰভাৱ পৰিব। এই সিদ্ধান্তৰ সৈতে জড়িত বিষয়সমূহ হল উচ্চ স্তৰৰ গোপনীয়তা আৰু যথেষ্ট সংখ্যক কাগজী মুদ্ৰা ছপা কৰা, বেংক, ডাকঘৰ, বেংকিং মিত্ৰ আৰু এ টি এম যোগে বিতৰণ।

উল্লেখনীয় যে অধিক মূল্যৰ ন'ট বেংকত জমা কৰাৰ অৰ্থ এয়া নহয় যে এই ধন আইনসংগত হৈ পৰিল। বেংকৰ থোৱাৰ বাবেই কলা ধনৰ স্বৰূপ সলনি নহয়। ইয়াৰ বিপৰীতে এই ধন বেনামী হৈ নাথাকে আৰু ইয়াৰ গৰাকী চিহ্নিত হৈ পৰে। ৰাজহ বিভাগতো এই ধনৰ পৰা কৰ আদায় কৰিব পাৰে। যিয়েই নহওক, সংশোধিত আয়কৰ আইন অনুসৰি, স্বেচ্ছামূলকভাৱে ঘোষিত বা অঘোষিতভাৱে ধৰা পৰা ধনৰ বাবে উচ্চ হাৰত কৰ আদায়ৰ লগতে শাস্তিও ভোগ কৰিব লগা হ'ব পাৰে।

৫। **সাম্প্ৰতিক পৰিস্থিতি ঃ**

দুখ-কষ্ট আৰু অসুবিধাৰ কালছোৱা অতিবাহিত হ'ল। অৰ্থনৈতিক কাৰ্য-কলাপ পূৰ্বৰ দৰে চলিবলৈ ধৰিছে। বেংকসমূহেও বিকাশৰ বাবে দিব পৰাকৈ যথেষ্ট সংখ্যক নোট জমা হ'ল বুলি স্বীকাৰ কৰিছে। যিহেতু এই ধন বেংকত জমাৰূপে থাকিলেও মূল্য কম হয়, সেয়ে বেংকে সুতৰ হাৰ কমাবলৈ বাধ্য হৈ পৰে। এই দুটা বিষয়েই বৰ্তমান পৰিলক্ষিত হৈছে। বজাৰত ভাসমান লাখ টকাৰ অচল হৈ পৰা ন'ট বেংকিং ব্যৱস্থাত সোমাই পৰিল। এই ধন বেনামী হোৱাৰ পৰা মুক্ত হ'ল। ইয়াৰ গৰাকীয়ে কৰ আদায় দিয়াৰ পাছত এই ধন অধিক কাৰ্যকৰীভাৱে খটুৱাব পাৰিব। বেংকৰ লেনদেনৰ পৰিমাণ বৃদ্ধি পোৱাৰ লগতে অৰ্থনীতিৰ বিস্তৃতি নিশ্চিতভাৱে লেনদেন হোৱা ধনৰ পৰা প্ৰত্যক্ষ আৰু পৰোক্ষ উভয় কৰ আদায় কৰাৰ ক্ষেত্ৰত প্ৰভূত অৱকাশ থাকিব। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ উভয়েই ইয়াৰ ফলত লাভৱান হ'ব পাৰিব। দেশীয় অৰ্থনীতি নগদ আৰু নগদবিহীন বা উচ্চমানৰ ডিজিটেল লেনদেনৰ সেৱা লাভ কৰি অধিক উপকৃত হ'ব। ❐


*পয়োভৰা ৰাইজৰ আলোচনী—*

*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# নগদ অৰ্থনীতিৰ পৰা কম নগদ অৰ্থনীতিলৈ

**প্ৰভাকৰ চাহু***
**আমোঘ আৰোৰা***

**পাতনি ঃ**

২০১৬ চনৰ ৮ নৱেম্বৰৰ দিনা চৰকাৰে দুখন সুকীয়া মূল্যৰ চলিত ন'ট বি-মুদ্ৰাকৰণ কৰে। তাৰে এখন হ'ল ৫০০ টকীয়া আৰু আনখন হ'ল ২০০০ টকীয়া ন'ট। এই দুই ন'টৰ পৰিমাণ একেলগ কৰিলে তাৰ মূল্য হয় মুঠ বেংক ন'টৰ মূল্যৰ ৮৫ শতাংশতকৈ অধিক। বি-মুদ্ৰাকৰণে নগদ-ধনৰ ক্ষেত্ৰত অসুবিধাত পেলায়, যাৰ ফলত চৰকাৰক বৈদ্যুতিন ব্যৱস্থাৰে পে'মেণ্ট আৰু দিয়া-নিয়া কৰিববলৈ বাধ্য কৰায়। যদিও বি-মুদ্ৰাকৰণৰ ঘাই বিষয়টো হ'ল সন্ত্ৰাসবাদ কাৰ্যৰ বিৰুদ্ধে বিত্তৰোধ আৰু ক'লা ধন উৎখাত কৰাটো, তথাপি এটা নগদবিহীন অৰ্থনীতিৰ প্ৰকাশমান ঘটাৰ পিনে গতি কৰা এটা ডাঙৰ আৱশ্যকীয় বিষয় হৈ পৰে। মুঠৰ ওপৰত ক'বলৈ গ'লে প্ৰধান মন্ত্ৰীয়ে পাৰ হৈ যোৱা বছৰটোৰ ২৭ নৱেম্বৰৰ দিনা ৰাষ্ট্ৰৰ প্ৰতি সম্বোধন কৰা তেওঁৰ 'মন কী বাত' ভাষণত এনেদৰে কৈছিল, "আমাৰ স্বপ্ন হ'ল এখন নগদবিহীন সমাজে স্থিতি লাভ কৰিব লাগে। অৱশ্যে এইটো সত্য যে ১০০ শতাংশ নগদবিহীন সমাজ কেতিয়াও সম্ভৱ নহয়। কিন্তু আমি এখন কম নগদ সমাজেৰে কাম আৰম্ভ কৰিব পাৰোঁ আৰু তাৰ পিছত নগদবিহীন সমাজৰ লক্ষ্য বহু দূৰত্বৰ নহ'ব।'

যদিও বি-মুদ্ৰাকৰণ সূচনাৱলী পৰিৱৰ্তন হৈছে, কাৰ্যত ঃ চৰকাৰে এটা নগবিহীন অৰ্থনীতিৰ বীজ সিঁচিছে। প্ৰথমতঃ চৰকাৰে ২০১৪ বৰ্ষত জন ধন যোজনা আৰম্ভ কৰিছিল; আৰু ২০১৬ বৰ্ষৰ ২০ এপ্ৰিল পৰ্যন্ত প্ৰায় ২২০ নিযুত একাউণ্ট খোলা হয়। সেই বছৰৰে ফেব্ৰুৱাৰীত কাৰ্ড আৰু ডিজিটেল উপায়েৰে পে'মেণ্ট প্ৰক্ৰিয়াক উৎসাহিত কৰিবৰ বাবে চৰকাৰে নীতি-নিৰ্দেশনাৰ দিহা কৰে আৰু তাক কাৰ্যকৰী কৰিবৰ কাৰণে অনুমোদন জনায়। ইয়াৰ ফলত অনিয়ম ভিত্তিক নগদ ধনৰ লেনদেন পদ্ধতিলৈ যি পৰিৱৰ্তন সাধন হ'ব সেইটোৱে ভাৰতত পে'মেণ্ট তথা লেনদেন পদ্ধতিৰ পৰা এটা আনুষ্ঠানিক বিত্ত পে'মেণ্ট মীমাংসা কৰা কাৰ্যক উদগনি জনাব। অৰ্থ ব্যৱস্থাত দুৰ্নীতি তথা ক'লা ধন হ্ৰাস কৰাৰ উত্তম পথ হ'ল নগদ ধনৰ ওপৰত ঘাইকৈ নিৰ্ভৰ কৰা অৰ্থ ব্যৱস্থাৰপৰা বৈদ্যুতিন হস্তান্তৰকৰণ পদ্ধতিলৈ গতি কৰাটো আৰু ইয়াৰ বাবে আৱশ্যক সাৰ্বজনীন বেংকিং ব্যৱস্থাৰ প্ৰতি সহজ প্ৰৱেশ।

নগদবিহীন অৰ্থনীতি ক্ৰেডিট কিম্বা ডেবিট কাৰ্ড, ইলেকট্ৰনিক ফাণ্ড ট্ৰেন্সফাৰ অথবা নগদ ধনৰ পৰিৱৰ্তে অনলাইন শ্বপিং উপায়েৰে পৰিচালিত হয়। নগদবিহীন অৰ্থনীতিৰ ভাবধাৰাটো হ'ল প্ৰকৃততে এটা বিপ্লৱ; আৰু এই বিপ্লৱ চলিত ধনৰ পৰা ডিজিটেল ধনলৈ পৰ্যৱসিত কৰা; আৰু ইয়াক সাধাৰণতে ক'লা ধনৰ সোঁত ৰোধ কৰাৰ লক্ষ্যৰ অৱলম্বন কৰিবলৈ লোৱা আৰু তাৰ দ্বাৰাই নগদ ধনৰ গতি প্ৰৱাহত স্বচ্ছতা বৃদ্ধি কৰা। সকলো লেনদেন কাৰ্য ডিজিটেল উপায়েৰে কৰা— সেই কাম এজন ব্যক্তিয়ে বিলৰ ধন পৰিশোধ কৰা, ফল-মূল কিনা অথবা বাছ কিম্বা টেক্সিৰে গমন কৰা যিয়েই নহওক কিয়। পৰাম্পৰাগতভাৱে চলি অহা পকেট ৱালেট অৰ্থাৎ জেপত লৈ ফুৰা মানি বেগৰদৰে ই-ৱালেটৰ ক্ষেত্ৰত নগদ ধনৰ আৱশ্যক নকৰে। এই ব্যৱস্থাত এটা বেংক একাউণ্টৰ লগত সংযোগ কৰা হয় আৰু তাৰপৰাই পোনপটীয়াকৈ পে'মেণ্টৰ ধনখিনি কাটি লোৱা হয়। ইণ্টাৰনেট বেংকিং আৰু শেহতীয়াকৈ প্ৰচলন কৰা 'ইউনিফাইড পে'মেণ্ট ইণ্টাৰফেইছ' (ইউ পি আই) হ'ল অন্য প্ৰযুক্তি—যাক নগদবিহীন কৰাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয়। কিন্তু ই-ৱালেট ব্যৱস্থা অধিক চলে আৰু ব্যাপকভাৱে ইয়াক ব্যৱহাৰ কৰা হয়। এই সন্দৰ্ভত এই মন্তব্য কৰা হয় যে নিকট ভৱিষ্যতত আনকি ক্ৰেডিট আৰু ডেবিট কাৰ্ডসমূহৰ কাম নেথাকিব, কিয়নো সকলোবোৰ লেনদেন স্মাৰ্টফোনৰ জৰিয়তে সম্ভৱপৰ কৰি তোলা হ'ব। এই ক্ষেত্ৰত এ টি এমত নগদ ধন উলিয়াবলৈ এটা ম'বাইল ফোন ক'ডেই যথেষ্ট হ'ব। তাৰ বাবে কাৰ্ডৰ প্ৰয়োজন নহ'ব।

*লেখক প্ৰভাকৰ চাহু দিল্লীৰ ইনষ্টিটিউট অব ইক'ন'মিকছ গ্ৰ'থৰ অধ্যাপক আৰু আমোঘ আৰোৰা ৰিছাৰ্চ ইণ্টাৰ্ণ

**নগদবিহীন অৰ্থনীতিৰ সুবিধাসমূহ ঃ**

ভাৰতীয় অৰ্থনীতি হ'ল বিশ্বৰ ভিতৰত এটা অন্যতম খৰতকীয়াকৈ বিকাশ সাধন কৰা অৰ্থনীতি। কিন্তু কিছুমান কাৰণ হেতু সেই গতিয়ে স্বচ্ছন্দতা ৰক্ষা কৰাত বাধা পাইছে। তেনে কাৰণসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল— ক'লা ধন, দুৰ্নীতি, সন্ত্ৰাসবাদ, অবৈধভাৱে সংগ্ৰহ কৰা সম্পত্তি ইত্যাদি। পিছে এই দুৰ্নীতি আৰু ক'লা ধনে গা কৰি উঠা কাৰ্য নিৰ্মূল কৰিবলৈ বহু পথ সদ্যহতে আছে। তেনে পথৰ ভিতৰত উল্লেখযোগ্য হ'ল গাণনিক কাৰ্য আৰু এনফৰ্চমেণ্ট এজেন্সীসমূহে গ্ৰহণ কৰা ব্যৱস্থাৱলী। কিন্তু নগদবিহীন অৰ্থনীতিৰ ভাবধাৰা অধিক আবেদন-মূলক, কিয়নো প্ৰায়ভাগ অৰ্থনৈতিক লেন দেন নিয়ম-নীতি আধাৰিত পদ্ধতিৰ অংশ হ'ব আৰু তাৰ গম-গতি ল'বলৈও সহজ। ভাৰতত কম সংখ্যক লোকেহে নগদবিহীন পে'মেণ্ট পদ্ধতি অৱলম্বন কৰে। সমূহ জনতাৰ ভিতৰত মাত্ৰ ১০-১৫ শতাংশ লোকেহে অন্য দেশৰ তুলনাত যি কোনো ধৰণৰ নগদবিহীন পে'মেণ্ট যন্ত্ৰ ব্যৱহাৰ কৰে। তেনে সুকীয়া দেশবোৰৰ ভিতৰত ব্ৰাজিল আৰু চীনৰ কথা ক'ব পাৰি। সেইবোৰ দেশত তেনে যন্ত্ৰ ব্যৱহাৰ কৰা লোকৰ শতাংশ হাৰ হ'ল ৪০। পিছে বেংকসমূহৰ বাহিৰত ভাৰতৰ ঁট চলন্তিৰ সমানুপাতৰ হাৰ ২০১৪ বৰ্ষত মুঠ ঘৰুৱা উৎপাদনৰ লেখত আছিল ১১.১ শতাংশ—যিটো ৰাছিয়া, মেক্সিকো আৰু ব্ৰাজিলৰ দৰে বিকাশশীল, দেশতকৈ অধিক। ইয়াৰ পৰা এইটোকে বুজায় যে নগদ ধনৰ লেন দেনেৰে কাম-কাজ চলোৱা বজাৰবোৰ নীতি-পদ্ধতিৰ অধীনলৈ অনা আধাৰ শক্তিশালী কৰাৰ পৰিসৰ যথেষ্ট আছে। নিৰ্ভৰযোগ্য, সুবিধাজনক সুৰক্ষা তথা বহনক্ষম পে'মেণ্ট পদ্ধতি সহ নগদবিহীন ব্যৱহাৰকাৰীসকলৰ পৰিসৰ বৃদ্ধিয়ে অন্যান্য বিত্তীয় সেৱাৰ প্ৰতি সুচল প্ৰৱেশ ঘটাত প্ৰভাৱ পেলাব। তেনে সেৱাৰ ভিতৰত ঋণ আৰু অ-বেংকযুক্ত বীমাৰ কথা ক'ব পাৰি—বিশেষকৈ বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ প্ৰসঙ্গত। সি যি কি নহওক, প্ৰত্যাহ্বানৰ বিষয় হ'ল বেংকসমূহৰ ডিজিটেল আন্তঃগাঁথনি শক্তিশালী আৰু লেন দেন নিৰাপদ কৰাটো।

নগদবিহীন অৰ্থনীতিয়ে চৰকাৰ আৰু জনগণক বহু সুবিধা আগবঢ়ায়। সেইবোৰ তলত উল্লেখ কৰা হ'ল।

**পে'মেণ্ট কৰাৰ সুবিধাজনক ধৰণ-কৰণ ঃ**

সহজভাৱে যিবোৰ লেন দেন কৰিব পাৰি সেইবোৰে নিশ্চয়কৈ নগদবিহীন উপায় অৱলম্বনক উৎসাহিত কৰে। নগদবিহীন অৰ্থনীতিয়ে প্ৰত্যেককে (নিম্ন-উপাৰ্জন গোটসমূহৰ বাহিৰে) প্ৰচুৰ লাভৰ সুবিধা আগবঢ়ায়। তাৰ ভিতৰত কঢ়িয়াই নিবৰ বাবে প্ৰয়োজন হোৱা লেন দেনৰ খৰচৰ ক্ষেত্ৰত হ্ৰাস তথা নগদ ধনৰে ব্যৱসায়-বাণিজ্য, লেন দেন কৰাৰ খৰচৰ হ্ৰাসকো ধৰিব পাৰি।

**কম বিপদ আশংকা ঃ**

উপযুক্ত ছাইবাৰ নিৰাপত্তাৰে অনলাইন পে'মেণ্ট কৰাটো তুলনামূলক-ভাৱে আশংকামুক্ত। আনপিনে বাস্তৱিক অৰ্থাৎ নগদ ধন কঢ়িয়াই নিয়া কাৰ্যত সদায়েই নিৰাপদমূলক বিষয়ৰ কথা আহি পৰে, অৰ্থাৎ কিমান সুৰক্ষিত সেই বিষয়ে সন্দেহৰ অৱকাশ থাকে।

**ন'ট ছপোৱা খৰচত হ্ৰাস ঃ**

নতুন চলন্তি ন'ট ছপোৱা আৰু ফটা-ছিৰা বেয়া ন'টবোৰ সলোৱাৰ ক্ষেত্ৰত খৰচৰ কথাটো জড়িত আছে। ২০১৫ বৰ্ষত চলন্তি ন'ট ছপোৱাৰ বাবদ ৰিজাৰ্ভ বেংকৰ ব্যয় হয় ২৭ বিলিয়ন টকা। এনে ধৰণৰ খৰচ হ্ৰাস কৰিব পৰা যায় যদিহে অৰ্থনীতি এটা নগদবিহীন অৰ্থনীতিৰ দিশৰ পিনে গতি কৰে।

**অপৰাধমূলক কাৰ্যৰ হাৰ হ্ৰাস ঃ**

বহু অ-সামাজিক আৰু বে-আইনী কাম-কাজ, যেনে— ড্ৰাগ সৰবৰাহ, বেশ্যা বৃত্তি, সন্ত্ৰাসবাদ কাৰ্যৰ ক্ষেত্ৰত ধন যোগান আৰু ধনৰ ইহাত-সিহাত বে-আইনী-ভাৱে কৰা কামবোৰ কেৱল নগদ ধনৰে কৰা হয়। নগদবিহীন অৰ্থনীতিয়ে এনে ধৰণৰ কাম-কাজ পৰিচালনা কৰাত কঠিন কৰি তুলিব।

**বেংকিং খণ্ডৰ কাৰণে ভাল ঃ**

ডিজিটেল অৰ্থনীতিয়ে বেংকিং পদ্ধতিত সহায় কৰিব। এবাৰ লোকসকলে ডিজিটেল পে'মেণ্ট আৰু হস্তান্তৰ কৰাৰ ক্ষেত্ৰত অভ্যস্ত হ'লে নগদ ধন ৰখা বা জমা কৰি থোৱাৰ চাহিদা হ্ৰাস পাব। ফলস্বৰূপে বেংকিং পদ্ধতিত অধিক ধন আহি গোট খাব আৰু অধিক সঞ্চয় কৰিবলৈও সমৰ্থৱান হ'ব।

**স্বচ্ছতা আৰু পৰ্যবেক্ষণ ঃ**

নগদবিহীন লেনদেনক চৰকাৰে সহজে পৰ্যবেক্ষণ কৰিব পাৰিব; আৰু সেই কাৰণে কৰ ফাকি দিবলৈ অসুবিধা হ'ব আৰু আনপিনে ৰাজহ সংগ্ৰহৰ পৰিমাণ বৃদ্ধি কৰিব।

যোৱা দুমাহ কালত ভাৰতত ডিজিটেল লেনদেনৰ মাত্ৰা যথেষ্ট বৃদ্ধি হোৱা দেখা যায়। তেনেদৰে 'ছুইপ মেচিন'ৰ দিহা কৰাৰ সংখ্যাও বৃদ্ধি পায়— লাগিলে সেয়া সৰু বিপণীয়েই

হওক অথবা পথৰ দাঁতিৰ দোকানেই হওক। ই লেনদেনৰো মাত্ৰা বৃদ্ধি পায়— যাৰ বাবে খৰতকীয়াকৈ পে'মেণ্ট কৰাত সুবিধা হয়। এয়া অৰ্থনীতিৰ বাবে এটা ভাল খবৰ। ম'বাইল ৱালেটৰ ক্ষেত্ৰতো যথেষ্ট বৃদ্ধি হয় আৰু এই বিষয়ত অধিক সংখ্যক ভাৰতীয় লোক পোনে পোনে নগদ ধনৰ পৰা ম'বাইল ৱালেটৰ সুবিধা গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। মবিকুইকে দাবী কৰা মতে ২০১৭ বৰ্ষৰ ভিতৰত ই সহজেই ১০ বিলিয়ন ডলাৰ পে'মেণ্ট স্পৰ্শ কৰিব আৰু সোনকালেই এক নিযুততকৈ অধিক বৃহৎ ব্যৱসায়ীয়ে তাক গ্ৰহণ কৰিব।

নগদবিহীন অৰ্থনীতি অথবা বৈদ্যুতিন লেনদেনৰ দিশত গতি কৰা কাৰ্যই কৰ ফাকি দিয়া প্ৰৱণতা হ্ৰাস কৰি ক'লা ধন ৰোধ কৰাত সহায় কৰিব পাৰে আৰু অৰ্থ ব্যৱস্থাত স্বচ্ছ কাম-কাজ নিশ্চিত কৰাতো সহায় কৰিব। তেনেদৰে শেহান্তৰত ধন কঢ়িয়াই লৈ ফুৰা আশংকা হ্ৰাস পাব আৰু ঋণ সুচলতাৰ অধিক পৰিকল্পিত গাঁথনি তথা বিত্তীয় অন্তৰ্ভুক্তিকৰণ ব্যৱস্থা গঢ় লৈ উঠিব বিকাশ প্ৰক্ৰিয়াৰ দিশত চৰকাৰী ব্যয়ৰ পৰিমাণ বৃদ্ধি পাব, কিয়নো স্বচ্ছতা আৰু ৰাজহ সোঁত বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

আনপিনে ইয়াৰ অন্য এটা দিশো আছে। তাক সম্প্ৰতি অস্বীকাৰ কৰিব পৰা নেযায়। ভাৰতৰ দৰে বিকাশমুখী অৰ্থব্যৱস্থাত নগদবিহীন অৰ্থনীতিৰ দিশৰ পিনে আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত দুখীয়া লোকসকলৰ কাৰণে নগদবিহীন লেনদেন কাৰ্যকৰী নহয়। বি-মুদ্ৰাকৰণে বিশেষকৈ যেন-তেনভাৱে জীৱন নিৰ্বাহ কৰা লোক আৰু বেংকৰ সৈতে সম্পৰ্ক নথকা সম্প্ৰদায়ক আঘাত কৰিছে। সমাজৰ এই শ্ৰেণী লোকক এখন নগদবিহীন সমাজৰ পিনে আগুৱাই যাবৰ কাৰণে তাৰ সৈতে খাপ খুৱাই ল'বলৈ দীৰ্ঘ দিন লাগিব। প্ৰাৰম্ভিক অৱস্থাত তেনে লেনদেন ব্যৱস্থা অৱলম্বন কৰিবলৈ কঠিন হ'ব পাৰে, কিন্তু মূৰকত তেনে কাৰ্যই দেশখনে এটা স্বচ্ছ অৰ্থনীতিৰ দিশৰপিনে আগুৱাই যাবলৈ প্ৰথম পদক্ষেপ পেলোৱাৰ নিশ্চিত কৰিব। নগদ ধনৰ অৱসান ঘটাটো দেখাত এখন কাল্পনিক চিত্ৰৰ দৰে লাগিব পাৰে, কিন্তু নিশ্চয়কৈ ইয়াৰ সময় উকলি যোৱাৰ পথত আছে।

**এখন নগদবিহীন সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ ঃ**

বি-মুদ্ৰাকৰণ কৰাৰ পিছত চৰকাৰে শীঘ্ৰেই ভিন্ন ডিজিটেল উপায় অৱলম্বন কৰিবৰ বাবে লোকসকলক আশ্বস্ত তথা তাৰ প্ৰতি ধ্যান আকৰ্ষণ কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰে— যাতে তেওঁলোকে নগদ ধনৰ নাটনি অৱস্থাত বেংক অথবা এ টি এমৰ বাহিৰত দীঘলীয়া শাৰী পাতি থিয় হৈ থাকিব লগা নহয়। তাৰ ভিতৰত কেইটামান বিষয় তলত উল্লেখ কৰা হ'ল—

**উপভোক্তাসকলৰ বাবে লাকী গ্ৰাহক যোজনা আৰু সদাগৰসকলৰ কাৰণে ডিজি ধন ব্যাপাৰ যোজনা ঃ**

ডিজিটেল পে'মেণ্ট ব্যৱস্থাক উৎসাহিত কৰাৰ লক্ষ্যৰে চৰকাৰে ২০১৬ চনৰ ২৫ ডিচেম্বৰত ডিজিটেল লটাৰী আঁচনি প্ৰচলন কৰে। তাৰ ভিতৰত এটা হ'ল উপভোক্তাসকলৰ বাবে 'লাকী গ্ৰাহক যোজনা' আৰু আনটো হ'ল বণিকসকলৰ অৰ্থে ডিজি ধন ব্যাপাৰ যোজনা। এনে ধৰণৰ উদগনিমূলক আঁচনিৰদ্বাৰা ডিজিটেল ইণ্ডিয়া আন্দোলনে নিশ্চয়কৈ দেশখনৰ অৰ্থনৈতিক ৰাজহাড় শক্তিশালী কৰিব। মাত্ৰ আন কিছুমান লেনদেন প্ৰক্ৰিয়া, যেনে—ৰুপে কাৰ্ড, আনষ্ট্ৰাক্‌ছাৰড ছাপ্লিমেণ্টৰী ছাৰ্ভিছ ডাটা (ইউ এছ এছ ডি), ইউ পি আই তথা আধাৰ-সমৰ্থিত পে'মেণ্ট ছিষ্টেম হ'ল আঁচনি সমূহৰ অংশ বিশেষ।

**বিত্তীয় সাক্ষৰতা অভিযান ঃ**

ডিজিটেল অৰ্থনীতি আৰু নগদবিহীন লেনদেনৰ উপায়সমূহ অৱলম্বন কৰিবৰ বাবে লোকসকলক উৎসাহিত কৰিবলৈ এই বিত্তীয় সাক্ষৰতা অভিযান প্ৰচলন কৰা হৈছে। এই অভিযানৰ ঘাই উদ্দেশ্যে হ'ল লোকসকলৰ মাজত সজাগতা সৃষ্টি তথা উৎসাহিত কৰা—যাতে তেওঁলোকে ডিজিটেল পদ্ধতি অৱলম্বন কৰিবলৈ সচেষ্ট হয়। মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ে লোকসকলক পুঁজি হস্তান্তৰ-কৰণৰ বাবে ডিজিটেল সমৰ্থিত নগদ-বিহীন অৰ্থনৈতিক পদ্ধতিক ব্যৱহাৰ কৰিবৰ কাৰণে আহ্বান জনায়। বে-চৰকাৰী উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানবোৰকো কোনো ধৰণৰ নগদ ধন লাভ তথা পে'মেণ্ট নকৰিবলৈ আহ্বান জনায়। লগতে একোটাকৈ নগদবিহীন চৌহদৰ (অৰ্থাৎ দোকান, কেণ্টিন আৰু সেৱা আগবঢ়োৱাৰ দৰে) ব্যৱস্থা কৰিবলৈকো আবেদন জনায়। মন্ত্ৰণালয়ৰ সেই আবেদনে বহু শিক্ষা প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰী, ফেকাল্টি আৰু কৰ্মচাৰীসকলক এই প্ৰত্যাহ্বানজনক কাৰ্যত অংশ গ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত কৰে। তদুপৰি মন্ত্ৰণালয়ে আৰম্ভ কৰা ৱেবপেজত বহু লোকে নিজৰ নাম অন্তৰ্ভুক্ত কৰে। এই সকলোবোৰ প্ৰচেষ্টাৰ সন্দৰ্ভত যেনে ধৰণৰ সঁহাৰি আৰু পৰামৰ্শাৱলী লাভ কৰা হয়, সেয়া ইতিবাচক; আৰু তাৰপৰা দেখা যায় যে লোকসকলৰ

মাজত যথেষ্ট উৎসাহ উদগনি পৰিলক্ষিত হৈছে।

**বি এইচ আই এম ঃ (ভাৰত ইণ্টাৰফেইছ-ফৰ মানি) ঃ**

২০১৬ চনৰ ৩০ ডিছেম্বৰৰ দিনা প্ৰধান মন্ত্ৰীয়ে অনলাইনত লেনদেন সহজ কৰিবৰ কাৰণে এটা নতুন ই-ৱালেট এপ প্ৰচলন কৰে। তাৰ নাম হ'ল "ভাৰত ইণ্টাৰফেচ ফৰ মানি, চমুকৈ কোৱা হয় "বি এইচ আই এম"। এনে ব্যৱস্থাৰদ্বাৰা আধাৰ-ভিত্তিক ম'বাইল পে'মেণ্ট প্ৰয়োগে লোকসকলক তেওঁলোকৰ বেংক একাউণ্টৰপৰা পোনপটীয়াকৈ ডিজিটেল পে'মেণ্ট কৰিবলৈ সুবিধা কৰিব। এজন ব্যক্তিৰ ফোন নম্বৰ বেংক একাউণ্টৰ সৈতে সংযোগ হ'লে এটা বুটাম টিপাৰ পিছতেই ধন হস্তান্তৰ কৰিব পাৰে। পিছে যদিও ই-ৱালেট প্ৰয়োগ ইউ পি আই সমৰ্থিত বেংক একাউণ্টৰ সৈতে মিলাব পাৰি, তথাপি এটা ইউ পি আই একাউণ্টহে সেই ইণ্টাৰফেইছত সংযোগ কৰিব পাৰে। দুটা বেংক একাউণ্ট থকা এজন ব্যক্তিয়ে দুয়োটা একাউণ্টৰ লেনদেনৰ ক্ষেত্ৰত দুটাৰ মাজত ছুইচ টিপিব লাগিব।

**ৰুপেই ঃ** 'ৰুপেই' হ'ল ক্ৰেডিট বা ডেবিট কাৰ্ডৰ এক ভাৰতীয় নাম। ভিছা বা মাষ্টাৰ কাৰ্ডৰ দৰে, আন্তৰ্জাতিক কাৰ্ডবোৰৰ দৰে ই একেই। নেশ্বনেল পে'মেণ্ট কৰ্পোৰেশ্বন অব ইণ্ডিয়াই জন ধন আঁচনিৰ অধীনত এই 'ৰুপেই' প্ৰচলন কৰে। বেংকসমূহে প্ৰত্যেক একাউণ্টৰ গৰাকীক এখন ৰুপেই ডেবিট কাৰ্ড ১ লাখ টকাৰ দুৰ্ঘটনা বীমা সহ যোগান ধৰে। 'ৰুপেই' তিনিটা চেনেলত কাম কৰে। (এ টি এম, পি অ' এছ আৰু অনলাইন ছেলছ) আৰু ই হ'ল বিশ্বৰ ভিতৰত সপ্তম এনেধৰণৰ পে'মেণ্ট বিষয়ক ব্যৱস্থা। যিহেতু কোটি কোটি দুখীয়া লোকৰ ৰুপেই ডেবিট কাৰ্ড আছে, সেই কাৰণে কম উপাৰ্জিত লোকসকলক নগদবিহীন অৰ্থনীতিত জড়িত কৰাৰ ই হ'ল এটা প্ৰয়াস। অৱশ্যে 'ৰুপেই'ৰ প্ৰধান আলোকপাতৰ বিষয় হ'ল বিত্তীয় অন্তৰ্ভুক্তিকৰণ, অৰ্থাৎ সকলোকে বিত্তীয় ব্যৱস্থাত সামৰি লোৱা আৰু সকলো নিয়ম-নীতি তথা ক্ৰেডিট/ডেবিট কাৰ্ডৰ মানৰ সৈতে মিলা আৱশ্যক—যাতে ইয়াক বিশ্ব শ্ৰেণীৰ বিত্তীয় প্ৰডাক্ট কৰি গঢ়ি তুলিব পাৰি।

**আধাৰ পে'মেণ্ট এপ ঃ** ২০১৬ চনৰ ২৫ ডিছেম্বৰত চৰকাৰে এক 'আধাৰ পে'মেণ্ট এপ' প্ৰচলন কৰে। ই এজন ব্যক্তিৰ আধাৰ কাৰ্ডক তেওঁৰ বেংক একাউণ্টৰ সৈতে সংযোগ কৰে। এই প্ৰয়োগক বায়'মেট্ৰিক ব্যৱস্থাৰ সৈতে সংযোগ কৰা হ'ব আৰু গ্ৰাহকে আধাৰ নম্বৰ অন্তৰ্ভুক্ত কৰি লেনদেনৰ বাবে এটা বেংক বাছি ল'ব। এই এপ ব্যৱস্থাৰ এটা বিশেষ বৈশিষ্ট্য হ'ল এজন ব্যক্তিয়ে ফ'ন্ নকৰাকৈ পে'মেণ্টৰ বাবে ব্যৱহাৰ কৰিব পাৰে।

**আন্তৰ্জাতিক অভিজ্ঞতা ঃ**

ছুইডেন হ'ল বিশ্বৰ ভিতৰত পাঁচ শীৰ্ষ স্থানীয় নগদবিহীন অৰ্থনীতিৰ অন্যতম দেশ। ইতিমধ্যে ই ডিজিটেল আন্তঃগাঁথনিৰ জৰিয়তে ম'বাইল কিম্বা প্লাষ্টিক পে'মেণ্ট ব্যৱস্থা ব্যৱহাৰ কৰি লেনদেন কাম-কাজ সুচল কৰিবৰ বাবে উপযুক্ত নীতি অৱলম্বন কৰিছে। ছুইডেন হ'ল প্ৰথম দেশ—যি ২০২০ চনৰ ভিতৰত ১০০ শতাংশ নগদবিহীন ব্যৱস্থাৰে কাম চলাবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছে আৰু এখন নগদবিহীন সমাজৰ পিনে গতি কৰিবলৈ আগ-ভাগ লৈছে। তাৰ বাবে বেংক, বাছ, ৰাস্তাৰ দাঁতিৰ দোকান আদি সকলোতে তেনে ব্যৱস্থাৰ প্ৰতি কাৰ্য গ্ৰহণ কৰিবলৈ লৈছে। ছেণ্ট্ৰেল বেংকৰ (ৰিকছবেংক) তথ্য অনুযায়ী ২০১৬ বৰ্ষত ছুইডেনত যিমান মূল্যৰ পে'মেণ্ট কৰা হৈছিল তাৰ ভিতৰত মাত্ৰ ২ শতাংশহে নগদ লেনদেনৰ আছিল। এই সংখ্যা ২০২০ চনৰ ভিতৰত আৰু কমি যোৱাৰ সম্ভাৱনা আছে। ০.৫ শতাংশলৈ হ্ৰাস পাব বুলি আশা কৰা হৈছে। ছুইডেনৰ ১,৬০০ বেংক শাখাসমূহৰ ভিতৰত ৯০০ টা শাখাত নগদধন হাতত ৰখা নহয় অথবা নগদ জমা ধনো লোৱা নহয়, আৰু বহু শাখা বেংকতেই—বিশেষকৈ গ্ৰাম্য অঞ্চলবোৰত এ টি এমৰ ব্যৱস্থা নাই। ছুইডিছ ক্ৰ'নাৰ চলন্তি ২০০৯ বৰ্ষৰ প্ৰায় ১০৬ বিলিয়নৰপৰা ২০১৬ বৰ্ষত ৮০ বিলিয়নলৈ পৰি আহে।

যেতিয়া আমি নগদৰ পৰা নগদবিহীনৰ সন্দৰ্ভত নীতি সলনিৰ বিষয়ে কওঁ তেনে ক্ষেত্ৰত প্ৰযুক্তিয়ে যে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে সেইটোও মন কৰিবলগা বিষয়। ছুইডেনত ইয়াৰ গতিময়তা অধিক (ছটা ছুইডিছ বেংকৰ নিজাববীয়া 'ম'বাইল এপ' আছে আৰু কেবাটাও বৃহৎ ছুইডিছ' তথা ডেনিছ (অৰ্থাৎ ডেনমাৰ্ক) বেংকৰ মাজত সহযোগ আছে)। সেই 'এপ' ব্যৱস্থাই ব্যৱহাৰকৰোঁতাসকলক নিজৰ বেংক একাউণ্টৰপৰা আন এটা বেংকলৈ প্ৰকৃত সময়ত লেনদেন কৰিবলৈ সুবিধা কৰি দিয়ে—তেহেলৈ সেয়া ৰেস্তোৰাঁ, মটৰগাড়ী অথবা ভ্ৰাম্যমান বজাৰেই হওক। ছুইছৰ ব্যৱহাৰকাৰীৰ আধাৰো বৃদ্ধি পাইছে। প্ৰতি মাহে ১,২০,০০০ ব্যৱহাৰকাৰীয়ে এনে সুবিধা গ্ৰহণ কৰে। ২০১৪ বৰ্ষত 'ছুইছ এপ্' ব্যৱহাৰ কৰি ১,৬৯ বিলিয়নতকৈ অধিক ক্ৰ'নৰ

(ছুইডিছ মুদ্ৰা লেনদেনৰ ক্ষেত্ৰত হস্তান্তৰ কৰিছিল। ২০১৭ বৰ্ষৰ অন্তত তিনি নিযুত এনে কামত ব্যৱহাৰ কৰোঁতাই পাব বুলি কোম্পানীবোৰে আশা কৰিছে।

আন এটা লক্ষণীয় দিশ হ'ল আধাৰ আৰু অন্যান্য গুৰুত্বপূৰ্ণ বিষয় সমূহৰ ক্ষেত্ৰত থকা বিৰাট প্ৰভেদ। ছুইডেন আৰু ভাৰতৰ সন্দৰ্ভত এই দিশ সুস্পষ্ট। ২০১৫ বৰ্ষৰ ৩১ ডিছেম্বৰৰ হিচাপত ছুইডেনৰ জনসংখ্যা আছিল ৯.৮৫ নিযুত আৰু সাক্ষৰতা হাৰ প্ৰায় ১০০ শতাংশ। ইপিনে ভাৰতৰ জনসংখ্যা সেই একে সময়ছোৱাত আছিল ১,২০০ নিযুত আৰু সাক্ষৰতাৰ হাৰ মাত্ৰ ৭৫ শতাংশ। ভাৰতত নিৰক্ষৰ লোকৰ সংখ্যা ছুইডেনৰ মুঠ জনসংখ্যাৰ প্ৰায় ৩০ গুণ অধিক আছিল। ছুইডেনত জনমূৰি আয় বিশ্বৰ গড় হিচাবৰ ৪৩৫ শতাংশ, কিন্তু ভাৰতত এই হাৰ উল্লিখিত বৰ্ষৰ হিচাপত আছিল ১৪ শতাংশ। ভাৰতত ৬৮ শতাংশ লোক গ্ৰামাঞ্চলত বাস কৰে; ইপিনে ছুইডেনত চহৰাঞ্চলত ৮৫.৫ শতাংশ লোক বাস কৰে।

সেয়ে এই বাস্তৱ প্ৰতিফলনৰ দিশ-কোণলৈ চাই ছুইডেনে অৱলম্বন কৰা ব্যৱস্থাৰ দৰে ভাৰতৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰা কথাটো ভবা মস্কিল। তথাপি এইটো কোৱা উচিত হ'ব যে ভাৰতে 'এপ' প্ৰযুক্তি ব্যৱস্থাৰে কামত আগবাঢ়িবলৈ কিছু পন্থা অৱলম্বন কৰিছে। যদিও এতিয়ালৈকে ব্যাপক আকাৰত সেইটো সাধন কৰা হোৱা নাই। সেই 'এপ' ব্যৱস্থাক কোৱা হয় 'ভিম' (বি এইচ আই এম)। তাৰ প্ৰতি চৰকাৰ বেছ সচেষ্ট—যদিও ভাৰতীয় জনসংখ্যাৰ এটা বৃহৎ অংশ এই প্ৰযুক্তি সম্বন্ধে অপৰিচিত। সেইবাবে ৰিজাৰ্ভ বেংক আৰু বাণিজ্যিক বেংকবোৰে সৃষ্টিশীল ভাবধাৰাৰে ওলাই আহিব লাগে যাৰদ্বাৰাই নগদবিহীন লেনদেন কাৰ্যক সমৰ্থৱান কৰি তুলিব পাৰি আৰু সেইবোৰ নিৰাপদজনক তথা সহজে সমাধান কৰিব পাৰি।

ভাৰতত প্ৰকৃত সময়ৰ মুঠ নিষ্পত্তিসূচক পদ্ধতি (ৰিয়েল টাইম গ্ৰছ ছেটেলমেণ্ট ছিষ্টেম, চমুকৈ আৰ টি জিএছ') আৰু ৰাষ্ট্ৰীয় বৈদ্যুতিন পুঁজি হস্তান্তৰকৰণ (নেচনেল ইলেকট্ৰনিক ফাণ্ড ট্ৰেন্সফাৰ, চমুকৈ 'এন ই এফ টি') কাৰ্যৰ অৱলম্বন ব্যৱহাৰকাৰীৰ সকলো শ্ৰেণীৰ ক্ষেত্ৰতে ২০১৩ আৰু ২০১৬ বৰ্ষৰ ভিতৰত প্ৰায় তিনিগুণ বৃদ্ধি পায়। ম'বাইল বেংকিং লেনদেনৰ মাত্ৰাত সাতগুণৰ ওচৰ-উচৰি বৃদ্ধি পায়। এ টি এম আৰু পি অ' এছ উভয়ৰে কাৰ্ড লেন দেনো যথেষ্টভাৱে বৃদ্ধি পায় আৰু পি অ' এছ ডেবিট কাৰ্ড ব্যৱহাৰ কৰা কাৰ্যৰ ক্ষেত্ৰতো যথেষ্টভাৱে গতি লাভ কৰা পৰিলক্ষিত হয়। ইয়াৰ পৰা এইটো স্পষ্ট যে বেংকসমূহে 'নন-কেছ-পে'মেণ্ট' অৰ্থাৎ বিনা নগদ ধনৰ পে'মেণ্ট কাৰ্যক বহুলভাৱে কামত লগাইছে—যাতে লেনদেন খৰতকীয়া কৰাৰ উদ্দেশ্য সাধন কৰিব পৰা যায়। কাম-কাজৰ উন্নতি সাধন কৰাৰ উপৰি চৰকাৰৰ কল্যাণমূলক সেৱাসমূহৰ বৰ্দ্ধিত বোজা পাতলাবৰ কাৰণে ব্ৰতী হ'ব পাৰে সেয়াও হ'ল এটা অন্যতম উদ্দেশ্য আৰু এইবোৰ কাম বেংক একাউণ্টৰ জৰিয়তেই নিষ্ঠা সহকাৰে কৰাৰ প্ৰতিও বেংক সেৱা বেছ সজাগ হৈ উঠিছে। গেছৰ উপভোক্তাসকলক ৰাজসাহায্য প্ৰদান কৰা, মহাত্মা গান্ধী এনৰেগা পে'মেণ্ট আদি বিষয়বোৰ বেংকত থকা গ্ৰাহকৰ একাউণ্টৰ জৰিয়তেই সাধন কৰিব লগা হয়। কিন্তু তৎসত্ত্বেও সকলোবোৰ পে'মেণ্টৰ ক্ষেত্ৰত ৫ শতাংশতকৈ কমহে বৈদ্যুতিন মাধ্যমেৰে কৰা হয়। ভাৰত এতিয়াও নগদ ধনৰ ব্যৱহাৰৰদ্বাৰা পৰিচালিত হৈ আছে।

**নগদবিহীন অৰ্থনীতিৰ বাবে সন্মুখত থকা প্ৰত্যাহ্বান ঃ**

বি-মুদ্ৰাকৰণে সমগ্ৰ অৰ্থ ব্যৱস্থাকেই কম নগদ ব্যৱহাৰ কৰিবলৈ উৎসাহ প্ৰদান কৰিছে, কিন্তু জনগণৰ কাৰণে তথা চৰকাৰৰ বাবেও বহু প্ৰত্যাহ্বানৰ বিষয় ৰৈ গৈছে। ডিজিটেল পদ্ধতিলৈ যোৱাৰ আৱশ্যকতাৰ ক্ষেত্ৰত সৰ্বসন্মতভাৱে মানি লোৱা হয়। কিন্তু উপযুক্ত আন্তঃগাঁথনি অবিহনে এয়া জানো পাৰি? গ্ৰাম্য অঞ্চলবোৰত ৰাজহুৱা খণ্ডৰ বেংক আৰু ষ্টেট বেংক গোটৰ মাত্ৰ ২০.৮ শতাংশ এ টি এম আছে। ব্যক্তিগত খণ্ডৰ বেংকৰ আছে ৮.৫ শতাংশ এ টি এম। সেয়ে এটা গ্ৰাম্য অঞ্চলত এটা এ টি এম পাবলৈ অসুবিধা হয়। ই-ৱালেট আৰু ম'বাইল পে'মেণ্ট পদ্ধতিৰ বাবে এটা স্মাৰ্টফোন আৰু এটা ইণ্টাৰনেট সংযোগৰ আৱশ্যক হয়, কিন্তু এক চতুৰ্থাংশতকৈ কম জনসংখ্যাৰ স্মাৰ্টফোন আছে। এক নিৰ্ভৰযোগ্য ইণ্টাৰনেট সংযোগ বিষয়টো হ'ল খৰচীজনক, ৰাজহুৱা ৱাই-ফাই, হট্ স্পট্ পোৱাও কঠিন তথা ম'বাইল ফোনৰ বেটাৰী ছাৰ্জ কৰা ঠাই ক'ৰবাত আছে ক'ৰবাত নাই আৰু যি আছে, সেয়া দূৰণিৰ ঠাইত অৱস্থিত। ছাইবাৰ নিৰাপত্তা বিষয়টো এতিয়াও চিন্তাৰ কাৰণ হৈ আছে। কেনেকৈ এজন ব্যক্তি নিশ্চিত হ'ব পাৰে যে সৰু বিপণী আৰু ৰাস্তাৰ দাঁতিৰ দোকানত এখন কাৰ্ড মেচিনত ভৰাই প্ৰদান কৰা নম্বৰ আদি আশংকামুক্ত আৰু তাৰ সবিশেষ গোপনে থাকিব? যদি এখন কাৰ্ড নকল কৰি ব্যৱহাৰ কৰা হয় আৰু তেনেদৰে ধন আত্মসাৎ কৰা হয় তেনেহ'লে সেই কাৰ্ডৰ গৰাকীজনে তেওঁৰ কষ্টোপাৰ্জিত ধনখিনি উদ্ধাৰ

কৰিবলৈ বহু বছৰ লাগিব পাৰে। ২০১৬ চনৰ অক্টোবৰত ৩০ লাখতকৈও অধিক ডেবিট কাৰ্ড এ টি এমসমূহত বৰ্হিপ্ৰকাশ ঘটে বুলি আশংকা কৰা হৈছিল আৰু সেয়ে উপভোক্তা-সকলক তেওঁলোকৰ পিন নম্বৰ সলনি কৰিবলৈ কোৱা হৈছিল। তাৰ এমাহৰ পিছত যেতিয়া বি-মুদ্ৰাকৰণে কাৰ্ড লেনদেনৰ ক্ষেত্ৰত হঠাতে তাৰ ব্যৱহাৰৰ মাত্ৰা বৃদ্ধি কৰাৰ পথ মুকলি কৰে, তেতিয়া নেটৱৰ্কৰ বোজা অধিক হয়। কাৰ্ডৰ মেচিনবোৰে কাম নকৰা হয় আৰু জনতাই বহু ঘণ্টা ধৰি দীঘলীয়াকৈ শাৰী পাতি এ টি এমৰ আগত ৰ'ব লগা হয়।

চৰকাৰে বাৰম্বাৰ যুক্তি দৰ্শাইছে যে বি-মুদ্ৰাকৰণৰ ঘাই উদ্দেশ্য হ'ল দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিয়া। এখন চৰকাৰৰ গণতান্ত্ৰিক পদ্ধতিত ৰাজনৈতিক দলৰ পুঁজিৰ বিষয়টো হ'ল দুৰ্নীতিৰ এটা অন্যতম ডাঙৰ উৎস। যথাৰ্থতে ক'বলৈ গ'লে উচ্চ স্তৰৰ দুৰ্নীতিয়ে নগদ ধনক জড়িত নকৰে আৰু সেয়ে দুৰ্নীতিৰ যুঁজত ৰাজনৈতিক দলবোৰক পুঁজি সংগ্ৰহৰ ক্ষেত্ৰত পোনে পোনে জড়িত কৰিব পৰা নেযায়। কিন্তু তেনে পুঁজিৰ স্বচ্ছতা প্ৰদানৰ ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলে তেনে যুঁজৰ কোনো প্ৰয়াসেই অৰ্থপূৰ্ণ অথবা সফলকাম হ'ব নোৱাৰে। এনে ধৰণৰ ত্ৰুটী আৰু সুৰঙা বন্ধ কৰিবৰ কাৰণে চৰকাৰে কেনে ধৰণৰ নীতি প্ৰস্তুত কৰিব লাগিব সেই সম্বন্ধে বহু সময় চিন্তা-চৰ্চা কৰি মীমাংসা কৰিব লাগিব। নিশাটোৰ ভিতৰতে চৰকাৰ নগদবিহীনলৈ পৰিৱৰ্তন হ'ব নোৱাৰে। তাৰ বাবে প্ৰথমতে জনগণে সন্মুখীন হোৱা সমস্যাবোৰ বিবেচনা কৰা আৰু তাৰ পৰা কেনেকৈ এৰাই চলিব পাৰি সেই বিষয়ে চৰকাৰে চিন্তা কৰিব লাগিব।

**সামৰণি ঃ**

১০০ শতাংশ নগদবিহীন সমাজ পাব পৰা কেতিয়াও সম্ভৱপৰ নহ'ব, কিন্তু এটা কম নগদ ব্যৱস্থাৰ সমাজৰপৰা আৰম্ভ কৰি প্ৰায়ভাগ নগদবিহীন কৰি তোলাৰ পিনে গতি কৰিব পৰা যায়। এটা নগদবিহীন সমাজৰ পিনে লাভ কৰা গতিয়ে এটা ইতিবাচক প্ৰভাৱ পেলাব। যদিও নগদ ধনে কিছুমান লেনদেনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি থাকিব— বিশেষকৈ অতি দূৰণিবটীয়া অঞ্চল আৰু অনানুষ্ঠানিক খণ্ডবোৰত, তথাপি তেনে লেনদেনক স্বয়ংক্ৰিয় কৰিব পৰা যাব পাৰে। যিবোৰ ন ন প্ৰযুক্তিয়ে গা কৰি উঠিছে তালৈ চাই কিছুমান প্ৰয়োগাত্মক যন্ত্ৰপাতি আৰ্হি কৰি উলিওৱা সম্ভৱ— য'ত সৰহভাগ অনিয়মভিত্তিক ক্ৰয়ৰ ধনৰাশিক ক্ৰেতাৰ বেংক একাউণ্টৰপৰা স্বয়ংক্ৰিয়ভাৱে ডেবিট কৰি ৰাখিব পাৰি। তদুপৰি যদি নগদ ধনৰ চলন্তি হ্ৰাস পায় আৰু প্ৰায়ভাগ লেনদেন ডিজিটেল পদ্ধতিৰে হয়, তেনেহ'লে জনতাই কম নগদহে ৰাখিবলৈ বিচাৰিব; আৰু তাৰদ্বাৰাই পূৰ্বৰ নগদ ধন ৰখাৰ আগ্ৰহ কমি যাব। বিত্তীয় লেনদেনত ডিজিটেল পদ্ধতিৰ অৱলম্বনে ভাৰতত সমান্তৰালভাৱে গঢ়ি উঠা বিস্তাৰিত অৰ্থনীতি ৰোধকৰণৰ ক্ষেত্ৰত এটা উপযুক্ত উপায় ৰূপে কাম কৰিব পাৰে। ই হিচাপ আদি ৰখাত সহজ কৰি তুলিব আৰু কৰৰ আধাৰ বৃদ্ধি কৰিব আৰু তাৰ ফলস্বৰূপে নগদ ধন কঢ়িয়াই নিয়াৰ আৱশ্যকতা যথেষ্ট হ্ৰাস কৰিব তথা শাৰীৰিকভাৱে চৌৰ্য কাৰ্যৰ আশংকা থকাৰ পৰাও হাত সাৰিব পাৰিব। নকল ন'ট আৰু তাৰ ব্যৱহাৰ নোহোৱা হৈ যাব আৰু অসৎ কামত ধনৰ ইহাত-সিহাত কৰা প্ৰবৃত্তিও কমি যাব। ডিজিটেল ব্যৱস্থা গ্ৰহণে বিত্তীয় লেনদেনৰ সুচল গতি লাভ কৰাটোও সূচায়। অৰ্থাৎ ক'ত কেনেদৰে সঠিক লেনদেনে অৱস্থান কৰিছে নে নাই তাকো অনুধাৱন কৰাৰ আৱশ্যক হৈ পৰে। কিন্তু সেই কাম কৰিবলৈ খৰচৰ বিষয়টো আহি পৰে। সেয়ে তথ্য প্ৰযুক্তিৰ আন্তঃগাঁথনি ব্যাপক আকাৰত বিস্তৃতি লাভ কৰা আৱশ্যক। কিন্তু ভাৰত এই ক্ষেত্ৰত স্বাধীনতা লাভ কৰা সত্তৰ বছৰৰ পিছতো সেই পৰ্যায় পোৱাগৈ নাই। ইয়াৰ অভাৱ ভীষণ ধৰণে অনুভৱ কৰা হয়। সি যি কি নহওক, কম নগদ অৰ্থনীতিৰ ওপৰত এতিয়া মনোযোগ দিয়াৰ প্ৰয়োজন হৈ পৰিছে। কিন্তু সেইটো নিৰ্ভৰ কৰে কেনেদৰে আমি ছাইবাৰ নিৰাপত্তা, অন্‌লাইনত হোৱা প্ৰৱঞ্চনা আদিৰ দৰে বিষয়বোৰৰ সন্দৰ্ভত উপযুক্তভাৱে প্ৰতিকাৰ কৰিবলৈ কাম কৰোঁ তাৰ ওপৰত। বেংকিং খণ্ডৰ বিত্তীয় ব্যৱস্থাত আটাইকে সামৰি লোৱা, সজাগতা অভিযান তথা সমস্যাসমূহ উপযুক্তভাৱে সমাধান কৰা পদ্ধতিৰ ওপৰতো আমাৰ অগ্ৰগতি সাধন তথা স্থায়িত্ব নিৰ্ভৰ কৰে। ❐

# বি-মুদ্ৰাকৰণ ঃ নিৰ্বাচনত ক'লা ধন নিয়ন্ত্ৰণৰ সম্ভাৱনা

**এছ ৱাই কুৰেইশ্বি***

বহু দিনৰে পৰা ভাৰতীয় ৰাজনীতিত ধনবলেৰে ভোটদাতাক প্ৰভাৱিত কৰি নিৰ্বাচনত জয়ী হোৱাটো পৰিলক্ষিত হৈ আহিছে। এয়া সৰ্বজনবিদিত যে ভাৰতত নিৰ্বাচনৰ আগনিশা ভোটদাতাৰ মাজত ধন আৰু মদ বিলাই জয়ী হোৱাটো বহুদিনীয়া প্ৰথা। বছৰ বছৰ ধৰি মুক্ত আৰু নিকা নিৰ্বাচনলৈ অংগুষ্ঠ প্ৰদৰ্শন কৰি ৰাজনৈতিক দলসমূহে পৰ্যাপ্ত ধন বিলাই আহিছে।

'গণতান্ত্ৰিক সংস্কাৰ সংস্থা' (এ ডি আৰ)ৰ বিশ্লেষণ অনুসৰি তামিলনাডু, পশ্চিমবংগ, কেৰালা, পুডুচেৰী আৰু অসমত অনুষ্ঠিত ২০১১ চনৰ নিৰ্বাচনৰ প্ৰাৰ্থীসকলে দাখিল কৰা শপতনামা অনুসৰি ৫৭৬ গৰাকী (৩,৫৪৭ গৰাকীৰ ১৬ শতাংশ) প্ৰাৰ্থী কোটিপতি আৰু প্ৰাৰ্থীসকলৰ ৫০ শতাংশই এতিয়ালৈ আয়কৰৰ হিচাপ দাখিল কৰা নাই। অন্যান্য ৰাজ্যসমূহতো এই পৰিস্থিতি পৃথক নহয়।

নিৰ্বাচনত ৰোপণ কৰা দুৰ্নীতিৰ বীজ দেশৰ প্ৰশাসন ব্যৱস্থাত পোখা মেলে। নিৰ্বাচনী প্ৰচাৰ অভিযানত ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসকলে ব্যয় কৰা কোটি কোটি টকা ক্ষমতাত অধিষ্ঠিত হোৱাৰ পাচত পুনৰ ঘূৰাই পাবলৈ যিকোনো প্ৰকাৰে দুৰ্নীতিত লিপ্ত হৈ কোৱোণাৰে ধন চপায়। এই সংগ্ৰহ অভিযানৰ ফলত ৰাজনৈতিক নেতা আৰু আমোলাৰ এটা চক্ৰ গঢ়ি উঠে। যেতিয়া শাসন পদ্ধতিৰ দুটা আটাইতকৈ গুৰুত্বপূৰ্ণ অংগৰ মাজত অশুভ জোঁটবন্ধন হয়, তেতিয়া দুৰ্নীতি সকলো দিশত বিয়পি পৰে— ওপৰে, তলে, চৌপাশে। ইয়াৰ ফলত সমাজৰ সৰ্বস্তৰত দুৰ্নীতিৰ বিষবাষ্পই ক্ৰিয়া কৰে। কনিষ্টবল বা কেৰাণীজাতীয় পদত থকাসকলৰ এটাই উত্তৰ— "আমি ওপৰতো দিব লাগে।"

**নিৰ্বাচনত ৰাজ্যৰ পুঁজি ঃ**

নিৰ্বাচনত এই নিয়ন্ত্ৰণহীন ধনৰ প্ৰয়োগক লৈ ৰাজনৈতিক দলসমূহো সুখী নহয়। তেওঁলোকে এই সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে। তথাপি ইয়াৰ সমাধান উলিয়াবলৈ কোনো গধুৰ আলোচনা নহয়। গতিকে দেখা যায় যে তেওঁলোকৰ এই উদ্বেগ কেৱল মৌখিক। এই সমস্যাটো সংসদৰ বিতৰ্কত আলোচনা কৰাৰ পাছত সমিতি গঠন কৰা হয় আৰু আমি এটা কথাই শুনিবলৈ পাওঁ যে সমস্যাটোৰ সমাধানৰ বাবে নিৰ্বাচনসমূহত ৰাজ্যই পুঁজিৰ যোগান ধৰিব।

এই সন্দৰ্ভত গঠিত আটাইতকৈ বিখ্যাত সমিতিখন হ'ল ১৯৯৯ চনৰ ইন্দ্ৰজিৎ গুপ্ত সমিতি য'ত ড° মনমোহন সিং, সোমনাথ চেটাৰ্জীৰ দৰে ব্যক্তিসকলে অংশগ্ৰহণ কৰিছিল। এই সমিতিখনে পৰামৰ্শ দিছিল যে নিৰ্বাচনত কেৱল আংশিক ৰাজ্যিক পুঁজিৰ যোগান আৰু সেয়াও দলৰ ভিতৰত প্ৰকৃত গণতন্ত্ৰ অব্যাহত থকা অৱস্থাতহে— যিটো কোনো দলেই মানি ল'বলৈ ইচ্ছুক নহয়।

নিৰ্বাচনৰ পূৰ্বে ভোটদাতাক ভেটি দিবলৈ ধনৰ প্ৰয়োগ কৰা সন্দৰ্ভত নিৰ্বাচন আয়োগে যথেষ্ট উদ্বেগ প্ৰকাশ কৰি আহিছে। মুখ্য নিৰ্বাচন আয়ুক্তৰ পদত অধিষ্ঠিত হোৱাৰ পাছত প্ৰথমখন সংবাদ মেলত মই দুটা প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিলো— ধনৰ অপব্যৱহাৰ আৰু ভোটদাতাৰ অনীহা। এই দুটা সমস্যাৰ মোকাবিলা কৰিবলৈ দুটা নতুন শাখাৰ সৃষ্টি কৰা হ'ল। উভয়ে সাফল্যৰ মুখ দেখিলে। এটা শাখাৰ যৎপৰোনাস্তি চেষ্টাৰ ফলত ভোটদানৰ হাৰ সৰ্বাধিক হ'ল আৰু আনটো শাখাৰ তৎপৰতাত কোটি কোটি টকাৰ লগতে উৎকোচ দিবলৈ অনা যথেষ্ট পৰিমাণৰ বস্তু আৰু মদ ধৰা পৰিল। কাৰ্যকৰী পদক্ষেপৰ বাবেই কেতবোৰ বৃহৎ সাফল্য অৰ্জন কৰিবলৈ সক্ষম হ'লোঁ। ইয়াৰ ভিতৰত উত্তৰ প্ৰদেশৰ এগৰাকী বিধায়কক তেওঁৰ কাৰ্যকালৰ সময়তে বিধায়ক পদ নাকচ কৰা আৰু ঝাৰখণ্ডত দুটা ৰাজ্যসভাৰ নিৰ্বাচন স্থগিত ৰখাই প্ৰধান।

একে সময়তে ভোটদাতাৰ শিক্ষণ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ল। এই অনুসৰি ভোটৰ বাবে ধন গ্ৰহণ নকৰিবলৈ ভোটদাতাক শিক্ষিত আৰু সজাগ কৰি তুলিবলৈ চেষ্টা চলোৱা হ'ল। এই অনুসৰি ভোটৰ বাবে ধন গ্ৰহণ কৰিবলৈ

*লিখক ভাৰতৰ ভূতপূৰ্ব মুখ্য নিৰ্বাচন আয়ুক্ত আৰু "এন আনডকুমেণ্টেড্ অ'ন্দাৰ— ডী বেংকিং অৱ ডী গ্ৰেইট্ ইণ্ডিয়ান ইলেক্শ্বন" গ্ৰন্থখনৰ ৰচক।

ভোটদাতাক শিক্ষিত আৰু সজাগ কৰি তুলিবলৈ চেষ্টা চলোৱা হ'ল। ২০১১ চনৰ পৰাই ২৫ জানুৱাৰীৰ দিনটো ৰাষ্ট্ৰীয় ভোটদাতা দিৱস (এন ভি ডি) পালন কৰি অহা হৈছে। ই হ'ল বিশ্বৰ বৃহত্তম ভোটদাতাৰ অন্তৰ্ভুক্তি কাৰ্যসূচী। এই দিৱসত নতুন ভোটদাতাক, বিশেষকৈ যুৱচামক, নীতিনিষ্ঠ ভোটদানৰ হকে অংগীকাৰবদ্ধ কৰোৱা হয়। বৰ্তমানলৈ ১৪০ নিযুত ভোটদাতাই এই অংগীকাৰ বা শপত গ্ৰহণ কৰিছে। কাৰ্যক্ষম ব্যয় নিয়ন্ত্ৰণ শাখা, সমৰ্থনমূলক ভোটদাতাৰ শিক্ষণ শাখা আৰু সতৰ্ক সংবাদ মাধ্যম আৰু নাগৰিক সমাজৰ নিৰীক্ষণৰ বাবেই নিৰ্বাচনী আচৰণবিধি ভংগ কৰি অত্যধিক ব্যয় কৰাটো ক্ৰমান্বয়ে দুঃসাধ্য হৈ আহিছে।

তৎসত্ত্বেও দুৰ্ভাগ্যজনকভাৱে নিৰ্বাচনত ক'লা ধনৰ প্ৰচলন অব্যাহত আছে।

এয়া সত্য যে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ধন প্ৰয়োজন। তথাপি গণতান্ত্ৰিক প্ৰক্ৰিয়াত ধনৰ ইমান প্ৰাধান্য স্বীকাৰ কৰিব নোৱাৰি যে কেৱল ধনী ব্যক্তিয়েহে নিৰ্বাচন খেলি এই ৰাজনৈতিক ব্যৱস্থাটোত আধিপত্য বিস্তাৰ কৰিব।

সেইবাবে প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ সীমা নিৰ্ধাৰণৰ বাবে আইনে নিৰ্দেশ দিছে যদিও আশ্চৰ্যজনকভাৱে ৰাজনৈতিক দলৰ ব্যয় সন্দৰ্ভত কোনো নিয়ন্ত্ৰণ ৰখা নাই। ৰাজনৈতিক দলৰ ব্যয়ৰ ক্ষেত্ৰত সীমা নিৰ্ধাৰণ নকৰা কাৰ্যই সমগ্ৰ নিয়ন্ত্ৰণ ব্যৱস্থাটোৰ সপক্ষে যুক্তি মূল্যহীন কৰি তুলিছে আৰু ইয়াৰ ফলত বিত্তীয় অনুশাসনহীনতাৰ সৃষ্টি কৰিছে। প্ৰতিদ্বন্দ্বী দলক পৰাভূত কৰিবলৈ সকলো দলেই হাজাৰ হাজাৰ কোটি টকা ব্যয় কৰে। ২০১৪ চনৰ সাধাৰণ নিৰ্বাচনত নিৰ্বাচনী প্ৰচাৰ অভিযানৰ ব্যয়ৰ পৰিমাণ হৈছিল অকল্পনীয় ৩০ হাজাৰ কোটি টকা।

এই ধন ক'ৰ পৰা আহে? এই উৎস হ'ব পাৰে— কৰ্প'ৰেট পুঁজি, সৰু-সুৰা দান-বৰঙণি, কুপনৰ বিক্ৰী, সদস্যভুক্তিৰ মাচুল, জমা ধনৰ সুত, ভাড়া আৰু ৰাজহ আয়। অধিক সংখ্যক বৰঙণি উৎসৰ ক্ষেত্ৰতে স্বচ্ছতা নাথাকে। উৎস উল্লেখ নকৰাকৈ সকলো পুঁজিৰ ৭৫-৮০ শতাংশ নগদ ধন বুলি দেখুওৱা হয়। এইটো উদ্বেগজনক বিষয়। এই ধনৰ উৎস বিদেশী ধন অথবা অপৰাধী, ড্ৰাগছ্ ব্যৱসায়ী বা স্থাৱৰ সম্পত্তিৰ মাফিয়া হ'ব পাৰে।

ৱিকিলিক্‌ছে প্ৰকাশ কৰা মতে আমাৰ নিৰ্বাচনত টকাৰ বিনিময়ত ভোট স্বাভাৱিক ঘটনা। ৱিকিলিক্‌ছৰ মতে তামিলনাডুৰ এগৰাকী কেন্দ্ৰীয় মন্ত্ৰীৰ ঘনিষ্ঠ সহযোগী এজনে প্ৰকাশ কৰা অনুসৰি ২০০৯ চনত উপ-নিৰ্বাচনত প্ৰতিগৰাকী ভোটদাতাক ৫ হাজাৰকৈ টকা বিলোৱা হৈছিল। প্ৰাৰ্থীগৰাকী বিজয়ী হোৱাৰ পাছত ৰাজনীতিকগৰাকীয়ে ঘোষণা কৰিছিল যে ধনৰ বলতেই বিজয় সম্ভৱ হ'ল। এই কুখ্যাত 'তিৰুমংগলম' সূত্ৰ আমাৰ বাবে বৃহত্তম প্ৰত্যাহ্বান হৈ পৰিল।

২০১৪ চনৰ সাধাৰণ নিৰ্বাচনৰ সময়ত হিচাপবিহীন ৩০০ কোটি টকা জব্দ কৰা হৈছিল। ২০১৪ চনৰ পাছৰে পৰা সকলো বিধানসভা নিৰ্বাচনত আয়োগে জব্দ কৰা ধনৰ পৰিমাণ সৰ্বাধিক হৈছিলগৈ। উদাহৰণস্বৰূপে ২০১৫ চনৰ বিহাৰৰ বিধানসভা নিৰ্বাচনৰ কালছোৱাত জব্দ কৰা ধনৰ পৰিমাণ আছিল ১৯ কোটি টকা; এয়া পূৰ্বৰ জব্দ কৰা ধনতকৈ বহুত বেছি। তামিলনাডুত ১০০ কোটিতকৈ অধিক জব্দ কৰা হৈছিল।

**বৰ্তমান জন মানসত সকলো ৰাজনীতিকেই দুৰ্নীতিগ্ৰস্ত**

ৰাজনীতিকৰ এই ভাবমূৰ্তি গণতন্ত্ৰৰ বাবে শুভ নহয়। আমাৰ দেশত সৎ ৰাজনীতিকৰ সংখ্যা কম নহয়। প্ৰকৃততে মহান লোকসকলৰ বাবেই ভাৰত বৃহৎ শক্তিৰূপে বিকশিত হৈছে। প্ৰায়েই শুনা যায় যে বৃহৎ পৰিমাণৰ ক'লা ধনৰ অস্তিত্বৰ বাবেই, বিশেষকৈ স্থাৱৰ সম্পত্তিৰ ক্ষেত্ৰত, ২০০৮ চনত বিশ্বজোৰা বিত্তীয় সংকটৰ বিৰূপ প্ৰভাৱে ভাৰতক বৰকৈ স্পৰ্শ কৰিব পৰা নাছিল। কিন্তু এই অত্যন্ত ক্ষতিকাৰক ধনবল ভাৰতত অনুষ্ঠিত নিৰ্বাচনসমূহৰ একো মংগল সাধন কৰা নাই। ৫ খন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ আগে আগে ৫০০ আৰু ১০০০ টকীয়া অধিক মূল্যৰ ন'ট বি-মুদ্ৰাকৰণৰ ঘোষণা বিত্ত মন্ত্ৰীয়ে সঠিক সময়তে কৰিছে। দলসমূহ আৰু প্ৰাৰ্থীসকলে ভোটদাতাক বিলাবলৈ ধনৰ মোনা লৈ সাজু হৈ আছিল যদিও সম্প্ৰতি এই ধনেৰে কি কৰিব তাকে লৈ বিমোৰত পৰিছে।

মই ব্যক্তিগতভাৱে অনুভৱ কৰো যে এই পদক্ষেপৰ ফলত সমাগত নিৰ্বাচনসমূহত বৃহৎ প্ৰভাৱ পৰিব। কাৰণ এই সময়ছোৱাত ক'লা ধন বিতৰণৰ প্ৰক্ৰিয়াটো আৰম্ভ হৈছিল। আনকি সীমাৰ সিপাৰৰ পৰা অহা জালনোট নিৰ্বাচনত ব্যৱহাৰ হোৱাৰ ক্ষেত্ৰতো প্ৰতিবন্ধকতা আহি পৰিল।

ইতিপূৰ্বে নিৰ্বাচনৰ দিন ঘোষণাৰ আশে-পাশে আৰু নিৰ্বাচনী আচৰণবিধি বলৱৎ হোৱাৰ পাছত বিভিন্ন অঞ্চলত ধন বিতৰণ কৰা হৈছিল। নিৰ্বাচন আয়োগৰ কঠোৰতাৰ বাবে ৰাজনৈতিক দলসমূহে ধন বিতৰণৰ দিন কিছু আগুৱাই আনিবলৈ আৰম্ভ কৰে। সেইবাবেই নিৰ্বাচনৰ কেইসপ্তাহমান

পূৰ্বে বি-মুদ্ৰাকৰণৰ ঘোষণাই ধন বিতৰণৰ পৰিকল্পনাত সঠিক সময়তে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিলে।

মোৰ গ্ৰন্থ "An Undocumented Wonder— The Making of the Great indian Election"ত মই ৪০টা বিভিন্ন পদ্ধতিৰ বিষয়ে বিতংকৈ বৰ্ণনা কৰিছোঁ যাৰ সহায়ত নিৰ্বাচনত ক'লা ধন বিতৰণ কৰা হয়। মই নিঃসন্দেহে ক'ব পাৰোঁ যে ধন বিতৰণৰ আৰু নতুন পদ্ধতি অৱলম্বন কৰা হ'ব, কিন্তু ইয়াৰ বাবে কিছু সময়ৰ প্ৰয়োজন হ'ব আৰু ইতিমধ্যে এই ধনৰ প্লাৱনৰ পৰা নিৰ্বাচনসমূহে ৰেহাই পাব।

বি-মুদ্ৰাকৰণৰ সুফলসমূহ বিচাৰ কৰি চোৱাৰ সময়ত নিৰ্বাচনবোৰৰ পৰা লাভ কৰা শিক্ষা মনত পেলাবই লাগিব। প্ৰধান মন্ত্ৰীৰ বি-মুদ্ৰাকৰণৰ ঘোষণাৰ দুদিনমানৰ পাছতে এখন বাতৰি কাকতত মই আশংকা কৰিছিলোঁ যে এই পদক্ষেপ প্ৰতিহত কৰিবলৈ এচাম দুষ্ট চক্ৰই বেংক কৰ্মচাৰীৰ সৈতে ধনৱন্ত চক্ৰৰ অশুভ সংযোগ বৃদ্ধি পাব। এয়া পাছলৈ সঠিক আগজাননীৰূপে পৰিগণিত হ'ল। সৰ্বত্ৰ বিৰাজমান প্ৰবঞ্চনাকাৰী আৰু চক্ৰান্তকাৰী বেংক কৰ্মচাৰীসকলৰ ওপৰত দৃষ্টি ৰাখিবলৈ মই চৰকাৰক সকীয়াই দিছিলোঁ। এই পৰামৰ্শ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি প্ৰদান কৰিছিলোঁ। এবাৰ আমাৰ আয়োগৰ ব্যয় নিৰীক্ষণকাৰী দলে ২ কোটিৰো অধিক টকা কঢ়িয়াই অনা গাড়ী এখন জব্দ কৰিছিল। আমাক কোৱা হৈছিল যে এই ধন এ টি এম-ত ভৰাবলৈ লৈ যোৱা হৈছে। সেইবাবে ক্ষমা প্ৰাৰ্থনাৰে আমি গাড়ীখন যাবলৈ দিলোঁ। পাছদিনাও আন এটা দলে একে কাৰণ দৰ্শাই দুগুণ ধন কঢ়িয়াই নিয়া অৱস্থাত ধৰা পৰিল। যেতিয়া ১১ কোটি টকা কঢ়িওৱা তৃতীয়খন গাড়ী ধৰা পেলোৱা হ'ল, আমি অনুসন্ধান চলোৱাৰ সিদ্ধান্ত ল'লো। তেতিয়া দেখা গ'ল যে ভানখনত সশস্ত্ৰ নিৰাপত্তাৰক্ষী নথকাৰ লগতে সুৰক্ষা নিয়মসমূহো পালন কৰা হোৱা নাই। মই তৎক্ষণাৎ ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ ভি চুব্বা ৰাওৰ সৈতে কথা পাতিলোঁ। তেওঁ এই কথা শুনি স্তম্ভিত হৈ তদন্তৰ নিৰ্দেশ জাৰি কৰিলে।

২০১৫ চনৰ মে' মাহত অনুষ্ঠিত শেহতীয়া নিৰ্বাচনত নিৰ্বাচন আয়োগে অভূতপূৰ্বভাৱে অনিয়ন্ত্ৰিত ধন ব্যৱহাৰৰ বাবে তামিলনাডুৰ দুই বিধানসভা সমষ্টি আৰাৱাকুৰিচি আৰু থাঞ্জাভুৰত ভোটদান স্থগিত ৰাখিবলগীয়া হৈছিল। তেতিয়া নিৰ্বাচন সমিতিয়ে ক'লা ধন ব্যৱহাৰৰ স্পষ্ট সাক্ষ্য প্ৰমাণৰ ভিত্তিত নিৰ্বাচন স্থগিত ৰাখিবলৈ স্থায়ী আইনী ক্ষমতা বিচাৰি চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰিছিল।

আইন মন্ত্ৰণালয়ে এই প্ৰস্তাৱ নাকচ কৰিলেও ক'লা ধনৰ বিৰুদ্ধে যুদ্ধ অব্যাহত ৰখা প্ৰধান মন্ত্ৰীয়ে বিষয়টো বিবেচনা কৰিব বুলি মই আশাবাদী।

বিজেপিৰ অৰ্থনৈতিক পৰিক্ৰমা কোষৰ অধ্যক্ষ গোপাল কৃষ্ণ আগৰৱালে ব্যক্ত কৰে যে অন্ততঃ এইবাৰৰ নিৰ্বাচনত ধনৰ যোগান ধৰা সমস্যা সন্দৰ্ভত বি-মুদ্ৰাকৰণে সুফল প্ৰদান কৰিব। 'এতিয়ালৈ নিৰ্বাচনী ব্যয়ৰ হিচাপ দাখিলৰ ক্ষেত্ৰত ৰাজনৈতিক দলসমূহক চাপত ৰখা হৈছে। কিন্তু এই ধন বিতৰণ কৰাৰ ক্ষেত্ৰত নীতি-নিয়ম ফলপ্ৰসূ হোৱা নাছিল। এতিয়া ই ধন যোগানৰ দিশটোত বাধা দিয়াৰ ফলত ব্যয় যথেষ্ট পৰিমাণে হ্ৰাস পাব।"

এই দাবীসমূহ সঠিক প্ৰতিপন্ন হ'ব যদিহে অবিলম্বে দীৰ্ঘ দিন ধৰি পৰি থকা নিৰ্বাচনী সংস্কাৰৰ প্ৰস্তাৱসমূহৰ ক্ষেত্ৰত পৰৱৰ্তী পদক্ষেপসমূহ গ্ৰহণ কৰা হয়।

নিৰ্বাচনী নিৰীক্ষণকাৰী সংস্থা 'গণতান্ত্ৰিক অধিকাৰ সংস্থা' (এ ডি আৰ)ৰ ড° ত্ৰিলোচন শাস্ত্ৰীয়ে কয় যে বিতৰণৰ বাবে ৰাখি থোৱা পুঁজিৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰিব, একে সময়তে ই ৰাজনৈতিক দলসমূহে ৰাজকোষৰ ধনেৰে বিনামূলীয়া বস্তু বিতৰণ, ৰেহাই আদিৰ প্ৰতিশ্ৰুতি প্ৰদানক উৎসাহিত কৰিব পাৰে। "এই সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ নিৰ্বাচন আয়োগলৈ নিৰ্দেশনা আছে যদিও কঠোৰ পৰ্যৱেক্ষণৰ প্ৰয়োজন।" —তেওঁ কয়।

বি-মুদ্ৰাকৰণ আৰু ইয়াৰ পৰৱৰ্তী ফলাফলে, যদিও পোনতে এই সন্দৰ্ভত চিন্তা-চৰ্চা হোৱা নাছিল, নিৰ্বাচনী সংস্কাৰত প্ৰভাৱ পেলাব। বি-মুদ্ৰাকৰণে ব্যৱস্থাগত গাঁথনিৰ ক্ষেত্ৰত বিশাল প্ৰত্যাহ্বানৰ সৃষ্টি কৰিলে। ই বেংকিং, ই-ৱালেট জনপ্ৰিয় কৰিবলৈ চলোৱা চৰকাৰী প্ৰচাৰে সকলোকে স্পৰ্শ কৰে, এই শব্দবোৰ সকলোৰে মুখে মুখে উচ্চাৰিত হ'বলৈ ধৰিলে। ক'লা অৰ্থনীতি বন্ধ কৰিবলৈ ই ইতিবাচক পদক্ষেপৰূপে পৰিগণিত হ'ল। যেতিয়া আনকি ৰিক্সাৱালা বা পাচলি বেপৰীকো নগদ লেনদেন বন্ধ কৰিবলৈ আহ্বান জনোৱা হ'ল, ই সবল বেংকিং ব্যৱস্থা আৰু বিত্তীয় নথিভুক্তিৰ উচ্চ স্তৰ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত সহায় কৰাটো নিশ্চিত হ'ল।

তৎসত্ত্বেও, ইয়াৰ বাবে ৰাজনৈতিক দলসমূহক প্ৰদান কৰা ২০ হাজাৰ টকাৰ তলৰ বৰঙণিৰ ক্ষেত্ৰত ৰেহাই দিবলৈ অপৰিহাৰ্য দাবী উত্থাপিত হ'ল। ৰাজনৈতিক দলসমূহে নগদ ধনৰূপে গ্ৰহণ কৰা বুলি দেখুওৱা পুঁজিৰ ৮০ শতাংশৰ অস্বচ্ছতাৰ বিষয়টোৰ প্ৰতি ই নজৰ দিব। এই ধন বছৰি ১ হাজাৰ কোটিলৈ বৃদ্ধি পালে।

**(৩২ পৃষ্ঠাত চাওক)**

# নগদ ধনৰ ব্যৱহাৰ হ্ৰাস কৰা অৰ্থনীতি ঃ ক'লা ধনৰ প্ৰচলনৰ ওপৰত মাধমাৰ

**টিম্‌ছী জয়পুৰীয়া***

ভাৰতবৰ্ষই যোৱা ৮ নৱেম্বৰত ছদ্মবেশী অৰ্থনীতিৰ বিৰুদ্ধে যুঁজ দিয়াৰ কথা ঘোষণা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পিছত দৈনন্দিন জীৱনত ধনৰ লেনদেনৰ ক্ষেত্ৰত পৰিলক্ষিত প্ৰথমটো প্ৰভাৱ হ'ল মানুহে যে নগদ ধনৰ বিকল্প পথো ব্যৱহাৰ কৰিব পাৰে, সেই কথা প্ৰতিষ্ঠা কৰাত ই সহায় কৰিলে। ধন আদায় দিয়াৰ প্ৰক্ৰিয়াত দেশখনে ক্ৰেডিট কাৰ্ড অথবা ডেবিট কাৰ্ড, ইলেক্ট্ৰনিক ৱালেট, ম'বাইল বেংকিং আদিৰ ব্যৱহাৰৰ জৰিয়তে এটা নতুন পদ্ধতিৰ পিনে দিশ সলনি কৰিবলৈ লোৱাৰ লগে লগে যিটো ব্যৱস্থাৰ ওপৰত সবাতোকৈ বেছি প্ৰভাৱ পৰিল, সেইটো হ'ল নগদ ধনৰ আদান-প্ৰদানৰ ব্যৱস্থা। এখন অধিক স্বচ্ছ আৰু কম পৰিমাণৰ দুৰ্নীতি বৰ্তি থকা সমাজ গঢ়াৰ দিশে ধাৱমান হোৱাৰ লক্ষ্যৰে নৰেন্দ্ৰ মোডী নেতৃত্বাধীন বৰ্তমানৰ চৰকাৰখনে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ জৰিয়তে দৃষ্টি নিক্ষেপ কৰা হৈছে ক'লা ধনৰ প্ৰচলন সমূলি বন্ধ কৰা আৰু এটা নগদ ধনবিহীন অৰ্থনীতিৰ দিশে গতি কৰাৰ প্ৰতি, য'ত সমস্ত লেন-দেনৰ প্ৰক্ৰিয়াৰ বিষয়ে সংশ্লিষ্ট কৰ্তৃপক্ষ অৱগত হ'ব পাৰিব অথবা নিৰ্দিষ্ট বৈধ পথতহে লেনদেন সম্পন্ন হ'ব। ইয়াৰ ফলত এহাতে যেনেকৈ কৰ সংগ্ৰহৰ পৰিমাণ বৃদ্ধি পাব, ঠিক একেদৰে এই বৃদ্ধিৰ ফলত লাভ কৰিব পৰা সুফলসমূহে সমাজৰ পিচ পৰা শ্ৰেণীৰ কল্যাণ সাধন কৰাটোও নিশ্চিত হ'ব। প্ৰাইছৱাটাৰহাউছ কুপাৰ্ছৰ ২০১৫ চনৰ এখন প্ৰতিবেদনত প্ৰকাশ পোৱা মতে দেশত উপভোক্তাৰ লেনদেনৰ হাৰ মূল্যৰ দিশৰ পৰা ৯৮ শতাংশ হোৱাৰ বিপৰীতে আকাৰৰ দিশৰ পৰা এই হাৰ হ'ল ৬৮ শতাংশ, যিটো চীন, ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকাৰ দৰে তুলনাত্মক অৰ্থনীতিৰ ক্ষেত্ৰত দেখিবলৈ পোৱা হাৰতকৈ বহু পৰিমাণে বেছি। একাংশ বিশেষজ্ঞ আৰু নিৰ্দিষ্ট অৰ্থনৈতিক তত্ত্বৰ অনুসৰণ-কাৰীয়ে নগদ ধনৰ লেনদেনক অৰ্থনৈতিক অন্তৰ্ভুক্তিকৰণৰ পথত প্ৰতিবন্ধকতা হিচাপে গণ্য কৰে। এনে ধৰণৰ উচ্চ হাৰৰ নগদ ধনৰ আদান-প্ৰদানৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সৃষ্টি কৰা আন এটা বিষয় হৈছে নগদ লেনদেনৰ জোৱা মাৰিবলৈ ব্যয় কৰা ধন আৰু আন সম্পদসমূহ। পিছে ডিজিটেল লেনদেনৰ দিশে গতি কৰিবলৈ আৰম্ভ কৰাৰ বাবে সৰ্বাত্মক প্ৰচেষ্টাক পোনপটীয়াকৈ বাস্তৱ ৰূপ দিয়াৰ মূলতে যিটো কাৰকে ক্ৰিয়া কৰিলে সেইটো হ'ল ক'লা ধনৰ অৰ্থনীতি। নগদ ধনবিহীন লেনদেনৰ কোনো বিকল্প নথকা অৱস্থাত জনসাধাৰণে এই ব্যৱস্থা গ্ৰহণ কৰাৰ ফলত ইমান দিনে কোনো ধৰণৰ স্বচ্ছতা নথকা আৰু ছদ্মবেশী মুদ্ৰাৰ ৰূপ লৈ সক্ৰিয় হৈ থকা সমান্তৰাল অৰ্থনীতি পিছ হুঁহকি যাবলৈ বাধ্য হ'ল। সকলো ধৰণৰ লেনদেন যদি বৈদ্যুতিন মাধ্যমৰ জৰিয়তে কৰাটো সম্ভৱ হয়, তেনেহ'লে এই লেনদেন হিচাপ বহিৰ্ভূত নহ'ব, ইয়াৰ তথ্য নথিভুক্ত হৈ যাব আৰু ইয়াক সহজে পৰীক্ষাও কৰিব পৰা হ'ব। এই ব্যৱস্থাৰ জৰিয়তেই ইমান দিনে কৰৰ গাঁথনি আৰু কৰ সংগ্ৰহৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰি অহাৰ লগতে সন্ত্ৰাসবাদীক পুঁজি যোগান ধৰাক উৎসাহিত কৰা, নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ, নকল মুদ্ৰাৰ প্ৰচলন আদি বহু ধৰণৰ অশুভ উপায়েৰে দেশৰ অৰ্থনীতিক মাধমাৰ শোধাই অহা ক'লা ধনৰ প্ৰসাৰক প্ৰতিহত কৰাটো সম্ভৱপৰ হ'ব। ক'লা ধনৰ পয়োভৰ হ্ৰাস পাবলগীয়া এই পৰিস্থিতিৰ চক্ৰৱৎ প্ৰভাৱ অনুসাৰে স্থাৱৰ সম্পত্তিৰ মূল্যও হ্ৰাস পাব বুলি আশা কৰিব পাৰি। কিয়নো অৰ্থনীতিক গ্ৰাস কৰি ৰখা ক'লা ধনৰ অধিকাংশই স্থাৱৰ সম্পত্তিৰ বজাৰত বিনিয়োগ হৈ থাকে আৰু ইয়েই স্থাৱৰ সম্পত্তিৰ বজাৰত মুদ্ৰাস্ফীতি বৃদ্ধি কৰে। এই কথাও তাৎপৰ্যপূৰ্ণ যে ২০১৬ চনৰ বাজেট ভাষণত দেশৰ বিত্তমন্ত্ৰীগৰাকীয়ে ক'লা ধনৰ প্ৰসাৰ ৰোধ কৰাৰ উদ্দেশ্যে ভাৰতত নগদ ধনবিহীন লেনদেনৰ সৰ্বাত্মকভাৱে ৰূপায়ণ কৰাৰ প্ৰসংগ উল্লেখ কৰিছিল যদিও ইয়াৰ পিছতো দেশখনত নগদ ধনৰ অৰ্থনীতিয়েই কাৰ্যকৰী হৈ থাকিল আৰু সামগ্ৰিক

***লিখিকা বৰ্তমান চি এন বি চি টি ভি-১৮ বিশেষ সংবাদদাতা। তেওঁ অৰ্থনীতি, আৰ্থ-সামাজিক আৰু ৰাজনৈতিক-অৰ্থনৈতিক আদি বিষয়সমূহৰ লিখাত বিশেষ পাৰদৰ্শিতা আছে।**

লেনদেনৰ মাত্ৰ পাঁচ শতাংশতকৈও কম পৰিমাণৰ লেনদেনহে বৈদ্যুতিন মাধ্যমৰ জৰিয়তে সম্পন্ন হৈ থাকিল। শেহতীয়াকৈ বিমুদ্ৰাকৰণৰ প্ৰক্ৰিয়া কাৰ্যকৰী হৈ থকা সময়ছোৱাত এই কাৰ্যসূচীক অধিক গতিশীলতা প্ৰদান কৰি দেশৰ প্ৰধান বেংক প্ৰতিষ্ঠান ভাৰতীয় ৰিজাৰ্ভ বেংকেও অলপতে 'পে'মেণ্ট এণ্ড ছেট্‌লমেণ্ট ছিষ্টেম্‌ছ ইন ইণ্ডিয়া— ভিজন ২০১৮' শীৰ্ষক এখন আঁচনি মুকলি কৰিছে আৰু বৈদ্যুতিন মাধ্যমৰ লেনদেনৰ প্ৰক্ৰিয়াক উৎসাহিত কৰাৰ পথ প্ৰশস্ত কৰিব পৰা এই আঁচনিৰ জৰিয়তে ভাৰতক সুদূৰ ভৱিষ্যতে তথা কিছু বছৰৰ ভিতৰত এখন নগদ ধনবিহীন সমাজ অথবা অৰ্থনীতিৰ ৰূপত গঢ়ি উঠাটো সম্ভৱপৰ কৰি তুলিবলৈ বিচাৰিছে। উল্লেখযোগ্য যে ২০১৫ চনৰ বিত্তীয় বছৰটোত ভাৰতীয় ৰিজাৰ্ভ বেংকে কেৱল ধনৰ প্ৰচলন আৰু ব্যৱস্থাপনাৰ কামতেই ২৭ হাজাৰ কোটি টকা ব্যয় কৰিছিল। অৰ্থনীতিবিদসকলে এই ক্ষেত্ৰত অনুভৱ কৰে যে যিটো সময়ত সমগ্ৰ বিশ্ব ডিজিটেল লেন-দেন প্ৰক্ৰিয়া আৰু 'প্লাষ্টিক মানি'ৰ ব্যৱহাৰৰ দিশে অগ্ৰসৰ হৈছে, তেনে এটা সময়ত ভাৰতে মুদ্ৰাৰ প্ৰচলনৰ বাবে এনেদৰে ধন ব্যয় কৰাৰ দৰে কাৰ্যই দেশখনক অৰ্থনৈতিকভাৱে অধোগতিৰ দিশেহে টানি আছে। বিত্তমন্ত্ৰী অৰুণ জেইট্‌লিয়ে ক'বৰ দৰে কম পৰিমাণৰ নগদ ধনৰ ব্যৱহাৰ হোৱা অৰ্থনীতিয়ে দেশখনৰ বাবে গোলকীয় বেংকিং সেৱাৰ সুবিধা লাভৰ পথ প্ৰশস্ত কৰিব; কিয়নো এই ক্ষেত্ৰত ডিজিটেল আন্তঃগাঁথনিৰহে প্ৰয়োজন, আন কোনো কায়িক আন্তঃগাঁথনিৰ নহয় আৰু চৰকাৰৰ পক্ষে এইটোৰ ব্যৱস্থা কৰাটো তেনেই সহজ।

কেৱল সেয়াই নহয়, ক'লা ধনৰ পয়োভৰ হ্ৰাস কৰাৰ বিষয়ত নগদ ধনবিহীন আদান-প্ৰদানৰ ব্যৱস্থাই আন বিভিন্ন ধৰণেৰেও বৰঙণি যোগাব পাৰে। উদাহৰণ স্বৰূপে কোনো কল্যাণমূলক আঁচনিলৈ অনুদান আদি আগবঢ়োৱাৰ সময়ত ডিজিটেল লেনদেন প্ৰক্ৰিয়াৰ জৰিয়তে সংশ্লিষ্ট হিতাধিকাৰী ব্যক্তিবিশেষ অথবা অনুষ্ঠানৰ একাউণ্টলৈ পোনপটীয়াভাৱে সেই ধনৰ যোগান ধৰিলে মধ্যভোগীৰ হাতত নপৰাকৈ সম্পূৰ্ণ ধনৰাশিয়েই নিৰ্দিষ্ট উদ্দেশ্য পূৰণৰ অৰ্থে ব্যৱহাৰ হোৱাটো নিশ্চিত হয়। এনেদৰেই ক'লা ধনৰ অস্তিত্ব ইয়াত অপ্ৰাসংগিক হৈ পৰে আৰু সমগ্ৰ লেনদেন প্ৰক্ৰিয়াটোও হৈ পৰে সম্পূৰ্ণৰূপে স্বচ্ছ। এনে প্ৰক্ৰিয়াৰ জৰিয়তে হোৱা লেনদেনৰ তথ্য স্পষ্ট ৰূপত নথিবদ্ধ হোৱাৰ লগতে ইয়াক প্ৰয়োজনৰ সময়ত সহজে আহৰণ কৰিব পাৰি আৰু দুৰ্নীতিৰ সম্ভাৱনাও আপোনা আপুনি লোপ পাই যায়। এনে ক্ষেত্ৰত কোনো লোকেই যুক্তিসংগতভাৱে যিটো তেওঁৰ প্ৰাপ্য, সেইটো আদায় কৰাৰ বিনিময়ত কাকো অনাহকত উপঢৌকন বা ধন আদায় দিবলগীয়া নহয়।

পৰিৱৰ্তনৰ এই পৰিৱেশ গঢ়ি তোলাৰ উদ্দেশ্যে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে জনসাধাৰণক ডিজিটেল অৰ্থনীতিয়ে কেনেদৰে কাম কৰে সেই কথা শিকি ল'বলৈ আহ্বান জনায়—য'ত যি কোনো লোকে তেওঁৰ ম'বাইল ফ'নটোক বেংকৰ লেন-দেনৰ সজুলি হিচাপে ব্যৱহাৰৰ কৰিব পাৰে আৰু ইয়াৰ জৰিয়তে ধন আদায় দিয়াৰ কামো সম্পন্ন কৰিব পাৰে। এই সন্দৰ্ভত তেওঁ কয়, 'আপোনলোকৰ বেংক একাউণ্টৰ ব্যৱহাৰ বিভিন্ন দিশ সন্দৰ্ভত আৰু ইণ্টাৰনেট বেংকিঙৰ বিষয়ে ভালদৰে জানি বুজি লওক। আপোনালোকৰ ফোনত ভিন ভিন বেংকৰ এপ বিলাক ব্যৱহাৰ কৰি সেইবোৰক কেনেদৰে কাৰ্যকৰীভাৱে কামত প্ৰয়োগ কৰিব পাৰি সেই কথা বুজি লওক। নগদ ধন অবিহনে কেনেদৰে আপোনালোকৰ ব্যৱসায় সম্পন্ন কৰিব পাৰি সেইটো ভালদৰে বুজি লওক। কাৰ্ডৰ জৰিয়তে সম্পন্ন কৰা লেনদেন আৰু আন বৈদ্যুতিন মাধ্যমৰ জৰিয়তে ধনৰ আদান-প্ৰদান কৰাৰ ব্যৱস্থাৰ বিষয়েও জানি বুজি লওক।' দেশৰ পৰা ক'লা ধনৰ অস্তিত্ব সমূলঞ্চে উৎখাত কৰাৰ বাবে দেশখনক সহায় কৰাৰ উদ্দেশ্যে জনসাধাৰণক নিজৰ পৰাই এই পৰিৱৰ্তন আৰম্ভ কৰিবলৈ প্ৰধান মন্ত্ৰী গৰাকীয়ে এনেদৰে আহ্বান জনায়। ❒

*'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ বিষয়ে পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢ়ুৱৈ সমাজক অধিক তথ্য জনাবলৈ বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়ায় যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।*

# নগদবিহীন অৰ্থনীতি ঃ ছাইবাৰ নিৰাপত্তাৰ বিষয়সমূহ আৰু আগলৈ যোৱাৰ পথ

**বি এম মেহট্ৰে***

আধুনিক সমাজত প্ৰযুক্তিৰ অগ্ৰগতি সাধনে আমালৈ বহু সা-সুবিধা আনি দিছে। অতি গুৰুত্বপূৰ্ণ লাভসমূহৰ ভিতৰত এটা হ'ল যি কোনো ঠাইতে যি কোনো সময়তে কাম কৰাৰ সুচলতা। তেনে সুচল অৱস্থা হ'ল আপুনি চাইবাৰ জগতখনত আপোনাৰ কাম কৰি থাকিব পাৰে, আৰু সেই কাম যিকোনো স্থানৰপৰা যি কোনো সময়তে কৰাৰ সুবিধা আছে। উদাহৰণ স্বৰূপে, আপুনি অনলাইনত এনেবোৰ কাম কৰিব পাৰে, যেনে— টিকট কিনা, বিলৰ ধন আদায় দিয়া, বয়বস্তু আৰু বণিক সামগ্ৰীৰ বাবে আৰ্জি পেছ কৰা। এনে ধৰণৰ সকলো কাম-কাজৰ লেনদেন যি কোনো ঠাইৰ পৰা যি কোনো সময়ত কৰিব পৰা যায়। এনে প্ৰথম পদ্ধতি, অৰ্থাৎ সকলোবোৰ বৈদ্যুতিন লেনদেনৰ বিষয়ে ২০০১ চনত হায়দৰাবাদত পোন প্ৰথমবাৰৰ বাবে প্ৰদৰ্শন কৰা হৈছিল। সকলো বৈদ্যুতিন ইক'-পদ্ধতি ঠিক কৰা হৈছিল আৰু এখন ঘৰুৱা পানীৰ বিলৰ ধনৰাশি বৈদ্যুতিন মাধ্যমেৰে আদায় দিয়া হৈছিল। সেই ইক'-পদ্ধতি ব্যৱস্থাত জড়িত আছিল অন্ধ্ৰ বেংক, এইচ এম ডব্লিউ এছ এছ বি (জল বোৰ্ড), আই ডি আৰ বি টি আৰু চি এম চি লিমিটেড। এগৰাকী বাসিন্দাৰ বেংকত থকা একাউণ্টগৰাকীলৈ অন্ধ্ৰ বেংকৰদ্বাৰা ইছ্যু কৰা ই-চেক্‌ৰ জৰিয়তে পেমেণ্ট কৰা হৈছিল। এনেদৰে জল বোৰ্ডে যোগান ধৰা পানী বাসিন্দাসকলে খৰচ কৰাৰ বাবদ যি ধনৰাশিৰ তহবিল যুগুতাই উলিয়ায় তাৰ প্ৰাপ্তিৰ কাম— অৰ্থাৎ ধনৰাশি আদায় কৰাৰ কাম— অন্ধ্ৰ বেংকৰ সহযোগত সমাপন কৰে।

তথ্য নিৰাপত্তা প্ৰদানৰ লক্ষ্য হ'ল গোপনীয়তা, অখণ্ডতা আৰু তথ্যপ্ৰাপ্তি ব্যৱস্থাৰ যোগান ধৰা। এই তিনিওটা পৰিসৰ অথবা বিষয়ক কোৱা হয় নিৰাপত্তা লক্ষ্য কিম্বা নিৰাপত্তা সেৱা। অন্য নিৰাপত্তাৰ উদ্দেশ্যসমূহত আন কিছুমান বিষয় জড়িত আছে। সেয়া হ'ল— সত্যতা, অধিকৃত হিচাপ আৰু অগ্ৰাহ্য কৰিব নোৱাৰা। ইয়াক ১নং চিত্ৰত দেখুওৱা হৈছে।

ছাইবাৰ নিৰাপত্তা হ'ল এক প্ৰক্ৰিয়া, টেক্‌নিক অথবা পদ্ধতি— যাৰদ্বাৰাই তথ্য নিৰাপত্তা প্ৰদানৰ লক্ষ্য নিশ্চিত কৰিব পৰা যায়। এই তথ্য নিৰাপত্তা অথবা ছাইবাৰ নিৰাপত্তা বুজাবলৈ অনেক ধৰণৰ শব্দ ব্যৱহাৰ কৰা হয় আৰু সেয়া হ'ল আই টি ছিকিউৰিটী, ডিজিটেল ছিকিউৰিটী, ইলেক্ট্ৰনিক ছিকিউৰিটী, ছিষ্টেমছ্ ছিকিউৰিটী, ইণ্টাৰনেট ছিকিউৰিটী ইত্যাদি।

অন্‌লাইন বেংকিং সম্বন্ধে এটা উদাহৰণ দিয়া যাওক। গ্ৰাহকৰ একাউণ্টৰ সবিশেষত (নাম, ঠিকনা, বেংক বেলেঞ্চ আৰু লেনদেন) গুৰুত্বপূৰ্ণ তথ্যপাতি থাকে। একাউণ্ট অৰ্থাৎ হিচাপ-বহী খোলা যিকোনো বেংকতেই গ্ৰাহকৰ এনেবোৰ সবিশেষ থাকে। এই তথ্যপাতিবোৰ আনে নজনাকৈ গোপন কৰি ৰাখিব লগা হয়। মাত্ৰ একাউণ্টৰ গৰাকী আৰু বেংকৰ অধিকৃত, নিৰ্দিষ্ট কৰ্মচাৰীৰহে বিদিত হয়। এইবোৰ তথ্য কোনো ধৰণে ফাদিল হ'লে তাক কোৱা হয় নিৰাপত্তাৰ গোপনীয়তা ভংগ কৰা। সেই একেদৰে গ্ৰাহক আৰু বেংকৰ মাজত হোৱা যোগাযোগ সুৰক্ষিত হ'ব লাগে, অৰ্থাৎ একেটা বাৰ্তাই বেংকে পাব লাগে আৰু গ্ৰাহকৰ ক্ষেত্ৰতো সেই একেই কথা (বেংকৰ বাৰ্তা) খাটে। যোগাযোগ কৰি থকা অৱস্থাত কোনো ধৰণে মূল ভাষ্য সলনি হ'ব নেলাগে। ইয়াকেই কোৱা হয় তথ্যৰ অখণ্ড বাৰ্তা। অখণ্ডতা বা অটুট আৰু তাৰ গোপনীয়তা পাব পৰাৰ অন্যতম উপায় হ'ল 'ক্ৰিপ্টোগ্ৰাফিক' প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰে স্পষ্ট ভাষ্য এটা গাণিতিক কাৰ্যৰ অৱলম্বনেৰে প্ৰেৰণ কৰা হয়। আৰু সেই প্ৰেৰণ কৰা ভাষ্য বাৰ্তা একে উপায় অৰ্থাৎ ক্ৰিপ্টোগ্ৰাফিক মাধ্যমেৰে আনটো মূৰত লাভ কৰা হয়। 'প্ৰাপ্তি' সেৱাই গ্ৰাহকৰ সুচলতা প্ৰদান কৰে আৰু যিকোনো সময়তে যি কোনো ঠাইৰ পৰা এনেবোৰ তথ্য কামত লগাব পাৰি। এয়া হ'ল সুৰক্ষিত পদ্ধতিৰ এটা গুৰুত্বপূৰ্ণ অংশ।

ইণ্টাৰনেট সেৱাৰ ছাইবাৰ স্পেচত কম্পিউটাৰ তথা অন্যান্য ডিজিটেল

*লিখক ভাৰতীয় ৰিজাৰ্ভ বেংকৰদ্বাৰা স্থাপন কৰা ইন্সটিটিউট ফৰ্ ডেভেলপমেণ্ট এণ্ড ৰিছাৰ্চ ইন্ বেংকিং টেকন'ল'জিৰ ছেণ্টাৰ ফৰ্ ছাইবাৰ ছিকিউৰিটিৰ অধ্যাপক।

**১নং চিত্ৰ ঃ তথ্য নিৰাপত্তা লক্ষ্যৰ ভিন্ন দৃষ্টিভংগী**










উপায়সমূহৰ সুচল প্ৰাপ্তি ঘটাৰ এটা পদ্ধতি হ'ল গ্ৰহণযোগ্য ব্যৱহাৰ কৰোঁতাৰ নাম (কাষ্টমাৰ আই ডি) আৰু গ্ৰহণযোগ্য পাছৱৰ্ড। ইয়াক এটা প্ৰক্ৰিয়াৰ জৰিয়তে পোন প্ৰথমবাৰতেই ইছ্যু কৰা হয় আৰু সেই প্ৰক্ৰিয়াক কোৱা হয় পঞ্জীকৰণ অথবা অন্তৰ্ভুক্তিকৰণ। এবাৰ অন্তৰ্ভুক্ত হ'লে তাৰ পিছত ব্যৱহাৰ কৰোঁতাৰ পৰিচয় আৰু পাছৱৰ্ড ব্যৱহাৰ কৰি একাউণ্টৰ তথ্যপাতি (পঞ্জীকৰণ কৰোঁতাজনৰ) জানিবৰ কাৰণে সুচল প্ৰৱেশ ঘটে। ইণ্টাৰনেটত আজি-কালি পোৱা প্ৰায়ভাগ আবেদন পত্ৰ হ'ল ৱেব আবেদন পত্ৰ। এটা সুৰক্ষিত যান্ত্ৰিক ব্যৱস্থাৰ জৰিয়তে এনে পদ্ধতিৰ বাবে 'লগইন্' কৰা হয়। ২নং চিত্ৰত এনে লগইন্ অৱস্থান দেখুওৱা হৈছে। বেংকৰ নামৰ স'তে সেউজ লক্ চিহ্ন মন কৰক। সেই সেউজ চিহ্নই দেখুৱায় যে আপুনি এক সুৰক্ষিত পদ্ধতিলৈ 'লগইন' কৰিবলৈ গৈছে।

এই পদ্ধতি 'লগইন' কৰিবলৈ আপোনাৰ 'ইউজাৰ আই ডি' আৰু পাছৱৰ্ডৰ প্ৰয়োজন হয়। এনে 'পাছৱৰ্ড' হ'ল এটা তলা আৰু চাবিৰ দৰে। আপুনি ইয়াক গোপনে ৰখা আৱশ্যক আৰু কাৰো স'তে ইয়াক মত বিনিময় কৰিব নেলাগে। কাৰণ কম্পিউটাৰ পদ্ধতিত ব্যৱহাৰকাৰীৰ নাম আৰু পাছৱৰ্ডেই ব্যৱহাৰ কৰোঁতাজনক প্ৰতিনিধিত্ব কৰে। যাৰ এই পৰিচয় আছে তেৱেঁই পদ্ধতিটোৰ কাৰণে প্ৰকৃত গৰাকী। এনে পৰিচয়নামা চোৰ কৰিবলৈ বহু প্ৰচেষ্টা চলোৱা দেখা যায় আৰু সেই কাম কৰা হয় ছাইবাৰ অপৰাধজনক কামত জড়িত ব্যক্তিসকলৰদ্বাৰা। এনে ব্যক্তিক কোৱা হয় 'হেকাৰ', এইক্ষেত্ৰত এক প্ৰৱঞ্চনামূলক জনপ্ৰিয় পদ্ধতি হ'ল কোনো সন্দেহ নকৰা ব্যৱহাৰ কৰোঁতালৈ (যাৰ পৰিচয় আৰু পাছৱৰ্ড আছে) বৃহৎ ধনৰাশিৰ লটাৰি সম্বন্ধে ঘোষণা কৰি শ শ ই-মেইল প্ৰেৰণ কৰাটো। এবাৰ যদি আপুনি সেই ই-মেইলৰ বাৰ্তাৰ প্ৰতি সঁহাৰি জনায় তেনেহ'লে সিহঁতে আপোনাৰ পৰিচয় প্ৰকাশ কৰিবলৈ আপোনাক লোভ দেখুৱাব কিম্বা পঞ্জীকৰণ মাচুল আদি দিয়াৰ বিষয়ে ক'ব। পৰিচয়নামা আয়ত্ত কৰাৰ এনে প্ৰয়াসক কোৱা হয় 'ফিচিং।' পৰিচয়নামা চোৰ কৰা অন্যান্য পদ্ধতিও আছে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল ছ'চিয়েল ইঞ্জিনীয়াৰিং, স্কেনিং, স্পৰ্শকাতৰ দিশ উলিওৱা আৰু পদ্ধতিটোত কিবা খুঁত আছে নেকি তাক উদ্ভাৱন কৰাৰ প্ৰয়াস। পৰিচয়নামা হৰলুকী কৰাৰ এনে প্ৰচেষ্টাসমূহ আৰু পদ্ধতিটোৰ প্ৰতি সুচল প্ৰৱেশ লাভ কৰাৰ প্ৰয়াসক কোৱা হয় 'ছাইবাৰ এটেক্।'

এনে ছাইবাৰ আক্ৰমণ প্ৰতিহত কৰিবৰ বাবে অভিযান ভাৱধাৰাৰে এলানি পদ্ধতিৰদ্বাৰা ভালেমান ব্যৱস্থা হাতত ল'বলৈ ঠিক কৰা হৈছে আৰু সেইবোৰ ব্যৱস্থাক উপযুক্তভাৱে প্ৰতিষ্ঠিত কৰিবলৈ ছাইবাৰ সুৰক্ষাৰ কাৰ্য পৰিচালনাৰ বাবে বৃহৎ সংগঠনৰ






*Figure 2. Secure login – lock symbol in green color*

আৱশ্যক আছে। তেনে সংগঠনে নিৰাপত্তা বিষয়ক ঘটনাৱলী পুনৰীক্ষণ কৰা আৰু সাধাৰণভাৱে সতৰ্ক কৰাৰ প্ৰয়োজন আছে। এনে সতৰ্কতাসমূহ পদ্ধতিৰ স'তে জড়িত প্ৰশাসকসকলৰ কাৰণে— যাতে তেওঁলোকে সেই বিষয়ে অৱলোকন কৰিব পাৰে, কিয়নো প্ৰায়ে ভুলভাৱে এনে সতৰ্কতাৰ ইংগিত পোৱা হয়। সাধাৰণতে বহু তৰপৰ প্ৰতিৰক্ষা ব্যৱস্থা কামত লগোৱা হয়। সেই প্ৰতিৰক্ষা ব্যৱস্থাৰ ভিতৰত উল্লেখযোগ্য হ'ল— ডাটা আৰু প্ৰয়োগৰ প্ৰতি সাৱধান হোৱা, ছাইবাৰ আক্ৰমণৰ হোতা কোন, নেটৱৰ্ক কিম্বা পৰিসৰৰ সম্পদ আৰু আন্তঃগাঁথনি। ইয়াক ৩নং চিত্ৰত দেখুওৱা হৈছে।

ছাইবাৰ সুৰক্ষা সাধন কাৰ্য এটা ব্যৱস্থাৰ জৰিয়তে পৰিচালনা আৰু শাসন কৰা হয়। সেই ব্যৱস্থাক কোৱা হয় জনতা, প্ৰক্ৰিয়া আৰু প্ৰযুক্তিৰ সংমিশ্ৰণৰ দ্বাৰা সাধিত কাম-কাজ। ৪নং চিত্ৰত




৩নং চিত্ৰ ঃ নিৰাপত্তাৰ গভীৰতাৰ ক্ষেত্ৰত প্ৰতিৰক্ষা— বহু তৰপীয়া ছাইবাৰ নিৰাপত্তাৰ স্থাপত্য শৈলী

দেখুওৱাৰ দৰে নিৰাপত্তা ঘাইকৈ নিৰ্ভৰ কৰে জড়িত লোকসকলৰ ওপৰত। প্ৰযুক্তিৰ ওপৰত কম নিৰ্ভৰ কৰে। ডিজাইন, অৰ্থাৎ নক্সা অংকন কৰা অনুযায়ী প্ৰযুক্তি বিশেষক স্থাপন কৰা হয় আৰু সেই মতে সঠিকভাৱে কাম কৰে, কিন্তু মানৱে ভিন্ন সময়ত ভিন্ন ধৰণে আচৰণ কৰে। ইয়াৰ বাবে গুৰুত্বপূৰ্ণ বিষয়টো হ'ল কৰ্ম-সংস্কৃতি পৰিৱৰ্তন হোৱা প্ৰয়োজন। প্ৰক্ৰিয়া আৰু নিয়ম আদিৰ প্ৰতি সচেষ্ট হোৱাও দৰকাৰ। এইবোৰ বাস্তৱায়িত কৰি তুলিবৰ কাৰণে মানৱৰ ভাবধাৰা, সচেতন আৰু ক্ৰিয়াশীলতাৰ ওপৰত নিৰ্ভৰ কৰে।


ছাইবাৰ সুৰক্ষা হ'ল এটা কৌশলভিত্তিক প্ৰযুক্তি। বহু বিষয়ৰ জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰি ই ক্ৰিয়াশীল হৈ উঠে। তেনেবোৰ হ'ল, যেনে— প্ৰযুক্তিৰ অন্তৰ্নিহিত আন্তঃগাঁথনি সম্বন্ধে জ্ঞান, তাৰ কাৰ্যকৰণ পদ্ধতি, কম্পিউটাৰ নেটৱৰ্ক আৰু প্ৰয়োগৰ উপায়সমূহ। আমাৰ তৰুণ অভিযন্তাসকলৰ কাৰণে আগন্তুক বছৰবোৰত এই অঞ্চলত কাম কৰা আৰু এটা পেছাদাৰী জীৱিকা বৃত্তি গঢ়ি তুলিবলৈ বহু সুযোগ-সুবিধা আছে। দৰাচলতে ক'বলৈ গ'লে এনে সুযোগ-সুবিধা বিশ্বব্যাপী আছে, কিয়নো সমগ্ৰ বিশ্বখনেই ছাইবাৰ স্পেচৰ ওপৰত নিৰ্ভৰশীল আৰু ছাইবাৰ সুৰক্ষা সাধন হ'ল প্ৰত্যেকৰে ধ্যান দিবলগীয়া বিষয়।

**পাছৱৰ্ড সুৰক্ষাৰ বাবে পৰামৰ্শাৱলী**

- ই ৮ৰ পৰা ১০ বৈশিষ্ট্যৰ কিম্বা অধিক দৈৰ্ঘ্যৰ হোৱা উচিত। পৰাপক্ষত বৰ্ণমালা আৰু সংখ্যাৰ মিশ্ৰণ হ'লে ভাল।
- নিম্ন কেচ আৰু উচ্চ কেচৰ মিশ্ৰণ ব্যৱহাৰ কৰা উচিত।
- পাছৱৰ্ডত মিশ্ৰিত বিশেষ বৈশিষ্ট্যৰ হ'লে ভাল।
- আপোনাৰ নিজৰ বহুভাষিক পাছৱৰ্ড ব্যৱহাৰ কৰক— যিবোৰ অনুমান কৰিবলৈ কঠিন হয়।
- সঘনে পাছৱৰ্ড সলনি কৰক।
- পাছৱৰ্ড ৰূপে নাম, ঠিকনা, জন্ম তাৰিখ আদি ব্যৱহাৰ নকৰিব, কিয়নো সেইবোৰ সহজে অনুমান কৰি ল'ব পাৰি।
- অভিধানিক শব্দ ব্যৱহাৰ নকৰিব।
- সমাধান।

**ব্যক্তিৰ বাবে নিৰাপত্তাৰ কিছুমান পৰামৰ্শ (ব্যৱহাৰকাৰীৰ পক্ষত— ডেস্কটপ, লেপটপ, ম'বাইল ইন্টাৰনেট ব্যৱহাৰ কৰোঁতা)**

- সঘনে সলাওক।
- পাছৱৰ্ড।
- অফিছিয়েল ৱেবচাইটৰ পৰা ডাউনলোড কৰক।
- প্ৰশাসক।
- টাৰ্ন অফ্।
- এনক্ৰিপ্ট।
- ইউ এছ বি ড্ৰাইভ ব্যৱহাৰ কৰোঁতা সাৱধান হওক।




৪নং চিত্ৰ ঃ জপ্ৰপ্ৰ'ৰ জৰিয়তে পৰিচালিত আৰু শাসিত নিৰাপত্তা

- মাত্ৰ আপোনাৰ কম্পিউটাৰৰ পৰাহে সচেতনশীলভাৱে চকু ফুৰাওক (অনলাইন বেংকিঙৰ দৰে)।
- সঘনে বেক্‌আপ ব্যৱস্থা কৰক।
- ছ'চিয়েল নেটৱৰ্কছ/মিডিয়াৰ ক্ষেত্ৰত অংশ লোৱাৰ পূৰ্বে ভাবি চাব।

**সংগঠন/ছিষ্টেম, নেটৱৰ্ক প্ৰশাসক-সকলৰ কাৰণে নিৰাপত্তাৰ কিছুমান পৰামৰ্শ**

- শীৰ্ষ পৰিচালনা বৰ্গৰদ্বাৰা মনোনীত নিৰাপত্তাৰ নীতি থকা আৱশ্যক।
- নিৰাপত্তা নীতি প্ৰতিজন কৰ্মচাৰীয়ে যাতে পঢ়ে আৰু বুজি পায় সেইটো নিশ্চিত কৰক।
- নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে নিয়ন্ত্ৰণ আৰু প্ৰতিহতমূলক ব্যৱস্থাৰ ক্ষেত্ৰসমূহলৈ গৈ চোৰা-চিতা কৰক।
- নিয়মীয়াকৈ নিৰাপত্তাৰ উপায়বোৰ কামত লগাওক।
- ডাটা ছেণ্টাৰ আৰু বিপদকালীন অৱস্থানৰ পৰিৱেশৰ ক্ষেত্ৰত বিচিত্ৰতাৰ পৰিকল্পনা কৰক।
- স্থিতিকৰণৰ বাবে নিয়মীয়াকৈ ছিষ্টেম বেক্‌আপ আৰু টেষ্ট বেক্‌আপৰ ব্যৱস্থা কৰক।
- মাল্টিছিফ্‌ট ছিষ্টেমৰ প্ৰশাসনীয় ব্যক্তিসকলৰ বাবে এটা উপযোগী পাছৱৰ্ড নীতি থকা আৰশ্যক।
- ২০১৬ৰ জুলাইৰ ছাইবাৰ ছিকিউৰিটী চেক লিষ্ট আই ডি আৰ বি টিৰ প্ৰসংগ www.idrbt.ac.inত উল্লেখ কৰক।

শেষত এইটো কোৱা সমীচীন যে ছাইবাৰ নিৰাপত্তা সম্বন্ধে ই আগবঢ়োৱা সা-সুবিধা আৰু ল'বলগা সতৰ্কতামূলক ব্যৱস্থাৰ বিষয়ে এটা থুলমূল পৰিচয় দাঙি ধৰা হ'ল। অন্‌লাইন বেংকিং আৰু নগদবিহীন অৰ্থনীতিৰ বৰ্তমান যুগত এয়া বিশেষকৈ গুৰুত্বপূৰ্ণ। ছাইবাৰ নিৰাপত্তাৰ ক্ষেত্ৰত এটা জীৱিকা বৃত্তি গঢ়ি তুলিবৰ কাৰণে আমাৰ তৰুণ অভিযন্তাসকলৰ বাবেও এয়া এটা গুৰুত্বপূৰ্ণ ক্ষেত্ৰ। ❐

**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

মাৰ্চ ২০১৭ — **কেন্দ্ৰীয় বাজেট ঃ ২০১৭-২০১৮**

এপ্ৰিল ২০১৭ — **শ্ৰম সংস্কাৰ**

মে' ২০১৭ — **দেশ নিৰন্তৰ গতিশীলতাৰ পথত**

উপৰোক্ত বিষয়ত অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**

পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩

ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# কম নগদ অৰ্থনীতি ঃ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ভাৰতৰ অৱস্থান

**অৰ্পিতা মুখাৰ্জী***
**টনু এম গোৰেল***


২০১৬ চনৰ জুন মাহত ভাৰতীয় ৰিজাৰ্ভ বেংকে 'Setllement Systems in India. 'Vision 2018' শীৰ্ষক প্ৰতিবেদন দাখিল কৰিছিল। এই প্ৰতিবেদনত অন্যতম শ্ৰেষ্ঠ লেনদেন আৰু পৰিশোধ ব্যৱস্থা গঢ়ি তুলি ভাৰতক 'কম নগদ' অৰ্থনীতিৰ দেশৰূপে তুলি ধৰিবলৈ ৰূপৰেখা প্ৰস্তুত কৰা হৈছিল। উদ্দেশ্য আছিল সমাজৰ সকলো স্তৰৰ লোকক ইলেকট্ৰ'নিক পদ্ধতিৰে ধন পৰিশোধ অধিক পৰিমাণে কৰিবলৈ উৎসাহিত কৰা যাতে অনানুষ্ঠানিক খণ্ডৰ বৃহৎ অংশই আনুষ্ঠানিক অৰ্থনীতিত প্ৰৱেশ কৰে, কৰৰ ভিত্তিত বৃদ্ধি কৰে, ক'লা ধনৰ পৰিমাণ হ্ৰাস হোৱাৰ লগতে সন্ত্ৰাসবাদ আৰু নিৰ্বাচনত ক'লা ধনৰ পুঁজিৰ যোগান বন্ধ হয়। প্ৰধান মন্ত্ৰীয়ে কৈছে যে ভাৰত 'কম নগদ' সমাজ হোৱাৰ দিশে আগবঢ়া উচিত যাতে ই 'নগদবিহীন' অৰ্থনীতিলৈ প্ৰথম পদক্ষেপ হয়। ছুইডেন, কেনিয়া আৰু ব্ৰাজিলৰ দৰে বহুকেইখন দেশ 'কম নগদ' অৰ্থনীতি হ'বলৈ সফলতাৰে আগবাঢ়িছে। সেই দেশসমূহৰ অভিজ্ঞতাই দেখুৱায় যে কম নগদ' অৰ্থনীতিৰ বাবে আৱশ্যক অনলাইন লেন-দেনৰ নিৰাপত্তা নিশ্চিতকৰণৰ বাবে সমৰ্থমূলক নীতি-নিয়ম, বিশাল আন্তঃগাঁথনি আৰু উপভোক্তা কেন্দ্ৰিকতা।

**ভাৰত আৰু অন্যান্য দেশসমূহৰ স্থিতি ঃ**

অন্যান্য দেশসমূহৰ সৈতে তুলনা কৰিলে দেখা যায় যে বহু উন্নত আৰু উন্নয়নশীল দেশতকৈ ভাৰতত নগদ ধনৰ প্ৰচলন অধিক। ২০১৫ চনত অৰ্থনীতিত প্ৰচলিত নগদ ধনৰ অংশৰূপে মুঠ ঘৰুৱা উৎপাদন (মুঠ ঘৰুৱা উৎপাদন)ৰ শতাংশ অনুসৰি ভাৰতত ১২.৩ শতাংশ; ইয়াৰ তুলনাত ব্ৰাজিলত ৩.৮ শতাংশ, দক্ষিণ কোৰিয়াত ৫.৬ শতাংশ আৰু ছুইডেনত ১.৭ শতাংশ (চিত্ৰ-১)।

তদুপৰি ২০১৬ চনত ভাৰতত হোৱা লেন-দেনৰ ৬৮ শতাংশ নগদ ধনেৰে কৰা হৈছিল। এই পৰিমাণ ইণ্ডোনেছিয়া আৰু ৰাছিয়াৰ পাছতেই

চিত্ৰ ঃ ১ ২০১১-১৫ চনত নিৰ্বাচিত দেশত মুঠ ঘৰুৱা উৎপাদন নগদ ধনৰ প্ৰচলন ঃ




*Source: Author's calculation from http://www.bis.org/cpmi/publ/d155.pdf (accessed on 26 December, 2016)*

---

*অৰ্পিতা মুখাৰ্জ আই চি আই আই ই আৰ-ৰ অধ্যাপিকা। টনু এম গোৰেল আই চি আৰ আই ই আৰ-ৰ পৰামৰ্শদাতা।

বিশ্বৰ সৰ্বাধিক নগদ ধনেৰে লেন-দেন হোৱা দেশসমূহৰ ভিতৰত অন্যতম। অন্য উন্নয়নশীল দেশ যেনে-থাইলেণ্ড, ব্ৰাজিল আৰু চীনত লেন-দেনৰ ক্ষেত্ৰত নগদ ধনৰ ব্যৱহাৰ ভাৰততকৈ বহু কম। বহু উন্নত আৰু উন্নয়নশীল দেশতকৈ ভাৰতত ক্ৰেডিট কাৰ্ডৰ ব্যৱহাৰ বহু কম।

ছুইডেনত বিশ্বৰ সৰ্বনিম্ন পৰিমাণৰ নগদ ধনেৰে লেন-দেন হয়। দেশখনৰ অধিকাংশ লেন-দেনেই ইলেক্ট্ৰনিক পদ্ধতিৰে হোৱা দেখা যায়; বাছৰ টিকট বা বৰঙণিৰ ধনো এই পদ্ধতিৰে আদায় দিয়া হয়। খুচুৰা বিক্ৰেতাই আইনগত-ভাৱে ধাতৱীয় বা কাগজী মুদ্ৰা ল'বলৈ অস্বীকাৰ কৰিব পাৰে। সাধাৰণ ইউৰোপীয় লোকতকৈ ছুইডেনবাসীয়ে ডেবিট কাৰ্ডৰ ব্যৱহাৰ তিনি গুণে অধিক কৰে। ছুইডেনে যোৱা বৰ্ষত কেইবিধমান ন'ট (২০, ৫০ আৰু ১০০ ক্ৰোনা) অচল বুলি ঘোষণা কৰাৰ লগতে চলিত বৰ্ষৰ জুলাইলৈ অন্য কেইবিধমান ন'টো অচল হ'ব বুলি ইতিমধ্যে ঘোষণা কৰিছে।


উন্নয়নশীল দেশসমূহৰ ভিতৰত কেনিয়াই কেতবোৰ চৰকাৰী সেৱা, যেনে— পৰিষদীয় পাৰ্কিং, নিৰ্মাণ অনুজ্ঞাপত্ৰ, ভূমিৰ হাৰ, ড্ৰাইভিং লাইছেন্সৰ নৱীকৰণ আৰু পাছপ'ৰ্ট মাচুল আদিৰ অনলাইন পৰিশোধৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। দেশখনে জালিয়াতি ৰোধৰ লগতে অধিক হাৰত মাচুল সংগ্ৰহৰ বাবে এই ব্যৱস্থা আৰম্ভ কৰিছে। ৱৰ্ল্ড বেংকৰ 'গ্ল'বেল ফিনডেক্স ৰিপ'ৰ্ট' অনুসৰি ২০১৪ চনত কেনিয়াৰ প্ৰাপ্তবয়স্ক জনসংখ্যাৰ ৫৮ শতাংশৰে সক্ৰিয় 'ম'বাইল মানি একাউণ্ট' আছে, এই হাৰ বিশ্বৰ সৰ্বাধিক। কেনিয়াৰ ছেণ্ট্ৰেল বেংকৰ প্ৰতিবেদন অনুসৰি ২০১৫ চনত ১,৪৪,০০০ গৰাকী এজেণ্টৰ অধীনত ৩১ নিযুত 'ম'বাইল মানিৰ' গ্ৰাহক আছে। কেনিয়াই হ'ল এনে উদাহৰণ য'ত ক্ৰেডিট কাৰ্ডত কম প্ৰয়োগ আৰু ইণ্টাৰনেটেৰে অধিক লোকক সামৰি ল'ব নোৱাৰা সত্বেও ম'বাইল প্ৰযুক্তি আৰু স্মাৰ্টফোন প্ৰয়োগকাৰীৰ সংখ্যা বৃদ্ধিয়ে অনলাইন ধন পৰিশোধ উন্নত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

**আন্তঃগাঁথনিৰ সুবিধা ঃ**

ধন পৰিশোধৰ পদ্ধতিৰ গ্ৰহণ-যোগ্যতাৰ উপৰি এই পৰিশোধ ব্যৱস্থাই যাতে সমাজৰ অধিক সংখ্যক লোকক স্পৰ্শ কৰে সেই বিষয়টো গুৰুত্বপূৰ্ণ। উদাহৰণস্বৰূপে, ভাৰতত ২০১৫ চনত মুঠ জনসংখ্যাৰ কেৱল অৰ্ধেকৰ হাততহে কাৰ্ড (ক্ৰেডিট, ডেবিট বা ই-মানিৰ সুবিধা থকা কাৰ্ড) আছিল। ইয়াৰ তুলনাত ছুইডেনত প্ৰতিগৰাকী ব্যক্তিৰ হাতত থকা গড় কাৰ্ডৰ সংখ্যা ২.৫ দক্ষিণ কোৰিয়াত ৫.৫ ব্ৰাজিলত ৪.১ আৰু চীনত ৪ ।

দক্ষিণ কোৰিয়াত কাৰ্ড

চিত্ৰ ২ ঃ নিৰ্বাচিত দেশৰ প্ৰত্যেক বাসিন্দাৰ কাৰ্ডৰ সংখ্যা (২০১১-১৫)।




*Source: Author's calculation from http://www.bis.org/cpmi/publ/d155.pdf (accessed on 26 December, 2016)*

ব্যৱহাৰকাৰীৰ সংখ্যা বিশ্বৰ অন্যতম সৰ্বাধিক। দেশখনে নগদবিহীন পৰিশোধ ব্যৱস্থাৰ দিশে দ্ৰুতগতিত আগবাঢ়িছে। ই কাৰ্ডযোগে ধন আদায় দিয়াৰ অগ্ৰাধিকাৰমূলক মূল্য সংযোজিত কৰ সকাহৰ ব্যৱস্থা আৰম্ভ কৰাৰ 'প্লাষ্টিক মানি'ৰ ব্যৱহাৰৰ ক্ষেত্ৰত উৎসাহ বাঢ়িছে।

তদুপৰি ভাৰতৰ দৰে বৃহৎ জনসংখ্যাৰ দেশত তুলনামূলকভাৱে 'পইণ্ট অব্ ছেল' টাৰ্মিনেলৰ (পি অ' এছ, যি বিক্ৰীৰ সময়ত ডেবিট বা ক্ৰেডিট কাৰ্ডযোগে নগদবিহীন লেন-দেনৰ প্ৰক্ৰিয়াত সহায় কৰে) সংখ্যা অতি কম। ব্ৰাজিল আৰু চীনকে ধৰি উন্নয়নশীল দেশৰ প্ৰতি ১০ লাখ নাগৰিকৰ তুলনাত ভাৰতত পি অ' এছৰ সংখ্যা অতি কম (তালিকা ১ দ্ৰষ্টব্য)।

কম নগদ ব্যৱস্থা থকা দেশসমূহত ধন আদায় দিবলৈ আন কেইবাটাও পদ্ধতি আছে, যিবোৰৰ ভিতৰত 'ইলেক্ট্ৰনিক মানি টাৰ্মিনেল' আৰু 'ম'বাইল-মানি পেমেণ্ট' ব্যৱস্থা অন্যতম। ভাৰতত এই ধৰণৰ পদ্ধতি-সমূহৰ বাবে আন্তঃগাঁথনি সীমিত। ১২০ কোটি জনসংখ্যাৰ দেশ ভাৰতত বেতাঁৰ ফোন উপভোক্তাৰ ভিত্তিগত গাঁথনিৰ সুবিধা ১০০ কোটিৰো অধিক লোকে গ্ৰহণ কৰিব পাৰে (২০১৬ চনৰ ৩০ জুনলৈ)। তৎসত্বেও ম'বাইল ফোনেৰে ইলেক্ট্ৰনিক মানি টাৰ্মিনেল'ৰ জৰিয়তে নগদবিহীন লেন-দেনৰ ০.০৫ শতাংশহে সম্পন্ন হয়। ইয়াৰ অন্যতম কাৰণ হ'ল অইন দেশৰ তুলনাত ভাৰতত স্মাৰ্ট ফোন ব্যৱহাৰকাৰী আৰু ইণ্টাৰনেটে সামৰি লোৱা লোকৰ সংখ্যা কম। দক্ষিণ কোৰিয়াৰ ৮৮ শতাংশৰ তুলনাত ভাৰতৰ প্ৰাপ্তবয়স্ক লোকসকলৰ ১৭ শতাংশই স্মাৰ্ট ফোন ব্যৱহাৰ কৰে (২০১৬); কেনিয়াত এই হাৰ ২৬ শতাংশ। ২০১৫ চনলৈ ভাৰতত ইণ্টাৰনেট ব্যৱহাৰ কৰা ব্যক্তিৰ হাৰ ২৬ শতাংশ; ইয়াৰ বিপৰীতে দক্ষিণ কোৰিয়া আৰু ছুইডেনত ৯০ শতাংশ, চীনত ৫০ শতাংশ আৰু ব্ৰাজিলত ৫৯.০৮ শতাংশ; ইয়াৰ বিপৰীতে দক্ষিণ কোৰিয়া আৰু ছুইডেনত ৯০ শতাংশ, চীনত ৫০ শতাংশ

**তালিকা ১ ঃ** নিৰ্বাচিত দেশৰ প্ৰতি ১০ লাখ বাসিন্দাৰ বিপৰীত পইণ্ট অব্ ছেইল (পি অ' এছ)ৰ সংখ্যা (২০১১-১৫)।

| Country | 2011 | 2012 | 2013 | 2014 | 2015 |
|---|---|---|---|---|---|
| Brazil | 17,811 | 20,561 | 22,146 | 24,837 | 25,241 |
| China | 3,592 | 5,270 | 7,814 | 11,650 | 16,602 |
| India | 550 | 695 | 865 | 889 | 1,080 |
| Sweden | 22,167 | 20,837 | 20,380 | 20,304 | 18,660 |
| United Kingdom | 21,499 | 25,732 | 25,800 | 26,346 | 30,078 |

*Source:* Compiled by authors from Table 11b of the Comparative Tables for Committee on Payments and Marketing Infrastructure Countries, BIS accessible at http://www.bis.org/cpmi/publ/d155.htm (accessed on 27 December, 2016)

আৰু ব্ৰাজিলত ৫৯.০৮ শতাংশ। একেদৰে 'ফিক্সড ব্ৰজবণ্ড' উপভোক্তাৰ সংখ্যা ভাৰতত প্ৰতি ১০০ গৰাকী ব্যক্তিৰ ভিতৰত ১.৩৪; ইয়াৰ তুলনাত ছুইডেনত ৩৬.০৭ আৰু কোৰিয়াত ৪০.২৫।

গতিকে ভাৰতত সাম্প্ৰতিক আন্তঃগাঁথনি, বিশেষকৈ প্ৰযুক্তিগত আন্তঃগাঁথনি দ্ৰুত গতিত উন্নত কৰাৰ থল আছে। ভাৰত চৰকাৰৰ 'কম নগদ' পদক্ষেপক সমৰ্থন যোগোৱাৰ বাবে ই প্ৰয়োজনীয়। ইয়াৰ লগে লগে সঠিক নীতিৰ জৰিয়তে অনলাইন লেন-দেনৰ সুৰক্ষা নিশ্চিতকৰণৰ আৱশ্যক।

**আন্তঃৰাষ্ট্ৰীয় অভিজ্ঞতাৰ পৰা শিক্ষা আৰু ভৱিষ্যৎ চিন্তা ঃ**

কেনিয়া আৰু নাইৰোবিৰ দৰে দেশ যদি 'কম নগদ অৰ্থনীতি'ৰ দিশত সফলতাৰে আগুৱাব পাৰে ভাৰতেও প্ৰযুক্তি নিৰ্ভৰ উদ্ভাৱনীমূলক পৰিশোধ ব্যৱস্থাৰ বৃদ্ধি কৰি এই অৰ্থনীতি বাস্তৱায়িত কৰিব পাৰে। এই ক্ষেত্ৰত, 'ম'বাইল পেমেণ্ট ৱালেট' আৰু 'ম'বাইল এপ্লিকেশ্বন' হ'ল গুৰুত্বপূৰ্ণ বিকল্প, যি অন্‌লাইন ট্ৰেন্সফাৰ'ক সমৰ্থন কৰে। ক্ষুদ্ৰ ব্যৱসায়ী আৰু নন-কৰ্প'ৰেটৰ বাবে যি কাৰ্ড গ্ৰহণ নকৰে বা 'পইণ্ট অব্ ছেল' টাৰ্মিনেল' নাথাকে এই ব্যৱস্থা বিশেষভাৱে উপযোগী। উদাহৰণ স্বৰূপে ছুইডেনৰ অধিকাংশ পথৰ দাঁতিৰ বেপাৰী আৰু ক্ষুদ্ৰ ব্যৱসায়ীয়ে 'পেমেণ্ট এপ্লিকেশ্বন' আৰু 'Zettle' নামৰ কোম্পানীয়ে উলিওৱা 'পি অ' এছ কাৰ্ড ৰিডাৰ' ব্যৱহাৰ কৰে। ইয়াৰ ফলত এই ব্যৱসায়সমূহত বিক্ৰীৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পৰিছে। একেদৰে কেনিয়াতো য'ত আফ্ৰিকাৰ ভিতৰতে অন্যতম সৰ্বাধিক ম'বাইল ফোন ব্যৱহাৰকাৰী আছে। বিল আৰু মাচুল আদায় দিয়াৰ উপৰি আনকি দৰমহা লোৱাৰ ক্ষেত্ৰতো 'M-Pesa' ব্যৱহাৰ কৰা হয়, ভাৰতত ধন আদায় দিয়াৰ পথ Paytm, CCAvenue আৰু Pay U আদিৰ দৰে ব্যৱস্থা আছে। সমৰ্থন আৰু উৎসাহ প্ৰদানৰ আৱশ্যক, যাতে নগদবিহীন লেনদেনৰ প্ৰসাৰ ঘটে।

নগদ ধন আদায় দিয়াৰ ক্ষেত্ৰত কিছুমান গুৰুত্বপূৰ্ণ ক্ষেত্ৰ আছে য'ত তাৎক্ষণিক পদক্ষেপ গ্ৰহণৰ আৱশ্যকতা আছে। সেইবোৰ হ'ল খুচুৰা আৰু পাইকাৰী বিক্ৰীত লেন-দেন, অসংগঠিত খণ্ডত শ্ৰমিকক ধন আদায় আৰু কৃষি শ্ৰমিকক মজুৰি প্ৰদান আদি। অসংগঠিত খণ্ডত নগদ ধনেৰে মজুৰি আদায় দিয়াৰ কাৰণ হ'ল কৰ পৰিশোধ এৰাই চলা আৰু শ্ৰমিকসকলক ন্যায্য মজুৰিতকৈ কম ধন আদায় দিয়াৰ প্ৰৱণতা। অসংগঠিত খণ্ডসমূহক সংগঠিত খণ্ডৰ অধীনলৈ অনাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ যো-জা চলোৱা হৈছে যাতে নগদবিহীন লেন-দেনক উৎসাহিত কৰিব পাৰি। ২০১৬ চনৰ আগষ্টত 'নেশ্বনেল পেমেণ্ট কৰ্প'ৰেচন অব ইণ্ডিয়া' (এ পি চি আই) ই 'নেশ্বনেল পেমেণ্ট ইণ্টাৰফেচ' প্ৰৱৰ্তন কৰে, যাৰ সহায়ত দুটা বেংক একাউণ্টৰ মাজত ম'বাইল এপ ফোনযোগে ধন স্থানান্তৰ কৰিব পাৰি। এই পদ্ধতিৰে বিভিন্ন ব্যৱসায়ীক কাৰ্ডৰ সবিশেষ আৰু ক'ড-পাছৱৰ্ড ব্যৱহাৰ নকৰাকৈ ব্যৱহাকাৰীয়ে ধন আদায় দিব পাৰে। ২০১৬ চনৰ ডিছেম্বৰত চৰকাৰে এখন অধিসূচনা জাৰি কৰে যি 'মজুৰি আদায়ৰ আইন'ৰ ৬ নং ধাৰা সংশোধনী উত্থাপন কৰে। এই সংশোধনীৰ জৰিয়তে কৰ্মচাৰীৰ বেংক একাউণ্টত মজুৰিৰ ধন আদায় দিয়া বা চেকযোগে মজুৰি প্ৰদানৰ ব্যৱস্থাৰে নগদবিহীন লেন-দেন সুচল কৰা হয়। উল্লেখযোগ্য যে ১৯৬০ চনতে ছুইডেনেও ডিজিটেল পদ্ধতিৰে মজুৰি স্থানান্তৰ কৰি নগদবিহীন দেশৰূপে পৰিচয় দিয়াৰ দিশে পদক্ষেপ গ্ৰহণ কৰে।

বেংক একাউণ্ট, ধন আদায়ৰ ডিজিটেল পদ্ধতি আৰু ক্ৰেডিট কাৰ্ডৰ ব্যৱহাৰেৰে তেলেংগানা ৰাজ্যৰ ইব্ৰাহিমপুৰ সম্পূৰ্ণ নগদবিহীনৰূপে পৰিগণিত হৈছে। অন্য গাঁৱেও এই সাফল্যৰ কাহিনী অনুকৰণ কৰিব পাৰে। কিছু ক্ষেত্ৰত বেংকসমূহে নিৰ্দিষ্ট অঞ্চল ডিজিটেলাইজ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। উদাহৰণস্বৰূপে গুজৰাটৰ আকোডৰা গাঁওখন ২০১৫ চনত ভাৰতৰ এটা ব্যক্তিগত খণ্ডৰ বেংকে ডিজিটেলাইজ কৰি তোলে। বেংকটোৱে বেতাঁৰ ইণ্টাৰনেট আৰু 'পেমেণ্ট টাৰ্মিনেল'ৰ আন্তঃগাঁথনিত বিনিয়োগ কৰাৰ পাছত গঞাসকলে আধুনিক বেংকিং সুবিধাসমূহ লাভ কৰিবলৈ সক্ষম হয়।

ভাৰতত গ্ৰহণ কৰা অন্যান্য পদক্ষেপসমূহৰ ভিতৰত ৰাজহুৱা পৰিবহণ সেৱা যেনে— মেট্ৰ' ৰে'ল-সেৱাৰ সুবিধা ভোগ কৰিবলৈ ইলেক্ট্ৰনিক পেমেণ্ট পদ্ধতি অব্যৱহাৰ কৰা হৈছে। চলিত বৰ্ষৰ পৰা দিল্লীৰ মেট্ৰ'ৰ কেইটামান ষ্টেচনত নগদবিহীন ভাড়া আদায়ৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

চৰকাৰে নগদবিহীন অৰ্থনীতিৰ দিশে আগবঢ়াৰ বাবে নিশ্চিত কৰিব।

**ধন আদায়ৰ পদ্ধতিৰ নিৰপেক্ষতা ঃ** কাৰ্ড বা ডিজিটেল পদ্ধতিৰে ধন পৰিশোধ আদায়কাৰীৰ বাবে নগদ ধনেৰে কৰা পৰিশোধতকৈ অধিক খৰচী হোৱা উচিত নহয়। 'অনলাইন পেমেণ্ট বা 'ইলেক্ট্ৰ'নিক ট্ৰেন্সফাৰ'ৰ বাবদ বেংকে প্ৰায়েই প্ৰক্ৰিয়াগত মাচুল কাটি ৰাখে। নগদ ধনৰ লেনদেনত কোনো অতিৰিক্ত মাচুলৰ ভৰণি নহয় আৰু সেয়ে ই 'অনলাইন পেমেণ্ট'ক নিৰুৎসাহিত কৰে।

**তথ্যত গোপনীয়তা ঃ**

ধন আদায় দিয়াৰ বাবে ইলেকট্ৰনিক পদ্ধতিয়ে নিশ্চিত কৰে যে উপভোক্তাৰ সকলো লেন-দেনৰ তথ্য নথিভুক্ত (ৰেকৰ্ড) হৈ থাকে। এয়া ব্যক্তিগত গোপনীয়তাৰ প্ৰতি ভাবুকি। উদাহৰণস্বৰূপে ছুইডেনত পৰিশোধ ব্যৱস্থা ডিজিটেল কৰাৰ পাছত বেংক ডকাইতি যথেষ্ট কম হৈছে যদিও 'অনলাইন পেমেণ্ট'ৰ জালিয়াতি বৃদ্ধি পাইছে। সেইবাবে তথ্যৰ সুৰক্ষা আৰু ব্যক্তিগত সূচনাৰ গোপনীয়তা অটুট ৰখাটো গুৰুত্বপূৰ্ণ। প্ৰি-পেইড পেমেণ্ট সঁজুলি যেনে—স্মাৰ্ট কাৰ্ডজনিত নীতিসমূহ পৰ্যালোচনাৰ বাবে ৰিজাৰ্ভ বেংকে ব্যৱস্থা গ্ৰহণ কৰিছে। বিপদশংকা হ্ৰাস নিশ্চিত-প্ত

**কাৰিকৰী আৰু প্ৰযুক্তিগত সবল আন্তঃগাঁথনি স্থাপন ঃ**

ধন আদায়ৰ বিভিন্ন উপায় বা পদ্ধতি সহজসাধ্যতা, গ্ৰহণযোগ্যতা আৰু সহজলভ্যতাই পৰিশোধৰ ধৰণ নিৰ্ণয় কৰে। পূৰ্বতে উল্লেখ কৰা মতে, ভাৰতত নগদবিহীন লেন-দেন চলাবলৈ থকা বৰ্তমানৰ আন্তঃগাঁথনি পৰ্যাপ্ত নহয়। দেশত নগদবিহীন লেনদেন চলাবলৈ নিশ্চিত কৰিবলৈ চৰকাৰে আন্তঃগাঁথনি গঢ়ি তোলাৰ লগতে ইয়াক পৰিচালনা কৰাৰ বাবে সক্ষমতা অৰ্জন কৰিব লাগিব। ইয়াৰ বাবে স্মাৰ্ট ফোন ইণ্টাৰনেট আৰু ব্ৰডব্ৰেণ্ড যোগাযোগ ব্যৱস্থাৰ সুবিধা অন্যতম। অধিক সংখ্যক নগদবিহীন পৰিশোধ ব্যৱস্থাই প্ৰযুক্তি-নিৰ্ভৰ কাৰণ সেইবোৰৰ ব্যৱহাৰৰ বাবে ইণ্টাৰনেট সংযোগ অন্যতম চৰ্ত।

**কৰ হ্ৰাসকৰণ ঃ**

তথ্য প্ৰযুক্তিৰ সঁজুলি যেনে-স্মাৰ্ট ফোন, টেবলেটত কৰ হ্ৰাস কৰাটো গুৰুত্বপূৰ্ণ। এই সঁজুলিসমূহে ৰাইজক ডিজিটেল পদ্ধতিৰে ধন আদায় দিয়াত সহায় কৰে। বিত্ত মন্ত্ৰণালয়ে প্ৰকাশ কৰা 'সামগ্ৰী আৰু সেৱা কৰ' (জি এছ টি) গাঁথনি অনুসৰি ইলেক্ট্ৰনিক সামগ্ৰীসমূহত ২৮ শতাংশ কৰ ধাৰ্য কৰাৰ সম্ভাৱনা আছে। এই হাৰ অতি উচ্চ। স্মাৰ্ট ফোনৰ মূল্য সহজসাধ্য হ'ব লাগে। বিশ্বৰ ভিতৰতে উচ্চ হাৰৰ কৰ্প'ৰেট কৰ আৰোপৰ ক্ষেত্ৰত ভাৰতৰ স্থান আগশাৰীৰ দেশসমূহৰ ভিতৰত। ২০১৬ চনত ঘৰুৱা কোম্পানীসমূহৰ ক্ষেত্ৰত ভাৰতত কৰ্প'ৰেট কৰৰ হাৰ অতিৰিক্ত মাচুলসহ ৩০ শতাংশ আৰু বিদেশী কোম্পানীসমূহৰ এই হাৰ ৪০ শতাংশ। ছুইডেন আৰু চীনত ঘৰুৱা আৰু বিদেশী উভয় কোম্পানীত ক্ষেত্ৰত এই হাৰ ক্ৰমে ২২ আৰু ২৫ শতাংশ। অধিক হাৰৰ কৰ আৰোপ কৰিলে কৰ ফাঁকি অধিক হয়।

**সবল ই-বাণিজ্য নীতি ঃ**

দেশত নগদবিহীন ধন আদায়ৰ বাবে উপভোক্তাৰ সুৰক্ষা নিশ্চিত কৰিবলৈ সবল ই-বাণিজ্য নীতি থকাটো বাঞ্ছনীয়।

সামৰণিত ইয়াকে ক'ব পাৰি যে 'কম নগদ অৰ্থনীতি'ৰ দিশত ভাৰত চৰকাৰে সঠিক পদক্ষেপ আগবঢ়াইছে। তৎসত্বেও অন্যান্য দেশৰ পৰা লাভ কৰা অভিজ্ঞতাই শিকাইছে যে 'কম নগদ অৰ্থনীতি'ৰ বাবে আন্তঃগাঁথনি আৰু সমৰ্থনসূচক নীতি আৱশ্যকীয়। এখন 'কম নগদ অৰ্থনীতি'ৰ চৰকাৰ হোৱাৰ দিশে আগবাঢ়িবলৈ হ'লে বিত্তীয় প্ৰতিষ্ঠান আৰু ব্যৱসায় একেলগে পৰিচালিত হোৱা উচিত। তদুপৰি দেশত কম হাৰৰ আৰু সৰল কৰ গাঁথনি থকা দৰকাৰ। 'কম নগদ অৰ্থনীতি'ৰ সংশ্লিষ্ট চৰকাৰী নীতিসমূহ আগুৱাই নিবলৈ ২০১৭-১৮ চনৰ কেন্দ্ৰীয় বাজেটে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ যথেষ্ট থল আছে। ❐

# নগদবিহীন গ্ৰাম্য অৰ্থনীতি লাভ কৰাৰ প্ৰয়াস

**সমীৰা সৌৰভ***

নগদবিহীন অৰ্থনীতিৰ দিশৰ পিনে আগবাঢ়ি যোৱাৰ সম্ভাৱনাক উদ্‌ঘাটন কৰিবলৈ নীতি তৈয়াৰ কৰোঁতাসকলৰ মাজত বিশ্বব্যাপী এটা প্ৰবল আগ্ৰহ প্ৰকাশ কৰা দেখা যায়। পিছে নগদ ধনৰ বিষয়টো এতিয়াও লেনদেনৰ ঘাই ধৰণ-কৰণ হৈ আছে। বিত্তীয় লেনদেনবোৰ নিৰ্দিষ্ট ধৰণে ৰেকৰ্ড কৰি ৰখাত বহু সুবিধা আছে। প্ৰথমতে ই উপযুক্ত কৰ ৰাজহ সংগ্ৰহ কৰিবলৈ চৰকাৰক সহায় কৰে; দ্বিতীয়তে ই বেআইনী লেনদেন ধৰা পেলোৱা আৰু প্ৰতিহত কৰাত উপযুক্তভাৱে সহায় কৰিব পাৰে; তৃতীয়তে ই ভাৰতৰ বিশাল অসংগঠিত খণ্ড সম্পৰ্কে সঠিকভাৱে ধাৰণা কৰা আৰু বুজি উঠাতো বৰঙণি যোগাব পাৰে; আৰু ই চৰকাৰৰ বিভিন্ন কাৰ্যসূচীৰ 'সুৰুঙাবোৰ' বন্ধ কৰাত সহায় কৰিব পাৰে।

নগদবিহীন লেনদেনৰ ক্ষেত্ৰত প্ৰায় সকলোবোৰ লেনদেনেই এটা ডিজিটেল চিহ্ন ৰাখি যাব। নগদবিহীন উপায়েৰে (বাস্তৱিকতে ন'ট আদি জড়িত নথকাকৈ এটা বেংকৰপৰা আনটো বেংকৰ লেনদেনৰ বৰ্দ্ধিত ব্যৱহাৰ) ক্ৰেতা-সকলক উৎসাহ প্ৰদান কৰা পদ্ধতিত অধিক বিত্তীয় স্বচ্ছতা থাকিব। এয়া সম্ভৱতঃ ভাৰতত দুৰ্নীতি আৰু ক'লা ধনৰ সন্দৰ্ভত নিহিত থকা বিষয়বোৰৰ বিৰুদ্ধে যুঁজ দিয়াৰ অতি পোনপটীয়া পথ। ডিজিটেল সাঁচ বা চিহ্নৰ ক্ষেত্ৰত আন বহুতো সুবিধা আছে। ই ৰাজহুৱা বিতৰণ পদ্ধতিক বহুত বেছি উপযুক্ত কৰি তুলিব পাৰে। ২০০৯ বৰ্ষত পৰিকল্পনা আয়োগৰ হিচাপ মতে ৰাজহুৱা বিতৰণ পদ্ধতিৰ অধীনত ব্যয় কৰা ধনৰাশিৰ মাত্ৰ ২৭ শতাংশহে নিৰ্দিষ্ট লক্ষ্যৰ নিম্ন উপাৰ্জিত গোটসমূহৰ ওচৰ পায়গৈ। সেয়ে লেনদেনসমূহ ডিজিটেল ব্যৱস্থাৰ কৰাটো হ'ল নগদ-বিহীন অৰ্থনীতিৰ দিশৰ পিনে আগবাঢ়ি যোৱাৰ শ্ৰেষ্ঠ পথ। এনে নগদবিহীন অৰ্থনীতি বৈদ্যুতিন ধন বিনিময় যন্ত্ৰৰ কাম-কাজক উৎসাহিত কৰি, বিত্তীয় আন্তঃগাঁথনিৰ বিকাশ আৰু জনগণৰ মাজত ডিজিটেল লেনদেনৰ অভ্যাস প্ৰসাৰ কৰি লাভ কৰিব পৰা যায়। চৰকাৰৰ বি-মুদ্ৰাকৰণ অভিযানেও নগদ-বিহীন অৰ্থনীতিক লাভান্বিত কৰিব বুলি ধৰি লোৱা হয়। অৱশ্যে এতিয়াও নগদ-বিহীন অৰ্থনীতিৰ দিশৰ যাত্ৰাত বহু বাধা আছে আৰু লগতে বহু আশাও আছে।

সমসাময়িক দৃশ্যপটত আমাৰ দেশখন বিশ্বৰ অতি প্ৰস্ফুটিত আৰু প্ৰত্যাশাপূৰ্ণ অৰ্থনীতিৰ এখন অন্যতম ৰাষ্ট্ৰৰূপে প্ৰকাশমান হ'বলৈ ধৰিছে। ভাৰত ঘাইকৈ হ'ল কৃষি-ভিত্তিক গ্ৰাম্য অৰ্থনীতিৰ দেশ। ইয়াত অসংগঠিত খণ্ডৰ বেছ দখল আছে আৰু ৬৮.৪৮ শতাংশ লোক গ্ৰামাঞ্চলত বাস কৰে। অনানুষ্ঠানিক খণ্ডই মুঠ ঘৰুৱা উৎপাদনৰ ২০ শতাংশ বৰঙণি যোগায় আৰু ৮০ শতাংশ নিয়োগৰ সুবিধা আগবঢ়ায়। গ্ৰামাঞ্চলবোৰ হ'ল দেশখনৰ প্ৰায় ৪৭০ নিযুত জনসংখ্যাৰ দুই-তৃতীয়াংশ লোকৰ বসবাসৰ স্থল আৰু এই অৱস্থানতেই দশকটোৰ বাকী থকা কালছোৱাৰ বাবে নগদবিহীন লেনদেন কাৰ্য লাভ কৰিবৰ কাৰণে বহু প্ৰত্যাহ্বান আছে। ২০২০ চনৰ ভিতৰত সকলো ইণ্টাৰনেট ব্যৱহাৰ কৰোঁতাৰ ভিতৰত প্ৰায় আধা ভাগ গ্ৰামাঞ্চলৰ ব্যৱহাৰ কৰোঁতা লোক হ'ব বুলি ধাৰণা কৰা হৈছে। সংযোজিত গ্ৰাম্য উপভোক্তাৰ সংখ্যা ২০১৫ বৰ্ষৰ ১২০ নিযুতৰপৰা ২০২০ বৰ্ষত প্ৰায় ৩১৫ নিযুত বৃদ্ধি পাব বুলি আশা কৰা হৈছে। সম্প্ৰতি ১৮-৫০ বছৰ বয়স গোটৰ লোক হ'ল প্ৰায় ১৬০ নিযুত। ইয়াৰ ভিতৰত ৩০ শতাংশৰ ইণ্টাৰনেটৰ সুবিধা আছে। এটা আমোদজনক বিষয় হ'ল গ্ৰাম্য বিকাশে চহৰৰ যি বিকাশ হ'ব তাৰ গতিক যথেষ্টভাৱে চেৰ পেলাব বুলি আশা কৰা হৈছে।

গ্ৰাম্য ভাৰতত ৯৩ শতাংশতকৈ অধিক লোকে কোনো ধৰণৰ ডিজিটেল লেনদেন কৰা নাই। সেয়েহে প্ৰকৃত সম্ভাৱনাপূৰ্ণ দিশটো ইয়াতেই অন্তৰ্নিহিত হৈ আছে। দুখীয়া লোকসকলৰ বাবে শূন্য বেলেঞ্চ একাউণ্টৰ ব্যৱস্থা ঘোষণা কৰি চৰকাৰে বহু পদক্ষেপ গ্ৰহণ কৰিছে। কিন্তু বেংকবোৰৰ শাখা তেনেদৰে বৃদ্ধি

*লেখিকা ভাৰত চৰকাৰৰ গ্ৰাম্য উন্নয়ন মন্ত্ৰণালয়ৰ সঞ্চালক (পৰিকল্পনা আৰু আঁচনি)। তেওঁ ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰণালয়ত আন্তৰ্জাতিক বহুপাৰ্শ্বীয় বুজাবুজিত উপনীত হ'বলৈ কৰা আলোচনা পৰিচালনা কৰিছে আৰু ব্ৰীকছ্‌, জি-২০, আই অ' আৰ এ আৰু আই এল অ' আদিত ভাৰতক প্ৰতিনিধিত্ব কৰিছে।

হোৱা নাই। ২০০১ বৰ্ষত ভাৰতৰ গ্ৰাম্য অঞ্চলবোৰত প্ৰতি এক লাখ লোকৰ বাবে ৫.৩টা বেংকৰ শাখা আছিল। বৰ্তমানে সেই সংখ্যা ৰিজাৰ্ভ বেংকৰ পৰিসংখ্যা মতে মাত্ৰ ৭.৮টা।

**পৰোক্ষ লাভ**

ভাৰতত নগদবিহীন লেনদেনক উৎসাহ প্ৰদান কৰাৰ বাবে তিনিটা স্পষ্ট আৰু গুৰুত্বপূৰ্ণ পৰোক্ষ লাভৰ উন্মেষ সাধনৰ দিশ দেখা যায়। সেয়া হ'ল—

(ক) ই বিত্তীয় পৰিসৰক সৰ্বাত্মক ৰূপত উৎসাহিত কৰিব;

(খ) ই বিত্তীয় লেনদেনৰ ৰেকৰ্ডপাতি ৰাখিব;

(গ) বিত্তীয় লেনদেনত ন্যস্ত দুটা যিকেনো দলৰ ক্ষেত্ৰত লেনদেনৰ খৰচ কম কৰিব।

ওপৰত উল্লেখ কৰা শেহৰ বিষয়টো সাধাৰণতে যিকোনো অৰ্থনীতিৰ বাবে সত্য আৰু তাৰ প্ৰথম দুটা বিশেষকৈ ভাৰতৰ ক্ষেত্ৰত প্ৰাসঙ্গিকতা আছে। অৰ্থনীতিবিদ গঙ্গোপাধ্যায়ে যুক্তি সহকাৰে দেখুৱাইছে যে ভাৰতৰ আধা ভাগতকৈ অধিক লোকক বিত্তীয় সা-সুবিধাৰ আবৰ্ত্তত সামৰি লোৱা হোৱা নাই। দেশখনত প্ৰতি ১ লাখ লোকৰবাবে প্ৰায় ৭.৮টা বেংকৰ শাখা আছে। প্ৰতি ১০০ বৰ্গ কিলোমিটাৰ পৰিসৰত ৩টাতকৈ কম শাখা বেংক আছে। গ্ৰাম্য ভাৰতৰ বাবে এই সংখ্যা প্ৰতি ১০০ বৰ্গ কিলোমিটাৰত ১টা শাখাতকৈ কম। এই ক্ষেত্ৰত বিশেষকৈ গ্ৰামাঞ্চলৰ ৪৫ শতাংশ, চহৰাঞ্চলৰ ২৮ শতাংশ আৰু সমগ্ৰ ঘৰৰ ৩৮ শতাংশই মানি লয় যে সুচল প্ৰৱেশ আৰু প্ৰাপ্তি হ'ল এটা বিশেষ বেংক বাছি ল'বলৈ থিৰ কৰাই ঘাই কাৰণ। বিত্তীয় ব্যৱস্থাৰে সামৰি লোৱাটো; অৰ্থাৎ তেনে ব্যৱস্থাৰ সুফল সকলোৱে পোৱাটো অৱশ্যেই প্ৰয়োজন; আৰু সেই বাবে প্ৰতি ঘৰেই বেংকৰ সুচল প্ৰৱেশৰ সুবিধা পোৱা উচিত। মাত্ৰ সোঁ-শৰীৰে বেংকলৈ গৈ সকলো সময়তে উপস্থিত থকাটো যথেষ্ট নহয়। কাৰণ তেনে অৱস্থাত কোনো ব্যক্তিয়ে নিজৰ মজুৰিও হেৰুওৱাৰ সম্ভাৱনা থাকে। বহলাই ক'বলৈ গ'লে ভাৰতত ৯০ শতাংশতকৈ অধিক কৰ্মবাহিনী অসংগঠিত খণ্ডত শ্ৰম কৰি পেটৰ ভাত মোকলায়। কায়িকভাৱে বেংকলৈ যোৱাৰ মানে হ'ল উপাৰ্জন কৰাৰ সুবিধা হেৰুওৱাৰ সম্ভাৱনা (দিন মজুৰিৰ ক্ষেত্ৰত) অধিক। কথাটো এনেকুৱা যে অধিক স্কুল নিৰ্মাণ কৰিলেই সাক্ষৰতাৰ হাৰ উন্নত নহয়, ঠিক তেনেদৰে বেংকত একাউণ্ট খুলিলেই ডিজিটেল বিত্তীয় লেনদেন কৰিবৰ বাবে নাগৰিকসকলক ক্ষমতা দান নকৰে। মূল চাহিদা আৰু যোগানৰ প্ৰভেদ থাকি যায়। ২৩ শতাংশ প্ৰধান মন্ত্ৰী জন ধন যোজনাৰ একাউণ্ট খালীকৈ পৰি আছে। এটা শেহতীয়া অনুসন্ধান মতে ছেপ্টেম্বৰৰপৰা ১০ নিযুত একাউণ্টত মাত্ৰ ১ টকাহে পোৱা যায় আৰু সেই কাৰণে শূন্য বেলেঞ্চ একাউণ্টৰ শাখাৰ অংশ হ্ৰাস কৰিবৰ বাবে বেংকৰ বিষয়াসকলে বিষয়টো নিজৰ হাতত লয়।

ভাৰতত অনানুষ্ঠানিক খণ্ড হ'ল বৃহত্তম খণ্ড— যি সৰ্বাধিক লোকক নিয়োগ প্ৰদান কৰে আৰু নগদ ধনৰ ওপৰতেই ইয়াৰ কাম-কাজ ঘাইকৈ পৰিচালিত হয়। সেয়ে নগদবিহীন লেনদেনক উৎসাহিত কৰিবৰ কাৰণে এটা ব্যৱস্থাৰ দিহা কৰিলে বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ দিশত ই স্বাভাৱিকতেই বৰঙণি যোগাব। চৰকাৰে কিছুমান উদগনিমূলক ব্যৱস্থাও ঘোষণা কৰিছে। তেনে ব্যৱস্থা হ'ল, যেনে— ডেবিট আৰু ক্ৰেডিট কাৰ্ড লেনদেনৰ ওপৰত সেৱা মাচুল আৰু অন্যান্য উপ-কৰ হ্ৰাস। বিগত বৰ্ষ বা তেনে সময়ছোৱাৰপৰা চৰকাৰে ই-পে'মেণ্ট, নগদবিহীন পে'মেণ্টক উৎসাহিত কৰিবলৈ প্ৰয়াস কৰিছে। ই বাস্তৱিকতেই ভাৰতীয় অৰ্থনীতিৰ কাৰণে এটা উজ্জ্বল ভৱিষ্যতৰ বতৰা বহন কৰিছে। পিছে প্ৰশ্নৰ বিষয় হ'ল ভাৰতে জানো নগদ ধনৰে পৰিচালিত অৰ্থনীতিক পৰিৱৰ্তন কৰিবলৈ লোৱা এনে ব্যৱস্থাৰ বাবে সাজু হৈছে— বিশেষকৈ গ্ৰামাঞ্চলসমূহত? ইয়াৰ উত্তৰ সময়ে ক'ব।

কিছুমান পৰিসংখ্যাৰপৰা বিত্ত অন্তৰ্ভুক্তিৰ বিষয়টো আশানুৰূপ অৱস্থাত উপনীত নোহোৱা কথাটোকে উদঙাই দেখুৱায়। ৰিজাৰ্ভ বেংকৰ ২০১৬ চনৰ জুলাইৰ পৰিসংখ্যা মতে বেংকসমূহে পূৰ্বৰ কাৰ্ডবোৰ অপসাৰণ কিম্বা নাকচ কৰি গ্ৰাহকক ৬৯৭.২ নিযুত ডেবিট কাৰ্ড আৰু ২৫.৯ নিযুত ক্ৰেডিট কাৰ্ড ইছ্যু কৰে। পিছে এইখিনিতে মন কৰিব লগা বিষয়টো হ'ল যিমান সংখ্যাৰ কাৰ্ড দিয়া হ'ল সেয়া কাৰ্ড গৰাকীৰ সংখ্যাৰ সৈতে এক সমান নহয়। তাৰ কাৰণ হ'ল সাধাৰণতে বাসিন্দাসকলৰ কেইবাখনো কাৰ্ড থাকে; আৰু এই গতিধাৰা এতিয়া গ্ৰামাঞ্চলবোৰতো দেখা যায়। তদুপৰি কাৰ্ডবোৰ ৩টা ঘাই উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰা হয়। সেয়া হ'ল— এ টি এমৰপৰা টকা উলিওৱা, অন্-লাইনত পে'মেণ্ট কৰা আৰু দোকান, ৰেস্তোৰাঁ, পেট্ৰ'ল পাম্প আদিত থকা 'পইণ্ট অৱ ছেইল্ টাৰ্মিনেলসমূহ'ত পে'মেণ্ট কৰা। ভাৰতৰ মাত্ৰ ২৬ শতাংশ লোকৰ ইণ্টাৰনেট সুচলতা আছে আৰু ডিজিটেল পে'মেণ্ট সেৱাৰ ব্যৱহাৰ কৰোঁতাৰ সংখ্যা হ'ল মাত্ৰ ২০০ নিযুত।

ভাৰতৰ আধুনিক বেংকিং পদ্ধতিয়ে সামাজিক সমতা অটুট ৰখাৰ ক্ষেত্ৰত এতিয়াও বহু কাম কৰিব লগা আছে। যিমানবোৰ এ টি এম আছে তাৰ ভিতৰত মাত্ৰ ১৮ শতাংশহে গ্ৰাম্য এলেকাত কামত লগোৱা হৈছে। ৰিজাৰ্ভ বেংকৰ নিজা অনুসন্ধান কাৰ্যত এইটো প্ৰকাশ পাইছে যে অধিকতৰ মহিলা জনসংখ্যা থকা ৰাজ্য আৰু অধিক গ্ৰাম্য জনসংখ্যা থকা ৰাজ্যবোৰত বিত্তীয় অন্তৰ্ভুক্তিৰ স্তৰ অৰ্থাৎ বিত্তীয় ব্যৱস্থাই জনগণক সামৰি ল'ব পৰা ব্যৱস্থাৰ স্তৰ নিম্ন।

গুগল ইণ্ডিয়া এণ্ড বষ্টন কনছাল্টিং গ্ৰুপৰ এটা প্ৰতিবেদনত এইটো পৰিলক্ষিত হয় যে যোৱা বছৰ ভাৰতত প্ৰায় ৭৫ শতাংশ লেনদেন নগদ ধন ভিত্তিক কৰা হৈছিল। আনপিনে আমেৰিকা, জাপান, ফ্ৰান্স, জাৰ্মানী আদিৰ দৰে উন্নত দেশবোৰত এনে লেনদেনৰ শতাংশ হাৰ আছিল ২০-২৫ শতাংশ। ম'বাইল অথবা ই-ৱালেট কোম্পানীবোৰৰ কাৰণে বি-মুদ্ৰাকৰণ হেতু কাৰবাৰ কিছু বৃদ্ধি পায়। বাকী নগদ লেনদেন সৰহভাগেই যথাযথভাৱে চলি থাকে। সৰু সৰু সা-সামগ্ৰীৰ বাবদ এনে বিনিময় সাধন কৰা হয়। কিন্তু নগদবিহীন লেনদেনৰ ক্ষেত্ৰত আশানুৰূপ অৱস্থাই গা কৰি উঠা নাই। 'পইণ্ট অৱ ছেইল' (চমুকৈ পি অ' এছ) টাৰ্মিনেলৰ সুবিধা নোহোৱাটোও তাৰ এটা কাৰণ। এতিয়াও লাখ লাখ লোকৰ বেংক একাউণ্ট নাই, পি অ' এছৰ বিক্ৰী স্থানৰ সুবিধাও নাই। ইণ্টাৰনেট অথবা অন্‌লাইন পে'মেণ্ট পদ্ধতি ব্যৱহাৰ কৰিবৰ বাবে তাক বুজি পোৱাৰ আন্তঃগাঁথনি নাই। সেয়ে ডিজিটেল সেৱা আৰু পি অ' এছ টাৰ্মিনেলৰ সুবিধা লাভ কৰিবলৈ আমাক ব্যাপক আকাৰত এনেবোৰ ব্যৱস্থাৰ প্ৰয়োজন— যাতে সৰু সৰু চহৰ তথা গ্ৰাম্য ভাৰতত ডিজিটেল লেনদেন কাৰ্য সমাপন কৰিব পাৰি। বিগত বৰ্ষৰ জুলাইত এ টি এম আৰু পি অ' এছ টাৰ্মিনেলবোৰত ডেবিট কাৰ্ড ব্যৱহাৰ কৰি ৮৮১ নিযুত লেনদেন কৰা হৈছিল। ইয়াৰ ভিতৰত এ টি এমবোৰৰপৰা ৯২ শতাংশ ধন উলিওৱাৰ কাৰ্য সাধন কৰা হৈছিল। ভাৰতৰ প্ৰতিষ্ঠিত ব্যৱস্থাৱলীত ইয়াৰ পৰা দেখা যায় যে কাৰ্ডৰদ্ধাৰা যি কাম সমাধান কৰা হয় তাৰ প্ৰধান উদ্দেশ্য হ'ল নগদ ধন উলিওৱাৰ এটা উপায়-বিশেষ।

দেশখনত ডিজিটেল ব্যৱস্থা গঢ়ি তুলিবৰ বাবে যিবোৰ কাৰ্য সাধন কৰিব লাগে তাক পূৰ্ণ কৰিব নোৱাৰাটো হ'ল এটা ডাঙৰ হেঙাৰ স্বৰূপ। ভিতৰুৱা অঞ্চলবোৰত ম'বাইল ইণ্টাৰনেটৰ ব্যৱস্থা কৰাটো গুৰুত্বপূৰ্ণ বিষয়, কিয়নো ম'বাইল ইণ্টাৰনেট সংযোগ সাধনেৰে 'পি অ' এছ' কামবোৰ কৰা সম্ভৱ হয়। পূৰ্বতে বেংকবোৰে কাৰ্ডভিত্তিক লেনদেনৰ ওপৰত মাচুল আদায় কৰিছিল, এতিয়া ইয়াক লক্ষ্য প্ৰাপ্তিৰ দিশত এটা বাধাৰূপে আঙুলিয়াই দিয়া হৈছে। তদুপৰি গ্ৰাম্য এলেকাবোৰত কম সাক্ষৰতা হাৰ আৰু তাৰ লগতে ইণ্টাৰনেটৰ সুচলতা কিম্বা তাৰ উপকাৰিতা সম্বন্ধে জ্ঞানৰ অভাৱৰ হেতু ডিজিটেল লেনদেন ব্যৱস্থাক গ্ৰহণ কৰিবলৈ লোকসকলৰ বাবে বৰ মস্কিল হয়।

**নগদবিহীন গ্ৰাম্য অৰ্থনীতিৰ ক্ষেত্ৰত প্ৰত্যাহ্বান**

★ **ন'টৰ প্ৰাধান্য অৰ্থনীতি ঃ** ভাৰতত উচ্চ স্তৰৰ নগদ ধনৰ চলন্তি। চলন্তি নগদ ধনৰ পৰিমাণ ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ প্ৰায় ১৩ শতাংশ।

★ **লেনদেনসমূহ ঘাইকৈ নগদ ধনৰে ঃ** প্ৰায় ৯৫ শতাংশ লেনদেন নগদ ধনৰে কৰা হয়। বৃহৎ আকাৰৰ অনানুষ্ঠানিক আৰু অসংগঠিত খণ্ডৰ প্ৰতিষ্ঠানসমূহ আৰু কৰ্মীসকলে নগদ ধন ভিত্তিক লেনদেন পছন্দ কৰে। আৱশ্যকীয় ডিজিটেল সাক্ষৰতা তেওঁলোকৰ নাই।

★ **নগদ ধন উলিয়াবৰ কাৰণে ঘাইকৈ এ টি এম ব্যৱহাৰ কৰা হয় আৰু অন্‌লাইন লেনদেনৰ কাম-কাজ সমাধানৰ বাবে কৰা নহয় ঃ** প্ৰায় ২১ কোটি 'ৰূপয়া কাৰ্ড'কৈ ধৰি বৃহৎ সংখ্যক এ টি এম কাৰ্ড আছে। কিন্তু প্ৰায় ৯২ শতাংশ এ টি এম কাৰ্ড নগদ ধন উলিয়াবৰ কাৰণে ব্যৱহাৰ কৰা হয়। চহৰ আৰু অৰ্দ্ধ-চহৰীয়া এলেকাবোৰত বহু সংখ্যক কাৰ্ডৰ গৰাকীলৈ চাই গাঁওবোৰত ইয়াৰ প্ৰৱেশ কম হোৱাটোকে সূচায়।

★ **পইণ্ট অৱ ছেইল টাৰ্মিনেলছৰ প্ৰাপ্তি সীমাবদ্ধ ঃ** ৰিজাৰ্ভ বেংকৰ তথ্য অনুযায়ী ২০১৬ চনৰ জুলাইৰ অন্তত বিভিন্ন বেংকে ভিন ভিন ঠাইত স্থাপন কৰা পি অ' এছ টাৰ্মিনেলৰ সংখ্যা হ'ল ১.৪৪ নিযুত। কিন্তু ইয়াৰ সৰহভাগেই চহৰ আৰু অৰ্দ্ধ-চহৰীয় এলেকা-সমূহত অৱস্থিত।

★ **গ্ৰাম্য ভাৰতত ম'বাইল ইণ্টাৰনেটৰ প্ৰৱেশ কম ঃ** ডিজিটেল পদ্ধতিৰে লেনদেনৰ কাম-কাজবোৰ সমাধান কৰিবৰ অৰ্থে ইণ্টাৰনেটৰ সংযোগ থকা আৱশ্যক। কিন্তু ভাৰতৰ গ্ৰাম্য এলেকাবোৰত ইয়াৰ সংযোগ তেনেই কম। তদুপৰি দুখীয়া আৰু

গ্ৰামাঞ্চলৰ লোকসকলৰ মাজত সাক্ষৰতাৰ হাৰ কম হোৱা হেতুকে ডিজিটেল লেনদেনৰ ব্যৱহাৰ ব্যাপক আকাৰত প্ৰসাৰ কৰাৰ ক্ষেত্ৰত এটা সমস্যা হৈ পৰিছে।

বেচৰকাৰী খণ্ডৰ বেংকসমূহে স্থিৰভাৱে গ্ৰাম্য অঞ্চলবোৰত নিজৰ উপস্থিতি বৃদ্ধি কৰিছে। এই কথা উক্ত খণ্ডৰ এটা বিশ্লেষণত ২০১৪ চনৰ বিত্তীয় বৰ্ষৰ বছৰেকীয়া প্ৰতিবেদনত প্ৰকাশ পায়। গড় হিচাপে গ্ৰাম্য অঞ্চলসমূহত সেই বেংকবোৰৰ নতুন শাখা-প্ৰশাখাৰ সংখ্যা হ'ল প্ৰায় ৫০-৬০ শাখাসমূহৰ কমেও ২৫ শতংশ আবণ্টন কৰিবলৈ ৰিজাৰ্ভ বেংকে পৰামৰ্শ আগবঢ়ায়। ছেণ্ট্ৰেল বেংকে এটা বছৰৰ বাবে ২৫ শতাংশতকৈও অধিক শাখা খোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব আৰু ইয়াক পৰৱৰ্তী বছৰত একেই লক্ষ্য পাবৰ কাৰণে তেনে কামক আগুৱাই নিব।

অৰ্দ্ধ-চহৰীয় আৰু গ্ৰাম্য বজাৰবোৰ সম্প্ৰতি ডাঙৰ ডাঙৰ কেন্দ্ৰবোৰতকৈ অধিক গতিৰে বিকাশ হৈছে আৰু তাৰ ফলস্বৰূপে শেহতীয়াকৈ প্ৰসাৰিত হোৱা যথেষ্ট সংখ্যক শাখা বেংক এইবোৰ বেংকৰ সেৱা আগবঢ়োৱা। পিছে এটা গ্ৰাম্য বেংকৰ শাখাই সন্মুখীন হোৱা ডাঙৰ সমস্যা হ'ল সেৱা আগবঢ়োৱাৰ বাবে আশান্বিত অঞ্চলবিশেষৰ সঁহাৰি নোপোৱাটো। তেনে সঁহাৰিৰ বাবে চিৰাচৰিত অঞ্চলবিশেষৰ অভ্যাসক ভঙ্গ কৰিবলৈ সময় লাগে। আন এক মন কৰিবলগা বিষয় হ'ল এটা গ্ৰাম্য বেংক চলাবলৈ এমাহত প্ৰায় ৪ লাখ টকাৰ প্ৰয়োজন হয়। ইয়াৰ বিপৰীতে এখন চহৰত (বেংকৰ ভাষাত ১-তৰপীয়া শ্ৰেণীৰ চহৰ) বেংক চলাবলৈ ৯ লাখ টকাৰ আৱশ্যক হয়। ইতিমধ্যে ৰাজহুৱা

**বিস্তাৰিত শাখা**

| | আই চি আই চি আই বেংক | এইচ ডি এফ চি বেংক | এক্সিছ বেংক |
|---|---|---|---|
| মুখ্য শাখা | ৩.৭৫৩ | ৩,০৬২ | ২,৪০২ |
| বেংক নথকা অঞ্চলত | ৪৪৮ | ৩১৮ | ৪৩৮ |
| শতাংশ হিচাপত শাখাসমূহ | ১১.৯ | ১০.৪ | ১৮.২ |
| ১৪ বিত্তীয় বৰ্ষত সৰ্বমুঠ শাখা | ৬৫৩ | ৩৪১ | ৪৫৫ |
| ১৪ বিত্তীয় বৰ্ষত বেংক নথকা অঞ্চলত খোলা | ৩১৭ | ২৩০ | ২৯৮ |
| শতাংশ হিচাপত মুঠ শাখা | ৪৮.৫ | ৬৭.৪ | ৬৫.৫ |
| গ্ৰাম্য শাখা সংখ্যা | ৮৪১ | ৬৭৪ | ৫৭৬ |
| শতাংশ হিচাপত বেংক নথকা অঞ্চলসমূহত | ৫৩.৩ | ৪৭.২ | ৭৬ |

**উৎস ঃ** এডেলৱেলছ ৰিছাৰ্চ

শতাংশ। যোৱা পাঁচ বছৰ কালত শীৰ্ষ স্থানীয় বেংক, যেনে— আই চি আই চি আই বেংক, এক্সিছ বেংক, এইছ ডি এফ চি বেংক আৰু ইয়েছ বেংকে বেংক নথকা তথা কম বেংক থকা অঞ্চলবোৰত নিজৰ উপস্থিতি প্ৰসাৰিত কৰে। ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াই বেংক নথকা গ্ৰাম্য কেন্দ্ৰবোৰত ২০১৩-১৬ বৰ্ষৰ তিনি-বছৰীয়া চক্ৰত শাখা বেংক খোলাত গুৰুত্ব দিবলৈ বেংকসমূহক কয়। এই অঞ্চলবোৰত মুঠ নতুন ঠাইত বিৰাজ কৰিছে। এই ক্ষেত্ৰত বেংকৰ আলোকপাতৰ বিষয় হ'ল শাখা বেংকবোৰক সকলো ধৰণৰ সেৱাৰ বাবে একক বিন্দুৰ স্থল কৰি গঢ়ি তোলা। বিত্তীয় ব্যৱস্থাৰ অন্তৰ্ভুক্তিৰ কাৰণে প্ৰযুক্তি হ'ল এটা ডাঙৰ সহায়-সমৰ্থন আগবঢ়োৱা বাহকস্বৰূপ আৰু এই বাহকৰ ভিতৰত আছে চাৰিচকীয়া বাহনৰ ওপৰত বেংকৰ শাখা, ভ্ৰাম্যমাণ বেংকভিত্তিক শাখা— যাৰ লক্ষ্য হ'ল দূৰ-দূৰণিৰ বেংক নথকা গাঁওবোৰত খণ্ডৰ বেংকবোৰো পাছ পৰি থকা নাই যিমানদূৰ গ্ৰামাঞ্চলত বিস্তাৰিতকৰণৰ বিষয়টো জড়িত আছে। ২০১৪ চনৰ বিত্তীয় বৰ্ষত ষ্টেট বেংকে ১,০৫৩টা শাখা বেংক খুলিছিল। ইয়াৰ ভিতৰত ৫৭ শতাংশ শাখা গ্ৰাম্য আৰু অৰ্দ্ধ-চহৰীয় অঞ্চলত অৱস্থিত আৰু গ্ৰাম্য শাখা বেংকসমূহে সস্তীয়া ঘৰ ভাৰাৰপৰা লাভান্বিত হ'লেও আনপিনে বেংক সেৱাৰ কাম-কাজ তথা কৰ্মচাৰীৰ বাবদ হোৱা খৰচ আদি সেই লভ্যাংশৰ

পৰিমাণকো চেৰাই যায়। অৱশ্যে ৰিজাৰ্ভ বেংকে গ্ৰামাঞ্চলত ২৫ শতাংশ নতুন শাখা খুলিবৰ কাৰণে নিৰ্দেশ দিয়াৰ পিছত বেংকসমূহে গ্ৰাম্য অঞ্চলত নিজকে স্থিত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে।

**আশা আৰু সন্মুখৰ পথ**

১.৩ বিলিয়ন লোকৰ বসতিপূৰ্ণ এখন দেশত যেতিয়া ৮৬ শতাংশ চলিত ন'ট মাত্ৰ কেইঘণ্টামানৰ ভিতৰতে অচল কৰি তোলা হয়, তেনেস্থলত জনগণৰ দৈনন্দিন জীৱনত এটা হ্ৰস্বকালীন খেলি-মেলি অৱস্থাৰ সৃষ্টি হ'বলৈ বাধ্য। বিশেষকৈ ভাৰতৰ বহুখিনি অৰ্থনৈতিক কাম-কাজ অনানুষ্ঠানিক খণ্ডতেই এতিয়াও সাধিত হয়, তেনে অৱস্থাত অস্থিৰতাই দেখা দিয়া স্বাভাৱিক। সেই খণ্ডত চেকৰদ্বাৰা কৰ্মচাৰী আৰু শ্ৰমিক আদিক পে'মেণ্ট কৰা নহয়। তাৰ ফলত বিস্তৃত ধৰণে প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ ফাকি দিয়াই নহয়, তদুপৰি অৰ্থনীতিৰ প্ৰকৃত স্থিতি সম্পৰ্ক নিৰ্ণয় কৰাৰ অসমতায়ো দেখা দিয়ে। উদাহৰণ স্বৰূপে যি ক্ষেত্ৰত কৃষকৰ উপাৰ্জনত কৰ আৰোপ কৰা নহয়, এতিয়া তেওঁলোকৰ সৰহভাগৰেই কিষাণ ক্ৰেডিট কাৰ্ড আছে। ইয়াক প্ৰথমে প্ৰচলন কৰা হৈছিল ১৯৯৮ চনত। তাৰ কোনো বেংক একাউণ্টৰ ব্যৱস্থা নাই। বৰ্তমানৰ চৰকাৰে এই বিষয়টোৰ প্ৰতি দৃষ্টি দিয়ে। সি যি কি নহওক, কৃষি অৰ্থনীতি এতিয়াও মধ্যভোগী আৰু বণিকৰদ্বাৰা নিয়ন্ত্ৰিত হৈ আছে আৰু সেই মধ্যভোগী আৰু বণিকে কৃষকক মাত্ৰ নগদ ধনৰেহে পে'মেণ্ট কৰে, কিন্তু ইপিনে উপজ সামগ্ৰীৰ মূল্যৰ ক্ষেত্ৰত প্ৰভেদ ৰাখি মুনাফা আদায় কৰে।

'জন ধন আধাৰ ম'বাইল'-এ (জে এ এম) ডিজিটেল লেনদেন ভাবধাৰাক উৎসাহিত কৰিব পাৰে। ই দেশৰ দূৰণিবটীয়া অঞ্চলৰ প্ৰতিটো চুক-কোণলৈ বিস্তৃত হৈছে। আধাৰ ব্যৱস্থা ২০০9 চনত প্ৰচলন কৰা হৈছিল, কিন্তু এই সাত বছৰৰ ভিতৰতে এই প্ৰকল্পই ১.০৭ বিলিয়ন জনতাক অন্তৰ্ভুক্ত কৰে। শতাংশ হিচাপত ক'বলৈ গ'লে দেশখনৰ জনসংখ্যাৰ এয়া প্ৰায় ৮৩ শতাংশ। এটা বৃহৎ সংখ্যক চৰকাৰী হস্তান্তৰকৰণ (ডি বি টি) জে এ এমৰ জৰিয়তে কৰা হয়। ই লোকসকলক ডিজিটেল লেনদেনৰ প্ৰতি সজাগ কৰাত সহায় কৰিব।

**নগদবিহীন অৰ্থনীতিলৈ চৰকাৰৰ প্ৰত্যক্ষ বৰঙণি**

এজন নাগৰিক আৰু চৰকাৰৰ মাজত মত বিনিময় কৰাৰ বহু গুৰুত্বপূৰ্ণ বিষয় আছে। এইবোৰ ক্ষেত্ৰত চৰকাৰৰ ভূমিকা হ'ব কিছুমান পে'মেণ্টৰ সন্দৰ্ভত নগদবিহীন লেনদেন বাধ্যতামূলক কৰাটো আৰু ইতিমধ্যে আৰম্ভ কৰা কিছুমান সেৱাৰ কাৰণেও যিবোৰ কিছু পৰিমাণৰ ধনৰ সীমা অতিক্ৰম কৰে তাকো বাধ্যতামূলক কৰা হয়। উদাহৰণ স্বৰূপে পাৰপত্ৰৰ কাৰণে পে'মেণ্ট নগদবিহীন-ভাৱে (অন্‌লাইন পে'মেণ্ট অথবা বেংক ড্ৰাফট) বাধ্যতামূলক কৰিব পাৰে। অন্য কিছুমান কৰৰ ক্ষেত্ৰতো (আয়কৰ, বিক্ৰী কৰ কিম্বা আৱকাৰী শুল্ক) পে'মেণ্ট নগদবিহীন ব্যৱস্থাৰ জৰিয়তে বাধ্যতামূলক কৰিব পাৰে। তদুপৰি অসংগঠিত খণ্ডৰ কৰ্মচাৰী (ঘৰুৱা বন কৰা মানুহ, ছাফাই কৰ্মী আদি) ঘৰ এখনৰ মুৰব্বীয়ে দৰমহাৰূপে পে'মেণ্ট কৰা ধনৰাশিৰ ওপৰত কৰ ৰেহাই (ধৰক ১%ৰ পৰা ২%লৈকে) প্ৰদান কৰিলে নগদবিহীন পে'মেণ্টক উৎসাহিত কৰিব পাৰে। এনে ব্যৱস্থাই দুটা কাম কৰিব। এক হ'ল গৃহস্থীজনে নগদবিহীন ব্যৱস্থা গ্ৰহণ কৰিবলৈ উৎসাহ পাব আৰু দ্বিতীয়টো হ'ল অসংগঠিত খণ্ডৰ বৃহৎ অংশ বিত্তীয়ভাৱে অন্তৰ্ভুক্ত কৰা হ'ব। ওপৰত উল্লেখ কৰা উৎসাহ আৰু বাধ্যতামূলক ব্যৱস্থাৰ বাহিৰেও চৰকাৰৰ কিছুমান পোনপটীয়া কাৰ্যসূচী আৰু প্ৰচেষ্টামূলক বিষয় আছে— যিবোৰত ই নগদবিহীন লেনদেনৰ বাবে এখন বৃহৎ মঞ্চ গঢ়ি তুলিব পাৰে। নগদবিহীন লেনদেনক উৎসাহিত কৰাৰ দিশত চৰকাৰৰ ভূমিকাত তলত উল্লেখ কৰা বিষয়বোৰ অন্তৰ্ভুক্ত কৰিব পাৰে—

নীতি তৈয়াৰ ক্ষেত্ৰত যিবোৰ কাৰণ বাধাস্বৰূপ হয়, সেইবোৰ সমাধান কৰিবৰ বাবে যিমান সামৰ্থ্যৰ প্ৰয়োজন হয়, তাৰ অভাৱ দেখা যায়। আৰু আনটো হ'ল অধিক লেনদেনৰ খৰচ। সি যি কি নহওক, এইটো মনত ৰখা ভাল যে যদিও এই দুটা বাধাক আঁতৰাব লগা হয়, তথাপি নগদবিহীন লেনদেন স্বয়ংক্ৰিয় হৈ নুঠিব। অনুমোদনৰ বাবে তৈয়াৰ কৰিব লগা পৰিকাঠামোত পাঁচটা বিষয় থাকিব লাগিব আৰু সেইকেইটাক নিশ্চয়কৈ সমাধান কৰিব লাগিব। নগদবিহীন পে'মেণ্ট ব্যৱস্থাৱলীৰ জৰিয়তে বিত্তীয় অন্তৰ্ভুক্তিকৰণ কাৰ্যক উৎসাহ-উদগনি জনাব লাগিব। সেই পাঁচটা বিষয় হ'ল— প্ৰাপ্তি, সুচলতা, গ্ৰহণযোগ্যতা, বহনক্ষমতা আৰু সজাগতা।

চৰকাৰে গ্ৰামাঞ্চলৰ মূল আৱশ্যকতাবোৰ নিশ্চিত কৰা উচিত আৰু বিকাশৰ আন্তঃগাঁথনিৰ ওপৰত আলোকপাত কৰাটোও কৰ্তব্য। স্কুল, কলেজ, পঞ্চায়ত আদিৰ জৰিয়তে বিশেষ অভিযান কাৰ্য হাতত ল'লে

**(৪৮ পৃষ্ঠাত চাওক)**

# ডিজিটেল অৰ্থনীতিৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতিৰ উন্নয়ন সাধন

**সন্দীপ দাস***

বিগত বৰ্ষৰ নৱেম্বৰ মাহত পাঁচশ আৰু এহেজাৰ টকাৰ নোট নিষিদ্ধ ঘোষণা কৰাৰ পিছত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই বুলি মত প্ৰকাশ কৰিছিল যে নোট নিষিদ্ধকৰণৰ এই ঘোষণাৰ উদ্দেশ্য 'কেৱল অৰ্থনীতিক নগদ ধনবিহীন অৰ্থনৈতিক লেনদেনৰ দিশে অগ্ৰসৰ কৰোৱাই নহয়, বৰঞ্চ এই দিশত ইয়াক এটা উল্লেখনীয় গতিবেগো প্ৰদান কৰা।' বি-মুদ্ৰাকৰণৰ ব্যৱস্থাই দুটা মাহতকৈও অধিক সময় অতিক্ৰম কৰাৰ পিছত দেশৰ গ্ৰাম্য অঞ্চলসমূহত নগদ ধন বহিৰ্ভূত বিত্তীয় লেন দেনৰ ভিন ভিন পদ্ধতি ব্যৱহাৰৰ জৰিয়তে মন কৰিবলগীয়া ধৰণৰ সংস্কাৰ সাধন পৰিলক্ষিত হৈছে। সততে দেখিবলৈ পোৱা এনে কেতবোৰ বিকল্প লেন-দেনৰ ব্যৱস্থা হৈছে 'আধাৰ'ৰ সহায়েৰে সম্পন্ন কৰা ধন আদায়ৰ প্ৰক্ৰিয়া আৰু ৰাষ্ট্ৰীয়ভাৱে একীভূত ইউ এছ এছ ডি মঞ্চৰ লেখিয়া ধন আদায় পন্থা অথবা গ্ৰাম্যমান বেংকিং সেৱা, ডেবিট আৰু ক্ৰেডিট কাৰ্ডৰ সৈতে সংযুক্ত পইণ্ট অব ছেইল্ (পি অ' এছ) যন্ত্ৰৰ ব্যৱহাৰ, ই-ৱালেটৰ দৰে ম'বাইল এপৰ ওপৰত নিৰ্ভৰশীল লেন-দেনৰ প্ৰক্ৰিয়া ইত্যাদি। চৰকাৰে সামগ্ৰিকভাৱে দৃষ্টি নিক্ষেপ কৰা বিষয়টো হ'ল গাঁৱত বাস কৰা লোকসকলৰ একোটা বুজন অংশ নগদ ধন বিহীন লেন দেনৰ প্ৰক্ৰিয়াৰ সৈতে অভ্যস্ত হোৱাটো নিশ্চিত কৰা। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আইন (এম জি এনৰেগা) ৰ অধীনত লাভ কৰিবলগীয়া মজুৰি হিতাধিকাৰীৰ বেংক একাউণ্টৰ জৰিয়তে জমা হোৱাৰ পৰা আৰম্ভ কৰি সমবায় সমিতি অথবা ব্যক্তিগত খণ্ডক গাখীৰ বিক্ৰী কৰা গো পালকসকলৰ বেংক একাউণ্টলৈ প্ৰত্যক্ষ পুঁজি হস্তান্তৰ অথবা প্ৰধান মন্ত্ৰী জন ধন যোজনাৰ অধীনত বেংকৰ দ্বাৰা যোগান ধৰা ৰূপে' কাৰ্ড ব্যৱহাৰ কৰি বজাৰ সমাৰ কৰা আদিৰ দৰে ব্যৱস্থাবোৰ হ'ল এই প্ৰক্ৰিয়াৰ একোটা অংশ। জন ধন যোজনাৰ অধীনত বৰ্তমানলৈ ২৬.৫ কোটিতকৈও অধিকসংখ্যক বেংক একাউণ্ট মুকলি কৰা হৈছে। এই আঁচনিৰ অধীনত মুকলি কৰা প্ৰত্যেকটো জন ধন একাউণ্টৰ গৰাকীলৈ ৰূপে' ডেবিট কাৰ্ড যোগান ধৰাৰ প্ৰতিশ্ৰুতি দিয়া হৈছে আৰু এই পৰ্যন্ত এনে ১৯.৫ কোটি কাৰ্ড উপভোক্তাসকলক যোগান ধৰা হৈছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ৰ বিষয়াসকলে জানিবলৈ দিয়া মতে চৰকাৰে জন ধন বেংক একাউণ্টৰ গৰাকীসকলক গ্ৰাম্য অঞ্চলৰ অৰ্থনীতিক ডিজিটেল ৰূপ প্ৰদান কৰাৰ বিষয়ত পথ প্ৰদৰ্শকৰ ভূমিকাত অৱতীৰ্ণ কৰোৱাৰ লক্ষ্য গ্ৰহণ কৰিছে।

**নগদ ধনবিহীন লেন দেনত আগভাগ লৈছে দুগ্ধ উৎপাদন খণ্ডই**

চৰকাৰে বিমুদ্ৰাকৰণৰ সিদ্ধান্ত ঘোষণা কৰাৰ পৰৱৰ্তী পৰ্যায়ত দেশৰ ব্যৱসায় বাণিজ্যৰ ক্ষেত্ৰত ভিন ভিন খণ্ডত ডিজিটেল লেন দেন প্ৰক্ৰিয়া অধিক সক্ৰিয় হৈ উঠা পৰিলক্ষিত হৈছে। এনে পৰিস্থিতিৰ মাজতে দেশৰ সংগঠিত দুগ্ধ উৎপাদনৰ খণ্ডটোও কিন্তু পিচ পৰি ৰোৱা নাই। চৰকাৰৰদ্বাৰা পৰিচালিত সমবায় সমিতিসমূহৰ লগতে ব্যক্তিগত মালিকানাধীন দুগ্ধ উৎপাদন প্ৰতিষ্ঠানসমূহৰ সৈতে জড়িত গো পালক আৰু দুগ্ধ উৎপাদনকাৰীসকলে মিলি যোৱা ১০ নৱেম্বৰৰ পৰা দহ লাখতকৈও অধিকসংখ্যক নতুন বেংক একাউণ্ট মুকলি কৰিছে আৰু তেনে একাউণ্টৰ জৰিয়তেই তেওঁলোকৰ প্ৰাপ্য ধন আদায় লৈছে। তাৎপৰ্যপূৰ্ণ-ভাৱে যোৱা বছৰটোৰ মাজভাগৰ পৰা গো পালক তথা দুগ্ধ উৎপাদনকাৰী-সকলৰ নামত খোলা বেংক একাউণ্টৰ সংখ্যা ৩০ লাখৰো অধিকলৈ বৃদ্ধি পাইছে।

কেন্দ্ৰীয় চৰকাৰৰ কৃষি মন্ত্ৰালয়ৰ অন্তৰ্গত পশু পালন বিভাগে শেহতীয়াকৈ জাৰি কৰা এটা নিৰ্দেশনাত ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদ (এন ডি ডি বি), দিল্লী দুগ্ধ আঁচনি আৰু ৰাজ্যিক পৰ্যায়ৰ প্ৰতিটো দুগ্ধ উৎপাদনকাৰী সংস্থাক গাইগুটীয়া কৃষক উৎপাদন-কাৰীসকলৰ প্ৰাপ্য ধন পোনপটীয়াভাৱে তেওঁলোকৰ বেংক একাউণ্টত জমা দিয়াৰ প্ৰক্ৰিয়া পৰৱৰ্তী দুমাহমানৰ ভিতৰত সম্পন্ন কৰাৰ বাবে নিৰ্দেশ দিছে। চৰকাৰে 'আমূল' নামেৰে

*সন্দীপ দাস দিল্লীস্থিত এগৰাকী সাংবাদিক

সকলোৰে মাজত জনাজাত দেশৰ সৰ্ববৃহৎ দুগ্ধ উৎপাদনকাৰী সংস্থা ‘গুজৰাট কো অপাৰেটিভ মিল্ক মাৰ্কেটিং ফেডাৰেচন’ (জি চি এম এম এফ)-কো তেওঁলোকৰ সৈতে সংযুক্ত ২৯ লাখ উৎপাদনকাৰীক তেওঁলোকৰ পৰা ক্ৰয় কৰা গাখীৰৰ মূল্য আদায় দিব পৰাকৈ উক্ত দুগ্ধ উৎপাদনকাৰীসকলৰ নামত একাউণ্ট মুকলি কৰাটো নিশ্চিত কৰিবলৈ আহ্বান জনাইছে। জি চি এম এম এফ-ৰ পৰিচালন সঞ্চালক আৰ এছ ছোধীয়ে এই সন্দৰ্ভত কয়, ‘চৰকাৰে বিমুদ্ৰাকৰণৰ সিদ্ধান্ত ঘোষণা কৰাৰ পিচৰে পৰা আমি গো পালকসকলৰ নামত নতুনকৈ ৮ লাখ বেংক একাউণ্ট মুকলি কৰিছো। সম্প্ৰতি ১৯ লাখতকৈও অধিক সংখ্যক গো পালক তথা দুগ্ধ উৎপাদনকাৰীক তেওঁলোকে সমবায়ৰ ওচৰত বিক্ৰী কৰা গাখীৰৰ বাবে একাউণ্টৰ জৰিয়তে মূল্য আদায় দি থকা হৈছে।’ ছোধীয়ে অৱশ্যে লগতে ইয়াকো কয় যে বাকী থকা গো পালকসকলকো বেংক একাউণ্টৰ জৰিয়তে ধন আদায় দিয়াটো সম্ভৱপৰ কৰি তুলিব পৰাকৈ তেওঁলোকৰ ফেডাৰেচনে ভিন ভিন বেংকক গুজৰাটৰ জনজাতীয় এলেকাসমূহত তেওঁলোকৰ শাখা মুকলি কৰিবলৈ অনুৰোধ জনাইছে। উল্লেখযোগ্য যে আমূলে ক্ৰয় কৰা গাখীৰৰ বিনিময়ত গো পালকসকলক প্ৰতি সপ্তাহত প্ৰায় ৪৫০ কোটি টকাকৈ আদায় দি আহিছে। সম্প্ৰতি ইয়াৰে প্ৰায় ৩১০ কোটি টকা সমবায় প্ৰতিষ্ঠানটোৱে গো পালকসকলৰ বেংক একাউণ্টলৈ প্ৰতি সপ্তাহত স্থানান্তৰ কৰি এই মূল্য আদায়ৰ কাম সম্পন্ন কৰিছে— যিটো পৰিমাণ বিমুদ্ৰাকৰণৰ পূৰ্বৰ পৰিমাণতকৈ বৰ্তমান প্ৰায় দুগুণলৈ বৃদ্ধি পাইছে। আনহাতে আমূলৰ বাহিৰেও ‘হাটছুন এগ্ৰ’ প্ৰডাক্টছ’ নামেৰে ব্যক্তিগত খণ্ডৰ চেন্নাই ভিত্তিক দুগ্ধ উৎপাদনকাৰী বৃহৎ প্ৰতিষ্ঠানটোৱেও ইয়াৰ প্ৰায় তিনি লাখ গো পালকক বেংকৰ একাউণ্টলৈ ধন স্থানান্তৰ প্ৰক্ৰিয়াৰ জৰিয়তে সম্প্ৰতি প্ৰতি ১০ দিনত ৭৫ কোটি টকাকৈ আদায় দি আহিছে। এই কথাই ইয়াকে প্ৰতিপন্ন কৰে যে ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ মাজতো ই-লেন দেন প্ৰক্ৰিয়াই লাহে লাহে গা কৰি উঠিছে।

বিভাগীয় চৰকাৰী বিষয়াসকলে জানিবলৈ দিয়া মতে বিভিন্ন সমবায় সমিতিৰ সৈতে জড়িত গো পালক তথা দুগ্ধ উৎপাদনকাৰীসকলক সাপ্তাহিক অথবা দহ দিনীয়া ব্যৱস্থাৰ মাজেৰে দৈনিক প্ৰায় ১২০ কোটি টকাকৈ আদায় দিয়া হয়, যি প্ৰক্ৰিয়াই প্ৰকৃততেই এটা বৃহৎ পৰিমাণৰ ধনৰ লেন দেনক সূচায়। আনহাতে সম্প্ৰতি সমগ্ৰ দেশজুৰি সক্ৰিয় হৈ থকা ২২ খনমান দুগ্ধ উৎপাদনকাৰী সমবায় সমিতিৰ সৈতে জড়িত প্ৰায় এক কোটি গো পালকৰ ৬০ ৰ পৰা ৭০ শতাংশ গো পালকৰেই একোটা নিজস্ব বেংক একাউণ্ট আছে। এগৰাকী চৰকাৰী বিষয়াই এই প্ৰসংগত কয়, ‘বিগত কেইটামান মাহৰ পৰা চৰকাৰী সংস্থাসমূহক আমি নগদ ধনবিহীন লেন দেনৰ ব্যৱস্থাৰ প্ৰতি উৎসাহিত কৰিবলৈ চেষ্টা কৰি আহিছো আৰু চৰকাৰে গ্ৰহণ কৰা বিমুদ্ৰাকৰণৰ ব্যৱস্থাই আমাৰ এই প্ৰয়াসক বহু পৰিমাণে গতিশীলতা প্ৰদান কৰিলে।’ সমবায় সমিতিসমূহৰ সৰ্বোচ্চ সংস্থা এন ডি ডি বি-য়ে জি চি এম এম এফ, কৰ্ণাটক কো অপাৰেটিভ মিল্ক প্ৰডিউছাৰ্ছ ফেডাৰেচন আৰু ৰাজস্থান কো অপাৰেটিভ ডেইৰি ফেডাৰেচনৰ দৰে চৰকাৰী সংস্থাসমূহক বৰ্তমানেও নগদ ধনেৰে মূল্য আদায় দি থকা তেওঁলোকৰ গো পালকসকলৰ নামত শীঘ্ৰে বেংক একাউণ্ট মুকলি কৰি দিবলৈ আহ্বান জনাইছে।

**ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনৰ বিতৰণ কেন্দ্ৰসমূহত নগদ ধনবিহীন লেন দেন সম্পন্ন কৰিব পৰাকৈ ডিজিটেল পদ্ধতি অৱলম্বনৰ হকে কেন্দ্ৰীয় খাদ্য মন্ত্ৰালয়ৰ প্ৰয়াস**

পূৰ্বে উল্লেখ কৰা ব্যৱস্থাসমূহৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ খাদ্য মন্ত্ৰালয়েও সমগ্ৰ দেশত থকা প্ৰায় পাঁচ লাখ সুলভ মূল্যৰ দোকানৰ প্ৰতিখনতে নগদ ধনবিহীন লেন দেন নিশ্চিত কৰাৰ হকে ব্যৱস্থা গ্ৰহণ কৰিছে। এই ব্যৱস্থাৰ জৰিয়তে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনে (এন এফ এছ এ) সামৰি লোৱা উপভোক্তাসকলৰ বাবে যোগান ধৰা উচ্চ পৰিমাণৰ ৰাজসাহায্য যুক্ত খাদ্য শস্য ক্ৰয়ৰ বাবে তেওঁলোকলৈ আধাৰৰ সৈতে জড়িত বেংক একাউণ্ট অথবা বেংকৰ দ্বাৰা যোগান ধৰা ৰূপে’ কাৰ্ড ব্যৱহাৰ কৰি ধন আদায় দিয়াৰ সুবিধা আগবঢ়াবলৈ বিচৰা হৈছে। খাদ্য মন্ত্ৰালয়ৰ এগৰাকী বিষয়াই এই সন্দৰ্ভত কয়, ‘খাদ্য সুৰক্ষা আইনৰ অধীনত উচ্চ পৰিমাণৰ ৰাজ সাহায্য আগবঢ়োৱা খাদ্য শস্যৰ বিনিময়ত একোগৰাকী উপভোক্তাই যদিও মাহটোত মাত্ৰ ৭৫ টকাৰ পৰা ৯০ টকা মানকৈহে আদায় দিবলগীয়া হয়, তথাপিতো এই কম পৰিমাণৰ ধনৰ লেন দেনো নগদ ধনৰ ৰূপত সম্পন্ন নোহোৱাটো আমি নিশ্চিত কৰিবলৈ বিচাৰিছো।’

উল্লেখযোগ্য যে এন এফ এছ এৰ অধীনত প্ৰতিগৰাকী উপভোক্তাই মাহটোত ৫ কিলোগ্ৰামকৈ চাউল অথবা ঘেঁহু প্ৰতি কিলোগ্ৰামত ক্ৰমে ৩ টকা আৰু ২ টকা দৰত লাভ কৰে। আনহাতে ওড়িশা, ছত্তিশগড় আৰু তামিল নাডুকে ধৰি দেশৰ কেইবাখনো ৰাজ্যই এই

মূল্যৰ ওপৰত আকৌ সুকীয়াকৈ অতিৰিক্ত ৰাজ সাহায্যও আগবঢ়ায়।

অন্ধ্ৰ প্ৰদেশে ইতিমধ্যে ইয়াৰ ২৯,০৮২ খন সুলভ মূল্যৰ দোকানৰ প্ৰতিখনতে আধাৰৰ সৈতে যুক্ত পি অ' এছ যন্ত্ৰ ব্যৱহাৰ কৰাৰ ব্যৱস্থাও কাৰ্যকৰী কৰিছে আৰু এই সঁজুলিবিধৰ সৈতে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ হিতাধিকাৰী-সকলৰ বেংক একাউণ্টবোৰ সংযুক্ত কৰা হৈছে। বিষয়াগৰাকীয়ে কয়, 'পি অ' এছ যন্ত্ৰটোত নিজৰ কাৰ্ডখন ব্যৱহাৰ কৰি একোগৰাকী উপভোক্তাই এন এফ এছ এ-ৰ অধীনত ক্ৰয় কৰা খাদ্য শস্যৰ মূল্য নগদ ধন অবিহনেই আদায় দিব পাৰে।' সম্প্ৰতি দেশৰ মুঠ ৫,২৭,৭৫০ খন সুলভ মূল্যৰ দোকানৰ মাত্ৰ ৩৩ শতাংশ দোকানতহে পি অ' এছ যন্ত্ৰ স্থাপন কৰাটো সম্ভৱ হৈ উঠিছে, যি যন্ত্ৰৰ সহায়ত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ক্ৰয় কৰা খাদ্য শস্যৰ সৰৱৰাহৰ তথ্য বৈদ্যুতিন পদ্ধতিৰে মজুত কৰিব পৰা হয়। বিষয়াগৰাকীয়ে লগতে কয়, 'এই পি অ' এছ যন্ত্ৰসমূহক সংশ্লিষ্ট হিতাধিকাৰী-সকলৰ বেংক একাউণ্টৰ সৈতে জড়িত কৰাৰ প্ৰয়োজন আছে।'

মহাৰাষ্ট্ৰ, হাৰিয়ানা, ৰাজস্থান আৰু ওড়িশাৰ লেখিয়া ৰাজ্যসমূহৰ লগতে কৰ্ণাটকৰ চৰকাৰেও ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত ধন আদায় দিয়াৰ প্ৰক্ৰিয়াত আধাৰৰ সৈতে যুক্ত পদ্ধতি কাৰ্যকৰী কৰিবলৈ লৈছে। ৰাজ্যখনৰ মুঠ ২০,৭৭৮ খন সুলভ মূল্যৰ দোকানত স্থাপন কৰা আধাৰৰ সৈতে সংযুক্ত পি অ' এছ যন্ত্ৰসমূহৰ জৰিয়তে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ক্ৰয় কৰা উচ্চ হাৰৰ ৰাজ সাহায্য আগবঢ়োৱা খাদ্য শস্যৰ মূল্য আদায় দিবৰ বাবে দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ ১.০৮ কোটি ৰেচন কাৰ্ডৰ গৰাকীক চিনাক্ত কৰিব পৰাকৈ এনে যন্ত্ৰবোৰত বায়'মেট্ৰিক বৈধতা নিৰূপণ পদ্ধতি ব্যৱহাৰ কৰা হ'ব। ৰাজ্য চৰকাৰে এনে কাৰ্ডৰ গৰাকীসকলৰ জন ধন একাউণ্টসমূহকো আধাৰৰ জৰিয়তে সংযুক্ত কৰাৰ আঁচনি লৈছে।

মহাৰাষ্ট্ৰ চৰকাৰে নগদ ধনবিহীন লেন দেনৰ বাবে ৰাজ্যখনৰ ৮৪ খন সুলভ মূল্যৰ দোকানক সামৰি বাণিজ্যিক যোগাযোগ আৰ্হি অথবা ইউ এছ এছ ডি আৰু ই-ৱালেট পদ্ধতিৰ জৰিয়তে ধন আদায় দিয়াৰ ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ উদ্দেশ্যে এটা পাইলট প্ৰকল্প আৰম্ভ কৰিছে। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনৰ বিক্ৰী কেন্দ্ৰসমূহত এতিয়াৰে পৰা পইণ্ট অব ছে'ল টাৰ্মিনেলৰ জৰিয়তে লেন দেন সম্পন্ন কৰা হ'ব। সুলভ মূল্যৰ দোকানসমূহৰ জৰিয়তে ৰেচন কাৰ্ডৰ গৰাকী আৰু দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বসবাস কৰা লোকসকললৈ ৰাজ সাহায্যযুক্ত খাদ্য সামগ্ৰী যোগান ধৰি অহা হৈছে। মহাৰাষ্ট্ৰ চৰকাৰে ৰাজ্যখনত থকা ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনৰ প্ৰায় ৫০,০০০ টা বিক্ৰী কেন্দ্ৰৰ আটাইবোৰতে নগদ ধনবিহীন লেন দেনৰ পদ্ধতি প্ৰৱৰ্তন কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

বিমুদ্ৰাকৰণৰ ব্যৱস্থা ঘোষণা কৰৰ পিচৰে পৰা ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত যোগান ধৰা খাদ্য শস্যৰ বিতৰণৰ ক্ষেত্ৰত নগদ ধনৰ অভাৱৰ বাবে বিলম্ব ঘটাৰ কোনো বাতৰি পোৱা হোৱা নাই। এগৰাকী বিভাগীয় বিষয়াই জানিবলৈ দিয়া মতে প্ৰায় ২৪ কোটি ৰেচন কাৰ্ডৰ ভিতৰত ৭১ শতাংশতকৈও অধিক কাৰ্ডকেই আধাৰৰ সৈতে সংযুক্ত কৰা হৈছে আৰু এই কাৰ্ডসমূহক হিতাধিকাৰীৰ বেংক একাউণ্টৰ সৈতে সংযুক্ত কৰাৰ লগতে সুলভ মূল্যৰ দোকানত পি অ' এছ যন্ত্ৰ স্থাপন কৰাৰ ফলত নগদ ধনবিহীন লেন-দেনৰ বিষয়টো নিশ্চিত কৰিব পৰা হৈছে। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত উপকৃত হ'বলগীয়া প্ৰায় ৮২ কোটি লোকৰ বাবে সম্প্ৰতি ৫ কোটিৰ পৰা ৫.৫ কোটি টন চাউল আৰু ঘেঁহুৰ যোগান ধৰি অহা হৈছে।

কেন্দ্ৰীয় খাদ্য আৰু উপভোক্তা পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ৰাম বিলাস পাছোৱানেও সকলো ধৰণৰ চৰকাৰী কাম-কাজত নগদ ধিনবিহীন লেন দেন সম্পন্ন হোৱাটো নিশ্চিত কৰাৰ বাবে বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিছে। ভাৰতীয় খাদ্য নিগমৰ দ্বাৰা কৃষকৰ পৰা খাদ্য শস্য সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সংশ্লিষ্ট কৃষকৰ বেংক একাউণ্টলৈ ন্যূনতম সমৰ্থন মূল্য স্থানান্তৰ কৰি প্ৰাপ্য মূল্য আদায় দিয়া হৈ আহিছে যদিও কেৱল পাঞ্জাৱ আৰু হাৰিয়ানাৰ ক্ষেত্ৰত এই ন্যূনতম সমৰ্থন মূল্য 'আৰ্থিয়া' অথবা কমিছন লোৱা মধ্যভোগীৰ বেংক একাউণ্টলৈ স্থানান্তৰিত হয়। একেদৰে গ্ৰাহক পৰিক্ৰমা বিভাগে শেহতীয়াকৈ সম্পূৰ্ণ হোৱা খাৰিফ শস্যৰ বতৰত কৃষকসকললৈ অনলাইন মূল্য আদায়ৰ ব্যৱস্থাৰ জৰিয়তে মুঠ ৭০৩ কোটি টকা মূল্যৰ মাহজাতীয় শস্য সংগ্ৰহ কৰিছে। বিভাগীয় মন্ত্ৰালয়ে সকলো ধৰণৰ ঠিকাৰ কামৰ বাবে ধন আদায় দিয়াৰ ক্ষেত্ৰত নগদ ধনবিহীন লেন দেনৰ পদ্ধতি বাধ্যতামূলক কৰাটো নিশ্চিত কৰাৰ বাবেও ইতিমধ্যে নিৰ্দেশ দিছে।

**এম জি এনৰেগাৰ শ্ৰমিকসকলে তেওঁলোকৰ প্ৰাপ্য মজুৰি লাভ কৰে বেংক একাউণ্টৰ জৰিয়তে**

কেইবাবছৰো পূৰ্বে ৰূপায়ণ কৰিবলৈ লোৱা বিত্তীয় অন্তৰ্ভুক্তিকৰণ আঁচনিৰ সুফল হিচাপে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আইন (এম জি এনৰেগা) ৰ অধিকাংশ

হিতাধিকাৰীয়েই তেওঁলোকৰ মজুৰিৰ ধন বেংক একাউণ্টৰ জৰিয়তে লাভ কৰিবলৈ লৈছে আৰু এই ব্যৱস্থাৰ ফলত উক্ত আইনৰ অধীনৰ মজুৰি আদায় প্ৰক্ৰিয়া ইতিমধ্যে নগদ ধনবিহীন লেন-দেন পদ্ধতিৰ অন্তৰ্ভুক্ত হৈ পৰা পৰিলক্ষিত হৈছে। চলিত বিত্তীয় বৰ্ষ (২০১৬-১৭) ত এই আইনৰ ২৫ কোটি হিতাধিকাৰীৰ একাউণ্টলৈ বৰ্তমানলৈ ৩২,০০০ কোটি টকাৰো অধিক পৰিমাণৰ ধন হস্তান্তৰ কৰা হৈছে।

**এক কোটি নাগৰিকলৈ ডিজিটেল শিক্ষাদানৰ ব্যৱস্থা কৰাৰ প্ৰতি চৰকাৰৰ আগ্ৰহ**

চৰকাৰে দেশৰ গ্ৰামাঞ্চলত বসবাস কৰা এক কোটি নাগৰিকক ডিজিটেল শিক্ষাৰে শিক্ষিত কৰি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে, যাতে এইসকল নাগৰিকক একোগৰাকী উপভোক্তা হিচাপে সমৰ্থ কৰি তুলিব পৰা যায় আৰু এইদৰে লাভ কৰা শিক্ষা-প্ৰশিক্ষণৰ জৰিয়তে তেওঁলোকে ধন আদায় দিয়াৰ সকলো বিকল্পৰ বিষয়ে বুজি পাব পাৰে, লগতে ইয়াৰে কোনটো বিকল্প তেওঁলোকৰ বাবে সবাতোকৈ উপযোগী সেই কথাও জানিব পাৰে। ইতিমধ্যে গ্ৰামাঞ্চলৰ ৪০ লাখতকৈও অধিক সংখ্যক নাগৰিক আৰু নগৰাঞ্চলত বসবাস কৰা প্ৰায় ১ লাখ ২০ হাজাৰ ব্যৱসায়ীয়ে নিজকে ডিজিটেল লেনদেন প্ৰক্ৰিয়াৰ সৈতে জড়িত কৰাইছে।

এগৰাকী জ্যেষ্ঠ চৰকাৰী বিষয়াই এই সন্দৰ্ভত কয়, 'বিষয়টোক লৈ সজাগতা সৃষ্টিৰ পৰ্যায় অতিক্ৰম কৰি আমি ইতিমধ্যে এনে এটা পৰ্যায়ত উপনীত হৈছোহি, য'ত জনসাধাৰণে নিজেই বৈদ্যুতিন মাধ্যমৰ জৰিয়তে ধন আদায় দিয়াৰ ভিন ভিন বিকল্প ব্যৱস্থাৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ পৰে। বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰালয়ে স্থাপন কৰা উমৈহতীয়া সেৱা কেন্দ্ৰ (চি এছ চি) সমূহেও এই অভিযানক অধিক গতি প্ৰদান কৰিছে।'

শেহতীয়াকৈ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই কথাত সহমত প্ৰকাশ কৰিছে যে এখন নগদ ধনবিহীন সমাজ গঢ়ি তোলাটো পোনছাটেই সম্ভৱ নহয়; পিচে সেয়া হ'লেও ভৱিষ্যতে এই লক্ষ্যত উপনীত হ'বৰ বাবে সদ্যহতে কম পৰিমাণৰ নগদ ধন ব্যৱহাৰ কৰা এখন সমাজৰ দিশে খৰতকীয়াকৈ অগ্ৰসৰ হোৱাৰ পথত সহযোগী হ'বলৈ তেওঁ জনসাধাৰণক আহ্বান জনায়। প্ৰধান মন্ত্ৰী গৰাকীয়ে কয়, 'ডিজিটেল অৰ্থনীতিয়ে কেনে ধৰণে কাম কৰে সেই কথা জানি লওক। আপোনালোকে নিজৰ নিজৰ বেংক একাউণ্টসমূহক ভিন ভিন কামত কেনে ধৰণে ব্যৱহাৰ কৰিব পাৰে, সেই কথা আৰু ইণ্টাৰনেট বেংকিঙৰ বিষয়েও বুজি লওক। নিজৰ নিজৰ ফোনবোৰত থকা বিভিন্ন বেংকৰ এপবোৰক লৈ আপোনালোকে কেনেদৰে কাৰ্যকৰীভাৱে নিজ নিজ কাম সমাধা কৰিব পাৰে, সেই কথা শিকি লওক। নিজৰ ব্যৱসায়-বাণিজ্য কেনে ধৰণে নগদ ধন অবিহনেই সমাধা কৰিব পৰা যায়, সেই কথাও বুজি-জানি লওক।' বৰ্তমানলৈ পৰিলক্ষিত হোৱা অগ্ৰগতিৰ দিশলৈ চালে এই কথা অনুধাৱন কৰিব পাৰি যে গ্ৰাম্য ভাৰতবৰ্ষক কম পৰিমাণৰ নগদ ধন ব্যৱহাৰ কৰা অৰ্থনীতিলৈ ৰূপান্তৰিত কৰিব পৰাকৈ ইতিমধ্যে এটা সুস্থিৰ আৰম্ভণি ঘটিছে। ❐

---

**(১৩ পৃষ্ঠাৰ পৰা)**

অন্য এটা পদক্ষেপ হ'ল ৮ নৱেম্বৰৰ পৰা প্ৰধান মন্ত্ৰীয়ে দলীয় সাংসদসকলক তেওঁলোকৰ বেংকৰ সকলো লেনদেন ৰাজহুৱা কৰিবলৈ প্ৰদান কৰা নিৰ্দেশনা। বহু প্ৰশ্ন উত্থাপিত হ'ল। মোৰ প্ৰতিক্ৰিয়া হ'ল— সমালোচনা কৰা আৰু প্ৰধান মন্ত্ৰীয়ে আৰু অধিক কি ভাল কৰিব পাৰিলেহেঁতেন সেই বিষয়ে পৰামৰ্শ দিয়াৰ পৰিৱৰ্তে ৰাজনীতিকসকলৰ বিত্তীয় স্বচ্ছতাৰ প্ৰতি ইয়াক কিয় প্ৰথম ইতিবাচক পদক্ষেপ বুলি স্বাগতম নজনায়? চৰকাৰৰ আন এটা বৃহৎ পদক্ষেপ হ'ল বেনামী সম্পত্তিৰ ব্যৱসায় ৰুদ্ধ কৰিবলৈ আইন প্ৰণয়নৰ ব্যৱস্থা কৰা আৰু ইয়াৰ পাছত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা। ইয়াৰ পৰিণতিত নিৰ্বাচনত ব্যৱহাৰ হোৱা ক'লা ধনৰ ক্ষেত্ৰত নিয়ন্ত্ৰণ থাকিব কাৰণ ক'লা ধনেই হ'ল অবৈধ নিৰ্বাচনী পুঁজিৰ বৃহত্তম উৎস।

বি-মুদ্ৰাকৰণৰ অভূতপূৰ্ব পদক্ষেপ আশা কৰা মতেই মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত আশীৰ্বাদস্বৰূপ হৈ পৰিব পাৰে, কাৰণ নগদবিহীন লেনদেনে উচ্চ স্তৰৰ স্বচ্ছতা আৰু পুনৰীক্ষণ সুনিশ্চিত কৰিব। মই আশা কৰা ধৰণে দীৰ্ঘ দিনে পৰি থকা নিৰ্বাচনী সংস্কাৰৰ সময় অৱশেষত সমুপস্থিত। ❐

# বি-মুদ্ৰাকৰণ ঃ কম নগদ ধনৰ অৰ্থনীতিৰ দিশৰ পিনে এটা পদক্ষেপ

**ডি এছ মালিক***

অন্যান্য বিষয়সমূহৰ ভিতৰত দুৰ্নীতি, ক'লা ধন, মুদ্ৰা হৰলুকীকৰণ আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে কৰা এটা সঙ্গবদ্ধ অভিযানত ভাৰত চৰকাৰে ২০১৬ চনৰ ৮ নৱেম্বৰৰ মাজনিশাৰপৰা ব্যাপক বি-মুদ্ৰাকৰণ অভিযান আৰম্ভ কৰে। প্ৰথমতঃ সেইদিনাৰ মাজনিশাৰপৰাই পাঁচশটকীয়া আৰু এহেজাৰ টকীয়া ন'ট্ লেনদেনৰ ক্ষেত্ৰত অচল হৈ পৰে। এই সিদ্ধান্ত গ্ৰহণৰ লক্ষ্য হ'ল সন্ত্ৰাসবাদৰ ক্ষেত্ৰত বিত্তৰ যোগান ধৰা কাৰ্যক ৰোধ আৰু ক'লা ধনৰ প্ৰভাৱ উৎখাত কৰা। কাৰণ নকল ভাৰতীয় ন'টৰ জৰিয়তে বহু উদ্দেশ্য পূৰণ কৰা হৈছিল আৰু তেনে নকল ন'টৰ পুঁজি কূটাঘাতমূলক কাম-কাজতো ব্যৱহাৰ কৰা হৈছিল। তেনে কামবোৰ হ'ল— চোৰাংচোৰাগিৰি, অস্ত্ৰ-শস্ত্ৰ, ড্ৰাগছ আৰু অন্যান্য নিষিদ্ধ দ্ৰব্য ভাৰতলৈ গোপনভাৱে সৰবৰাহ কৰা। ক'লা ধনৰ সন্দৰ্ভত ক'বলৈ গ'লে আমাৰ প্ৰকৃত অৰ্থনৈতিক কাম-কাজৰ ওপৰত এটা সমান্তৰাল অৰ্থনীতিৰ দীঘল ছায়াই আবৃত কৰি পেলাইছিল।

চৰকাৰে নতুন দুহেজাৰটকীয়া আৰু পাঁচশটকীয়া ন'ট্ প্ৰচলন কৰিবৰ বাবে ভাৰতৰ ৰিজাৰ্ভ বেংকৰ অনুমোদনাৱলী গ্ৰহণ কৰে। লগতে কোনো ধৰণৰ নগদবিহীন ধন আদায় দিয়া পদ্ধতিৰ ওপৰত বাধা আৰোপ কৰা নাই— সেয়া চেক্, ডিমাণ্ড ড্ৰাফ্ট, ডেবিট কিম্বা ক্ৰেডিট কাৰ্ড, বৈদ্যুতিনভাৱে পুঁজি হস্তান্তৰকৰণ আদি যিয়েই নহওক।

কৃষকসকলৰ কল্যাণ নিশ্চিত কৰিবৰ কাৰণে কৃষিৰ উপজ সামগ্ৰী ক্ৰয় কৰিবৰ বাবে যথেষ্ট পুঁজি যোগান ধৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হয়। তেনে উপজ সামগ্ৰীৰ ভিতৰত উল্লেখযোগ্য হ'ল— গুণমানবিশিষ্ট বীজ, সাৰ, কীটনাশক দ্ৰব্য ইত্যাদি আৰু এইবোৰ ৰবি শস্যৰ বাবেই ব্যৱস্থা কৰা হয়। একেদৰে ব্যৱসায়ীসকললৈ পুঁজি যোগান ধৰিবৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰা হয়। তাৰ বাবে চলিত একাউণ্ট অৰ্থাৎ হিচাপ-বহীৰপৰা প্ৰতি সপ্তাহে ধন উলিওৱা সীমা বৃদ্ধি কৰা হয়। সেই সীমা হ'ল ৫০,০০০ টকা পৰ্যন্ত— যাতে দিন মজুৰি কৰাসকলক ধন দিব পাৰে আৰু ব্যৱসায়ীসকলৰ আন নিজাববীয়া খৰচ-পাতিও বহন কৰিব পাৰে।

বৰ্তমানৰ চৰকাৰখনে ক'লা ধনৰ বিৰুদ্ধে কৰা যুঁজখন ২০১৪ চনৰ মে' মাহতেই আৰম্ভ কৰিছিল। তাৰ বাবে ক'লা ধনৰ সন্দৰ্ভত এখন 'এছ আই টি' গঠন কৰিছিল।

বিদেশৰ বেংক একাউণ্টৰ হিচাপ ঘোষণা কৰা সন্দৰ্ভত ২০১৫ চনত এখন আইন জাৰি কৰা হয় আৰু ২০১৬ চনৰ আগষ্টত বেনামী লেনদেন কৰ্তন কৰিবলৈ যথাস্থানত কঠোৰ আইনৰ দিহা কৰা হয়। সেই একেই কালছোৱাত ঘৰুৱা ক'লা ধনৰ বিষয়ে ঘোষণা কৰিবলৈ ২০১৬ চনৰ জুনত এখন আঁচনি প্ৰচলন কৰা হয় (ইনকম ডিছক্লোজাৰ স্কীম ২০১৬)। ইয়াৰ ম্যাদ আছিল সেই বছৰৰে ৩০ ছেপ্টেম্বৰ পৰ্যন্ত। তাৰ ফলত যি ক'লা ধনৰ বিষয়ে ঘোষণা কৰা হৈছিল তাৰ পৰিমাণ আছিল ৬৭,০০০ কোটি টকাতকৈও অধিক।

এই সকলোবোৰ প্ৰয়াসৰ সুফল লাভ কৰা হৈছে। যোৱা আঢ়ৈ বছৰ কালছোৱাত ১.২৫ লাখ কোটি টকাতকৈও অধিক ক'লা ধন গুপুতে ৰখা ব্যৱস্থাৰ পৰা মুকলি কৰা হয়। এনেদৰে চৰকাৰে এহাতে ক'লা ধনৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰাখিছে আৰু আনহাতে ডিজিটেল বেংকিং আৰু ই-পেমেণ্ট ব্যৱস্থাক উৎসাহিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

এই প্ৰয়াস অব্যাহত ৰাখি চৰকাৰে ডিজিটেল পে'মেণ্ট প্ৰক্ৰিয়াক ঘৰৰ পৰা আৰম্ভ কৰিবলৈ আগভাগ লয় আৰু সেই মৰ্মে চৰকাৰী পে'মেণ্ট অৰ্থাৎ ধন আদায় দিয়াৰ সন্দৰ্ভত ডিজিটেল প্ৰক্ৰিয়াক সম্পূৰ্ণ কৰাৰ লক্ষ্য লাভ কৰিবৰ বাবে কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ে যোগান ধৰোঁতালৈ ই-পে'মেণ্টৰ সম্পৰ্কত যি ১০,০০০ টকাৰ সীমা আছে সেই বিষয়টো পুনৰ পৰ্যালোচনা কৰে আৰু সেই পৰ্যালোচনাৰ পিছত সম্প্ৰতি এই সীমা ১০,০০০ টকাৰ পৰা ৫,০০০ টকালৈ হ্ৰাস কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ

*ডি এছ মালিক এম এণ্ড চিৰ অতিৰিক্ত সঞ্চালক প্ৰধান

কৰে। এই বিষয়ত শেহতীয়াকৈ পৰ্যালোচনা কৰা হৈছিল ২০১৬ চনৰ আগষ্ট মাহত আৰু সেই অনুযায়ী ভাৰত চৰকাৰৰ সকলো মন্ত্ৰণালয় তথা বিভাগসমূহক ৫,০০০ টকাৰ ওপৰত সকলোবোৰ পে'মেণ্ট ঠিকাদাৰ, ঋণ লওঁতা প্ৰতিষ্ঠান, অন্য যোগান ধৰোঁতা আদিলৈ মাত্ৰ পে'মেণ্ট পৰামৰ্শ জাৰিৰদ্বাৰা দিবলৈ তৎকালীনভাৱে নিশ্চিত কৰিবৰ কাৰণে বিত্ত মন্ত্ৰণালয়ে নিৰ্দেশ দিয়ে।

এই প্ৰয়াস স্বৰূপে বৈদ্যুতিন উপায়েৰে ধন আদায় দিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰণালয় আৰু বিভাগবোৰে সৰহভাগ কৰ্মচাৰীৰ বাবে তেওঁলোকৰ নিৰ্দিষ্ট বেংক একাউণ্টত দৰমহা আৰু অন্য লেনদেনৰ ধন পোনপটীয়াকৈ জমা কৰে। বেংকিং প্ৰযুক্তিৰ ক্ষেত্ৰত যি অগ্ৰগতি সাধন কৰা হৈছে তাৰ পৰা এইটো অনুমান কৰা হয় যে প্ৰত্যেক কৰ্মচাৰীৰেই বেংক একাউণ্টৰ লগত সম্পৰ্ক থকা ডেবিট/এ টি এম কাৰ্ডৰ ব্যৱস্থা আছে, অৰ্থাৎ তেনে কাৰ্ডৰ অধিকাৰী। চৰকাৰী কৰ্মচাৰী-সকলক ব্যক্তিগত লেনদেনৰ বাবে নগদ ধনৰ পৰিবৰ্তে সৰ্বাধিকভাৱে ডেবিট কাৰ্ড ব্যৱহাৰ কৰিবৰ বাবে উৎসাহিত কৰিবলৈ লোৱা হৈছে— যাতে তাৰদ্বাৰাই ডিজিটেল ব্যৱস্থাৰ প্ৰতি অন্য লোকো আকৰ্ষিত হয়। এই ক্ষেত্ৰত সাধাৰণ জনতাক উৎসাহিত কৰিবৰ কাৰণে কৰ্মচাৰীসকলৰ ভূমিকাই এটা সুদূৰ-প্ৰসাৰী প্ৰভাৱ পেলাব। কৰ্মচাৰীসকলক ডেবিট কাৰ্ডৰ অধিকাৰী হোৱাত নিশ্চিত কৰিবৰ অৰ্থে মন্ত্ৰণালয় আৰু বিভাগসমূহে বেংকসমূহৰ স'তে সম্পৰ্ক ৰাখি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈও কোৱা হৈছে। লগতে এই মন্ত্ৰণালয় আৰু বিভাগসমূহৰ অধীনস্থ অন্যান্য শাখা কাৰ্যালয়, ৰাজহুৱা খণ্ডৰ উদ্যোগ, স্বায়ত্ত শাসিত সংস্থা আদিলৈও একে ধৰণৰ পৰামৰ্শ আগবঢ়াবলৈও কোৱা হৈছে।

বিত্ত মন্ত্ৰীয়ে অৰ্থনীতি বিস্তাৰিত হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে; আৰু তেনে প্ৰক্ৰিয়াত নগদ ধনৰ ব্যৱস্থা সংকুচিত হোৱাৰ লগে লগে অধিকভাৱে ডিজিটেল পদ্ধতিৰ লেনদেনলৈ পৰ্যৱসিত হোৱাৰ পোষকতা কৰে। ৫০০ টকীয়া আৰু ১০০০ টকীয়া ন'ট্‌সমূহ অপসাৰিত কৰাৰ এটা অন্যতম উদ্দেশ্য হ'ল ভাৰতীয় অৰ্থনীতিক ডিজিটেল লেনদেনৰ দিশৰ পিনে অধিক আগুৱাই নিয়া। ইতিমধ্যে প্ৰায়ভাগ বেংকে ডেবিট কাৰ্ডৰ ওপৰত আৰোপ কৰা এম ডি আৰ মাচুল বিগত বৰ্ষটোৰ ডিছেম্বৰৰ শেষলৈকে উঠাই লৈ এটা উদগনি জনোৱা অনুশীলনমূলক কাম আৰম্ভ কৰিছে। এতিয়া বেংকসমূহে এটা অভিযানমূলক ভাৱধাৰাৰে বিকল্প বেংকিং প্ৰণালীৰ জৰিয়তে যথেষ্টভাৱে লেনদেনৰ ওপৰত আলোকপাত কৰিব। তেনে প্ৰণালীবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— এন ই এফ টি, ম'বাইল ৱালেট, প্ৰি-পেইড কাৰ্ড, কিউ আৰ কাৰ্ড, পে'-ৰ'ল কাৰ্ড, ডেবিট আৰু ক্ৰেডিট কাৰ্ড তথা ইউনিফাইড পে'মেণ্টছ ইণ্টাৰফেচ। চহৰ অঞ্চলৰ বাহিৰেও বেংকসমূহে অৰ্দ্ধ চহৰীয়া আৰু গ্ৰামাঞ্চলৰ ওপৰত অধিক আলোকপাত কৰিব। এই কাৰ্যত ইণ্ডিয়ান বেংকাৰ্ছ এছোচিয়েশ্বনে বিজ্ঞানৰদ্বাৰা এটা অভিযান চলাই সহায়-সমৰ্থন জনাব; আৰু অভিযানত বি-মুদ্ৰাকৰণৰ ভিডিঅ' থাকিব। এই ভিডিঅ'ৰ বিষয়বস্তু হ'ব নগদবিহীন লেনদেনৰ কাৰণে কেনেকৈ কাৰ্ড তথা অন্য উপায়সমূহ ব্যৱহাৰ কৰিব পাৰি।

ইতিমধ্যে কামত লগাবলৈ লোৱা এইবোৰ আৰু অন্যান্য পদক্ষেপে স্পষ্টকৈ অধিকভাৱে ডিজিটেল লেনদেনৰ দিশৰ পিনে গতি কৰাকে সূচাইছে; আৰু এই গতিধাৰাই সকলো নাগৰিককে যে সামৰি ল'ব তাৰো ইঙ্গিত সুস্পষ্ট। লগতে ই বেংক ব্যৱস্থাৰ কাম-কাজ সহজ কৰিবৰ বাবে বৃহৎ উদ্দেশ্য সফল কৰি তোলাত সহায় কৰিব আৰু বিত্তীয় ব্যৱস্থাৰ সৰ্বাত্মক দিশৰ যি লক্ষ্যৰ প্ৰতি চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ সেইটো লাভ কৰাতো সফল কৰি তুলিব।

'পইণ্ট অব ছেইল'ৰ (পি অ' এছ) উপায়সমূহ নগদবিহীন লেনদেনৰ কাৰণে ব্যৱহাৰ কৰা হয়। পে'মেণ্ট অৰ্থাৎ ধন আদায় অথবা ধন বিলিকৰণ উভয়ৰ বাবে এই উপায়ক কামত লগোৱা হয়। ইয়াৰ বাবে কোনো সীমা শুল্কও দিব লগা নহয়। এই উপায় বা পদ্ধতিসমূহৰ ব্যয় হ্ৰাস কৰিবলৈ আৰু তাৰদ্বাৰাই ডিজিটেল পে'মেণ্ট ব্যৱস্থাক উৎসাহিত কৰিবলৈ চৰকাৰে এনে পদ্ধতিবোৰক কেন্দ্ৰীয় আবকাৰী শুল্কৰ পৰা ৰেহাই দিছে। কেৱল সেয়াই নহয়, এই পদ্ধতিবোৰক দুই ধৰণৰ অতিৰিক্ত সীমা শুল্কৰ পৰা ৰেহাই দিয়া হ'ব। তেনে এবিধ সীমা শুল্কক সাধাৰণতে 'চি ভি ডি' ৰূপে আৰু আন বিধক 'এছ এ ডি' ৰূপে জনা যায়। ইয়াৰ লগতে ঘৰুৱা প্ৰস্তুতকাৰীসকলক উৎসাহিত কৰিবৰ কাৰণে আবকাৰী শুল্কৰ পৰাও ৰেহাই দিয়া হৈছে আৰু চি ভি ডি তথা এছ এ ডিৰো প্ৰভাৱ তাত নাথাকিব আৰু এই ৰেহাই ব্যৱস্থা ২০১৭ চনৰ ৩১ মাৰ্চ পৰ্যন্ত বাহাল থাকিব।

ডিজিটেল পে'মেণ্ট পদ্ধতিৰ প্ৰসাৰ আৰু নগদবিহীন লেনদেনৰ দিশত আগুৱাই যোৱাৰ পৰিকল্পনাৰ অংশ ৰূপে অতিৰিক্ত ১ নিযুত নতুন পি অ' এছ টাৰ্মিনেল প্ৰতিষ্ঠা কৰিবৰ কাৰণে

চৰকাৰে সিদ্ধান্ত লৈছে আৰু এই কাম ২০১৭ চনৰ ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। ইয়াৰ বাবে বেংকসমূহে ইতিমধ্যে ৬ লাখ পি অ' এছ মেচিনৰ বাবে আৰ্জি দিছে আৰু আন ৪ লাখটা এনে মেচিনৰ বাবে অহা কেইদিনমানৰ ভিতৰতে আৰ্জি পেচ কৰাৰ সম্ভাৱনা আছে। কাৰ্ড ভিত্তিক পে'মেণ্টৰ সুবিধাৰ অৰ্থে বিভিন্ন প্ৰয়োজনীয় স্থানত দেশখনত সম্প্ৰতি ১৫ লাখ পি অ' এছ টাৰ্মিনেল আছে।

অসংগঠিত খণ্ডৰ শ্ৰমিকৰ বাবে বেংক একাউণ্ট খুলিবৰ অৰ্থে বিভিন্ন ঠাইত শিবিৰ পাতি এটা বিশেষ অভিযান শ্ৰম আৰু নিয়োগ মন্ত্ৰণালয় তথা ৰাজ্যসমূহৰ প্ৰশাসন বিভাগবোৰে যুটীয়াভাৱে হাতত লয়। এতিয়ালৈকে মুঠ ২,৭৩,৯১৯টা শিবিৰৰ দিহা কৰা হয় আৰু ইয়াত ২৪.৫৪ লাখ একাউণ্ট খোলা হয়।

জন ধন একাউণ্টৰ গৰাকীসকলক দিয়াকে ধৰি ৩০ কোটি ৰু-পে' ডেবিট কাৰ্ড ইছ্যু কৰা হয়। ১২ দিনৰ ভিতৰত ৰু-পে' কাৰ্ডৰ ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰায় ৩০০ শতাংশ বৃদ্ধি পায়। এই ডেবিট কাৰ্ড ব্যৱহাৰৰ সুবিধাৰ্থে বেংকসমূহে ২০১৬ চনৰ ৩১ ডিছেম্বৰলৈকে লেনদেন মাচুল (এম ডি আৰ) উঠাই ল'বলৈ সিদ্ধান্ত লয়। ইতিমধ্যে নেশ্বনেল পে'মেণ্টছ কাউন্সিল অব ইণ্ডিয়াই ৰু-পে' কাৰ্ডৰ বাবে "ছুইচিং" মাচুল উঠাই লয়। এই সকলো ব্যৱস্থাই বিভিন্ন প্ৰতিষ্ঠানত ডেবিট কাৰ্ড গ্ৰহণ কাৰ্যৰ উন্নতি সাধন কৰিব।

ৰাজহুৱা খণ্ডৰ বেংক তথা কিছুমান ব্যক্তিগত খণ্ডৰ বেংকসমূহে অধিকভাৱে ডেবিট কাৰ্ড ব্যৱহাৰ কৰা কাৰ্যক উৎসাহিত কৰিবৰ কাৰণে এম ডি আৰ মাচুল উঠাই ল'বলৈ সিদ্ধান্ত লয় আৰু সেই মৰ্মে এনে সুবিধা ২০১৬ চনৰ ৩১ ডিছেম্বৰলৈকে বাহাল ৰখা হয়। ব্যক্তিগত খণ্ডৰ বাকী থকা বেংকবোৰেও তেনে ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিব পাৰি। ই-ৱালেটৰ জৰিয়তে পে'মেণ্টৰ অধিক ব্যৱহাৰক উৎসাহিত কৰিবৰ কাৰণে ৰিজাৰ্ভ বেংকে ব্যক্তিসকলৰ বাবে মাহিলি লেনদেনৰ সীমা ১০,০০০ টকাৰ পৰা ২০,০০০ টকালৈ বৃদ্ধি কৰিবৰ কাৰণে সিদ্ধান্ত লয়। এই একেধৰণৰ বৃদ্ধি ব্যৱস্থা সদাগৰী ব্যৱসায় কৰাসকলৰ কাৰণেও দিহা কৰাৰ কথা ৰিজাৰ্ভ বেংকে ঘোষণা কৰে।

ৰে'ল যাত্ৰীসকলৰ সন্দৰ্ভতো কিছুমান সুবিধা আগবঢ়োৱা হয়। সংৰক্ষিত ই-টিকট ক্ৰয় কৰাৰ ক্ষেত্ৰত দ্বিতীয় শ্ৰেণীৰ যাত্ৰীক আৰোপ কৰা ২০ টকা তথা উচ্চ শ্ৰেণীৰ যাত্ৰীৰ ক্ষেত্ৰত আৰোপ কৰা ৪০ টকা নল'বলৈ ভাৰতীয় ৰে'লৱে সিদ্ধান্ত লয় আৰু এই ব্যৱস্থা ২০১৬ চনৰ ৩১ ডিছেম্বৰলৈকে বাহাল থাকে। ইয়াৰদ্বাৰাই যাত্ৰীসকলক নগদ ধনেৰে ৰে'লৱে কাউণ্টাৰত গৈ টিকট ক্ৰয় কৰাৰ পৰিৱৰ্তে ই-টিকট ক্ৰয় কৰা কাৰ্যক উৎসাহিত কৰিব।

ক্ৰয় কৰা মুঠ টিকটৰ ভিতৰত দৈনিক গড় হিচাপে অন্-লাইনেৰে ই-টিকট ক্ৰয় কৰা যাত্ৰীৰ সংখ্যা হ'ল ৫৮ শতাংশ আৰু কাউণ্টাৰত নগদ ধনেৰে ক্ৰয় কৰা যাত্ৰীৰ সংখ্যা হ'ল ৪২ শতাংশ। এতিয়া ই-টিকট কিনোতাৰ সংখ্যা বৃদ্ধি কৰিবলৈ প্ৰয়াস কৰা হৈছে। ওপৰোক্ত ব্যৱস্থাই লোকসকলক নগদবিহীন লেনদেনৰ প্ৰতি আকৰ্ষিত কৰাত উৎসাহিত কৰিব বুলি আশা কৰিব পাৰি।

বেংকিং আৰু পে'মেণ্টৰ সন্দৰ্ভত লেনদেনৰ বাবে 'টি আৰ এ আই'-এ ইউ এছ এছ ডি মাচুল বৰ্তমানৰ প্ৰত্যেক ছেচন অৰ্থাৎ অবিৰত সময়ছোৱাৰ বাবে ১.৫০ টকাৰ পৰা ০.৫০ টকালৈ হ্ৰাস কৰাৰ সিদ্ধান্ত লয়। আনহাতে বৰ্তমানৰ পাঁচ স্তৰৰ পৰা আঠলৈ বৃদ্ধি কৰা হয়। টেলিকম কোম্পানীবোৰেও বিগত বৰ্ষৰ ৩১ ডিছেম্বৰলৈকে প্ৰতি ছেছনৰ উল্লিখিত ৫০ পইচা ইউ এছ এছ মাচুল উঠাই ল'বলৈ সন্মত হয়। তাৰ ফলস্বৰূপে উক্ত কালছোৱালৈকে ইউ এছ এছ ডিৰ মাচুল হয়গৈ শূন্য। এই ব্যৱস্থাই ডিজিটেল বিত্তীয় লেনদেনৰ ক্ষেত্ৰত সুফল প্ৰদান কৰিব— বিশেষকৈ ফ'ন্ থকা (দেশখনৰ মুঠ ফ'নৰ ভিতৰত সম্প্ৰতি ৬৫ শতাংশ) দুখীয়া লোকসকলক।

যান-বাহনবোৰে বহু সময় চেক্‌পোষ্ট অৰ্থাৎ পৰীক্ষা চকী আৰু কৰ প্ৰদান কৰিব লগা স্থানবোৰত কটাব-লগীয়া হয়। এতিয়া জি এছ টি ব্যৱস্থাই চেক্‌পোষ্টবোৰত সমস্যা সমাধান কৰিব, কিন্তু ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ কৰ দিব লগা স্থানত কিছু ব্যৱস্থা হাতত লোৱাৰ প্ৰয়োজন। পথ পৰিবহণ তথা ঘাইপথ মন্ত্ৰণালয়ে সেয়ে অ'টোম'বাইল নিৰ্মাণ কৰোঁতাসকলক সকলো নতুন গাড়ীত ই টি চিৰ সুবিধা থকা 'আৰ এফ আই ডি' যোগান ধৰিবলৈ পৰামৰ্শ দিছে।

সকলো চৰকাৰী সংগঠন, ৰাজহুৱা খণ্ডৰ উদ্যোগ আৰু অন্যান্য চৰকাৰী কৰ্তৃপক্ষক সকলো প্ৰতিষ্ঠান আৰু কৰ্মচাৰীলৈ মাত্ৰ ডিজিটেল পে'মেণ্ট পদ্ধতি ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। তেনে পদ্ধতিসমূহ হ'ল— ইণ্টাৰনেট বেংকিং, ইউনিফাইড পে'মেণ্ট ইণ্টাৰফেইছ্, কাৰ্ড, আধাৰ সমৰ্থিত পে'মেণ্ট পদ্ধতি ইত্যাদি'। ধন বিলিকৰণৰ সময়ত তেনেবোৰ পদ্ধতিৰ জৰিয়তে পে'মেণ্টৰ বিকল্প ব্যৱস্থা

যোগান ধৰা সকলো কৰ্তৃপক্ষৰ বাবে আৱশ্যক হ'ব। সেয়ে এইবোৰ প্ৰক্ৰিয়া অধিক বৃদ্ধি কৰি ইতিবাচক ফল লাভ কৰাটো সকলোৰে দায়িত্ব আৰু সেই কাৰণেই ক্ৰেডিট/ডেবিট কাৰ্ডৰ ব্যৱহাৰ তথা ম'বাইল ফ'নৰ প্ৰয়োগ কিম্বা ই-ৱালেট আদিৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। চৰকাৰে সেই বাবে দেশখনত ডিজিটেল আৰু নগদবিহীন অৰ্থনীতিক উৎসাহিত কৰিবলৈ এলানি উদগনিমূলক ব্যৱস্থা ঘোষণা কৰিছে। এই উদগনিমূলক ব্যৱস্থা তলত দিয়া হ'ল ঃ

১) কেন্দ্ৰীয় চৰকাৰৰ পেট্ৰ'ল সম্বন্ধীয় ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰে পেট্ৰ'ল আৰু ডিজেল ক্ৰয়ৰ ওপৰত উপভোক্তাসকললৈ বিক্ৰী মূল্যৰ ০.৭ শতাংশ হাৰত ৰেহাইৰ সুবিধা আগবঢ়াব যদি পেট্ৰ'ল/ডিজেলৰ বাবদ পে'মেণ্ট ডিজিটেল উপায়েৰে সাধন কৰে।

   কোৱা বাহুল্য যে প্ৰায় ৪.৫ কোটি উপভোক্তাই এনেবোৰ পেট্ৰ'ল পাম্পত প্ৰতিদিনে পেট্ৰল অথবা ডিজেল ক্ৰয় কৰে আৰু তেওঁলোক এই উদগনিমূলক আঁচনিৰপৰা উপকৃত হ'ব পাৰে। হিচাপ কৰি দেখা গৈছে যে ১৮০০ কোটি টকা মূল্যৰ পেট্ৰ'ল/ডিজেল দৈনিক উপভোক্তাসকলক বিক্ৰী কৰা হয় আৰু ইয়াৰ ভিতৰত প্ৰায় ২০ শতাংশ ডিজিটেল পদ্ধতিৰে ধন আদায় দিয়া হয়। ২০১৬ চনৰ নৱেম্বৰত ইয়াৰ পৰিমাণ ৪০ শতাংশলৈ বৃদ্ধি পায় আৰু দৈনিক ৩৬০ কোটি টকাৰ দৈনিক নগদ লেনদেন নগদবিহীন লেনদেন পদ্ধতিলৈ পৰ্যৱসিত হয়। এই ডিজিটেল উপায় কমেও ৩০ শতাংশ অধিক উপভোক্তাই গ্ৰহণ কৰাৰ সম্ভাৱনা এই উদগনি আঁচনিখনৰ আছে। ইয়াৰ ফলত পেট্ৰ'ল পাম্পসমূহত প্ৰতিদিনে প্ৰায় ২ লাখ কোটি টকাৰ নগদ ধনৰ প্ৰয়োজনীয়তা হ্ৰাস কৰিব।

২) গ্ৰামাঞ্চলত ডিজিটেল পে'মেণ্টৰ আন্তঃগাঁথনি প্ৰসাৰিত কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে নাবাৰ্ডৰ জৰিয়তে পি অ' এছ পদ্ধতি অৱস্থানৰ হেতু উপযুক্ত বেংকসমূহলৈ বিত্তীয় সমৰ্থন আগবঢ়াব। ১০,০০০তকৈ কম জনসংখ্যা থকা ১ লাখ খন গাঁৱৰ প্ৰত্যেকতে এনে পি অ' এছ পদ্ধতি দুখন স্থানত ব্যৱস্থা কৰা হ'ব। এই পি অ' এছ মেচিনবোৰ প্ৰাথমিক সমবায় সমিতি, দুগ্ধ সমিতি, কৃষিজাত উপজ সামগ্ৰী ডীলাৰৰ স্থানত অৱস্থিত কৰা হ'ব— যাতে ডিজিটেল উপায়েৰে কৃষি সম্পৰ্কিত লেনদেন কৰাৰ সুবিধা হয়।

   ইয়াৰ ফলত সৰ্বমুঠ প্ৰায় ৭৫ কোটি জনসংখ্যাক সামৰি লোৱাকৈ এক লাখ গাঁৱৰ কৃষকক উপকৃত কৰিব। তেওঁলোকে নিজৰ গাঁওবোৰত কৃষি বিষয়ক সা-সামগ্ৰীৰ প্ৰয়োজনীয়তা পূৰণৰ অৰ্থে নগদবিহীনভাৱে লেনদেন কৰাৰ সুবিধা পাব।

৩) কেন্দ্ৰীয় চৰকাৰে নাবাৰ্ডৰ জৰিয়তে ৪.৩২ কোটি কিষাণ ক্ৰেডিট কাৰ্ডৰ গৰাকীক "ৰু-পে কিষাণ কাৰ্ড" দিয়াৰ ক্ষেত্ৰত গ্ৰাম্য আঞ্চলিক বেংক তথা সমবায় বেংকসমূহক সমৰ্থন জনাব— যাতে কাৰ্ডৰ গৰাকীসকলে পি অ' এছ মেচিন/মাইক্ৰো এ টি এম/এ টি এমবোৰত ডিজিটেল লেনদেন কৰিবলৈ সমৰ্থৱান কৰি তুলিব।

৪) ৰে'ল বিভাগে উপ-চহৰীয়া ৰে'ল নেটৱৰ্কৰ জৰিয়তে গ্ৰাহকসকলক মাহিলি অথবা ছিজন টিকটৰ বাবে ০.৫ শতাংশ পৰ্যন্ত ২০১৭ চনৰ ১ জানুৱাৰীৰপৰা ৰেহাই প্ৰদানেৰে উদগনি যোগাব যদিহে পে'মেণ্ট ডিজিটেল উপায়েৰে কৰা হয়।

   প্ৰায় ৮০ লাখ যাত্ৰীয়ে চহৰৰ দাঁতিকাষৰীয়া ঠাইৰ ৰে'ল যাত্ৰাৰ বাবদ ছিজন কিম্বা মাহিলি টিকট ঘাইকৈ নগদ ধন খৰচ কৰি ব্যৱহাৰ কৰে; আৰু এই খৰচৰ পৰিমাণ বছৰি প্ৰায় ২,০০০ কোটি টকা মূল্যৰ হয়। কিন্তু এতিয়া একাধিক যাত্ৰীয়ে ডিজিটেল ব্যৱস্থাক আঁকোৱালি ল'লে নগদ ধনৰ আৱশ্যকতাৰ পৰিমাণ নিকট ভৱিষ্যতত বছৰি ১,০০০ কোটি টকালৈ হ্ৰাস পাব পাৰে।

৫) অন্-লাইন টিকট ক্ৰয় কৰা সকলো ৰে'ল যাত্ৰীকেই ১০ লাখ টকা পৰ্যন্ত বিনামূলীয়া দুৰ্ঘটনা বীমা আঁচনিৰ অধীনত সামৰি লোৱা হ'ব।

   প্ৰায় ১৪ লাখ ৰে'ল যাত্ৰীয়ে প্ৰতিদিনে টিকট ক্ৰয় কৰে আৰু ইয়াৰ ভিতৰত ৫৮ শতাংশ টিকট ডিজিটেল উপায়েৰে অন্-লাইনত ক্ৰয় কৰে। এইটো আশা কৰা হৈছে যে অন্য ২০ শতাংশ যাত্ৰীয়ে ৰে'ল টিকট ক্ৰয় কৰাৰ ডিজিটেল পদ্ধতি গ্ৰহণ কৰিব পাৰে। এনেদৰে দৈনিক প্ৰায় ১১ লাখ যাত্ৰীক দুৰ্ঘটনা বীমা আঁচনিৰ অধীনত সামৰি লোৱা হ'ব।

৬) কেটাৰিং, থকা-মেলা, বিশ্ৰাম কক্ষ আদিৰ দৰে পেইড ছাৰ্ভিচেছৰ কাৰণে ৰে'লৱেই যাত্ৰীসকলক স্বীকৃতিপ্ৰাপ্ত প্ৰতিষ্ঠান/নিগমসমূহৰ

জৰিয়তে আগবঢ়াবলৈ লোৱা ব্যৱস্থাই এইবোৰ সেৱাৰ পে'মেণ্টৰ ক্ষেত্ৰত ডিজিটেল উপায়েৰে ৫ শতাংশ ৰেহাই প্ৰদান কৰা হ'ব। এই সেৱা লাভ কৰি ৰে'লেৰে ভ্ৰমণ কৰা সকলো যাত্ৰীয়েই উল্লিখিত লাভ আদায় কৰিব পাৰে।

৭) ৰাজহুৱা খণ্ডৰ বীমা কোম্পানীবোৰে সাধাৰণ বীমা পলিচীসমূহত প্ৰিমিয়ামৰ ১০ শতাংশ পৰ্যন্ত ডিছকাউণ্ট কিম্বা ক্ৰেডিট ব্যৱস্থাৰে উদগনি জনাব আৰু জীৱন বীমা নিগমৰ নতুন লাইফ পলিছিৰ ক্ষেত্ৰত এই ব্যৱস্থা ৮ শতাংশ পৰ্যন্ত থাকিব। গ্ৰাহক পোৰ্টেলৰ জৰিয়তে বিক্ৰী কৰা এনে বীমাৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব আৰু ডিজিটেল উপায়েৰে পে'মেণ্ট কৰিলেহে তেনে লাভ পাব পাৰিব।

৮) কেন্দ্ৰীয় চৰকাৰৰ বিভাগসমূহ আৰু কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰে এইটো নিশ্চিত কৰিব ডিজিটেল উপায়েৰে কৰা পে'মেণ্টৰ স'তে জড়িত লেনদেন মাছুল আৰু এম ডি আৰ মাচুল উপভোক্তাসকললৈ পঠাব নালাগিব। এনে ধৰণৰ সকলো খৰচ বিভাগ তথা খণ্ডবোৰে বহন কৰিব। ৰাজ্য চৰকাৰসমূহকো এই বিষয়ে অৱগত কৰা হৈছে। কোৱা হৈছে যে ৰাজ্য চৰকাৰ তথা তাৰ সংগঠনসমূহে ডিজিটেল পে'মেণ্ট সম্পৰ্কিত লেনদেন ফীজ আৰু এম ডি আৰ মাচুল তেওঁলোকে বহন কৰাৰ বিষয়ে বিবেচনা কৰা উচিত আৰু উপভোক্তাসকলক তাৰ বোজা বহন কৰিবলৈ কোৱা উচিত নহ'ব।

৯) ৰাজহুৱা খণ্ডৰ বেংকসমূহক পৰামৰ্শ আগবঢ়োৱা হয় যে বেপাৰ-বাণিজ্যৰ গৰাকী সদাগৰসকলে পি অ' এছ টাৰ্মিনেল/মাইক্ৰো এ টি এম/ ম'বাইল পি অ' এছৰ কাৰণে মাহিলি ভাৰাৰূপে প্ৰতিমাহে ১০০ টকাতকৈ অধিক পৰিশোধ কৰাটো উচিত নহ'ব। কাৰণ ডিজিটেল পে'মেণ্ট পদ্ধতিৰ মাজলৈ সৰু সৰু ব্যৱসায়ীক আনিবৰ কাৰণে তেওঁলোকৰ প্ৰয়াস অব্যাহত আছে। ৰাজহুৱা খণ্ডৰ বেংকসমূহৰদ্বাৰা প্ৰায় ৬.৫ লাখ মেচিন সদাগৰ-সকললৈ ইছ্যু কৰা হয়। তেওঁলোক কম ভাৰাৰপৰা উপকৃত হ'ব আৰু ডিজিটেল লেনদেন কাৰ্যক উৎসাহিত কৰিব। এই কম ভাৰা ব্যৱস্থাৰ ফলত অধিক সংখ্যক সদাগৰে এনে যন্ত্ৰ স্থাপন কৰিব আৰু ডিজিটেল লেনদেনৰ ক্ষেত্ৰত বৰঙণি যোগাব।

১০) প্ৰত্যেক লেনদেনত ২০০০ টকা পৰ্যন্ত ডিজিটেল লেনদেন মাচুল আৰু এম ডি আৰৰ ক্ষেত্ৰত কোনো সেৱা কৰ আৰোপ কৰা নহ'ব।

১১) আৰ এফ আই ডি কাৰ্ড/ফাষ্ট টেগ ব্যৱহাৰ কৰি ৰাষ্ট্ৰীয় ঘাইপথসমূহত থকা কৰ দিয়া স্থানসমূহত কৰ পৰিশোধৰ ক্ষেত্ৰত ব্যৱহাৰ কৰোঁতাসকললৈ ২০১৬-১৭ বৰ্ষৰ কালছোৱাত ১০ শতাংশ ৰেহাই দিয়াৰ সুবিধা পাব।

ওপৰত উল্লিখিত সকলোবোৰ ব্যৱস্থাৰ বাবে এইটো আশা কৰা হৈছে যে পুৰণি ৫০০ টকীয়া আৰু ১০০০ টকীয়া ন'টৰ চলন্তি বন্ধ কৰিবলৈ লোৱা বৰ্তমানৰ চৰকাৰখনৰ সিদ্ধান্তই অতি কম সময়ৰ ভিতৰতে ডিজিটেল বেংকিং প্ৰক্ৰিয়াক নতুন শিখৰত অৱস্থিত কৰিবৰ কাৰণে সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব আৰু তাৰ বাবে শেহতীয়া প্ৰযুক্তিৰ ব্যৱহাৰ তথা বিত্তীয় সম্বন্ধীয় সাক্ষৰতা বিষয়ৰ বৰ্দ্ধিত স্তৰে কাৰক শক্তিৰূপে অৰিহণা যোগাব। ❐


## 'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী

▯ 'পয়োভৰা'ৰ প্ৰতিখনৰ মূল্য ২২.০০ টকা আৰু বিশেষ সংখ্যাৰ মূল্য ৩০.০০ টকা। আনহাতে এবছৰৰ বাবে গ্ৰাহক মূল্য হ'ব ২৩০.০০ টকা, দুবছৰৰ বাবে ৪৩০.০০ টকা আৰু তিনি বছৰৰ বাবে ৬১০.০০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ▯ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। ▯ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। ▯ মণি-অৰ্ডাৰ পঠোৱাৰ ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩। ▯ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# বি-মুদ্ৰাকৰণ, নগদবিহীন অৰ্থনীতি আৰু বিকাশ

**বি কে পাটনায়ক***

২০১৬ চনৰ ৮ নৱেম্বৰৰ মাজনিশা ভাৰত চৰকাৰে উচ্চ মূল্যৰ নোটৰ ক্ষেত্ৰত যি বি-মুদ্ৰাকৰণ ব্যৱস্থা গ্ৰহণ কৰিবলৈ হাতত লয়, সেয়া হ'ল দেশখনৰ মুদ্ৰানীতিৰ অৰ্থনৈতিক ইতিহাসত এটা জলচ্ছেদ স্বৰূপ। অৰ্থনীতিবিদ, বুদ্ধিজীৱী, সমাজ বিজ্ঞানী, ৰাজনীতিবিদ আৰু সৰ্বসাধাৰণ লোক ক'লা ধনৰ ওপৰত ইয়াৰ প্ৰভাৱ কিমান ব্যাপক হ'ব সেই সম্বন্ধে সন্দেহৰ মাজত থাকে। তেনেদৰে সন্দেহৰ ভাব সৃষ্টি হয় অচল টকা, দুৰ্নীতি আৰু সন্ত্ৰাসবাদীৰ পুঁজিৰ ক্ষেত্ৰতো। অৰ্থনৈতিক বিকাশ সাধন আৰু উন্নয়নৰ ক্ষেত্ৰতো ইয়াৰ প্ৰভাৱ কেনেধৰণৰ হ'ব সেয়াও সন্দেহৰ আৱৰ্তত থাকি যায়। বি-মুদ্ৰাকৰণ হ'ল এনে এটা কাৰ্য যাৰদ্বাৰাই এখন ৰাষ্ট্ৰৰ চৰকাৰে এক বা ততোধিক চলিত ন'টৰ স্থিতি ন্যায়িকভাৱে অচল কৰি পেলায়। বি-মুদ্ৰাকৰণ প্ৰক্ৰিয়াত চলিত মুদ্ৰা বা ন'টক সম্পূৰ্ণৰূপে অপসাৰিত কৰা কাৰ্য জড়িত থাকে অথবা তেনে মুদ্ৰা বা ন'টবোৰ অপসাৰণ কৰি নতুন একে মূল্যৰ মুদ্ৰা বা ন'ট চলন্ত কৰা হয় কিম্বা সেই পুৰণি ন'টক অচল কৰি ভিন ভিন মূল্যৰ নতুন নোট বা মুদ্ৰা চলন্তি কাৰ্যকৰী কৰা হয়। বি-মুদ্ৰাকৰণৰ এই প্ৰক্ৰিয়া ঘাইকৈ দুৰ্নীতিৰ উপায়েৰে জমা কৰা ক'লা ধন উলিওৱাৰ লক্ষ্যৰ কথা মনত ৰাখি কৰা হয়।

বি-মুদ্ৰাকৰণৰ সন্দৰ্ভত বিভিন্নজনে আভিধানিক অৰ্থ দাঙি ধৰিছে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল জন ইটওৱেল পালগ্ৰেভৰ 'ডিক্‌শ্বনেৰি অব পলিটিকেল ইক'নমি'ত চৰকাৰৰদ্বাৰা এটা মুদ্ৰাৰ ব্যৱহাৰ অচল কৰা আৰু ইয়াৰ চলন্তি চকৰকাৰীভাৱে অপসাৰণ কৰা ৰূপে বৰ্ণনা কৰিছে। এন বি ঘোদকেৰ 'এ'নছাইক্ল'পীডিক ডিক্‌শ্বনেৰি অব ইক'নমিকছ'ত এই বুলি উল্লেখ কৰিছে যে কাগজৰ ন'টৰ মানৰ অধীনত 'বি-মুদ্ৰাকৰণ' শব্দটোৱে চলিত ন'ট্-সমূহ চলন্তি পৰিক্ৰমাৰপৰা সমুদায়ভাৱে অপসাৰণ কৰাক বুজায়। থৰ্পে এণ্ড থৰ্পেৰ মতে বি-মুদ্ৰাকৰণ হ'ল মুদ্ৰাৰ চলন্তি বন্ধ কৰা আৰু তেনে কাৰ্যৰ উদ্দেশ্য হ'ল ক'লা বজাৰৰ ন'ট তথা হিচাপবিহীন ধনৰ ওপৰত আঘাত কৰা। এইক্ষেত্ৰত কেৱল ভাৰতেই নহয়, আন বহু দেশেই তেনেধৰণৰ বি-মুদ্ৰাকৰণ কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ ভিতৰত কেইখনমান দেশ হ'ল— আমেৰিকাই ১৯৬৯ চনত বি-মুদ্ৰাকৰণৰ পদক্ষেপ গ্ৰহণ কৰিছিল, জাইৰে ১৯৯০ চনত, অষ্ট্ৰেলিয়াই ১৯৯৬ চনত, জিম্বাবোৱে ২০১০ চনত আৰু উত্তৰ কোৰিয়াই ২০১০ চনত এনে ব্যৱস্থা গ্ৰহণ কৰিছিল। এই প্ৰয়াসত আমেৰিকাৰ উন্নত উদাৰ অৰ্থ ব্যৱস্থাত সফলতা লাভ কৰিছিল। অষ্ট্ৰেলিয়াও কৃতকাৰ্য হৈছিল। কিন্তু অবিকশিত আফ্ৰিকাৰ দেশসমূহত কোনো ধৰণৰ সফলতা লাভ কৰিবলৈ সমৰ্থৱান হোৱা নাছিল।

ভাৰতৰ ক্ষেত্ৰত প্ৰথম বি-মুদ্ৰাকৰণ কাৰ্য গ্ৰহণ কৰা হৈছিল ১৯৪৬ চনত। তাৰ পিছত ১৯৭৮ চনত আন এটা তেনে কাৰ্য সাধন কৰা হৈছিল। সেই সময়ত উচ্চ মূল্যৰ ন'টৰ অংশ ভাগ আছিল মুঠ চলিত মুদ্ৰাৰ মাত্ৰ তিনি শতাংশ। ১৯৪৬ চনত চলন্তি ন'টৰ মুঠ মূল্য পৰিমাণ আছিল ১,২৩,৫৯৩ কোটি টকা। ইয়াৰ ভিতৰত ১৪৩.৯৭ কোটি টকা বি-মুদ্ৰাকৰণ কৰা হৈছিল। ১৯৭৮ চনত পুনৰ তেনে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। সেই বি-মুদ্ৰাকৰণৰ ধনৰাশি আছিল ১,০০০, ৫,০০০ আৰু ১০,০০০ টকীয়া ন'ট। এই ন'টবোৰ ১৯৪৮ চনতেই বি-মুদ্ৰাকৰণ কৰা হৈছিল। কিন্তু তাৰ পিছত ১৯৫৪ চনত এইবোৰ ন'টৰ পুনৰ প্ৰচলন কৰা হৈছিল। উল্লিখিত উচ্চ মূল্যৰ ন'টসমূহ সেই সময়ছোৱালৈকে (অৰ্থাৎ ১৯৭৮ চনলৈকে) বি-মুদ্ৰাকৰণ কৰাৰ পৰিমাণ আছিল ১৪৬ কোটি টকা, সেইবাবে অসুবিধাত পেলোৱাৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ তেনেই কম আছিল। প্ৰত্যক্ষ কৰ বিষয়ক তদন্ত সমিতিয়ে দাখিল কৰা অন্তৰ্বৰ্তী প্ৰতিবেদনত এই বুলি উল্লেখ কৰিছিল 'তেতিয়া বি-মুদ্ৰাকৰণ সফল হোৱা নাছিল। তাৰ কাৰণ হ'ল মুঠ যি পৰিমাণৰ ন'ট প্ৰচলন কৰা হৈছিল তাৰ এটা অতি সৰু অংশকহে বি-মুদ্ৰাকৰণ কৰা হৈছিল।'

২০১৬ চনৰ নৱেম্বৰৰ বি-মুদ্ৰাকৰণৰ সন্দৰ্ভত স্থিতিৰ বিষয়ে

*লেখক নতুন দিল্লীৰ স্কুল অব্ এক্সটেনশ্বন এণ্ড ডেভেলপমেণ্ট ষ্টাডিজৰ অধ্যাপক

ক'বলৈ গ'লে সেই বৰ্ষৰ কালছোৱাত যিমানবোৰ ন'ট প্ৰচলন হৈ আছিল তাৰ সৰহভাগেই আছিল ৫০০ আৰু ১০০০ টকীয়া ন'ট। শতাংশ হিচাপত ক'বলৈ গ'লে ইয়াৰ অংশ ভাগ হ'ল ৮৬ শতাংশ। ২০১৬ চনৰ মাৰ্চলৈকে ৰিজাৰ্ভ বেংকৰ পৰিসংখ্যা মতে যি ন'ট প্ৰচলন হৈ আছিল তাৰ পৰিমাণ হ'ল ১৬,৪১৫ বিলিয়ন টকা। ইয়াৰ ভিতৰত ৫০০ টকীয়া ন'ট প্ৰচলিত মূল্যৰ লেখত হ'ল ৪৭.৮ শতাংশ আৰু ১০০০ টকীয়া ন'ট ৩৮.৬ শতাংশ। দুয়োটাকে মিলালে প্ৰচলিত ন'টৰ ভিতৰত ইয়াৰ মূল্য পৰিমাণ হৈছিলগৈ ৮৬ শতাংশৰো অধিক। দ্বিতীয়তেঃ ২০১৬ বৰ্ষৰ তুলনাত ১৯৪৬ আৰু ১৯৭৮ বৰ্ষৰ কালছোৱাত অৰ্থনীতিৰ আকাৰ, ইয়াৰ বৃদ্ধি হাৰ তথা অৰ্থনৈতিক বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ড তথা সেৱা খণ্ডৰ ভূমিকা কম আছিল। তৃতীয়তেঃ আয়কৰৰ পৰিসৰৰ ভিতৰত জনগণৰ সংখ্যাও ১৯৪৬ আৰু ১৯৭৮ বৰ্ষৰ কালছোৱাত সিমান বৃহৎ নাছিল। বৰ্তমানে 'পান কাৰ্ড'ৰ গৰাকীৰ সংখ্যা ১১ কোটিতকৈও অধিক আৰু এই সংখ্যা বৃদ্ধিৰ পথত আছে। চতুৰ্থতে, ১৯৪৬ আৰু ১৯৭৮ বৰ্ষত লোকসকলে বহুলভাৱে জনা নাছিল যে চৰকাৰে সোনকালে অথবা পৰৱৰ্তী সময়ত বি-মুদ্ৰাকৰণ ব্যৱস্থা জাৰি কৰিব আৰু সেয়ে সেই কালছোৱাৰ বি-মুদ্ৰাকৰণে অৰ্থনীতিৰ ক্ষেত্ৰত কোনো বিশেষ ধৰণে সুফল প্ৰদান কৰিব নোৱাৰিলে। কিন্তু ২০১৬ চনৰ বি-মুদ্ৰাকৰণৰ হাতত লোৱা ব্যৱস্থা সুকীয়া ধৰণৰ। ১৯৪৬ আৰু ১৯৭৮ চনৰপৰা একেবাৰে বেলেগ। ২০১৬ বৰ্ষৰ এটা মূল বৈশিষ্ট্য হ'ল এই কৰ্ম পৰিকল্পনাক বৰ গোপন কৰি ৰখা হৈছিল যাতে ক'লা ধন জমা কৰি ৰখাসকলে তেওঁলোকৰ ক'লা ধন আৰু অচল ন'ট বগা কৰিবলৈ কোনো সুবিধা নেপায়।

এই বি-মুদ্ৰাকৰণৰ অন্তৰালত থকা গুৰুত্বপূৰ্ণ উদ্দেশ্যসমূহ হ'ল ঃ (১) দেশখনত ক'লা ধন উদ্‌ঘাটন কৰা, (২) দুৰ্নীতিৰ ওপৰত বাধা জন্মোৱা আৰু (৩) দেশখনত সন্ত্ৰাসবাদী তথা উগ্ৰপন্থী-সকলৰ কাম-কাজত পুঁজি প্ৰদান কৰাৰ ক্ষেত্ৰত দেশৰ ভিতৰত আৰু কাষৰীয়া দেশ উভয়তে সংগঠনে ব্যৱহাৰ কৰা অচল ন'ট বিনাশ কৰা। বি-মুদ্ৰাকৰণৰ বিষয়ে ঘোষণা কৰা সময়ত প্ৰধান মন্ত্ৰীয়ে দিয়া ভাষণত এনেদৰে কৈছিল—'বহু বছৰৰ পৰা এই দেশখনে অনুভৱ কৰিছে যে দুৰ্নীতি, ক'লা ধন আৰু সন্ত্ৰাসবাদ কাৰ্যকলাপ ইমান বেছি বৃদ্ধি পাইছে যে বিকাশৰ পিনে আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত আমাক ধৰি ৰাখিছে।' তেওঁ আৰু ঘোষণা কৰে — 'দুৰ্নীতি আৰু ক'লা ধনৰ বান্ধোন ছিন্ন কৰিবৰ বাবে আমি ২০১৬ চনৰ ৮ নৱেম্বৰৰ মাজনিশাৰ পৰা বৰ্তমানে ন্যায়িকভাৱে চলি থকা ৫০০ আৰু ১০০০ টকীয়া ন'ট বি-মুদ্ৰাকৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিলো।' তদুপৰি ইয়াৰ উদ্দেশ্য হ'ল কাৰ্যৰপৰা উপলব্ধ কৰযোগ্য উপাৰ্জন ৰাশিক অৰ্থনৈতিক বৃদ্ধি সাধন তথা বিকাশমূলক কাম-কাজত ব্যয় কৰা। লগতে দুখীয়া লোকসকলৰ অৰ্থনৈতিক উৎকৰ্ষ সাধনৰ বাবেও কামত খটোৱা হ'ব। বি-মুদ্ৰাকৰণৰ প্ৰয়াস হ'ল মূলতঃ বিকাশৰ ক্ষেত্ৰত এটা স্পষ্ট ৰূপত বৃদ্ধি আৰু সমতাৰ গতিধাৰাক ত্বৰান্বিত কৰিবলৈ বিচৰা হৈছে।

ক'লা ধনক বিভিন্ন ৰূপত জনা যায়। তাৰ কিছুমান হ'ল এনেধৰণৰ— 'ক'লা উপাৰ্জন', 'কলুষ ধন', 'হিচাপত নধৰা উপাৰ্জন, 'অচল টকা' আৰু এইবোৰ উপলব্ধ কৰা হয় দুৰ্নীতি, উপঢৌকন, ক'লা বজাৰ, গোপনভাৱে বস্ত্ৰ সৰবৰাহ, সন্ত্ৰাসবাদ, চোৰাং কাৰবাৰ, নিষিদ্ধ সা-সামগ্ৰীৰ ক্ষেত্ৰত অবৈধ বেপাৰ আৰু ধন ইহাত-সিহাত কৰি প্ৰৱঞ্চনামূলক জমা কাৰ্যৰ জৰিয়তে। এই অসাধুজনক উপাৰ্জন 'আৰু সম্পত্তি আয়কৰ জালৰ অধীনলৈ নাহে আৰু ইয়াক কিছু শতাংশ লোকেহে তাক জমা কৰে— ঘাইকৈ দুৰ্নীতিপৰায়ণ আৰু অপৰাধমূলক কাম-কাজত লিপ্ত থকা লোকসকলে। ফল-স্বৰূপে, ভাৰতৰ অৰ্থনৈতিক বিকাশ আৰু উন্নয়নৰ পথত এক ডাঙৰ হেঙাৰ হৈ থিয় দিয়ে। মুঠৰ ওপৰত ক'বলৈ বহু ক'লা ধন হ'ল 'হিচাপত নধৰা ধন' আৰু এনে উপাৰ্জন কৰ জালৰ পৰাও সাৰি যায়। এনে ধন নগদ আকাৰত জমা কৰি অন্যান্য মূল্যৱান সম্পদৰ ক্ষেত্ৰত বিনিয়োগ কৰিব পাৰে। তেনেবোৰ সম্পদ হ'ল, যেনে— মাটি-ভেটি, গৃহ, সোণ, গহনাপাতি আৰু অন্যান্য মূল্যৱান স্থায়ী সা-সম্পত্তি।

ক'লা ধনৰ উপস্থিতি হ'ল দেশখনত অধিক অৰ্থিনৈতিক অসমতাৰ বোজা সহিব লগা মূল কাৰকসমূহৰ ভিতৰত অন্যতম। তেনেদৰে দৰিদ্ৰতা আৰু নিৰনুৱা অৱস্থাই গা কৰি উঠাও সেই একেই কাৰণ। 'এন আই পি এফ পি'ৰ মতে ক'লা উপাৰ্জনৰ ধনৰাশি হ'ল মুঠ আয়ৰ এটা অংশ বিশেষ আৰু ই কৰযোগ্য, কিন্তু এই বিষয়ে কৰ কৰ্তৃপক্ষক বিদিত কৰা নহয়। ক'লা ধনৰ সন্দৰ্ভত ১৯৭১ চনত ৱাঞ্চু সমিতিয়ে দাখিল কৰা প্ৰতিবেদনত ক'লা ধনক 'দেশখনৰ অৰ্থনীতিত এক কেঞ্চাৰ ৰূপে বৃদ্ধি পাইছে' বুলি উল্লেখ কৰিছিল। 'ইয়াক যদি সময় মতে ৰোধ কৰা নহয়, তেনেহ'লে ই নিশ্চয়কৈ ধ্বংসৰ পিনে

আগুৱাই লৈ যাব' বুলি মত প্ৰকাশ কৰিছিল। সমিতিৰ প্ৰতিবেদনত এই বুলিও উল্লেখ কৰিছিল 'ক'লা ধন কেৱল হিচাপত নধৰা ধনৰাশিকে নুবুজায়— যি ধনৰাশি হয় জমা কৰি ৰখা হয়, কিম্বা সুবিদিত বেহা-বেপাৰ কৰা প্ৰণালীৰ বাহিৰত চলন্ত কৰি থকা হয়, তদুপৰি ইয়াক সোণ, গহনাপাতি, আনকি গোপনভাৱে তৈয়াৰী মূল্যৱান মণি, বাখৰ আদিতো বিনিয়োগ কৰা হয়। মাটি-বাৰী, বিল্ডিং আৰু ব্যৱসায়িক সা-সম্পত্তিৰ ক্ষেত্ৰতো বিনিয়োগ কৰা হয়। এই সকলোবোৰ ধন হিচাপত দেখুওৱা আৰ্জিনামাৰ ওপৰঞ্চি।' সমিতিয়ে উচ্চ মূল্যৰ ন'টসমূহ অপসাৰণ কৰিবৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। ক'লা ধনৰ সন্দৰ্ভত ২০১২ চনৰ মে'ত কেইটামান বিভাগৰ যুটীয়া প্ৰচেষ্টাত যুগুতাই উলিওৱা শ্বেতপত্ৰত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। সেই শ্বেতপত্ৰত জড়িত থকা বিভাগবোৰ হ'ল— বিত্ত মন্ত্ৰণালয়, ৰাজহ বিভাগ আৰু প্ৰত্যক্ষ কৰৰ কেন্দ্ৰীয় বোৰ্ড। সেই মন্তব্য হ'ল এনে ধৰণৰ— 'সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত প্ৰকাশমান ঘটা ক'লা ধনৰ প্ৰভাৱে প্ৰশাসন প্ৰতিষ্ঠান-সমূহত অস্থিৰতাৰ সূচনা কৰে আৰু দেশখনৰ ৰাজহুৱা নীতি পৰিচালনা কৰাৰ ক্ষেত্ৰতো সুনিশ্চিতভাৱে আগবাঢ়ি যোৱাত হেঙাৰ হৈ থিয় দিয়ে।' প্ৰতিবেদনত সেয়ে দুনীতি আৰু ক'লা ধনৰ শিপা উৎখাত কৰাৰ পোষকতা কৰা হয়। প্ৰতিবেদনত স্পষ্টভাৱে উল্লেখ কৰা হয় যে এটা সৰ্বাত্মক দিশৰ বিকাশ কৌশল অৱলম্বন কৰাৰ সফলতা নিৰ্ভৰ কৰে আমাৰ সমাজখনে দুৰ্নীতি আৰু ক'লা ধনৰ ভেটিয়ে খোপনি পুতি লোৱা শিপাক উভালি পেলাব পৰা সামৰ্থ্য আৰু ক্ষমতাৰ ওপৰত।

**নগদবিহীন ধনৰ অৰ্থনীতি**

নগদবিহীন ধনৰ অৰ্থনীতিৰ অৰ্থ হ'ল লেনদেনত অধিকভাৱে ডিজিটেল উপায় অৱলম্বন কৰা আৰু নগদ ধনৰ ব্যৱহাৰ কম কৰা। আন কথাত ক'বলৈ গ'লে ই নগদ ধনৰ নাটনি বা কম যোগান ধৰাক নুবুজায়, বৰং নগদ ধনৰ কম ব্যৱহাৰ আৰু ডিজিটেল লেনদেনৰ অধিক ব্যৱহাৰ কৰাকে অৰ্থ কৰে। তেনে ডিজিটেল লেনদেনৰ উপায়সমূহ হ'ল— ডেবিট কাৰ্ড, ক্ৰেডিট কাৰ্ড, ইণ্টাৰনেট বেংকিং। 'ম'বাইল ফোন এপ'ৰ জৰিয়তেও তেনে কাম-কাজ সাধন কৰা হয়। এয়া হ'ল এটা অৰ্থনৈতিক পদ্ধতি— য'ত লেনদেন ঘাইকৈ প্ৰকৃত নগদ ধনেৰে বিনিময় কৰা নহয়। অৱশ্যে নগদ ধনৰ লেনদেন হ'ল বিকাশমুখী দেশসমূহত সা-সামগ্ৰী ক্ৰয় কৰা কালত ধন আদায় দিয়াটো এটা গুৰুত্বপূৰ্ণ গতিধাৰা। পিছে ইউৰোপৰ প্ৰায়ভাগ উন্নত দেশ আৰু আমেৰিকাতো সা-সামগ্ৰী ক্ৰয় কৰোঁতে ডিজিটেল পদ্ধতিৰে লেনদেন কৰাটো হ'ল এটা ঘাই বিনিময়মূলক ধৰণ-কৰণ। বিশ্বৰ উন্নত দেশবোৰে যথেষ্টভাৱে কাগজৰ নোটেৰে নগদ ধন আদায় দিয়া কাৰ্য এৰাই চলি বৈদ্যুতিন পদ্ধতিৰ পিনে গতি কৰিছে— বিশেষকৈ পে'মেণ্ট কাৰ্ড ব্যৱস্থাৰ দিশে। বিশ্ব বেংকৰ ২০১৬ চনৰ বিকাশ প্ৰতিবেদনত এইবুলি উল্লেখ কৰা হৈছে যে ডিজিটেল প্ৰযুক্তিসমূহে বিকাশ গতিক উৎসাহিত কৰাৰ অনেক উদাহৰণ আছে। তেনেবোৰ প্ৰযুক্তিয়ে সুযোগ-সুবিধাৰ পথ বিস্তাৰিত কৰিছে আৰু সেৱা প্ৰদানৰ অৱস্থাৰো উন্নতি সাধিছে। উন্নত অৰ্থব্যৱস্থাত ডিজিটেল অৰ্থনীতিৰ আকাৰ ডাঙৰ হোৱা হেতুকে বিকাশমুখী দেশবোৰৰ তুলনাত সেই উন্নত দেশবোৰত দুৰ্নীতি কম হোৱাটো এটা অন্যতম কাৰণ হৈ মানসপটত ধৰা দিছে। আনহাতে বিকাশমুখী দেশসমূহত দুৰ্নীতিয়েই হ'ল ক'লা ধনৰ প্ৰধান উৎস আৰু বৃহৎ আকাৰৰ অনানুষ্ঠানিক অৰ্থনীতি অৱস্থিতিৰ কাৰণ। সকলো সন্ত্ৰাসবাদী কাম-কাজ চলোৱা আৰু কৰ ফাকি দিয়াৰ ক্ষেত্ৰতো দুৰ্নীতিৰ বৰঙণি উল্লেখযোগ্য।

সেইবাবে দুৰ্নীতি আৰু ক'লা ধনৰ বিপদাপন্ন অৱস্থাৰ পৰা হাত সাৰিবলৈ আৰু সামাজিক ন্যায়সহ অধিক স্বচ্ছ আৰু পৰিষ্কাৰ অৰ্থনৈতিক বৃদ্ধি সাধনৰ অৰ্থে নগদ ধনৰ কম ব্যৱহাৰ কৰাটো হ'ল এটা ভাল পৰামৰ্শমূলক ব্যৱস্থা। আন কথাত ক'বলৈ গ'লে নগদ ধন বিহীন সমাজখনে টকাৰ ন'ট্ ছপা কৰিবৰ বাবে চৰকাৰৰ ওপৰত পৰা বোজা আৰু সেই ন'ট্‌বোৰ কঢ়িয়াই নিবৰ বাবে লোকসকলৰ ক্ষেত্ৰত থকা দায়িত্বকে কেৱল উপশম নকৰিব, তাৰ উপৰি ই ক'লা ধন, দুৰ্নীতি, জেপ লুৰুকা, চোৰ-ডকাইত, কৰ ফাকি দিয়া কাৰ্যক উৎখাত কৰিব। লগতে বিকাশ-মুখী দেশসমূহৰ অনানুষ্ঠানিক অৰ্থনীতিৰ আকাৰো ৰোধ কৰিব।

নগদ ধন ব্যৱহাৰ কৰাৰ ক্ষেত্ৰতো এটা মন কৰিবলগীয়া বিষয় আছে আৰু সেয়া হ'ল ক'লা ধনৰ সুবিধাকাৰক উপায়, কিয়নো নগদ ধনৰ লেনদেনত কোনো গাণনিক পৰীক্ষাৰ সুবিধা নিদিয়ে। কিন্তু ইয়াৰ বিপৰীতে বেংকৰ ডেবিট কাৰ্ড তথা ক্ৰেটিড কাৰ্ডৰ ব্যৱহাৰে ক'লা ধন আৰু হিচাপহীন লেনদেনক নিৰুৎসাহ কৰিব, কাৰণ সেইবোৰে গাণনিক পৰীক্ষাৰ বাবে যথেষ্ট পৰিচয় প্ৰদান কৰিব। ফলস্বৰূপে, ক'লা ধন উদ্ৰেককৰণত উৎসাহ-উদগনি যোগোৱা কাৰ্যক নিৰ্লিপ্ত কৰিব। আন কথাত ক'বলৈ গ'লে বি-মুদ্ৰাকৰণে ক'লা

**১নং তালিকা ঃ কেইখনমান নিৰ্বাচিত দেশত নগদবিহীন আৰু দুৰ্নীতিৰ স্থিতি**

| দেশসমূহ | নগদবিহীন পে'মেণ্ট % হিচাপত | কৰাপ্‌শ্বন্, পৰ্‌ছে'প্‌শ্বন্ ইনডেক্স (২০১৫) | কৰাপ্‌শ্বন্, পৰ্‌ছে'প্‌শ্বন্ ইনডেক্সত স্থান (২০১৫) |
|---|---|---|---|
| বেলজিয়াম | ৯৩ | ৭৭ | ১৫ |
| ফ্ৰান্স | ৯২ | ৭০ | ২৩ |
| কানাডা | ৯০ | ৮৩ | ৯ |
| ব্ৰিটেইন | ৮৯ | ৮১ | ১০ |
| ছুইডেন | ৮৯ | ৮৯ | ৩ |
| অষ্ট্ৰেলিয়া | ৮৬ | ৭৯ | ১৩ |
| নেদাৰলেণ্ড | ৮৫ | ৮৭ | ৫ |
| আমেৰিকা | ৮০ | ৭৬ | ১৬ |
| জাৰ্মানী | ৭৬ | ৮১ | ১০ |
| দক্ষিণ কোৰিয়া | ৭০ | ৫৬ | ৩৭ |
| ভাৰত | ২৩ | ৩৮ | ৭৬ |

ধন আৰু ইয়াৰ উৎস উদঙাই পেলাব আৰু ডিজিটেল লেনদেনে সমাজত ক'লা ধনৰ উদগনি যোগোৱা কাৰ্যক নিৰুৎসাহিত কৰিব। ছুইডেনত ৮৯ শতাংশ নগদবিহীনভাৱে কাৰ্য সমাপন কৰা হয় আৰু 'কৰাপ্‌শ্বন্, পৰ্‌ছে'প্‌শ্বন্ ইনডেক্স' অৰ্থাৎ দুৰ্নীতি সম্বন্ধে যি দৃষ্টিগোচৰ ভাৱধাৰা পোষণ কৰা হয়, সেই সূচীত এই দেশৰ স্থান হ'ল তৃতীয়। ভাৰতত আনুমানিক হিচাপত ২২ শতাংশ কাম-কাজ নগদবিহীনভাৱে কৰা হয় আৰু সেই 'কৰাপ্‌শ্বন্, পৰ্‌ছে'প্‌শ্বন্ ইনডেক্স'ত ভাৰতৰ স্থান হ'ল ৭৬। ইয়াৰ পৰা এইটো প্ৰমাণিত হয় যে নগদবিহীন লেনদেন আৰু দুৰ্নীতিৰ মাজত এটা শক্তিশালী নেতিবাচক পাৰস্পৰিক সম্বন্ধ আছে। ই এইটোকে বুজায় যে নগদ-বিহীন লেনদেন যিমানেই অধিক হয় সিমানেই দুৰ্নীতি কম হয় তথা তাৰ ওলোটা হ'লে বিপৰীত ফল পোৱা যায়। নগদবিহীন লেনদেনৰ আন এটা গুৰুত্বপূৰ্ণ লাভৰ দিশ হ'ল ই ন'ট ছপোৱা, পৰিবহণ কৰা তথা ইয়াৰ স'তে জড়িত থকা অন্যান্য খৰচ-পাতিৰ বোজা হ্ৰাস কৰিব। ৰিজাৰ্ভ বেংক অব ইণ্ডিয়া আৰু বাণিজ্যিক বেংকসমূহে টকা সংগ্ৰহ কৰা, বিতৰণ কৰা আদি কামবোৰত বছৰি কিমান ব্যয় কৰে সেই সম্পৰ্কে এটা হিচাপ কৰি উলিওৱা হয় আৰু সেই হিচাপ মতে সেই বাৰ্ষিক খৰচৰ পৰিমাণ হ'ল প্ৰায় ২১,০০০ কোটি টকা (ডলাৰৰ হিচাপত ৩.৫ বিলিয়ন)।

নগদবিহীন অৰ্থনীতিৰ আন এটা নিৰ্ণায়ক হ'ল নগদ-তথা মুঠ ঘৰুৱা উৎপাদন সমানুপাতৰ হাৰ। ছুইডেনত এই নগদ-তথা মুঠ ঘৰুৱা উৎপাদনৰ সমানুপাতৰ হাৰ হ'ল মাত্ৰ ১.৭৩ শতাংশ। ভাৰতৰ হ'ল ১০.৮৬ শতাংশ। যিটো ছুইডেনৰ তুলনাত নগুণতকৈ অধিক বেছি। বি-মুদ্ৰাকৰণ আৰু চলন্তি ব্যৱস্থাৰপৰা উক্ত মূল্যৰ ন'ট্ অপসাৰণে এই নগদ-তথা মুঠ ঘৰুৱা সমানুপাতৰ হাৰ কমাব। ষ্টেট বেংকৰ মুখ্য অৰ্থনীতিবিদ সৌম্য কান্তি ঘোষৰ মতে 'সম্পূৰ্ণৰূপে পুনৰ মুদ্ৰাকৰণ কৰাৰ পিছত চলিত মুদ্ৰাৰ স্তৰ ১০ শতাংশ মুঠ ঘৰুৱা উৎপাদনৰ অলপ কমলৈ আহিব পাৰে।'

নগদবিহীন অৰ্থনীতিৰ এটা অন্যতম প্ৰয়োজনীয় বিষয় হ'ল বিত্তীয় দিশত অন্তৰ্ভুক্তিকৰণৰ ব্যৱস্থা। এই বিত্তীয় অন্তৰ্ভুক্তিকৰণৰ অৰ্থ হ'ল দেশৰ বিত্তীয় পদ্ধতিৰ মতে জনগণক নিশ্চয়েই সংযোগ কৰিব লাগিব আৰু সেই পদ্ধতিৰ এটা অংশস্বৰূপো কৰি তুলিব লাগিব। বেংক আৰু ডাকঘৰসমূহৰ দৰে বিত্তীয় প্ৰতিষ্ঠানবোৰত একাউণ্ট অৰ্থাৎ হিচাপবহী খুলি প্ৰতিষ্ঠানমূলক বিত্তীয় পদ্ধতিৰ ঘাই সুঁতিত জনগণক বিত্তীয়-ভাৱে অন্তৰ্ভুক্ত কৰা হ'ব। বিশ্ব বেংকৰ পৰিসংখ্যাত এইটো পৰিলক্ষিত হয় যে ২০১৪ বৰ্ষৰ কালছোৱালৈকে ভাৰতৰ মান ৫২.৮ শতাংশ প্ৰাপ্তবয়স্ক লোকৰ বিত্তীয় প্ৰতিষ্ঠানসমূহত হিচাপবহী আছিল। ইয়াৰ ভিতৰত মাত্ৰ ১০.৭, ৩.৪ আৰু ১.২ শতাংশ লোকেহে ধন আদায় দিবৰ বাবে ডেবিট কাৰ্ড, ক্ৰেডিট কাৰ্ড আৰু ইণ্টাৰনেট বেংকিং পদ্ধতি ব্যৱহাৰ কৰিছিল। ইয়াৰ অৰ্থ হ'ল এইটোৱেই যে ভাৰতত ডিজিটেল লেনদেন তেনেই সীমিত। সেয়ে এনে ব্যৱস্থাৰ অধিক উন্নতি সাধন কৰা প্ৰয়োজন।

**বি-মুদ্ৰাকৰণ তথা নগদবিহীন অৰ্থনীতি লাভৰ প্ৰেক্ষাপট**

বি-মুদ্ৰাকৰণৰ ফলত হোৱা লাভৰ প্ৰেক্ষাপট এনেধৰণৰ ঃ (১) ই ধন লুকুৱাই থোৱা কাৰ্যক ৰোধ কৰিব আৰু তাৰ ফলস্বৰূপে একাধিক পৰিমাণৰ ধন বেংকিং পদ্ধতিলৈ আহিব। এয়া চলিত কিম্বা সঞ্চয় একাউণ্টৰ ৰূপত গতি লাভ

কৰিব। সেই সঞ্চয়ৰ ধনৰাশিয়ে বিনিয়োগ বৃদ্ধি কৰিব আৰু অৰ্থনীতিত মূলধনী গঢ়-গঠনৰ পথ মুকলি কৰিব। (২) নিষিদ্ধ টকাসমূহ জমা কৰিবৰ বাবে নতুন বেংক একাউণ্ট খোলা কাৰ্যৰ পৰা দেখা যায় যে ই সাধাৰণ লোকসকলৰ মাজত বেংকিং ব্যৱস্থা জনাত উৎসাহিত কৰিছে আৰু বেংকিং পদ্ধতিৰ বিষয়ে নজনা সাধাৰণ লোকক সংযোগ কৰিছে। (৩) জন ধন বেংক একাউণ্টত বিপুল পৰিমাণৰ ধন জমা কৰা আৰু নতুন জন ধন একাউণ্ট বৃহৎ সংখ্যাত খোলাটোৱে এই কথা পৰিষ্কাৰ কৰিছে যে পূৰ্বতে যিসকল লোকে বেংকৰ প্ৰতি এটা ভয়ভাব ৰাখিছিল আৰু বেংকিং অভ্যাসৰ অভাৱ আছিল, সেইসকলক বেংকিং পদ্ধতিৰ আওটালৈ আনিবলৈ লোৱা হৈছে। এজন সাধাৰণ ব্যক্তিয়ে এটা বাৰ্তা চেনেলক কৈছিল, 'আগতে মই বেংকলৈ আহিবলৈ ভয় কৰিছিলোঁ, এই বি-মুদ্ৰাকৰণে অন্ততঃ মোৰ এই ভয় দূৰ কৰিলে। এতিয়া আমি একাউণ্ট খুলিব পাৰো, টকা উলিওৱা প্ৰ-পত্ৰতো সবিশেষ লিখি দাখিল কৰিব পাৰোঁ।

**২নং তালিকা ঃ নিৰ্বাচিত দেশসমূহত নগদ তথা মুঠ ঘৰুৱা উৎপাদনৰ সমানুপাত (শতাংশ হাৰত)**

| দেশ | শতাংশৰ হাৰ |
|---|---|
| ছুইডেন | ১.৭৩ |
| দক্ষিণ আফ্ৰিকা | ২.৩৯ |
| ব্ৰিটেইন | ৩.৭২ |
| ব্ৰাজিল | ৩.৮২ |
| কানাডা | ৪.০৮ |
| আমেৰিকা | ৭.৯ |
| ছিংগাপুৰ | ৯.৫৫ |
| ৰাছিয়া | ১০.৫৬ |
| ভাৰত | ১০.৮৬ |

এতিয়া আৰু কোনো ভয় নাই।' পৰিসংখ্যাৰ পৰা দেখা যায় যে জন ধন একাউণ্টৰ বহুতেই পূৰ্বতে জমা ধনৰ পৰিমাণ শূন্য আছিল, কিন্তু ২০১৬ চনৰ নৱেম্বৰৰপৰা ইয়াৰ পৰিমাণ বহু বাঢ়ি যায়। নৱেম্বৰত আছিল ৪৫,৬৩৬ কোটি, টকা, কিন্তু সেই মাহৰে ২৩ নৱেম্বৰত তাৰ পৰিমাণ বাঢ়ি গৈ ৭২,৮৪৩ কোটি টকাত স্থিত হয়। (৪) ই বেংকিং পদ্ধতিক শক্তিশালী কৰিছে, কিয়নো বহু বেংকৰ শাখাবাৰে 'এন পি এ'ৰ (নন্-পাৰ্ফমিং এছেটছ) ভীষণ সমস্যাৰ সন্মুখীন হয়। অধিক ঋণ প্ৰদান কৰাৰ বেংক সামৰ্থ্যক বৃদ্ধি কৰা হ'ব আৰু তাৰ ফলস্বৰূপে অৰ্থনীতিত বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰিব। বেংকত সঞ্চয়ৰ পৰিমাণ বৃদ্ধিয়ে ঋণ প্ৰদান কৰাৰ সামৰ্থ্যও বৃদ্ধি কৰিব আৰু তেনেদৰে অৰ্থনীতিত বিনিয়োগৰ দিশটোক উৎসাহিত কৰিব। (৫) বেংকসমূহত জমা কৰা অতিৰিক্ত উপাৰ্জনৰ ধনৰাশিয়ে চৰকাৰৰ বাবে কৰযোগ্য উপাৰ্জন সঞ্চাৰ কৰিব পাৰে আৰু সেই ধনৰাশিক অৰ্থনীতিৰ বিভিন্ন খণ্ডত দুখীয়া লোকসকলৰ বাবে নানা কল্যাণমূলক কাৰ্যসূচীত খৰচ কৰিব পাৰে। (৬) পুনৰ মুদ্ৰাকৰণ প্ৰক্ৰিয়া কালত (ৰি-মনিটাইজেশ্বন প্ৰ'ছে'ছ) ধনৰ যোগান আৰু বজাৰলৈ তাৰ সোঁতৰ গতি লেহেমীয়া হয়। ই অৰ্থনীতিত মুদ্ৰাস্ফিতি নিয়ন্ত্ৰণ কৰাত সহায় কৰিব। (৭) বি-মুদ্ৰাকৰণৰ জৰিয়তে যি ধনৰাশি গোপন অৱস্থাৰপৰা উলিয়াই অনা হ'ব, সেই ধনৰাশিক যদি দুখীয়াসকলৰ উৎকৰ্ষ সাধনৰ বাবে সুচিন্তিত আৰু নিষ্ঠাৱানভাৱে খৰচ কৰা হয়, তেনেহ'লে ই দৰিদ্ৰতা হ্ৰাস আৰু সমাজত অসমতা দূৰ কৰাত সহায় কৰিব। (৮) দুৰ্নীতি আৰু অসাধু উপায়েৰে ক'লা ধন অৰ্জন কৰা লোকসকল পৰিষ্কাৰকৈ ওলাই পৰিব আৰু শাস্তিও বিহা হ'ব আৰু তাৰ দ্বাৰাই এখন দুৰ্নীতিমুক্ত সমাজৰ পিনে গতি কৰা পথ মুকলি হ'ব। ই দেশখনত এক দুৰ্নীতিমুক্ত প্ৰশাসন আৰু ৰাজনৈতিক পৰিৱেশ সৃষ্টি কৰাত সহায় কৰিব। (৯) ক'লা ধন উদ্ধাৰ কৰি আৰু দুৰ্নীতিপৰায়ণ ব্যৱসায়ী, ৰাজনীতিবিদ তথা আমোলাসকলৰ ওপৰত চলোৱা তালাচী কাৰ্যৰ ফলত উপলব্ধ কৰা উপাৰ্জনৰাশিয়ে বিত্তীয় ঘাটি হ্ৰাস কৰিব। নিটি আয়োগৰ উপাধ্যক্ষ অৰৱিন্দ পানাগাৰিয়াই আশা প্ৰকাশ কৰে যে বি-মুদ্ৰাকৰণে যথেষ্টভাৱে কৰ লাভৰ পথ মুকলি কৰিব আৰু আগন্তুক বছৰবোৰত অৰ্থনীতি শক্তিশালীভাৱে ঘূৰি অহাত সহায় কৰিব। (১০) অৰ্থনীতিলৈ ই বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ সোঁত বোৱা দৃঢ় কৰিব, কিয়নো বিদেশী বিনিয়োগৰ ক্ষেত্ৰত দুৰ্নীতিমুক্ত পৰিৱেশৰ আৱশ্যক হয়। (১১) এই পদক্ষেপে ক'লা ধন সঞ্চাৰ কৰা ৰোধ কৰিব আৰু লগতে অন্যান্য উন্নত দেশবোৰৰ বিদেশৰ বেংক একাউণ্টসমূহলৈ অবৈধ ধনৰ বহিঃ সোঁতৰ গতি নিয়ন্ত্ৰণ কৰাতো সহায়ক হ'ব। ক'লা ধনৰ গৰাকীসকলৰ ক্ষেত্ৰত চলোৱা তালাচী কাৰ্যই 'ধনৰ ইহাত-সিহাত' কৰা আৰু 'হাৱালা' লেনদেন উদ্‌ঘাটন তথা নিয়ন্ত্ৰণো কৰিব। (১২) বি-মুদ্ৰাকৰণে সন্ত্ৰাসবাদী আৰু নক্সালবাদীৰ পুঁজি সংগ্ৰহ প্ৰক্ৰিয়াত এটা ডাঙৰ আঘাত হানিছে, কাৰণ এই সংগঠনবোৰে অস্ত্ৰ-শস্ত্ৰ ক্ৰয় আৰু সন্ত্ৰাসবাদী শিবিৰ, প্ৰশিক্ষণ আৰু সন্ত্ৰাসবাদীৰ আক্ৰমণ কাৰ্য পৰিচালনা কৰিবৰ বাবে উচ্চ মূল্যৰ অচল টকা ব্যৱহাৰ কৰে। নগদবিহীন লেনদেনে অচল টকাৰ ব্যৱহাৰ ৰোধ কৰিব আৰু সন্ত্ৰাসবাদৰ পুঁজি সংগ্ৰহ কৰা কাৰ্যত

**৩ নং তালিকা ঃ ভাৰতত বিত্তীয় অন্তৰ্ভুক্তিকৰণ**
**(শতাংশ হিচাপত ১৫ বছৰ বয়সৰ উৰ্দ্ধত), ২০১৪**

| ধৰণ | শতাংশ |
|---|---|
| বিত্তীয় প্ৰতিষ্ঠানৰ একাউণ্টৰ স'তে | ৫২.৮ |
| ডেবিট কাৰ্ড থকা | ২২.১ |
| এ টি এম হ'ল টকা উলিওৱা ঘাই উপায় | ৩৩.১ |
| ধন আদায় দিবলৈ ডেবিট কাৰ্ডৰ ব্যৱহাৰ | ১০.৭ |
| ধন আদায় দিবলৈ ক্ৰেডিট কাৰ্ডৰ ব্যৱহাৰ | ৩.৪ |
| বিলৰ ধন পৰিশোধ কিম্বা ক্ৰয়ৰ বাবে ইণ্টাৰনেটৰ ব্যৱহাৰ | ১.২ |
| বিত্তীয় প্ৰতিষ্ঠানত সঞ্চয় | ১৪.৪ |
| বিত্তীয় প্ৰতিষ্ঠানৰপৰা লোৱা ঋণ | ৬.৪ |

*২০-১২-২০১৬ৰ তথ্য

নিৰুৎসাহিত কৰিব। (১৩) যদি নিৰ্দিষ্টকৈ নিয়মীয়া কালৰ মূৰে মূৰে বি-মুদ্ৰাকৰণ কৰা হয়, তেনেহ'লে ই ৰাজনৈতিক দুৰ্নীতি তথা নিৰ্বাচনকালৰ সময়ত অবৈধভাৱে ধন ব্যয় কৰা ৰোধ কৰিব। (১৪) বি-মুদ্ৰাকৰণ আৰু নগদবিহীন লেনদেন দেশখনৰ অনানুষ্ঠানিক অৰ্থনীতিৰ আকাৰ হ্ৰাস কৰাত সহায়ক হ'ব। (১৫) ই সমাজৰ সাংস্কৃতিক আৰু সামাজিক বিকাশ সাধন কৰাত উৎসাহিত কৰিব। দুৰ্নীতি আৰু ক'লা ধনে সামাজিক আৰু সাংস্কৃতিক পদ্ধতিৰ স্খলন ঘটায়। বিবাহ, ধৰ্মীয় উৎসৱ উদ্‌যাপনত বৃহৎ পৰিমাণৰ ধনৰ শৰাধ কৰা আৰু মন্দিৰ তথা অন্যান্য ধৰ্মীয় প্ৰতিষ্ঠানসমূহত ধন উচৰ্গা কৰাটোৱেই সামাজিক আৰু সাংস্কৃতিক ভাৱ-ধাৰণাৰ বিকল ৰূপৰ দিশহে মুকলি কৰে। এনে নীতিবহিৰ্ভূত সামাজিক বিকাশৰ ওপৰত নিকা ভাবমূৰ্তি আৰু প্ৰকৃত স্থিতিস্থাপকতাই প্ৰভাৱান্বিত কৰি তাৰ গতি ৰোধ কৰিব। (১৬) ই এটা প্ৰকৃত আৰু পৰিষ্কাৰ অৰ্থনৈতিক বিকাশৰ হাৰ লাভ কৰাত দেশখনক সহায় কৰিব আৰু সেই বিকাশ হাৰ ক'লা ধনৰ সহায়ত লাভ কৰা কৃত্ৰিম আৰু মলিয়ন অৰ্থনৈতিক বিকাশৰ হাৰ হৈ নেথাকিব। এইটো সঁচা কথা যে দেশখনে ১৯৯১ চনৰ পৰা বিকাশৰ উচ্চ হাৰ দেখিবলৈ পাইছে, কিন্তু সেই অনুযায়ী উন্নয়ন কিমান হৈছে? বিকাশ হাৰ অধিক, কিন্তু উন্নয়নৰ গতি মন্থৰ আৰু এৰা-ধৰা বিধৰ। উচ্চ অৰ্থনৈতিক বিকাশ হাৰে যদি উন্নয়নৰ গতিক উৎসাহ-উদগনি যোগাবলৈ অপাৰগ হয়, কিম্বা শামুকীয়া গতিত উন্নয়নৰ দিশ সূচনা কৰে, তেনেহ'লে সেয়া দুখীয়া লোকসকলৰ বাবে তেওঁলোকৰ জীৱনৰ গুণগত দিশৰ উন্নতি সাধন কৰাত সহায়ক নহ'ব। বিতৰণমূলক অৰ্থাৎ আটায়ে পাব পৰা ন্যায় ব্যৱস্থাৰ জৰিয়তে লাভ কৰা যি কোনো বিকাশ হাৰ য'ত কম অৰ্থনৈতিক অসমতা থাকে— সেয়াহে ভাৰতৰ দৰে এখন বিকাশমুখী দেশৰ বাবে প্ৰকৃত বিকাশৰ হাৰ। কম দৰিদ্ৰতাসহ কম বিকাশৰ হাৰ আৰু উপাৰ্জনৰ ক্ষেত্ৰত কম অসমতাৰ প্ৰতিফলন অধিক আকাংক্ষিত আৰু সুখ-স্বচ্ছন্দতা সূচীনামাৰ কাৰণে ভাল, আৰু সেয়া দৰিদ্ৰতা, সীমাৰেখাৰ তলত বসবাস কৰা অধিকসংখ্যক লোকৰে আৱৰ্ত বিকাশ হাৰ নমনীয় নহয়— তেনেহ'লে সেই গতি যিমানেই উল্লেখনীয় নহওক। ধনী আৰু দুখীয়াৰ মাজত উপাৰ্জনৰ বিৰাট অসমতা বিৰাজ কৰিলে তেনে বিকাশ হাৰো লেখত নপৰে। আমাৰ দেশখনে ইতিমধ্যে স্বাধীনতা লাভৰ সাতটা দশক অতিক্ৰম কৰিছে আৰু সেয়ে অৰ্থনৈতিক বিকাশ আৰু উন্নয়নৰ সকলোবোৰ ফল উপভোগ কৰিবলৈ লোকসকলে দীৰ্ঘকালৰ বাবে ৰৈ থাকিব নোৱাৰে। বৃহৎসংখ্যক লোক অৰ্থনৈতিক আৰু সামাজিক অনগ্ৰসৰতাৰ মাজত দিন কটাব নোৱাৰে। সেয়ে দেশখনে নিজৰ অৰ্থনৈতিক বিকাশ আৰু উন্নয়নৰ কৌশল পৰিৱৰ্তন কৰাৰ সময় চূড়ান্ত অৱস্থাত স্থিত হৈছে।

**পৰামৰ্শাৱলী**

১) চৰকাৰৰ পক্ষৰ ফালৰ পৰা এয়া নিৰন্তৰ অনুশীলন কাৰ্য হোৱা উচিত আৰু নগদ ধনৰ আকাৰত ক'লা ধন জমা কৰা কামক নিৰুৎসাহিত কৰিবলৈ নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে তাক দোহৰা কৰ্তব্য। ইয়াৰদ্বাৰাই জনগণৰ মাজত ডিজিটেল লেনদেন আৰু বেংকিং অভ্যাসক উৎসাহিত কৰিব তথা বেংকিং পদ্ধতিৰো উন্নতি সাধিব। ৰাজেশ চক্ৰৱৰ্তীৰ ভাষাত ক'বলৈ গ'লে 'এনে হস্তক্ষেপকৰণ কাৰ্য হ'ল মজুত কৰি ৰখা ক'লা ধনক এককালীনভাৱে উলিয়াই অনা... এই কাৰ্য নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে দোহাৰি থকা আৱশ্যক।'

২) কৰৰ জালখন প্ৰসাৰ কৰা প্ৰয়োজন। সৰল প্ৰগতিবাদী কৰ ব্যৱস্থা গ্ৰহণ কৰিলে ভাল হয়। তদুপৰি দুখীয়া লোকসকল আৰু পাঁচ লাখ

টকাতকৈ কম বছৰি উপাৰ্জন কৰা নিম্ন মধ্যবিত্ত গোটৰ লোকক কৰৰ পৰিসৰৰ পৰা ৰেহাই দিব লাগে— যাতে তেওঁলোকে সেই ধনৰাশি তেওঁলোকৰ জীৱনৰ গুণগত মান উন্নত কৰিবৰ কাৰণে ঘৰুৱা বয়-বস্তু ক্ৰয় কৰাত বিনিয়োগ কৰিব পাৰে। স্বনিয়োজন আৰু ক্ষুদ্ৰ আকাৰৰ ব্যৱসায়িক কাম-কাজক উদগনি যোগাবলৈও ই সহায়ক হ'ব। এটা সৰল কৰ সংগ্ৰহ নিয়ম ৰূপে উৎসতেই কৰ কৰ্তন কৰিব লাগে। কৰ আদায় দিয়া পদ্ধতি তেনেই সহজ-সৰল হ'লে ভাল হয়। কৰ ৰিটাৰ্ণৰ সবিশেষ পূৰ কৰা কেৱল সহজেই হ'ব নেলাগিব তদুপৰি কৰ আদায় দিবৰ সময়ত উৎসতে কটা কৰবোৰ তাত ধৰিব নেলাগিব।

৩) অনিয়মভিত্তিক অৰ্থনীতিৰ আকাৰ বিস্তাৰিত হ'বলৈ দিব নেলাগিব। অনানুষ্ঠানিক খণ্ডৰ স'তে জড়িত ব্যৱসায়ী, ঠিকাদাৰ, ভূ-স্বামী আৰু অন্যান্য ধনী তথা উচ্চ মধ্যবিত্ত শ্ৰেণীৰ ঘৰত কাম কৰা কৰ্মীসকলক মজুৰিৰ বাবদ দিব লগা ধন ডিজিটেল পদ্ধতিত দিয়া আৱশ্যক। তাৰ বাবে কৰ্মচাৰী-সকলক বেংক একাউণ্ট খুলিবৰ কাৰণে উৎসাহিত কৰিব লাগিব আৰু নিয়োগ কৰ্তাসকলে কৰ্মচাৰী-সকলক ই-ট্ৰেনজেকশ্বন অথবা চেকৰ জৰিয়তে ধন আদায় দিয়া আৱশ্যক।

৪) অধিকভাৱে ডিজিটেল পে'মেণ্ট কাৰ্যক উৎসাহিত কৰিবৰ বাবে ডেবিট আৰু ক্ৰেডিট কাৰ্ড— বিশেষকৈ ক্ৰেডিট কাৰ্ডৰ ওপৰত আৰোপ কৰা সুত হ্ৰাস কৰাৰ সন্দৰ্ভত চৰকাৰে পদক্ষেপ গ্ৰহণ কৰা প্ৰয়োজন। দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ লোকসকলৰ ক্ষেত্ৰত বি পি এল-আধাৰ কাৰ্ড সংযোজনৰ জৰিয়তে সুতৰ হাৰ কমালে লোকসকলৰ মাজত ডেবিট আৰু ক্ৰেডিট কাৰ্ড ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত উৎসাহ প্ৰদান কৰিব। সৰু সৰু বেপাৰী, দোকানী, সাধাৰণ বিপণীৰ গৰাকী, চাহ, তামোল-পাণ বিক্ৰেতা আদিক বিশেষ ৰেহাই দিয়া আৱশ্যক।

(৫) গ্ৰামাঞ্চলত পৰ্যাপ্তসংখ্যক বেংকৰ শাখা খোলা আৱশ্যক। কাৰণ ভাৰতত প্ৰতি ১ লাখ জনসংখ্যাৰ মাজত বেংকৰ সংখ্যা হ'ল মাত্ৰ ০.০১ টাহে। ইপিনে জাৰ্মানীত ইয়াৰ সমানুপাতৰ হাৰ হ'ল ২-৩, অৰ্থাৎ ভাৰততকৈ ২৩০ গুণ বৃহৎ। অন্যান্য নন্ বেকিং বিত্তীয় প্ৰতিষ্ঠান, জীৱন বীমা নিগম, স্বাস্থ্য বীমা কোম্পানী, জেনেৰেল ইন্চুৰেঞ্চ কোম্পানী-সমূহক চৰকাৰৰ মুদ্ৰাকৰণ (মণিটাইজেশ্বন) প্ৰক্ৰিয়াত জড়িত কৰা বাঞ্ছনীয়। তদুপৰি সেই কোম্পানীবোৰে গাঁও আৰু অৰ্দ্ধ চহৰীয়া লোকৰ মাজত সঞ্চয় তথা ডেবিট আৰু ক্ৰেডিট কাৰ্ড ব্যৱহাৰৰ বাবে উৎসাহ প্ৰদান কৰাৰ ক্ষেত্ৰত বেংকিং প্ৰতিষ্ঠানবোৰক নিশ্চয়েই সহায় কৰাৰ প্ৰয়োজন আছে। বেচৰকাৰী আৰু সমবায় বেংকিং পদ্ধতি, ছিট ফাণ্ড আদিৰ বাবে এটা শক্তিশালী নিয়ামক ব্যৱস্থাৰ দিহা কৰা দৰকাৰ যাতে সেইবোৰে ক'লা ধনৰ অসৎ কাম-কাজক প্ৰশ্ৰয় দিব নোৱাৰে।

৬) ডিজিটেল অৰ্থনীতিৰ উত্তৰোত্তৰ বিকাশৰ বাবে এটা অত্যাৱশ্যকীয় প্ৰাক্-প্ৰয়োজনীয়তা হ'ল নিৰাপদ-জনক ডিজিটেল লেনদেন। এই ডিজিটেল নিৰাপত্তাৰ বাবে শক্তিশালী কাৰ্য ব্যৱস্থা গ্ৰহণ কৰা আৱশ্যক। তেনেদৰে ডিজিটেল অপৰাধ ৰোধ কৰিবৰ বাবেও যথাবিহিত ব্যৱস্থা লোৱাটো বাঞ্ছনীয় আৰু সৰ্বসাধাৰণে যদি ডিজিটেল অপৰাধৰ হেতু ধন হেৰুৱায়, তেনেহ'লে তেওঁলোকক ক্ষতিপূৰণ দিয়া প্ৰয়োজন। ডিজিটেল তদন্ত ব্যৱস্থা আৰু বীমাৰ বাবে যথোচিত কাৰ্য গ্ৰহণ কৰিলে নিশ্চয়েই সুফল আশা কৰিব পৰা যায়।

৭) গ্ৰামাঞ্চলত ডিজিটেল বেংকিং পদ্ধতিৰ বিকাশ সাধনত জনতাৰ বাবে আত্মসহায়ক গোটবোৰে যথেষ্ট সহায় কৰিব পাৰে। একাধিকসংখ্যক এনে গোটক বেংক মিত্ৰৰ দায়িত্ব দিয়া উচিত যিসকলে পুনৰ মুদ্ৰাকৰণ প্ৰক্ৰিয়াৰ কালছোৱাত বেংক, ডাকঘৰ আদিক সহায়ৰ হাত আগবঢ়াব পাৰে আৰু ডিজিটেল অৰ্থনীতিৰ বিস্তৃতি সাধনতো ভূমিকা গ্ৰহণ কৰিব পাৰে। গাঁও আৰু দূৰণিবটীয়া এলেকাসমূহত সা-সামগ্ৰী ক্ৰয় কৰাৰ ক্ষেত্ৰত ধন আদায় দিবৰ কাৰণে ডেবিট কাৰ্ড, ক্ৰেডিট কাৰ্ড ব্যৱহাৰ কৰাৰ ক্ষেত্ৰতো সক্ৰিয় অংশ গ্ৰহণ কৰিব পাৰে। ইয়াৰ বাহিৰেও যুৱ সংঘ, মহিলা মণ্ডল, পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ দৰে গ্ৰাম্য সামাজিক অনুষ্ঠানবোৰক গ্ৰাম্য ডিজিটেল অৰ্থনীতি প্ৰসাৰৰ বাবে উদ্বুদ্ধ কৰিব পাৰি। পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ 'গ্ৰাম সভা' আৰু চহৰৰ থলুৱা সংস্থাবোৰৰ 'ৱাৰ্ড সভা'সমূহে গ্ৰাম্য স্তৰত ডিজিটেল অৰ্থনীতিৰ বিষয়টো জনগণৰ ওচৰলৈ নিশ্চয়েই লৈ যোৱা উচিত— যাৰদ্বাৰা গ্ৰাম্য জনতা উপকৃত হ'ব পাৰে।

৮) বিত্তীয় দিশত সকলোকে সামৰি ল'ব পৰা সামৰ্থ্য আৰু ডিজিটেল অৰ্থনীতিৰ বিষয়ে স্কুলৰ শিক্ষক, স্বাস্থ্য কৰ্মী, গ্ৰাম্য উন্নয়ন বিষয়া, অংগনৱাড়ী কৰ্মী ইত্যাদিৰ দৰে আটাইবোৰ দায়িত্ববাহী সেৱকে নিশ্চয়েই জনগণক শিক্ষাপ্ৰদান কৰা কৰ্তব্য। এইক্ষেত্ৰত চৰকাৰৰ গ্ৰাম্য স্তৰ তথা প্ৰতিষ্ঠানসমূহত কাৰ্য সম্পাদনৰ এটা বৃহৎ নেটৱৰ্ক আছে যি ডিজিটেল ভাৰত সম্পৰ্কে লোকসকলক সচেতন কৰি তোলাৰ প্ৰত্যাহ্বান-মূলক কাম হাতত ল'ব পাৰে।

৯) পালছ্ পলিঅ' অভিযানৰ দৰে দেশখনত ডিজিটেল ভাৰত অভিযানৰ কাম ব্যাপক আকাৰত বছৰেকত দুবাৰ বা তিনিবাৰ হাতত ল'ব পাৰে। গ্ৰাম্য আৰু চহৰ এলেকাত এই ডিজিটেল অভিযানক প্ৰতিষ্ঠিত কৰিবৰ কাৰণে এয়া হ'ল এটা উপযুক্ত পথ। তদুপৰি ডিজিটেল আন্তঃগাঁথনি উন্নত কৰাৰ প্ৰয়োজন আছে।

১০) বিশ্বৰ ভিতৰত ভাৰত এখন বিকশিত দেশ হোৱা হেতুকে 'অধিক স্বচ্ছ আৰু বিতৰণমূলক বিকাশ হাৰ' লাভ কৰিবলৈ নিশ্চয়েই প্ৰয়াস কৰা দৰকাৰ আৰু ইয়াক ক'লা ধন ৰহিত তথা সকলোকে সামৰি লোৱাকৈ লাভ কৰিব লাগিব। আন কথাত ক'বলৈ গ'লে ই নিশ্চয়েই দুখীয়া-সকলক সামৰি লোৱা আৰু স্বচ্ছ বিকাশ হাৰ হ'ব লাগিব আৰু তাত ডিজিটেল লেনদেনৰ সহায়ৰ হাত থাকিব লাগিব। ক'লা ধনৰ সহায়েৰে পোৱা উচ্চ বিকাশ হাৰ দৰিদ্ৰতা তথা অৰ্থনৈতিক অসমতা হ্ৰাস কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব নোৱাৰে।

১১) যি কোনো অৰ্থনৈতিক সংস্কাৰ সাধন কাৰ্য ৰূপায়ণ কৰিবৰ বাবে এটা শক্তিশালী ৰাজনৈতিক সদিচ্ছাৰ আৱশ্যক হয় আৰু এনে সদিচ্ছা শাসকীয় তথা বিৰোধী পক্ষ উভয়ৰে থাকিব লাগিব। তেতিয়াহে দেশখনত বি-মুদ্ৰাকৰণ আৰু নগদবিহীন অৰ্থনীতিকে ধৰি তেনে সংস্কাৰ কাৰ্য ৰূপায়ণ কৰা সম্ভৱ হ'ব।

**সামৰণি**

ক্ৰাইছিল প্ৰতিবেদনত এইবুলি কোৱা হৈছে, 'বি-মুদ্ৰাকৰণ ব্যৱস্থাই ভাৰতীয় অৰ্থনীতিৰ প্ৰতিচ্ছবিৰ পৰিৱৰ্তন সাধন কৰিব পাৰে।' মৌৰো এফ গুইলেনৰ মন্তব্য হ'ল এনেধৰণৰ— 'এই ব্যৱস্থাই ন্যায়গত আৰু পৰিষ্কাৰভাৱে ব্যৱসায় কৰা কোনো কোনো ব্যৱসায়িক নগদ ধন ব্যৱহাৰ কৰা হেতু কঠিনতাত পেলাব পাৰে। কিন্তু প্ৰত্যেকেই সময় অনুযায়ী এনে ব্যৱস্থাক খাপ খুৱাই ল'ব আৰু যেতিয়া কোনো কোনো সৰু-সুৰা ব্যৱসায় আৰু ব্যক্তিক ই আঘাত কৰিব পাৰে, তেনেস্থলত তেনে কাম কৰিবলৈ পিছ হোঁহাকাতকৈ কৰাই শ্ৰেয়।' আন্তৰ্জাতিক মুদ্ৰা নিধিয়েও বি-মুদ্ৰাকৰণক সমৰ্থন জনায়। এটা বিবৃতিত এনেদৰে কয়— 'দুৰ্নীতি আৰু অবৈধ বিত্তীয় সোতৰ বিৰুদ্ধে যুঁজিবলৈ ভাৰতে গ্ৰহণ কৰা ব্যৱস্থাক আমি সমৰ্থন জনাইছোঁ।'

ভাৰত হ'ল এখন বৃহৎ গণতান্ত্ৰিক দেশ— য'ত বিস্তৃত আকাৰত জনগণে ক'লা ধন আৰু অচল টকা উলিয়াবৰ কাৰণে চৰকাৰে গ্ৰহণ কৰা বি-মুদ্ৰাকৰণ ব্যৱস্থাৰ হেতু অসুবিধাত পৰা সত্ত্বেও সমৰ্থন জনায়। কিন্তু ভেনিজুৱালাত তাৰ বিপৰীত ৰূপ পৰিলক্ষিত হয়। সেই দেশখনে ভাৰতৰ বি-মুদ্ৰাকৰণ ব্যৱস্থাকে অনুসৰণ কৰি নিজ দেশত তেনে পদক্ষেপ গ্ৰহণ কৰে। কিন্তু সেই কাৰ্যত সফল হ'ব নোৱাৰিলে। তাৰ কাৰণ হ'ল জনতাৰ সমৰ্থন লাভ কৰিব নোৱাৰিলে। ভাৰতৰ ছবিখন সুকীয়া। জনগণৰ যি চহকী সামাজিক আৰু সাংস্কৃতিক পটভূমি আছে সেয়াই হ'ল মূল প্ৰেৰণাৰ উৎস আৰু ইয়েই বহু দশকৰ পৰা ভাৰতীয় গণতন্ত্ৰক সবল কৰি ৰাখিছে। ভাৰতৰ মিশ্ৰিত অৰ্থনৈতিক পদ্ধতি— য'ত সামাজিক আৰু ব্যক্তিগত খণ্ডৰ সঠিক মিশ্ৰণ ঘটিছে সেইটোৱে অধিক বিকাশ হাৰ লাভ কৰিবলৈ অৰ্থনীতিক দিনক দিনে সহায় কৰিছে। স্পন্দিত ব্যক্তিগত তথা ক'ৰ্পৰেট খণ্ডৰ সহায়েৰে এখন শক্তিশালী চৰকাৰে দেশখনক অধিক উচ্চতালৈ লৈ যাব পাৰে। নগদবিহীন অৰ্থনীতিৰ লক্ষ্য পাবৰ কাৰণে ব্যক্তিগত খণ্ডই চৰকাৰক সমৰ্থন জনোৱা আৱশ্যক।

বি-মুদ্ৰাকৰণ আৰু নগদবিহীন অৰ্থনীতিয়ে দীৰ্ঘদিনৰ অন্তত ক'লা ধনৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাব আৰু অৰ্থনৈতিক বিকাশ তথা উন্নয়নৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাব। ক'লাধন নিয়ন্ত্ৰণ কৰি এই দুই ব্যৱস্থা, অৰ্থাৎ বি-মুদ্ৰাকৰণ আৰু নগদবিহীন লেনদেনৰ অভ্যুত্থানে দেশখনক ক'লাধন ৰহিত এক পৰিষ্কাৰ আৰু স্বচ্ছ বিকাশ হাৰ লাভ কৰাত সহায় কৰিব। বিমুদ্ৰাকৰণৰ জৰিয়তে উপলব্ধ উপাৰ্জনৰাশিক যদি বিভিন্ন বিকাশ-মূলক কাম-কাজত খৰচ কৰা হয়, তেনেহ'লে তাৰ পৰা ইতিবাচক ফল পোৱা যাব। তেনে কাম-কাজবোৰৰ ভিতৰত উল্লেখ-যোগ্য হ'ল— ৰাস্তা-পদূলি, অনাময় ব্যৱস্থা, স্বাস্থ্য, শিক্ষা, নিয়োগ সঞ্চাৰ আৰু অন্যান্য জীৱিকা নিৰ্বাহ প্ৰকল্প আৰু কাৰ্যসূচী। এই সকলোবোৰৰ সাৰ্থক ৰূপায়ণৰদ্বাৰা উন্নয়নৰ গতি সবল কৰি তুলিব আৰু জনগণৰ জীৱনৰ গুণগত মান বৃদ্ধি কৰিব। ❐

***প্ৰবন্ধটোত দাঙি ধৰা দৃষ্টিভংগী লেখকৰ নিজা।**

# চতুৰ্দশ বিত্ত আয়োগ আৰু উত্তৰ পূৰ্বাঞ্চল

**মীৰা বালা বৰা***

যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা হ'ল এটা ৰাজনৈতিক ব্যৱস্থা— য'ত কেন্দ্ৰই শীৰ্ষ অনুষ্ঠান হিচাপে কাৰ্যনিৰ্বাহ কৰে। সাধাৰণতে কেন্দ্ৰীয় চৰকাৰে বৈদেশিক, আভ্যন্তৰীণ নিৰাপত্তাৰ ব্যৱস্থা আৰু দেশৰ অখণ্ডতা ৰক্ষাৰ বাবে সামূহিক গুৰুত্বপূৰ্ণ দায়িত্বসমূহ পালন কৰে। প্ৰতিখন ৰাজ্যই নিজৰ স্বতন্ত্ৰতা অটুট ৰাখিবৰ বাবে ৰাজ্যখনৰ উন্নয়ন আৰু প্ৰশাসনৰ দায়িত্ব পালন কৰিব লগা হয়। ইয়াৰ বাবে প্ৰয়োজনীয় সম্পদ বিভাজনৰ ব্যৱস্থা সংবিধানত কৰা হৈছে। কিন্তু ৰাজ্য চৰকাৰে লাভ কৰা ৰাজহ আহৰণৰ ক্ষেত্ৰসমূহৰপৰা ৰাজহ আহৰণ নিম্ন আৰু অস্থিতিস্থাপক হোৱা বাবে সংবিধানে কিছুমান কেন্দ্ৰীয় কৰৰ অংশ আৰু অনুদানমূলক সাহায্য প্ৰদানৰ ব্যৱস্থাৰ কথা উল্লেখ কৰিছে। কিন্তু এই ৰাজহ আৰু অনুদান বিতৰণৰ ব্যৱস্থাৰ নীতি বা সূত্ৰ সংবিধানত উল্লেখ কৰা নাই। ইয়াৰ বাবে পাঁচ বছৰৰ বাবে এখনকৈ বিত্ত আয়োগ সংবিধানৰ ২৮০ অনুচ্ছেদ অনুযায়ী গঠন কৰা ব্যৱস্থা কৰা হৈছে— যাতে ৰাজ্য আৰু ইয়াৰ স্থানীয় প্ৰশাসনীয় স্তৰসমূহে প্ৰয়োজনীয় ৰাজহ ঘাটি পূৰণ কৰিবলৈ সক্ষম হয় আৰু স্বতন্ত্ৰতা অক্ষুণ্ণ ৰাখিব পাৰে।

ভাৰতৰ ৰাষ্ট্ৰপতিয়ে সংবিধানৰ ২৮০ অনুচ্ছেদ অনুযায়ী ২ জানুৱাৰী ২০১৩ বৰ্ষত ৫ বছৰৰ বাবে (২০১৫-২০২০) বিত্তীয় সম্পদ কেন্দ্ৰ আৰু মাজত বিভাজনৰ বাবে চতুৰ্দশ বিত্ত আয়োগ গঠন কৰিছিল, ৰিজাৰ্ভ বেংকৰ প্ৰাক্তন গভৰ্ণৰ ডঃ ৱাই বি ৰেড্ডী হ'ল ইয়াৰ সভাপতি। অজয় নাৰায়ণ ঝা ইয়াৰ সচিব, সুষ্মা নাথ, এম. গোৱিন্দা ৰাও আৰু সুদীপ্ত মানদোল ইয়াৰ সদস্য হিচাপে নিযুক্তি লাভ কৰিছে।

আয়োগক বিভাজিত কৰৰ অংশ বিতৰণৰ ক্ষেত্ৰত সূত্ৰ নিৰ্দ্ধাৰণ, ২৭৫ অনুচ্ছেদ অনুযায়ী পৰিপূৰক পুঁজিৰ পৰা ৰাজ্যসমূহলৈ প্ৰয়োজন অনুযায়ী অনুদানৰ পৰিমাণ নিৰ্দ্ধাৰণ, কেন্দ্ৰ আৰু ৰাজ্যৰ ৰাজহ হিচাপ শিতানৰ আয় আৰু ব্যয়ৰ ভাৰসাম্য ৰক্ষা কৰাৰ উপৰি মূলধনী বিনিয়োগৰ বাবে ৰাহি সৃষ্টি কৰাত গুৰুত্ব দিব লাগিব। তদুপৰি বিদ্যুৎ, পানীৰ দৰে ৰাজহুৱা প্ৰতিষ্ঠানৰ দৰ নিৰ্দ্ধাৰণ, নিৰ্বিনিয়োজন, অগ্ৰাধিকাৰ নথকা ৰাজহুৱা প্ৰতিষ্ঠানৰ বিক্ৰী, জি এছ ট প্ৰয়োগৰ ফলত প্ৰদান কৰিব লগা হোৱা ক্ষতিপূৰণ আৰু ৰাজসাহায্য আদিৰ ক্ষেত্ৰত পৰামৰ্শ প্ৰদানৰ দায়িত্ব দিয়া হৈছে। আয়োগে ৰাজ্যৰ বিত্ত আৰু ঘাটি পুনৰ  পৰীক্ষা কৰি সময়ন্বয়নৰ বাবে স্থিৰ আৰু বহনযোগ্য ৰাজকোষীয় পৰিৱেশ গঢ়ি তুলিবৰ বাবে Ficcal Responsiblity and Budget Mana.. Act ৰ প্ৰয়োজনীয় সংশোধনৰ বাবে পৰামৰ্শ বিচাৰিছে।

বৰ্তমানৰ চৰকাৰী ব্যয় পৰিচালনা (Public expendition Management) ব্যৱস্থাৰ ক্ষেত্ৰত পৰামৰ্শ প্ৰদানৰ দায়িত্ব দিয়া হৈছে

বিভাজিত কৰৰ অংশ বিতৰণ, অনুদানমূলক সাহায্য আদি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত ১৯৭১ বৰ্ষত জনসংখ্যাক ভিত্তি হিচাপে লোৱাৰ উপৰি এই সময়ছোৱাত হোৱা জনসংখ্যাৰ পৰিৰ্বতনো বিবেচনাধীন কৰিব পাৰিব।

ৰাজ্যসমূহৰ ৰাজকোষীয় দক্ষতাৰ পাৰ্থক্য আৰু খৰচৰ অসামৰ্থ্যতা দূৰ কৰিবৰ বাবে কৰৰ অংশ বিতৰণৰ বাবে সূত্ৰ নিৰ্দ্ধাৰণ কৰিবলৈ পৰামৰ্শ দিয়া হয়।

**ৰাজ্যসমূহলৈ বিভাজিত কৰৰ অংশ বিতৰণৰ সূত্ৰ**

| জোখৰ একক | | গুৰুত্ব |
|---|---|---|
| জনসংখ্যা | — | ১৭.৫ |
| জনসংখ্যাৰ সলনি | — | ১০.০ |
| আয়ৰ দূৰত্ব | — | ৫০ |
| মাটিকালি | — | ১৫ |
| বনাঞ্চলৰ আচ্ছাদন | — | ৭.৫ |

১৯৭১ চনৰপৰা ১৯৭১ চনৰ জনসংখ্যাক ভিত্তি বছৰ হিচাপে ব্যৱহাৰ কৰি আহিছে। এই আয়োগেও আবণ্টনৰ বাবে ১৯৭১ চনৰ জনসংখ্যাক ভিত্তি বছৰ হিচাপে ব্যৱহাৰ কৰিছে। কিন্তু বিগত ৪০ বছৰে জনসংখ্যাৰ যথেষ্ট সাল-সলনি হৈছে; গতিকে সম্পদৰ বিভাজনৰ ক্ষেত্ৰত এই দিশটো গুৰুত্ব দি ১০ শতাংশ আবণ্টন ইয়াৰ ভিত্তিত আগবঢ়াইছে।

*মীৰা বালা বৰা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক

জনসংখ্যাৰ গাঁথনি পৰিৱৰ্তনৰ ক্ষেত্ৰত উৰ্বৰতা শক্তি,মৃত্যুৰ উপৰি প্ৰব্ৰজনে বিশেষ প্ৰভাৱ পেলায়। প্ৰব্ৰজন আকৰ্ষণ আৰু বিকৰ্ষণ এই দুই কাৰকৰদ্বাৰা হ'ব পাৰে। যাৰ ফলত প্ৰব্ৰজন হোৱা ঠাইখনে প্ৰশাসন আৰু অন্যান্য ব্যয় বৃদ্ধিৰ সন্মুখীন হ'ব লগা হয়। আনহাতে অনুন্নত বা অৰ্থনৈতিক বুনিয়াদৰ অভাৱ থকা ৰাজ্যসমূহৰপৰা প্ৰব্ৰজন বৃদ্ধি পায়, গতিকে অৰ্থনৈতিক বুনিয়াদৰ অভাৱ থকা ৰাজ্যবিলাকৰ অৰ্থনৈতিক উন্নয়নৰ দিশটো গুৰুত্ব দিব লগীয়া। গতিকে ১৯৭১ চনৰপৰা জনসংখ্যাৰ পৰিৱৰ্তন কিদৰে হৈছে তাৰ ওপৰত ভিত্তি কৰি ১০ শতাংশ আবণ্টন ধাৰ্য কৰা হৈছে।

ধনৰ আবণ্টনৰ ক্ষেত্ৰত বহনযোগ্য উন্নয়নৰ বাবে পৰিৱেশ তন্ত্ৰ, পৰিৱেশ আৰু বতৰ পৰিৱৰ্তনৰ ওপৰত গুৰুত্ব দিবলগীয়া হোৱা বাবে বনাঞ্চলৰ সুৰক্ষাৰ বাবে ৭.৫ শতাংশ গুৰুত্ব প্ৰদান কৰিছে। চৌপাশৰ পৰিৱেশ উন্নয়নৰ বাবে প্ৰয়োজন হোৱা বনাঞ্চলে প্ৰতিপালন ব্যয়ৰ উপৰি সুযোগ ব্যয়ৰ সৃষ্টি কৰে। সেয়ে বনাঞ্চলে আগুৰি থকা মাটিকালিৰ ভিত্তিত এই আবণ্টন নিৰ্ণয় কৰা হৈছে।

ৰাজ্যসমূহৰ সুষম উন্নয়নৰ বাবে আয়ৰ দূৰত্বক একক হিচাপে সৰ্বাধিক ৫০ শতাংশ আবণ্টনৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা হৈছে। ৰাজকোষীয় দক্ষতা জুখিবৰ বাবে সৰ্বোচ্চ জনমূৰি আয় উপাৰ্জনকাৰী ৰাজ্য আৰু প্ৰকৃত ৰাজ্যৰ জনমূৰি আয়ৰ পাৰ্থক্য ব্যৱহাৰ কৰা হয়। গোৱাৰ জনমূৰি ঘৰুৱা উৎপাদন সৰ্বাধিক হোৱা সত্ত্বেও গোৱা আৰু ২য় স্থান লাভ কৰা ছিকিম এই ৰাজ্য দুখন যথেষ্ট সৰু হোৱা বাবে ৩য় সৰ্বোচ্চ জনমূৰি উৎপাদন কৰা ৰাজ্য হাৰিয়ানাৰ জনমূৰি মুঠ ঘৰুৱা উৎপাদন ব্যৱহাৰ কৰা হয়।

আয়োগে বিভাজিত কৰৰ ৪২ শতাংশ কৰ ৰাজ্যসমূহলৈ বিতৰণৰ ব্যৱস্থা কৰিছে। আশা কৰা হৈছে স্বৰ্তবিহীন এই হস্তান্তৰে ৰাজ্যসমূহক উপকৃত কৰিব।

সেৱা কৰৰ অংশ ৰাজ্যসমূহৰপৰা লাভ কৰা সেৱা কৰৰ অনুপাতত বিতৰণৰ পৰিমাণ ধাৰ্য কৰা হৈছে। গতিকে সেৱা কৰ নলগোৱা ৰাজ্যই এনে কৰৰ অংশ লাভ নকৰে। উদাহৰণ স্বৰূপে জম্মু-কাশ্মীৰ।

সংবিধানৰ ২৭৫ অনুচ্ছেদ অনুযায়ী ৫টা উদ্দেশ্যত ৰাজ্যসমূহলৈ অনুদান-মূলক সাহায্য প্ৰদান কৰা হয়। এই উদ্দেশ্য কেইটা হ'ল ৰাজহ-ঘাটি, দুৰ্যোগ সাহাৰ্য্য, স্থানীয় নিকায়, খণ্ড ভিত্তিক আৰু ৰাজ্যিক ভিত্তিক আঁচনি।

আয়োগে পূৰ্বৰ আয়োগ সমূহৰ দৰে ৰাজহ হস্তান্তৰৰ পিছত হ'ব পৰা ৰাজহ ঘাটি হিচাপ কৰি উলিয়াইছে। অৱশ্যে এই ৰাজহ ঘাটি নিৰ্ণয় কৰোঁতে পূৰ্বৰ আয়োগৰ দৰে কেৱল পৰিকল্পনা বহিৰ্ভূত ৰাজহ ঘাটিকে অন্তৰ্ভুক্ত কৰা নাই, ই পৰিকল্পনা ভুক্ত আৰু পৰিকল্পনা বহিৰ্ভূত দুই বিধ ৰাজহ ঘাটিকে অন্তৰ্ভুক্ত কৰিছে।

আয়োগে ৰাজ্যসমূহৰ ৰাজকোষীয় সামৰ্থ্য আৰু ব্যয়ৰ প্ৰয়োজনীয়তা বিচাৰ কৰি লক্ষ্য কৰিছে যে ৰাজ্যসমূহৰ এই ৰাজহ ঘাটি অনুপযুক্ত ৰাজহ আহৰণৰ প্ৰচেষ্টা বা অধিক ব্যয়ৰ বাবে নহয়। ৰাজ্যসমূহত ইয়াৰ বাবে জনমূৰি ব্যয় বৃদ্ধি কৰিব লাগিব। অৰ্থাৎ উন্নয়নৰ পৰিকাঠামো গঢ়ি তুলিব লাগিব।

ইয়াৰ বাবে ১১ খন ৰাজলৈ (১৫-২০) মুঠতে ১,৯৪,৮২১ কোটি টকা আগবঢ়াবৰ বাবে পৰামৰ্শ প্ৰদান কৰিছে। ইয়াৰে ৪ খন ৰাজ্যৰ বাবে গোটেই সময়ৰছোৱাৰ সাহাৰ্যৰ প্ৰয়োজন নহ'ব, এই ৰাজ্যকেইখন হ'ল অসম, কেৰালা, মেঘালয় আৰু পশ্চিমবংগ, বাকী ৭ খন ৰাজ্যৰ বাবে গোটেই সময়ছোৱাৰ বাবে অনুদান নিৰ্ণয় কৰিছে ৰাজ্যকেইখন হ'ল অন্ধ্ৰপ্ৰদেশ, হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ, মণিপুৰ, মিজোৰাম, নগালেণ্ড আৰু ত্ৰিপুৰা। অসমে ২ টা বছৰৰ বাবে (২০১৫-১৬ আৰু ২০১৬-১৭), মুঠ (২১৯১ কোটি টকা ১১৮৮) ৩৩৭৯ কোটি টকা লাভ কৰিব।

ৰাজহ আৰৰণৰ কম সক্ষমতা থকা ৰাজ্য আৰু চৰকাৰী সেৱা যোগান ধৰা প্ৰতি এককৰ উচ্চ ব্যয়ৰ বাবে উদ্ভৱ হোৱা ৰাজকোষীয় অসমৰ্থতা দূৰ কৰাৰ উদ্দেশ্যে আন্তঃচৰকাৰৰ মাজত উলম্বিক বিতৰণৰ ওপৰত গুৰুত্ব দিছে। এনে সম্পদ হস্তান্তৰ চৰ্তবিহীন হোৱা উচিত। জনসাধাৰণক মূল সেৱা, যেনে মানসম্পন্ন শিক্ষা, স্বাস্থ্য, পানীযোগান আৰু অনাময় সেৱা যোগান ধৰিব লাগিব।

আয়োগে লক্ষ্য কৰিছিল ৰাজ্যসমূহে মুঠ ব্যয়ৰ ক্ষুদ্ৰ অংশহে অনুদান হিচাপে লাভ কৰে তদুপৰি অনুদানসমূহ চৰ্তযুক্ত হয় এটা আয়োগৰ লগত আনখন আয়োগৰ খণ্ড ভিত্তিক অনুদানৰ ধাৰাবাহিকতা থকা দেখা নাযায়।

আয়োগে খণ্ড ভিত্তিক অনুদানসমূহ ৪টা ভাগত ভাগ কৰিছে। ১। সাধাৰণ প্ৰশাসন (বিচাৰ আৰু আৰক্ষী), ২। পৰিৱেশ (অৰণ্য), ৩। প্ৰতিপালন বা মেৰামতি (জলসিঞ্চন, দলং আৰু ৰাস্তা), ৪। সামাজিক খণ্ড (শিক্ষা, স্বাস্থ্য, খোৱাপানী আৰু অনাময়)।

সাধাৰণ প্ৰশাসনৰ উন্নয়নৰ বাবে বিচাৰ নোহোৱাকৈ পৰি থকা সাধাৰণ বিচাৰসমূহৰ সংখ্যা হ্ৰাসকৰণৰ বাবে ব্যৱস্থা গ্ৰহণ, বিচাৰালয়সমূহ দক্ষ কৰি

তোলাত গুৰুত্ব প্ৰদান, ন্যায়ৰ বাবে জনসাধাৰণৰ প্ৰৱেশ বৃদ্ধি আৰু ব্যক্তিৰ দক্ষতা বৃদ্ধিৰ ওপৰত গুৰুত্ব দিছে।

দেশখনৰ উন্নয়নৰ বাবে প্ৰধান ৰাজহুৱা সেৱা যেনে নাগৰিকক নিৰাপত্তা আৰু সুৰক্ষা আৰু সম্পদৰ সুৰক্ষা প্ৰদান কৰা বাবে ৰাজ্যৰ পুলিচ বাহিনীৰ সংস্কাৰ কৰা প্ৰয়োজন।

এই আয়োগে পৰামৰ্শ আগবঢ়াইছে যে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে পাইপৰ পানী যোগান, পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু স্বাস্থ্যৰ দৰে সামাজিক খণ্ডৰ বাবে আন্তঃগাঁথনিৰ কাৰণে যুটীয়াভাৱে ব্যয় কৰা উচিত আৰু ইয়াৰ বাবে উপযুক্ত আৰ্হি প্ৰস্তুত কৰিব লাগে।

বিধিবৎ হস্তান্তৰৰ তুলনাত অ-বিধিবৎ হস্তান্তৰ পৰিমাণ বৃদ্ধি পাইছে। কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় সাহায্য প্ৰাপ্ত আঁচনিৰ বাবে অ-বিধিবৎ পুঁজি যোগান ধৰে। দেখা যায় এই আঁচনিসমূহ ৰাজ্য বিশেষৰ অগ্ৰাধিকাৰ বিবেচনা নকৰাকৈ প্ৰস্তুত কৰা হয়। ফলস্বৰূপে তেওঁলোকৰ প্ৰয়োজনীয় দিশত পুঁজিৰ অভাৱ ঘটে। কেন্দ্ৰীয় সাহায্যপ্ৰাপ্ত আঁচনিসমূহে ৰাজ্যৰ স্বতন্ত্ৰতা হ্ৰাস কৰিছে। যিহেতু আঁচনিসমূহৰ নিৰ্মাণ আৰু প্ৰয়োগ কেন্দ্ৰৰ অগ্ৰাধিকাৰ অনুযায়ী কৰিব লগা হয়, সেয়ে ৰাজ্যসমূহে ৰাজ্যৰ বিশেষ অৱস্থা, অগ্ৰাধিকাৰ আৰু প্ৰয়োজনীয়তা অনুযায়ী চৰ্তবিহীন পুঁজিৰ ওপৰত গুৰুত্ব দিছে।

ৰাজ্য আৰু কেন্দ্ৰৰ মাজত সংবিধান প্ৰদত্ত কৰ্তব্য সুচাৰুপে সম্পাদন কৰিবৰ বাবে সহযোগিতামূলক সংঘৰ ধাৰণা অধিক সবল কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

উত্তৰ পূৰ্বাঞ্চলৰ অৰ্থনৈতিক উন্নয়ন অৰ্থনৈতিক বুনিয়াদৰ অভাৱৰ বাবে দেশৰ অন্যান্য ৰাজ্যতকৈ স্বাধীনতাৰ পিছত উন্নয়নৰ হাৰ ক্ষিপ্ৰ নোহোৱা বাবে অঞ্চলটো বিশেষ শ্ৰেণীৰ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰি অশেষ পুঁজি ১৯৯৮-৯৯ বৰ্ষৰপৰা প্ৰদান কৰি আহিছে। এই উদ্দেশ্য ১৯৯৬ চনত বাজপেয়ী চৰকাৰে প্ৰায় সকলো কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন দপ্তৰে অব্যৱহৃত পুঁজি আৰু মুঠ বাজেটৰ ১০ শতাংশ পুঁজি এই অঞ্চলৰ উন্নয়নৰ বাবে প্ৰদান কৰাৰ ব্যৱস্থা কৰি আহিছে। এই পুঁজিসমূহ নন্ লেপ্‌ছেব'ল ছেণ্ট্ৰেল পুল্ অৱ ৰিছছে্ নামে এটা পুঁজিত উত্তৰ পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বুনিয়াদৰ বাবে হস্তান্তৰ কৰা হয় অঞ্চলটোৰ উন্নয়নৰ বাবে।

কিন্তু এই আয়োগে এই বিশেষ ৰাজ্যৰ ব্যৱস্থাটো উঠাই দি অঞ্চলটোৰ উন্নয়নৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি নিশ্চয়তা প্ৰদান কৰিছে।

ওপৰৰ আলোচনাৰপৰা দেখা গৈছে, ৰাজ্যসমূহৰ মাজত আৰ্থিক বৈষম্য হ্ৰাস কৰিবৰ বাবে ৰাজ্যসমূহলৈ মূল আন্তঃগাঁথনি উন্নয়নৰ বাবে সম্পদ হস্তান্তৰৰ ওপৰত গুৰুত্ব দিয়া হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বিশেষ ৰাজ্যৰ মৰ্যদা কৰ্তন কৰি পূৰ্বৰ দৰে সাহায্য প্ৰদানৰ কথা কৈছে যদিও ই ৰাজ্যসমূহক বিত্তীয়ভাৱে সৱল হোৱাৰ ওপৰত গুৰুত্ব দিয়াৰ কথাকে সূচাইছে। ৰাজ্যসমূহে সংবিধান প্ৰদত্ত দায়িত্বসমূহ সুচাৰুপে প্ৰয়োজন অনুযায়ী সম্পাদন কৰিবলৈ হ'লে ৰাজ্য চৰকাৰে সীমিত ৰাজহ উৎসৰ পৰাই মিতব্যয়িতাৰে ৰাজহ আহৰণ কৰি বিত্তীয় সম্পদৰ ক্ষেত্ৰত স্বতন্ত্ৰতা লাভ কৰাৰ ওপৰত গুৰুত্ব দিয়া উচিত। তেতিয়াহে সহযোগিতা ফেডাৰেল গাঁথনিৰ ধাৰণা বাস্তৱত ৰূপায়িত হ'ব। সি যি কি নহওক, আয়োগে ৰাজ্যসমূহৰ ৰাজহ আহৰণৰ নিম্ন মাত্ৰাৰ কাৰণ নিৰ্ণয় আৰু ৰাজ্যসমূহৰ মাজত সম্পদ আবণ্টনৰ ক্ষেত্ৰত লোৱা নতুনত্বৰ প্ৰচেষ্টা প্ৰশংসনীয়। ❒

---

**(২৮ পৃষ্ঠাৰ পৰা)**

নগদবিহীন/বেংকিং লেনদেন সম্পৰ্কে সজাগতা সৃষ্টি কৰাত সহায় কৰিব পাৰে। ডিজিটেল মঞ্চলৈ একাধিক লোকক আনিবৰ কাৰণে বিত্তীয় সাক্ষৰতাৰ ক্ষেত্ৰত নিশ্চয়ে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। নগদ ধন দিয়াৰ পৰিৱৰ্তে ডিজিটেল পে'মেণ্ট অথবা বেংকৰ জৰিয়তে পে'মেণ্ট কৰা কাৰ্যক উৎসাহিত কৰা উচিত। বেংক একাউণ্টৰ সৈতে সকলো ধৰণৰ কল্যাণমূলক কাম-কাজৰ যোগসূত্ৰ স্থাপন কৰাটো হ'ল এই সন্দৰ্ভত এটা কৌশলাত্মক পদক্ষেপ। নগদবিহীন অৰ্থনীতিৰ বাবে এটা শক্তিশালী বেংকিং আধাৰ হ'ল মূল প্ৰয়োজনীয় প্ৰাক্-অৱস্থা।

এইবোৰ পদক্ষেপ গ্ৰহণেৰে আগলৈ যোৱাৰ পথ পৰিষ্কাৰ হ'ব। এটা মধ্যকালীন কৌশলসহ ৰাষ্ট্ৰব্যাপী বিত্তীয় সাক্ষৰতা অভিযান বৈদ্যুতিন পে'মেণ্টৰ সন্দৰ্ভত কৰা দৰকাৰ— যাৰদ্বাৰাই ইয়াৰ সুচলতা আৰু সজাগতা সৃষ্টিতো সহায় কৰিব। নিৰ্দিষ্ট লক্ষ্যৰ বিত্তীয় শিক্ষা কাৰ্যসূচীয়ে বিত্তীয় কৌশল আৰু ঋণ ব্যৱস্থাপনাৰ উন্নতি সাধিব পাৰে আৰু গ্ৰাম্য ভাৰতত একাউণ্টৰ গৰাকীস্বত্ব বৃদ্ধি কৰিব পাৰে। ❒

# কৃষিজাত সামগ্ৰীৰ বজাৰ আৰু গ্ৰাম্য বুনিয়াদী ব্যৱস্থাৰ ভূমিকা ঃ জিলাভিত্তিক পৰ্যালোচনা

**ৰূপজ্যোতি বৰদলৈ***

অসম এখন কৃষিপ্ৰধান ৰাজ্য। কৃষি আৰু ইয়াৰ আনুসংগিক প্ৰাথমিক খণ্ডই ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদনত ২৫ শতাংশ বৰঙণি আগবঢ়াই আহিছে। প্ৰাথমিক তথা কৃষি খণ্ডই ৰাজ্যখনৰ মুঠ শ্ৰম শক্তিৰ প্ৰায় ৫০ শতাংশৰো অধিক লোকক প্ৰত্যক্ষ আৰু ৮০ শতাংশ লোকক পৰোক্ষভাৱে সংস্থাপনৰ সুবিধা প্ৰদান কৰিছে। (অৰ্থনৈতিক জৰীপ ২০১২-১৩ বৰ্ষ)। জলবায়ু, মাটিৰ উৰ্বৰতা, বৰষুণৰ পৰিমাণ, নদ-নদীৰ অৱস্থান ইত্যাদিয়ে বছৰৰ সকলো প্ৰকাৰৰ কৃষিকাৰ্য সম্পাদন কৰাত অনুকূল পৰিৱেশ গঢ়ি তুলিছে। ৰাজ্যখনৰ মুঠ মাটিকালিৰ ৮৮ শতাংশত কৃষিকাৰ্য সম্পাদন কৰা হয়।

বৰ্তমান সময়ত কৃষি খণ্ডত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সফল প্ৰয়োগৰ ফলত ধান, মাহজাতীয় শস্যৰ লগতে ঋতুগত শাক-পাচলিৰ উৎপাদনৰ পৰিমাণ বৃদ্ধি পাইছে। একে সময়তে অতিৰিক্তভাৱে উৎপাদিত দ্ৰব্যসমূহৰ বজাৰ ব্যৱস্থাৰ গুৰুত্বও বৃদ্ধি ঘটিছে। কৃষিজীৱী লোকসকলৰ জীৱন ধাৰণৰ মানৰ লগতে উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰাত উপযুক্ত তথা সঠিক বজাৰ ব্যৱস্থাৰ গুৰুত্ব অপৰিসীম। সেয়েহে কৃষকসকলক তেওঁলোকৰ উৎপাদিত দ্ৰব্য সামগ্ৰীৰ বজাৰ দৰ সুনিশ্চিত কৰাতো বৰ্তমানৰ নিয়ন্ত্ৰিত কৃষি সামগ্ৰীৰ বজাৰ ব্যৱস্থাৰ প্ৰধান উদ্দেশ্য। সঠিক আৰু নিশ্চিত দৰ ব্যৱস্থাই বজাৰত কৃষি উৎপাদিত সামগ্ৰীৰ যোগান বৃদ্ধি কৰাৰ লগতে কৃষকৰ অৰ্থনৈতিক অৱস্থাৰ উন্নয়ন সাধন কৰে। কৃষি তথা প্ৰাথমিক খণ্ডৰ বিকাশে অৰ্থনীতিৰ অন্যান্য খণ্ডসমূহৰ বিকাশৰ হাৰ ত্বৰান্বিত কৰে।

সবল আৰু দীৰ্ঘম্যাদি গ্ৰাম্য বুনিয়াদী ব্যৱস্থাই উৎপাদনৰ পৰিমাণ বৃদ্ধি, ব্যয় হ্ৰাস কৰে আৰু বজাৰত যোগানৰ পৰিমাণ বৃদ্ধি কৰে। কৃষকসকলৰ প্ৰত্যক্ষ অংশগ্ৰহণৰ সুবিধা প্ৰদানৰ জৰিয়তে দৰ পৃথকীকৰণৰ পৰিমাণ হ্ৰাস পাব। ইয়াৰ উপৰি কৃষি বজাৰৰ লগত জড়িত বিভিন্ন মধ্যভোগী তথা সুবিধাবাদী লোকসকলৰ প্ৰভাৱৰ পৰা কৃষকসকলে মুক্তি পাব। সমষ্টিবাদী অৰ্থনীতিৰ প্ৰধান সমস্যা যেনে— নিবনুৱা সমস্যা, দাৰিদ্ৰ্য, আয়ৰ অসমতা ইত্যাদি সমূহ সমাধানৰ ক্ষেত্ৰত শক্তিশালী গ্ৰাম্য বুনিয়াদী ব্যৱস্থাই সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলায়। এক অৰ্থত ক'বলৈ গ'লে গ্ৰাম্য বুনিয়াদী ব্যৱস্থা আৰু অৰ্থনৈতিক উন্নয়নৰ মাজত ওতঃপ্ৰোত যোগাত্মক সম্পৰ্ক আছে।

বৰ্তমান সময়ত ৰাজ্যখনত প্ৰায় সকলোবোৰ কৃষি উৎপাদিত সামগ্ৰীৰ গড় উৎপাদনৰ পৰিমাণ বৃদ্ধি পাইছে। উৎপাদন বৃদ্ধিৰ লগে লগে অতিৰিক্ত উৎপাদিত তথা ৰাহি হোৱা দ্ৰব্যসমূহৰ সঞ্চয়ৰ ব্যৱস্থা কৰা, কম খৰচত আৰু অতি সহজে বজাৰলৈ উলিয়াই আনিব পৰাকৈ বছৰৰ সকলো সময়তে ব্যৱহাৰৰ উপযোগী বাট-পথ আৰু যোগাযোগ ব্যৱস্থা অতি প্ৰয়োজনীয়। বেছিভাগ কৃষিজাত সামগ্ৰী সহজে নষ্ট হৈ যাব পৰা বিধৰ। এনে দ্ৰব্যসমূহৰ চূড়ান্ত উপভোক্তা আৰু উৎপাদন কেন্দ্ৰৰ মাজত দূৰত্ব অধিক হোৱা হেতুকে উন্নত মানৰ বুনিয়াদী ব্যৱস্থাৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে। দীৰ্ঘ সময়ৰ বাবে সঞ্চয় কৰি ৰাখিবপৰাকৈ শীতলী গৃহ নাইবা গ্ৰাম্য সঞ্চয় ভঁৰাল স্থাপনৰ জৰিয়তে সমস্যাৰ সমাধান পাব পাৰি। উল্লেখযোগ্য যে প্ৰতি পাঁচ বৰ্গ কিলোমিটাৰ ব্যাসাৰ্ধৰ ব্যৱধানত একোখনকৈ কৃষি সামগ্ৰীৰ বজাৰৰ প্ৰয়োজন হয়। বৰ্তমানে আমাৰ দেশত এনে বজাৰৰ সংখ্যা পৰ্যাপ্ত পৰিমাণৰ নহয়। সেয়েহে কৃষকসকলে উৎপাদিত দ্ৰব্য দূৰ অঞ্চলৰ পৰা নিৰ্দিষ্ট বজাৰলৈ বিভিন্ন মাধ্যমৰ জৰিয়তে কঢ়িয়াই আনিবলগা হয়। দূৰত্বৰ পৰিমাণ বৃদ্ধি বা যাতায়াতৰ সুচল আৰু সুলভ ব্যৱস্থাৰ অভাৱত বহু সময়ত কৃষকসকলে কষ্টোপাৰ্জিত দ্ৰব্যসমূহ কম দামতে মধ্যভোগীৰ হাতত তুলি দিবলৈ বাধ্য

*লেখক অসম বিশ্ববিদ্যালয়, শিলচৰৰ অৰ্থনীতি বিভাগৰ গৱেষক ছাত্ৰ

হয়। এনেবোৰ কাৰণতে কৃষি সামগ্ৰী বজাৰৰ বুনিয়াদী ব্যৱস্থাৰ অধ্যয়নৰ গুৰুত্ব বৃদ্ধি পাইছে।

**কৃষি সামগ্ৰী বজাৰৰ বুনিয়াদী ব্যৱস্থা ঃ**

কৃষিজাত সামগ্ৰীসমূহৰ বজাৰ উদ্যোগিক উৎপাদিত দ্ৰব্যৰ বজাৰৰ লগত সম্পূৰ্ণ পাৰ্থক্য আছে। কৃষি উৎপাদন কেন্দ্ৰসমূহ উপভোক্তা অঞ্চলসমূহৰ পৰা যথেষ্ট দূৰত অৱস্থান কৰে আৰু ই স্থানান্তৰযোগ্য নহয়। গতিকে এনে সামগ্ৰীৰ বজাৰৰ ক্ষেত্ৰত বুনিয়াদী ব্যৱস্থাৰ পাৰ্থক্য দেখা পোৱা যায়।

কৃষি সামগ্ৰীৰ বজাৰৰ বুনিয়াদী ব্যৱস্থাসমূহক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হৈছে, আনুষ্ঠানিক আৰু বাহ্যিক। আনুষ্ঠানিক বুনিয়াদী ব্যৱস্থাৰ উপাদানসমূহ তলত দিয়া ধৰণৰ—

১। কৃষকৰ বাবে জিৰণি কোঠাৰ ব্যৱস্থা
২। বজাৰ কেন্দ্ৰত কৃষকৰ স্বাস্থ্য পৰীক্ষাৰ সু-ব্যৱস্থা কৰা।
৩। বজাৰ অঞ্চলত খোৱাপানী, ভোজনালয়, শৌচাগাৰ ইত্যাদিৰ ব্যৱস্থা কৰা।
৪। বজাৰসমূহত সীমা সংযোগী দেৱাল নিৰ্মাণ কৰা।
৫। বজাৰ অনিৰ্দিষ্ট কৰি কৃষকৰ যান-বাহন ৰখাৰ সু-ব্যৱস্থা কৰা।
৬। বেংক বা অন্যান্য বিত্তীয় সা-সুবিধা বজাৰৰ ভিতৰত উপলব্ধ কৰা।
৭। বজাৰসমূহত বৈদ্যুতিক জাননীৰ ব্যৱস্থা কৰা, ইণ্টাৰনেট আৰু দূৰভাষৰ সুবিধা প্ৰদান কৰা ইত্যাদি।

বাহ্যিক বুনিয়াদী ব্যৱস্থাৰ উপাদান-সমূহ হ'ল—

১। বজাৰ কেন্দ্ৰ আৰু উৎপাদনক্ষেত্ৰ সংযোগী সকলো সময়তে ব্যৱহাৰ উপযোগী (স্থল) পথৰ যোগাযোগ ব্যৱস্থা গঢ়ি তোলা।
২। বজাৰ গৃহ স্থাপন কৰা।
৩। সু-সংগঠিত মুকলি চোতাল নিৰ্মাণ কৰা।
৪। বজাৰ কেন্দ্ৰৰ ওচৰতে বৈজ্ঞানিক-ভাৱে নিৰ্মিত ভঁৰালসমূহ স্থাপন কৰা।
৫। দ্ৰব্যৰ গুণাগুণ নিৰ্ণয় কৰি বিভিন্ন ভাগত ভাগ কৰা, ইত্যাদি সমূহেই প্ৰধান।

উল্লেখযোগ্য যে আনুষ্ঠানিক সা-সুবিধাসমূহে কৃষি সামগ্ৰীসমূহ অধিক হাৰত বজাৰলৈ অহাত পৰোক্ষভাৱে সহায় কৰে। অন্যহাতেদি বাস্তৱিক তথা স্থাৱৰ বা বাহ্যিক বুনিয়াদী সা-সুবিধা-সমূহে কৃষকসকলক বজাৰ কেন্দ্ৰসমূহৰ লগত প্ৰত্যক্ষ (অংশগ্ৰহণত) সংযোগ স্থাপনত অধিক প্ৰভাৱ পেলায়। এনে সা-সুবিধাসমূহে বজাৰ ব্যৱস্থাটোক কৃষকৰ সপক্ষে অধিক শক্তিশালী কৰি গঢ়ি তোলাৰ লগতে বিক্ৰী কাৰ্যত কৃষকসকলৰ প্ৰত্যক্ষ অংশগ্ৰহণৰ পৰিমাণ বৃদ্ধি কৰে।

**অসমৰ কৃষি বুনিয়াদী ব্যৱস্থা ঃ**

অসম চৰকাৰৰ কৃষি বিভাগে ৰাজ্যখনৰ কৃষকসকলৰ স্বাৰ্থ সুৰক্ষা কৰাৰ লগতে কৃষি সামগ্ৰীৰ বজাৰত প্ৰচলিত অনিয়মসমূহ ৰোধ কৰাৰ উদ্দেশ্যে ১৯৭৬ চনত অসম ৰাজ্যিক কৃষি বজাৰ পৰিষদ গঠন কৰে। এই পৰিষদে ৰাজ্যখনৰ বিভিন্ন অঞ্চলত বজাৰ স্থাপনৰ উপৰি অন্যান্য আনুষ্ঠানিক আৰু বাহ্যিক বুনিয়াদী ব্যৱস্থা গঢ়ি তুলিছে। ৰাজ্যখনৰ কৃষি বজাৰসমূহত উপলব্ধ বিভিন্ন বুনিয়াদী সা-সুবিধাসমূহৰ চমু বিৱৰণ তালিকাৰ জৰিয়তে দাঙি ধৰা হ'ল।

তালিকাৰ পৰা বুজা যায় যে অসমত কৃষি উৎপাদিত দ্ৰব্যৰ উচিত বজাৰ ব্যৱস্থাৰ বাবে প্ৰয়োজনীয় বুনিয়াদী ব্যৱস্থা গঢ়ি তোলাৰ যথেষ্ট প্ৰয়াস কৰা হৈছে।

বিভিন্ন স্থাৱৰ তথা বাহ্যিক বুনিয়াদী ব্যৱস্থাসমূহৰ অতিকৈ গুৰুত্বপূৰ্ণ কেইটামান বুনিয়াদী ব্যৱস্থাৰ বিষয়ে চমু বিৱৰণ দাঙি ধৰা হ'ল—

**তালিকা ঃ ১.১**

## অসমৰ কৃষি বুনিয়াদী ব্যৱস্থাৰ

| ক্ৰমঃ নং | স্থাৱৰ তথা বাহ্যিক বুনিয়াদী ব্যৱস্থাসমূহ | অসম |
|---|---|---|
| ১ | গ্ৰাম্য অঞ্চল সংযোগী সুচল পথ (২০১০-১৪) | ৩৬৫৪৪ কি.মি. |
| ২ | ৰাজ্যিক পথ (২০১৩-১৪) | ৩১৩৪ কি.মি. |
| ৩ | ৰাষ্ট্ৰীয় পথ (২০১৩-১৪) | ২৮২১ কি.মি. |
| ৪ | মুঠ নিয়ন্ত্ৰিত বজাৰ | ২৪ খন |
| ৫ | গ্ৰাম্য মজুত গৃহ | ২৩ টা |
| ৬ | কৃষি সামগ্ৰী নিলামৰ ভেটি | ১২৩ খন |
| ৭ | গ্ৰাম্য বজাৰ | ৩৪৪ খন |
| ৮ | শীতলী গৃহ | ৩৪ টা |

উৎস ঃ অসম ক্ষুদ্ৰ আৰু কৃষি বাণিজ্য কনছ'টিয়াম, অসম বুনিয়াদী পিয়ল ২০১৩-১৪

**গ্ৰাম্য অঞ্চল সংযোগী যোগাযোগ আৰু যাতায়াত ব্যৱস্থা ঃ**

কৃষি উৎপাদন আৰু গ্ৰাম্য যোগাযোগ তথা যাতায়াত ব্যৱস্থাৰ মাজত প্ৰত্যক্ষ আৰু প্ৰভাৱশালী সম্পৰ্ক আছে। কৃষি উৎপাদন বৃদ্ধিৰ বাবে

প্ৰয়োজন হোৱা ঔদ্যোগিক উৎপাদিত দ্ৰব্য সামগ্ৰী যেনে, ৰাসায়নিক সাৰ, আধুনিক যন্ত্ৰপাতি, উন্নত মানৰ বীজ ইত্যাদিৰ যোগান ধৰিবৰ বাবে উন্নত যোগাযোগ আৰু যাতায়াত ব্যৱস্থাৰ আৱশ্যক। আনহাতে, অতিৰিক্ত উৎপাদিত দ্ৰব্য বা ৰাহি উৎপাদনসমূহ নিৰ্দিষ্ট সময়ৰ ভিতৰত চহৰ অঞ্চলত অৱস্থিত বজাৰ বা মজুত গৃহ সমূহলৈ স্থানান্তৰ কৰিবৰ বাবে সুচল বাট-পথৰ প্ৰয়োজন সৰ্বজনবিদিত। যোগাযোগ আৰু যাতায়াত ব্যৱস্থাৰ উন্নয়নে কৃষি উৎপাদন বৃদ্ধিৰ লগতে বজাৰলৈ প্ৰৱাহিত হোৱা দ্ৰব্যৰ পৰিমাণো বৃদ্ধি কৰে। এনে ব্যৱস্থাই সহজে নষ্ট হোৱা কৃষিজাত দ্ৰব্যসমূহ বিক্ৰী হোৱাত সহায় কৰে। উৎপাদন কেন্দ্ৰ আৰু বজাৰ সংযোগী যোগাযোগ ব্যৱস্থাই কৃষি ভিত্তিক অৰ্থ ব্যৱস্থাৰ বিকাশত বিশেষ গুৰুত্ব লাভ কৰিছে। অসমৰ গ্ৰাম্য অঞ্চল সংযোগী ৩৬৫৪৪ কিলোমিটাৰ পথৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। এই গ্ৰাম্য পথ সংযোগী ব্যৱস্থাই কৃষকসকলক নিজ নিজ উৎপাদিত দ্ৰব্যসমূহ সহজতে বজাৰ তথা চহৰ অঞ্চলত বিক্ৰী কৰাৰ সুবিধা প্ৰদান কৰিছে। কৃষকসকলক অধিক বজাৰমুখী হোৱাৰ লগতে চূড়ান্ত উপভোক্তাই ক্ৰয় কৰা দৰৰ অধিক অংশ কৃষকসকলে লাভ কৰাতো সম্ভৱ হৈছে। কৃষক আৰু উপভোক্তাৰ মাজত প্ৰত্যক্ষ বিনিময়ৰ জৰিয়তে মধ্যভোগী তথা দালাল ব্যৱস্থাৰ অৱসান তথা বিলুপ্ত কৰাত যোগাযোগ আৰু যাতায়াত ব্যৱস্থাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

**বজাৰ গৃহ আৰু নিবিদা চোতাল বা ভেটি ঃ**

কৃষি উৎপাদিত সামগ্ৰীসমূহৰ আকাৰ ডাঙৰ হোৱাৰ হেতুকে আহল-বহল বজাৰ গৃহৰ প্ৰয়োজন হয়। এনে বজাৰ গৃহসমূহত পৰিকল্পিত সামগ্ৰী-সমূহক নিবিদা ভেটিসমূহত গ্ৰাহকৰ উদ্দেশ্যে মোকলাই দিয়াত সুবিধা হয়। উৎপাদিত সামগ্ৰীৰ অৱস্থান অনুসৰি গ্ৰাম্য অঞ্চলৰ নিকটৱৰ্তী চহৰ অঞ্চলত তেনে সামগ্ৰীসমূহৰ বজাৰ গৃহ গঢ়ি তোলা হৈছে। বজাৰ গৃহসমূহত কৃষকৰ সুবিধাৰ অৰ্থে লাগতিয়াল আনুষ্ঠানিক বুনিয়াদী সেৱাসমূহৰ ব্যৱস্থা কৰা হৈছে। এনেদৰে গঢ়ি তোলা বজাৰসমূহে উৎপাদিত দ্ৰব্য ৰ'দ-বৰষুণ তথা আন প্ৰাকৃতিক দুৰ্যোগসমূহৰ পৰা নিৰাপদে ৰখাৰ লগতে স্বাস্থ্যসন্মত কৰি ৰখাত সহায় কৰে।

**দৰ তালিকা আৰু বৈজ্ঞানিকভাৱে ওজন জোখা পদ্ধতি ঃ**

একোজন সফল খেতিয়কক দক্ষ বিক্ৰেতা হিচাপে গঢ়ি তুলিবৰ বাবে বজাৰত বিভিন্ন দ্ৰব্যৰ দৰ সম্পৰ্কীয় জ্ঞান থকাতো প্ৰয়োজন। প্ৰায়বিলাক কৃষকেই দ্ৰব্য উৎপাদনত অধিক গুৰুত্ব প্ৰদান কৰে অথচ বিক্ৰীৰ সময়ত দৰ নিৰ্ধাৰণৰ বেলিকা অতি দুৰ্বল স্থিতি গ্ৰহণ কৰা দেখা যায়। এনে হোৱাৰ ফলত কৃষকসকল তেওঁলোকৰ ন্যাৰ্যপ্ৰাপ্তিৰ পৰা বঞ্চিত হয় আৰু মধ্যভোগীসকলক মুনাফা অৰ্জনৰ পথ সুচল কৰি তোলে।

এনে অবাঞ্চিত পৰিস্থিতিৰ পৰা কৃষকসকলক ৰক্ষা কৰাৰ উদ্দেশ্যে বিভিন্ন বজাৰসমূহত চৰকাৰীভাৱে দৰ তালিকা প্ৰস্তুত আৰু বৈদ্যুতিকভাৱে প্ৰদৰ্শনৰ ব্যৱস্থা লোৱা হৈছে। এনেধৰণৰ ফলপ্ৰসু বুনিয়াদী ব্যৱস্থাই বিভিন্ন বজাৰসমূহত প্ৰচলিত দৰ আৰু কৃষকৰ বিক্ৰী দৰৰ মাজত পাৰ্থক্য সহজে অনুমেয় হ'ব।


দ্ৰব্যসমূহৰ মাজত শ্ৰেণী বিভাজন কৰা আধুনিক নিয়ন্ত্ৰিত বজাৰ ব্যৱস্থাৰ অন্য এক উদ্দেশ্য। বজাৰত উপলব্ধ দ্ৰব্যসমূহ বিভিন্ন মানৰ হয়। দ্ৰব্যসমূহৰ গুণগত মানৰ ওপৰত ভিত্তি কৰি বিভিন্ন শ্ৰেণীত বিভক্ত কৰা সু-ব্যৱস্থা নিয়ন্ত্ৰিত বজাৰ ব্যৱস্থাত সু-নিশ্চিত কৰা হৈছে। এনে ধৰণৰ শ্ৰেণী বিভাজনে কৃষক-সকলক উন্নতমানৰ দ্ৰব্যৰ বাবদ লাভ কৰিবলগীয়া উচিত মূল্য প্ৰদান কৰাত সহায় কৰে।

ইতিমধ্যে আলোচনা কৰা বিভিন্ন বুনিয়াদী সা-সুবিধাসমূহৰ ওপৰত কৃষকসকলৰ মতামত আৰু তেওঁলোকে সহজতে সন্মুখীন হোৱা বিভিন্ন সমস্যাসমূহ অধ্যয়ন কৰাই বৰ্তমান আলোচনাৰ মূল উদ্দেশ্য। উল্লেখযোগ্য যে অসমৰ প্ৰধান কৃষি জলবায়ু সংমণ্ডলসমূহৰ অন্যতম প্ৰধান মধ্য জলবায়ু সংমণ্ডলৰ অন্তৰ্গত অবিভক্ত নগাঁও জিলাক বৰ্তমানৰ আলোচনাৰ ক্ষেত্ৰ হিচাপে উদ্দেশ্যমূলকভাৱে চিনাক্ত কৰা হৈছে।

জিলাখনক চাৰিটা প্ৰধান কৃষি উপ-সংমণ্ডলত বিভক্ত কৰা হৈছে। সেইসমূহ হ'ল— হোজাই উপসংমণ্ডল, কলিয়াবৰ উপ-সংমণ্ডল, ৰহা উপ-সংমণ্ডল আৰু নগাঁও সংমণ্ডল। জিলাখনৰ মুঠ মাটিকালিৰ পৰিমাণ ৩,৯৭,৩০০ হেক্টৰ, ইয়াৰে ২৭,২৯,৫৯ হেক্টৰ মাটিত কৃষিকাৰ্য কৰা হয়। জিলাখনৰ ৬৪.৭০ শতাংশ মাটিত কৃষি কাম কৰা হয়। জিলাখনৰ মুঠ জনসংখ্যা ২৮,২৩,৭৬৪ জন ইয়াৰে ২৪,৫৪,২৩৪জন অৰ্থাৎ ৪৬.৯৮ শতাংশ লোক গাঁও অঞ্চলত বসবাস কৰে। (লোক গণনা ২০১১ চন)।

জিলাখনৰ চাৰিটা প্ৰধান কৃষি উপ-সংমণ্ডলৰ পৰা উৎপাদনৰ পৰিমাণ, উৎপাদিত দ্ৰব্যৰ পৰিমাণ, কৃষকৰ বজাৰৰ সংখ্যা ইত্যাদিসমূহৰ ওপৰত

নিৰ্ভৰ কৰি হোজাই কৃষি উপ-সংমণ্ডলটো উদ্দেশ্যপূৰ্ণ-ভাৱে চিনাক্ত কৰা হৈছে। হোজাই কৃষি সংমণ্ডলৰ উপসংমণ্ডলৰ কৃষকসকলে প্ৰয়োজনীয় সকলোবোৰ বাহ্যিক বুনিয়াদী ব্যৱস্থাৰ সা-সুবিধাসমূহ পৰ্যাপ্ত পৰিমাণে লাভ পাৰিলে কৃষকসকলৰ লগতে দেশৰ সামূহিক সমস্যাসমূহ সমাধানৰ পথ মুকলি হ'ব। সেউজ বিপ্লৱৰ পৰৱৰ্তী




অন্তৰ্গত বিভিন্ন শ্ৰেণীৰ কৃষক যে মজলীয়া কৃষক ক্ষেত্ৰ আৰু প্ৰান্তিক তথা বৃহৎ কৃষক ইত্যাদি মুঠ এশজন কৃষকৰ পৰা কৃষি বজাৰ সম্পৰ্কীয় বুনিয়াদী সা-সুবিধাসমূহৰ বিষয়ে মতামত গ্ৰহণ কৰা হৈছে। তেওঁলোকে আগবঢ়োৱা মতামত-সমূহক তিনিটা প্ৰধান ভাগত ভাগ কৰা হৈছে— অতি পৰ্যাপ্ত পৰিমাণৰ, আংশিক-ভাৱে পৰ্যাপ্ত আৰু অসন্তুষ্টিকৰ অৱস্থা। তালিকাত বিভিন্ন বুনিয়াদী সা-সুবিধাসমূহৰ বিষয়ে কৃষকে আগবঢ়োৱা মতামতসমূহ দেখুওৱা হ'ল।

বিভিন্ন সা-সুবিধাসমূহৰ ওপৰত আগবঢ়োৱা মতামতসমূহক দণ্ডচিত্ৰৰ জৰিয়তে প্ৰকাশ কৰা হৈছে।

ওপৰৰ তালিকা আৰু চিত্ৰত এই কথা স্পষ্ট হৈছে যে হোজাই কৃষি কৰিবলৈ সক্ষম হৈছে। মন কৰিবলগীয়া যে শীতলী গৃহৰ ক্ষেত্ৰত কৃষকসকলৰ সৰহসংখ্যকেই অসন্তুষ্টি প্ৰকাশ কৰিছে। শীতলী গৃহ ব্যৱস্থাই সকলোবোৰ কৃষকৰ প্ৰয়োজনীয়তা পূৰণ কৰাত সফল হ'ব পৰা নাই। গতিকে এই ব্যৱস্থাটোৰ সুফলসমূহ কৃষকক প্ৰদান কৰাৰ বাবে শীতলী গৃহৰ স্থাপনত অধিক গুৰুত্ব প্ৰদান কৰা উচিত।

**উপসংহাৰ ঃ**

অৰ্থনৈতিক উদাৰীকৰণ ব্যৱস্থাত কৃষকসকলক ব্যৱসায়ী ভিত্তিক উৎপাদন কাৰ্য সম্ভৱপৰ কৰি তুলিবৰ বাবে সামগ্ৰীসমূহৰ সঞ্চয় আৰু সুনিয়ন্ত্ৰিত যোগান ব্যৱস্থা অতি প্ৰয়োজন। এনে সামগ্ৰীসমূহৰ বজাৰৰ পৰিসৰ বৃদ্ধি কৰিব সময়ত কৃষি সামগ্ৰীৰ বজাৰ ব্যৱস্থা উন্নয়নত অত্যাধিক গুৰুত্ব প্ৰদান কৰা হৈছে। বৰ্ধিত জনসংখ্যা আৰু কৃষি ভূমিৰ সংকোচনৰ ফলত বজাৰ ব্যৱস্থাৰ পৰিৱৰ্তন অতি প্ৰয়োজন। বুনিয়াদী সা-সুবিধাসমূহে একমাত্ৰ কৃষকসকলকেই নহয় সমগ্ৰ অৰ্থনৈতিক ব্যৱস্থাটোৰ পৰিৱৰ্তনৰ সূচনা কৰে। কৃষি উৎপাদিত দ্ৰব্যসমূহৰ প্ৰকৃত মূল্যয়ান সুনিশ্চিত কৰাত বুনিয়াদী ব্যৱস্থাই একমাত্ৰ সমাধান স্বৰূপ। আলোচনাৰ পৰা বুজা যায় যে জিলাখনৰ কৃষি বুনিয়াদী ব্যৱস্থাৰ উন্নয়ন হৈছে। কিন্তু পৰৱৰ্তী সময়ত আৰু অধিক সুবিধা প্ৰদানৰ জৰিয়তে কৃষি উৎপাদন আৰু কৃষকৰ অৰ্থনৈতিক অৱস্থাৰ পৰিৱৰ্তন সাধন কৰিব পৰা যায়। ❐

# বৌদ্ধিক সম্পদৰ অধিকাৰ

**অৰূপ কুমাৰ শৰ্মা***

মানুহৰ বুদ্ধিমত্তাইহে মানুহক আন জীৱতকৈ শ্ৰেষ্ঠতৰ কৰিছে। এই বুদ্ধিমত্তাই মানুহক প্ৰদান কৰিছে সৃষ্টিশীলতা। সৃষ্টিশীল মানৱে নিজৰ চৌপাশৰ প্ৰকৃতিৰপৰা ভিন ভিন সম্ভাৰ বুটলি সেইবোৰক নিজৰ প্ৰয়োজনীয় সম্পদ বা সামগ্ৰীলৈ ৰূপান্তৰ কৰিছে। এই সামগ্ৰীসমূহে মানুহৰ প্ৰয়োজন পূৰণ কৰাৰ উপৰি বহুক্ষেত্ৰত মানুহৰ কষ্ট লাঘৱ কৰি জীৱনটোক অধিক সুচল আৰু আৰামদায়ক কৰি তুলিছে। বুদ্ধিৰ বলতে মানুহে কঠিন কাম এটিক সহজসাধ্য কৰি তুলিছে। এক কথাত, এই সামগ্ৰী বা সম্পদসমূহে সমগ্ৰ মানৱজাতিৰ কল্যাণ সাধিছে। সেয়ে, প্ৰতিজন মানুহে এনে সৃজনীশীল শক্তিক সামৰি লৈছে আৰু এনে শক্তিৰ বলত সৃষ্টি হোৱা সামগ্ৰী বা সম্পদৰাজিৰ ওপৰত সৃষ্টিকৰ্তা ব্যক্তিজনক এটা অধিকাৰ প্ৰদান কৰিছে। সৃষ্টিশীলতাৰ বাবে প্ৰদান কৰা এনে অধিকাৰক বৌদ্ধিক সম্পদৰ অধিকাৰ (Intellectual Property Right) বোলা হয়। এজন বিজ্ঞানীয়ে আৱিষ্কাৰ কৰা এটি নতুন যন্ত্ৰ, এজন শিল্পীয়ে সৃষ্টি কৰা এটি নতুন সংগীত বা কলা আদি এনে অধিকাৰৰ অন্তৰ্ভুক্ত; আনহে নেলাগে যুগ যুগ ধৰি কৃষকে নিজৰ হিয়াৰ আমঠুৰ দৰে জীয়াই ৰখা শস্যৰ জাতসমূহৰ বাবেও কৃষকক এনে অধিকাৰ প্ৰদান কৰা হয়।

এক কথাত বৌদ্ধিক সম্পদৰ অধিকাৰ হ'ল ঔদ্যোগিক, বৈজ্ঞানিক সাহিত্যিক তথা কলাসুলভ সৃষ্টিৰাজিৰ বাবে সৃষ্টিকৰ্তাজনৰ বা সৃষ্টিকৰ্তাসকলৰ ওপৰত ন্যস্ত কৰা এটা ন্যায়গত অধিকাৰ। অৱশ্যে এটা নিৰ্দিষ্ট সময়ৰ বাবেহে এই অধিকাৰ ন্যায়গতভাৱে বাহাল থাকে; তাৰ পিছত ই ৰাজহুৱা সম্পত্তি হৈ পৰে। এই অধিকাৰে সৃষ্টিকৰ্তা বিজ্ঞানী, শিল্পী চিত্ৰকৰ বা কৃষকজনক এই নিৰ্দিষ্ট সময়খিনিত একধৰণৰ ৰক্ষাকৱচ প্ৰদান কৰে, যাৰ ফলত তেওঁৰদ্বাৰা সৃষ্ট সম্পদ, সামগ্ৰী বা কৰ্মপন্থাৰ সঠিক প্ৰয়োগ বা বাণিজ্যিকৰণৰ ওপৰত কেৱল সৃষ্টিকৰ্তাৰহে অধিকাৰ থাকে, তেওঁৰ অনুমতি অবিহনে কোনো ব্যক্তি বা কোম্পানীয়ে তেওঁৰদ্বাৰা সৃষ্ট সম্পদ, সামগ্ৰী বা কৰ্মপন্থাৰ ব্যৱসায় কৰিব নোৱাৰে। এই অনুমতিৰ বিনিময়ত তেওঁ ক্ৰেতাজনৰ (ব্যক্তি বা কোম্পানী) পৰা ৰয়েল্টি লাভ কৰে। স্পষ্টত ঃ এই অধিকাৰৰ অধীনত অহা সম্পদবোৰৰ বেচা-কিনা কৰিব পাৰি; সেয়ে সম্পদৰ উপযোগিতাৰ মাত্ৰা তথা ব্যৱসায়ৰ পৰিধিৰ ভিত্তিত সৃষ্টিকৰ্তাজন অৰ্থনৈতিকভাৱে লাভৱান হয়। প্ৰকৃতাৰ্থত সৃষ্টিকৰ্তা বা আৱিষ্কাৰকজনৰ বুদ্ধিমত্তাক স্বীকৃতি প্ৰদান তথা অৰ্থনৈতিক দিশত উদগনি দিয়াটোৱেই হৈছে এই অধিকাৰ আইনখনৰ প্ৰকৃত উদ্দেশ্য। বিশ্ব বাণিজ্য সংস্থাৰ অধীনত আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত টি আৰ আই পি এছ (Trade Related Aspects of IPR) নামৰ এখন চুক্তিৰদ্বাৰা এই অধিকাৰৰ সৈতে জড়িত ব্যৱসায় সংক্ৰান্তীয় বিভিন্ন দিশ নিৰ্দ্ধাৰণ কৰা হৈছে।

আলোচ্য অধিকাৰৰ বিভিন্ন দিশ চালি-জাৰি চালে এয়া স্পষ্ট হৈ পৰে যে মুখ্যত ঃ তলৰ উদ্দেশ্যকেইটাৰ বাবেই বিশ্বব্যাপী ইয়াৰ সাৰ্বজনীন গ্ৰহণযোগ্যতা লাভ কৰিছে ঃ

১। ন ন সৃষ্টিৰ বাবে সৃষ্টিকৰ্তা/আৱিষ্কাৰকজনক উৎসাহ যোগোৱা।

২। সৃষ্টিকৰ্তা/আৱিষ্কাৰকজনক যোগ্য স্বীকৃতি প্ৰদান কৰা।

৩। বুদ্ধিমত্তাৰ বাবে আৰ্থিকভাৱে লাভালাভ নিশ্চিত কৰা।

৪। প্ৰকৃত তথা নিৰ্ভেজাল সম্পদ প্ৰাপ্তিৰ নিশ্চয়তা প্ৰদান কৰা।

আলোচ্য অধিকাৰ মূলত ঃ দুভাগত ভাগ কৰিব পাৰি ঃ

(ক) ঔদ্যোগিক সম্পদ অধিকাৰ [Industrial Property Right] ঃ এই অধিকাৰৰ অন্তৰ্গত বিভিন্ন অধিকাৰবোৰ হ'ল — পেটেণ্ট, ট্ৰেডমাৰ্ক, ঔদ্যোগিক আৰ্হি আৰু উৎসৰ ভৌগোলিক মাপক চিহ্ন।

(খ) সৰ্বস্বত্ব আৰু আন আন সম্পৰ্কীয় অধিকাৰ (Copy Right and other related rights) ঃ সাহিত্য, কলা, সংগীত, চিনেমা, কলাসুলভ প্ৰদৰ্শন আদিৰ সৈতে জড়িত সৃষ্টিৰাজি এই অধিকাৰৰ অন্তৰ্গত।

কিছুমান অধিকাৰৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

**(ক) পেটেণ্ট** (Patent) ঃ কোনো এটি নতুন বস্তুৰ বা কোনো এটা নতুন কৰ্মপ্ৰণালীৰ আৱিষ্কাৰ, যিয়ে সমাধান কৰিব নোৱাৰা এটা কাৰিকৰী সমস্যা বা

*অৰূপ কুমাৰ শৰ্মা ডিব্ৰুগড়ৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ শস্য ৰক্ষণ বিশেষজ্ঞ

কেৰোণ এটাৰ আশু সমাধান আনি দিয়ে, তেনে আৱিষ্কাৰৰ বাবে আৱিষ্কাৰকে পেটেণ্ট লাভ কৰে। পেটেণ্টৰ যোগেদি আৱিষ্কাৰকজনৰ অধিকাৰ সুৰক্ষিত কৰা হয়। পেটেণ্ট লাভৰ বাবে আৱিষ্কৃত বস্তুবিধ বা কৰ্মপ্ৰণালীটি আগতে কোনেও নজনা বা অভূতপূৰ্ব হ'ব লাগিব, নতুনকৈ আৱিষ্কৃত আৰু ঔদ্যোগিক প্ৰয়োগ থকা হ'ব লাগিব। পেটেণ্টৰ যোগেদি আৱিষ্কাৰ জনক ২০ বছৰ কাল মালিকীস্বত্ব প্ৰদান কৰা হয়। পেটেণ্টৰ অধীনত অহা বস্তুবিধ বা কৰ্মপ্ৰণালীটি মালিকৰ অনুমতি অবিহনে কোনো ব্যক্তি বা কোম্পানীয়ে উৎপাদন, ব্যৱহাৰ বা প্ৰয়োগ, বিতৰণ তথা বিক্ৰী কৰিব নোৱাৰে। অৱশ্যে এই ২০ বছৰ কাল উকলি যোৱাৰ পিছত সেই বস্তুবিধ বা কৰ্মপ্ৰণালীটি ৰাজহুৱা সম্পত্তি হৈ পৰে; অৰ্থাৎ মালিকৰ অনুমতি অবিহনে যিকোনো ব্যক্তি বা কোম্পানীয়ে সেই বস্তুবিধ বা কৰ্মপ্ৰণালীটিৰ সহায়ত উৎপাদন, ব্যৱহাৰ বা প্ৰয়োগ, বিতৰণ তথা বিক্ৰী কৰিব পৰা হয়।

**(খ) ট্ৰেডমাৰ্ক** (Trademark) ঃ ট্ৰেডমাৰ্ক হ'ল যিকোনো কোম্পানী বা ব্যৱসায়িক প্ৰতিষ্ঠানে ব্যৱহাৰ কৰা বিশেষধৰণৰ নিজস্ব চিহ্ন। এই চিহ্ন দেখিবলৈ কোনো প্ৰাকৃতিক জীৱৰ ছবি (যেনে ঃ আমুল, HMV) চহী, নাম (যেনে ঃ USHA), সা-সঁজুলি, লেবেল, সংখ্যা বা ৰঙৰ সমাহাৰ (যেনে ঃ Microsoft) হ'ব পাৰে। এই বিশেষধৰণৰ চিহ্ন বা ট্ৰেডমাৰ্কে কোনো এটা কোম্পানী বা ব্যৱসায়িক প্ৰতিষ্ঠানৰদ্বাৰা উৎপাদিত সামগ্ৰীবোৰক নিজস্ব চিনাকি প্ৰদান কৰে আৰু আন কোম্পানী বা ব্যৱসায়িক প্ৰতিষ্ঠানৰদ্বাৰা প্ৰস্তুত একেধৰণৰ উৎপাদিত সামগ্ৰীৰপৰা পৃথক কৰে। এজন গ্ৰাহকে ট্ৰেডমাৰ্ক চাই সেই বিশেষ কোম্পানীটি বা কোম্পানী/ব্যৱসায়িক প্ৰতিষ্ঠানটিৰদ্বাৰা প্ৰস্তুত সামগ্ৰীবোৰক চিনি পায় আৰু গুণগত মান ঠাৱৰ কৰিব পাৰে। ট্ৰেডমাৰ্ক পাবলৈ পঞ্জীয়ন কৰিব লাগে। ট্ৰেডমাৰ্ক ব্যৱহাৰৰ অধিকাৰ আৰম্ভণিতে ১০ বছৰ কাল দিয়া হয় যদিও পিছলৈ সময়ে সময়ে নবীকৰণ কৰা হয়।

**(গ) সৰ্বস্বত্ব বা কপিৰাইট (Copyrights)** ঃ সাহিত্য, কলা, সংগীত, চিনেমা, চিত্ৰ আৰু আন কলাসুলভ প্ৰদৰ্শন আদিৰ সৈতে জড়িত নতুন (অভূতপূৰ্ব) সৃষ্টিৰাজি এই অধিকাৰৰ অন্তৰ্গত। সকলো ধৰণৰ নতুন সাহিত্যকৰ্ম (যেনে ঃ কবিতা, গল্প, প্ৰবন্ধ, নাটক আদি), কম্পিউটাৰৰ কাম, চিনেমা, সংগীত (নাচ, গান, সুৰ, বাদ্য আদি), চিত্ৰ (ছবি, ফটো আদি), কলাসুলভ কৰ্ম (প্ৰতিমূৰ্ত্তি বা স্থাপত্য কৰ্ম, মেপ অংকন, বিজ্ঞাপন, কাৰিকৰী ছবি অংকন আদি) আৰু আন কলাসুলভ প্ৰদৰ্শন আদিৰ সৈতে জড়িত নতুন সৃষ্টিৰাজিক এই অধিকাৰে সামৰি লয়। কপিৰাইট পাবলৈ পঞ্জীয়ন কৰিব নেলাগে। সৃষ্টিকৰ্তাজনে কোনো নতুন সৃষ্টিৰ বাবে কপিৰাইট দাবী কৰিবলৈ 'কপিৰাইট জাননী'ৰ সহায়ত তেওঁৰ দাবী ৰাজহুৱা কৰিব লাগে। পঞ্জীয়ন কৰিব নেলাগে যদিও '□' চিহ্ন ব্যৱহাৰ কৰিব লাগে। সাহিত্যকৰ্মৰ ক্ষেত্ৰত এই অধিকাৰ সাহিত্যিকজনৰ জীৱনকাল আৰু ৬০ বছৰলৈ বাহাল থাকে। টি.ভি. ৰেডিঅ' আদিৰ যোগেদি প্ৰচাৰ হোৱা অনুষ্ঠানৰ ক্ষেত্ৰত এই অধিকাৰ অনুষ্ঠানটি প্ৰচাৰ হোৱা দিনৰ পিছৰ বছৰটিৰ (১ লা জানুৱাৰীৰ) পৰা ২৫ বছৰলৈ বাহাল থাকে।

**(ঘ) ভৌগোলিক উৎসৰ মাপক চিহ্ন** (Geographyical Indication of Source: Gl) ঃ ভৌগোলিক উৎসৰ মাপক চিহ্ন কোনো এটি অঞ্চলৰ বিশেষ গুণমানসম্পন্ন বস্তু বা সামগ্ৰীৰ বাবে প্ৰদান কৰা হয়। এটা অঞ্চলৰ বিশেষ বতৰ আৰু মাটিৰ গুণাগুণৰ বাবে খেতিৰপৰা উৎপাদিত বস্তুৱে এই ভৌগোলিক মাপক চিহ্ন পাবলৈ সক্ষম হয়। শেহতীয়াকৈ তেজপুৰৰ লিচুৱে এই ভৌগোলিক মাপক চিহ্ন পাবলৈ সক্ষম হৈছে। আনহাতে কোনো এটি অঞ্চলৰ লোকসকলৰ বিশেষ কৌশলী গুণ বা পৰম্পৰাগত গুণৰ বাবে এই অধিকাৰ পায়; যেনে ঃ বিকাজী ভূজিয়া। অসমৰ মুগা ৰেচম, অৰ্থোডক্স চাহৰ ভৌগোলিক মাপক চিহ্নৰ বাবে পঞ্জীয়ন কৰা হৈছে।

**(ঙ) ঔদ্যোগিক আৰ্হি** (Industrial design) ঃ যিবোৰ সৃষ্টিকৰ্মৰ যোগেদি এবিধ উদ্যোগজাত সামগ্ৰী দেখিবলৈ শুৱনি বা সামগ্ৰীবিধৰ আৰ্হি মনোমোহা হৈ পৰে, সেইবোৰ সৃষ্টিকৰ্মৰ বাবে এই অধিকাৰ প্ৰদান কৰা হয়। আৰম্ভণিতে ১০ বছৰ কাল দিয়া হয় যদিও পিছলৈ আৰু ৫ বছৰ কাল বঢ়াই দিয়া হয়।

**(চ) ব্যৱসায়ী গোপনীয়তা [Trade Secret]** ঃ এই অধিকাৰ আন অধিকাৰবোৰতকৈ বেলেগ। ই অতি গোপনীয়। আনকি এই অধিকাৰ পোৱাজনে বা মালিকে ব্যৱসায়ী গোপনতা চৰকাৰকো নজনায়। এই অধিকাৰে কোনো ব্যৱসায়ৰ বস্তুৰ বিক্ৰী বা বিতৰণ কৰা পদ্ধতিৰ গোপনীয়তা, ক্ৰেতাৰ নামৰ গোপনীয়তা, বিজ্ঞাপনৰ কৌশলৰ গোপনীয়তা, উৎপাদন কৌশলৰ গোপনীয়তা আদিক সামৰি লয়।

**(ছ) নতুন জাতৰ সংৰক্ষণ অধিকাৰ** (Protection of New Variety) ঃ এই অধিকাৰ আইনখনৰ উদ্দেশ্য হৈছে কৃষকক জাতটিৰ খেতিয়ক আৰু সংৰক্ষক হিচাপে স্বীকৃতি প্ৰদান কৰা। ২০০5 চনৰপৰা এই অধিকাৰ আইনখন আমাৰ দেশত প্ৰৱৰ্তন কৰা হয়। কৃষকৰ জাতৰ বাবে এই অধিকাৰটি পাবলৈ চাৰিটা গুণ থাকিব লাগে ঃ (ক) নব্যতা, (খ) স্বকীয়তা, (গ) সমতা, (ঘ) স্থিৰতা। ❐

আপুনি জানেনে?

# লীগ্‌ল টেণ্ডাৰ মানি

এখন দেশৰ মুদ্ৰা বিধিগতভাৱে কৰা বি-মুদ্ৰাকৰণ বিনিময়ৰ মাধ্যম আৰু মুদ্ৰা ঋণৰ পৰিশোধ হিচাপে নিশ্চয় গ্ৰহণ কৰিব লাগিব। সাধাৰণতে যেতিয়া প্ৰচলিত কাগজৰ মুদ্ৰাৰ বি-মুদ্ৰাকৰণ লীগ্‌ল টেণ্ডাৰছ্ ৰূপে পৰিগণিত হয়, বি-মুদ্ৰাকৰণ আৰু সেই পৰিমাণৰ মুদ্ৰাৰ লীগ্‌ল টেণ্ডাৰ হিচাপে গ্ৰহণযোগ্যতা দেশ ভেদে পৃথক হয়। ইয়াক বিধিসন্মত মুদ্ৰা বুলিও কোৱা হয়।

**লীগ্‌ল টেণ্ডাৰ মুদ্ৰা দুই প্ৰকাৰৰ ঃ**

(১) **সীমিত লীগ্‌ল টেণ্ডাৰ মুদ্ৰা ঃ** এই প্ৰকাৰৰ মুদ্ৰা নিৰ্দিষ্ট পৰিমাণৰ ক্ষেত্ৰতহে পৰিশোধ কৰিব পাৰি, এই সীমা অতিক্ৰম কৰিলে এজন ব্যক্তিয়ে পৰিশোধ কৰিবলগীয়া ধন গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিব পাৰে আৰু ইয়াৰ বিৰুদ্ধে একো আইনী ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰি। ভাৰতত মুদ্ৰা (ধাতুৰ) সমূহ হ'ল সীমিত লীগ্‌ল টেণ্ডাৰ।

(২) **অ-সীমিত লীগ্‌ল টেণ্ডাৰ মানি ঃ** এই প্ৰকাৰৰ মুদ্ৰাৰ পৰিশোধৰ ক্ষেত্ৰত পৰিমাণৰ সীমাবদ্ধতা নাই। যদি কোনো ব্যক্তিয়ে এনে মুদ্ৰা ল'বলৈ অস্বীকাৰ কৰে তেনে ব্যক্তিৰ বিৰুদ্ধে আইনসংগত ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। ভাৰতত কাগজৰ মুদ্ৰা/কাৰেঞ্চি আদি হ'ল অ-সীমিত লীগ্‌ল টেণ্ডাৰ।

'লীগ্‌ল টেণ্ডাৰ' হ'ল এখন দেশৰ আইনৰদ্বাৰা স্বীকৃত, পাবলগীয়া ধন পৰিশোধ কৰাৰ বাবে বৈধ মুদ্ৰা। পাবলগীয়া ধন পৰিশোধৰ বাবে ই গ্ৰহণযোগ্য হ'বই লাগিব। ১৯৩৪ চনৰ আৰ বি আই আইনে ছেণ্ট্ৰেল বেংকটোক বেংকৰ ন'ট প্ৰকাশ কৰিবলৈ একমাত্ৰ অধিকাৰ প্ৰদান কৰিছে আৰু কৈছে— "ভাৰতৰ যিকোনো ঠাইতে উল্লেখ থকা পৰিমাণৰ দেয়ৰ পৰিশোধৰ বাবে প্ৰত্যেক বেংক ন'ট লীগ্‌ল টেণ্ডাৰ হিচাপে পৰিগণিত হ'ব।"

লীগ্‌ল টেণ্ডাৰৰ স্বীকৃতি বা বাতিলকৰণ তাৎপৰ্যপূৰ্ণ কিয়নো কাগজৰ মুদ্ৰাৰ মূল্য চৰকাৰৰ স্বীকৃতিৰ ফলতহে প্ৰাপ্ত হয়। তদুপৰি, এটুকুৰা কাগজৰ বিনিময় বা মাধ্যম আৰু সংৰক্ষণৰ মূল্যৰ বাবে জনসাধাৰণৰ প্ৰশ্নাতীত গ্ৰহণ-যোগ্যতাৰ প্ৰয়োজন, এইটো মাত্ৰ ভাৰতীয় ৰিজাৰ্ভ বেংক বা কেন্দ্ৰৰদ্বাৰা তেনেকুৱা কাগজৰ মুদ্ৰা 'লীগ্‌ল টেণ্ডাৰ' হিচাপে ঘোষণা কৰিলেহে নিশ্চিতকৰণ হ'ব।

**নন্ লীগ্‌ল টেণ্ডাৰ মানি ঃ** এই প্ৰকাৰৰ মুদ্ৰা বা ধন সাধাৰণতে গ্ৰহণযোগ্য কিন্তু আইনগতভাৱে গ্ৰহণ কৰিবলৈ বাধ্য নহয়। চেক, বেংক ড্ৰাফ্‌ট, বিল্ অৱ এক্সছেইঞ্জ, প'ষ্টেল অৰ্ডাৰ আদি লীগ্‌ল টেণ্ডাৰৰ শাৰীত নপৰে আৰু এইবোৰ জমা দিওঁতা, ঋণ দিওঁতা বা বিক্ৰী কৰোঁতাৰ বিকল্প হিচাপে গ্ৰহণ কৰা হয়। ইয়াৰ লীগ্‌ল সমৰ্থন নথকা বাবে বিকল্প মুদ্ৰা বুলি কোৱা হয় আৰু এইবোৰৰ গ্ৰহণযোগ্যতা বৈকল্পিক। ❐

২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।

## প্ৰকাশন বিভাগৰদ্বাৰা ভাৰতৰ আদালতসমূহৰ ঐতিহাসিক ক্ৰমবিৱৰ্তনমূলক গ্ৰন্থ প্ৰকাশ

প্ৰকাশন বিভাগে অলপতে ভাৰতীয় ন্যায়িক ব্যৱস্থাৰ ক্ৰমবিৱৰ্তনৰ বিষয়ত এখন গ্ৰন্থ প্ৰকাশ কৰিছে। সংবিধান দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত ভাৰতৰ মুখ্য ন্যায়াধীশ টি এছ ঠাকুৰে কেন্দ্ৰীয় আইন আৰু ন্যায় আৰু বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী শ্ৰীৰবি শংকৰ প্ৰসাদৰ উপস্থিতিত গ্ৰন্থখন উন্মোচন কৰে। গ্ৰন্থখন কফি টেবুল গ্ৰন্থৰ ৰূপত আৰ্হি কৰা হৈছে আৰু ইয়াত প্ৰত্নতাত্বিক মূল্য সম্বলিত ভালেমান আলোক ছবি সন্নিৱিষ্ট হৈছে।

'কৰ্টছ অৱ ইণ্ডিয়া : পাষ্ট টু প্ৰেজেণ্ট'ত লিখিছে প্ৰসিদ্ধ বিচাৰক, অধিবক্তা আৰু আইনৰ পণ্ডিতসকলে। উচ্চতম ন্যায়ালয়ে গঠন কৰি দিয়া সম্পাদকীয় বৰ্ডত বিশেষজ্ঞসকলৰ নিৰ্দেশনাত ভাৰতৰ আদালতসমূহৰ ঐতিহাসিক বিৱৰ্তনৰ বিষয়ে আলোকপাত কৰা হৈছে। গ্ৰন্থখনত ভাৰতৰ বৈচিত্ৰ্যপূৰ্ণ প্ৰচলিত আদালত ব্যৱস্থা, ঐতিহাসিক উৎসৰ মানচিত্ৰ আৰু আদালতৰ বৰ্তমানৰ ব্যৱস্থাটো প্ৰতিফলিত কৰা হৈছে। কিতাপখনত ভাৰতৰ আইনৰ ইতিহাস আৰু আইনগত প্ৰতিষ্ঠানৰ এটা ৰূপৰেখা দাঙি ধৰা হৈছে। 'কৰ্টছ অৱ ইণ্ডিয়া'ই ভাৰতৰ ন্যায়িক ব্যৱস্থাটো যতদূৰ সম্ভৱ প্ৰাঞ্জল ৰূপত নাগৰিকসকলৰ লগত পৰিচয় কৰি দিব বিচাৰিছে।

প্ৰকাশন বিভাগ হ'ল ৰাষ্ট্ৰীয় গুৰুত্ব আৰু ভাৰতৰ চহকী সাংস্কৃতিক ঐতিহ্য সম্পৰ্কীয় গ্ৰন্থৰ ভাণ্ডাৰ। প্ৰকাশ আৰু বহন কৰিব পৰা মূল্যত গুণগত কিতাপ বিক্ৰীৰ জৰিয়তে তথ্যৰ প্ৰচাৰ কৰাটো হ'ল ইয়াৰ বাধ্যতামূলক কৰ্তব্য।

## স্বচ্ছ স্বস্থ সৰ্বত্ৰ প্ৰৱৰ্তন

কেন্দ্ৰীয় খোৱাপানী আৰু অনাময় আৰু কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ যুটীয়া উদ্যোগৰ স্বচ্ছ স্বস্থ সৰ্বত্ৰ' নামৰ আঁচনিখন অলপতে ৰাজধানীত প্ৰৱৰ্তন কৰা হয়। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয় আৰু মানৱ সম্পদ উন্নয়ন দপ্তৰৰ যুটীয়া উদ্যোগৰ আন এখন আঁচনি "স্বস্থ বচ্চে স্বস্থ ভাৰত"ত এই উপলক্ষে উদ্বোধন কৰা হয়।

'স্বচ্ছ স্বস্থ সৰ্বত্ৰ' হ'ল স্বচ্ছ ভাৰত অভিযান (এছ বি এম) আৰু কেন্দ্ৰীয় খোৱাপানী আৰু অনাময় আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ যুটীয়া উদ্যোগৰ কায়াকল্পৰ ভিত্তিত সুবিধা আগবঢ়োৱাৰ উদ্দেশ্যে গ্ৰহণ কৰা আঁচনি। এই আঁচনিৰ অধীনত—

(ক) খোৱাপানী আৰু অনাময় মন্ত্ৰণালয়ে ৭০০টা উন্নয়ন খণ্ড মুকলিত মলত্যাগ মুক্ত স্থান (অ' ডি এফ) হিচাপে ঘোষণা কৰিছে। অনাময় আৰু স্বাস্থ্য বিজ্ঞানৰ ওপৰত আলোকপাত কৰাৰ উদ্দেশ্যে দেশৰ মুকলিত মলত্যাগ মুক্ত উন্নয়ন খণ্ডৰ সমূহীয়া স্বাস্থ্য কেন্দ্ৰলৈ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ (এন এইছ এম)ৰ অধীনত ১০ লাখ টকা আবণ্টন কৰা হ'ব।

(খ) কায়াকল্পৰ অধীনত প্ৰতি জিলাৰ এটা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰক অনাময় আৰু স্বাস্থ্য বিজ্ঞানক সামৰি গুণগত মানত উপনীত হোৱাৰ বাবে পুৰস্কৃত কৰা হৈছে। স্বচ্ছ ভাৰত অভিযানৰ কায়াকল্পৰ অধীনত পুৰস্কাৰ লাভ কৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ থকা গাঁও পঞ্চায়তৰ নাম টুকি ৰখা হ'ব আৰু অতি সোনকালে ইয়াক মুকলি মলত্যাগ মুক্ত ঠাই হিচাপে গঢ়ি তোলাৰ বাবে বিশেষ মনোযোগ দিয়া হ'ব।

স্বচ্ছ ভাৰতৰ লক্ষ্যক একত্ৰিত কৰি স্বাস্থ্য মন্ত্ৰণালয়ে চিকিৎসালয়-যত্নৰ পৰা স্বাস্থ্য যতনলৈ পৰিৱৰ্তন, ৰোগৰ চিকিৎসাৰ পৰিবৰ্তে ৰোগ প্ৰতিৰোধৰ ওপৰত গুৰুত্ব প্ৰদান আৰু সামগ্ৰিক স্বাস্থ্যৰ উৎকৰ্ষৰ বাবে গতি কৰিব।

দেশৰ ৭০ খনতকৈ অধিক জিলাৰ ৭০০ উন্নয়ন খণ্ড আৰু ১.৩ লাখতকৈয়ো অধিক গাঁৱে এতিয়ালৈকে মুকলিত মলত্যাগ মুক্ত অঞ্চলৰ লক্ষ্যত উপনীত হৈছে আৰু বহুত গাঁও বৰ্তমান লক্ষ্যত উপনীত হোৱাৰ পথত।